

# সূত্ৰধাৰ

১-১৫ জুন □ ছয় টকা







অসমত পৰৱৰ্তী চৰকাৰ গঠন কৰিব কোনে?

সংযুক্ত চৰকাৰ, নে কোনো এটা বিশেষ দলৰ চৰকাৰ?

আঞ্চলিকতাবাদৰ অকাল-মৃত্যু অনিবাৰ্য?

# নিৰ্বাচন ১৯৯১

---

# সূত্ৰধাৰ


তৃতীয় বছৰ দশম সংখ্যা
১-১৫ জুন ১৯৯১
Vol. 3 No. 10
1-15 June 1991


## বিষয়-সূচী


সাময়িক প্ৰসংগ
শোক নকৰিব, অধিকাৰ নাই □ দুলাল বৰা ৫




## নিৰ্বাচন ১৯৯১

*[অহা ২ আৰু ৬ জুনত অনুষ্ঠিত হ'ব লগা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ সূত্ৰধাৰ 'বিশেষ নিৰ্বাচনী সংখ্যা' ৰূপে প্ৰকাশ হৈছে।]*

পাঁচ বছৰ আগেয়ে যি অগপ দলে এক নতুন ৰাজনৈতিক সংস্কৃতিৰ জন্ম দিয়াৰ প্ৰতিশ্ৰুতি লৈ চৰকাৰ গঠন কৰিছিল সেই অগপ দলটোৱে এতিয়া মূলতঃ দুটা ভাগত বিভক্ত হৈ পুনৰ নতুন প্ৰতিশ্ৰুতিৰে নতুন বেশত অৱতীৰ্ণ হৈছে। বহু আশা-আকাংক্ষাৰে শাসনৰ গাদীলৈ পঠিওৱা এইচাম ডেকা মন্ত্ৰীয়ে জনসাধাৰণক নিৰাশ কৰাই নহয় দুৰ্নীতি আৰু নীচক স্বাৰ্থপৰতাৰ পংকিলতাত নিমজ্জিত হৈ সমগ্ৰ জনসাধাৰণক প্ৰবঞ্চিতও কৰিছে।

এইবাৰ নিৰ্বাচনত জনসাধাৰণে কাক নিৰ্বাচিত কৰিব? কোন দলে চৰকাৰ গঠন কৰিব? সংযুক্ত চৰকাৰ হবনে কোনো এটা বিশেষ দলৰ চৰকাৰ গঠন হ'ব? অৱশেষ যোৱা দহ বছৰে সৰ্বভাৰতীয় দলসমূহে হেৰুওৱা স্থিতি কিছু পৰিমাণে হলেও উদ্ধাৰ কৰিবলৈ কঁকালত টঙালি বান্ধি নিৰ্বাচন যুঁজত অৱতীৰ্ণ হৈছে।

অসমৰ নিৰ্বাচনী প্ৰেক্ষাপটত কেইবাটাও সমৃদ্ধশালী লেখা আগবঢ়াইছে অসমৰ কেইবাগৰাকী আগশাৰীৰ সাংবাদিক তথা চিন্তাশীল লেখকে।


বিশেষ নিবন্ধ
ভোটাৰৰ মানসিকতা □ তুলতুল বৰুৱা ৮

নিৰ্বাচন/সাক্ষাৎকাৰ
ৰণক্ষেত্ৰত বিভিন্ন দলৰ স্থিতি আৰু সম্ভাৱনা □ যুগুত কৰিছে ভাস্কৰ জ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে ১২

নিৰ্বাচন
২, ৬ জুনৰ নিৰ্বাচন অসমৰ মানুহৰ বাবে অগ্নি পৰীক্ষা □ গিৰীশ চন্দ্ৰ শৰ্মা ২০

চুই যাও
ভোটৰ ভাবনা আৰু দুৰ্ভাবনা □ অনিল বৰুৱা ২৩

নিৰ্বাচন
আগন্তুক নিৰ্বাচন আৰু আঞ্চলিক ৰাজনীতিৰ ভৱিষ্যত □ সচ্চিদানন্দ ভৰালী ২৫

ৰাজধানী সংবাদ
নিৰ্বাচনী যুঁজ: গণ পৰিষদৰ ৰথী মহাৰথী সকল □ হৰেন বুঢ়াগোহাঁই ২৯

নিৰ্বাচন
অনিশ্চয়তাৰ চাকনৈয়াত অসমৰ আসন্ন নিৰ্বাচন □ শূল শৰ্মা ৩২

নিৰ্বাচন
নিৰ্বাচনৰ জৰিয়তে ৰাইজে প্ৰতিশোধ ল'বই □ ত্ৰিনয়ন ৩৬

নিৰ্বাচন
দিকভ্ৰান্ত ৰাজনীতি বনাম বিভ্ৰান্ত জনসাধাৰণ □ ধ্ৰুৱজ্যোতি শইকীয়া ৩৬

প্ৰলোভনৰ প্ৰচেষ্টা অব্যাহত □ নৰেণ বৰা ৩৯

নক'লে নহয়
হিতেশ্বৰ শইকীয়াৰ বিষয়ে □ অনিল বৰুৱা ৪১

বিশেষ নিবন্ধ
হাতীতকৈ মানুহ শ্ৰেষ্ঠ □ পবিত্ৰ কুমাৰ শৰ্মা ৪৪

বিশ্ববিদ্যালয়ৰ বাতৰি
আগন্তুক নিৰ্বাচন আৰু গুৱাহাটী বিশ্ববিদ্যালয় □ স্বপ্না বেজবৰুৱা ৪৬

ব্যংগ ৰচনা
অমৰাৱতী নিৰ্মাণৰ বাবে □ অৰবিন্দ বৰুৱা ৪৭

গ্ৰন্থজগত
মানুহৰ পৰিচয় আৰু উপন্যাসৰ চেতনা: ফণীন দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' □ গোবিন্দ প্ৰসাদ শৰ্মা ৪৯

সম্পাদকীয় ৭
ঘৰজেউতি ৫৩
ডিক্‌টন ৫৫
প্ৰাত্যহিক ৬১



বেটুপাত ৰূপাংকন □ চম্পক বৰবৰা
বেটুপাতৰ ফটো □ প্ৰসেনজিৎ দুৱৰা



সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ



পূৰ্বৰী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইণ্ডিয়ান প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী ১ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৬৪, ২৭৪২৩, ৩৩১১৪

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □




যিকোনো দোকানত একেই বাহিকাৰক দামত পোৱা যায়।



# শোক নকৰিবৰ, অধিকাৰ নাই



ক্ষন্তেকৰ বাবে হলেও আকৌ এবাৰ সেই চক্ৰটোৰেই জয় হ'ল। চক্ৰ মানে সেই সকল ব্যক্তি বা শক্তি, যিয়ে ভাৰতৰ ঐক্য, সংহতি আৰু স্বাধীন অগ্ৰগতিৰ বিৰুদ্ধে অহৰহ যুঁজি আছিল আৰু হয়তো ভৱিষ্যতেও থাকিব। কথাটো অৱশ্যে সঁচা যে গুপ্ত ঘাতকৰ হাতত হোৱা ৰাজীৱ গান্ধীৰ হত্যাই যিদৰে সমগ্ৰ বিশ্বত জোঁকাৰণি তুলিলে, যিদৰে সৰ্ব সাধাৰণ ভাৰতীয় ৰাইজক ক্ষুব্ধ আৰু মৰ্মাহত কৰিলে তাৰ মাজত নিজৰ জয়োল্লাস ৰাজহুৱাকৈ প্ৰকাশ কৰাৰ সাহস সেই শক্তিবোৰৰ নাই। সেইবোৰক পুতৌ কৰিও লাভ নাই। কাৰণ সেইবোৰ নপুংসক বা কাপুৰুষেই। কাপুৰুষ চক্ৰৰ বাদে আন কোনেও গুপ্ত হত্যাত লিপ্ত নহয় বা তাৰ বাবে উচটনিও দিব নোৱাৰে। কিন্তু তথাপি সেইবোৰেই আজি কিছু পৰিমাণে হলেও নিশ্চিন্ত আৰু আশ্বস্ত। কিয়নো, ৰাজীৱ হত্যাৰ পৰা সিবিলাকৰ বাদে আন কাৰোবাৰ জানো কিবা লাভ হ'ল?

দেশ বিভাজনৰ দৰে এক তীব্ৰ যন্ত্ৰণাদায়ক অভিজ্ঞতা-প্ৰসূত ভাৰতৰ স্বাধীনতাৰ পিছ-পলকতে হত্যা কৰা হৈছিল মহাত্মা গান্ধীক। দেশখনৰ স্বাধীন জয়যাত্ৰাক ছেদেলি-ভেদেলি কৰিবলৈকে যে সেই অপকৰ্ম হৈছিল সেই বিষয়ে আজি কাৰো সন্দেহ নাই। পিছত, স্বাধীন খালিস্তান সৃষ্টিত বাধা দিবলৈ গৈ, দেশৰ অখণ্ডতাৰ বাবে আপোচহীনভাৱে যুঁজি ইন্দিৰা গান্ধীয়ে প্ৰাণ হেৰুৱাইছিল। তাৰ মাত্ৰ সাত বছৰৰ পিছতেই আকৌ আহিল সেই ৰাক্ষসী মুহূৰ্ত। গণতান্ত্ৰিকভাৱে চলা ৰণ এখনত, সন্ত্ৰাসবাদ আৰু ধৰ্মীয় পুনৰুত্থানবাদৰ বিৰুদ্ধে যুঁজি থাকোতেই নিহত হ'ল, স্বাধীন ভাৰতৰ সৈতে প্ৰায় একেলগে ডাঙৰ-দীঘল হোৱা ৪৬ বছৰীয়া ৰাজীৱ গান্ধী। নিহত তিনি-গান্ধীৰ কৰ্মজীৱনত কোনোধৰণৰ ত্ৰুটি-বিচ্যুতি যে কেতিয়াও নাছিল এনে নহয়। কিন্তু দেশৰ সৈতে থকা তেওঁলোকৰ একাত্মবোধ, দেশৰ ঐক্য আৰু অখণ্ডতাৰ বাবে থকা তেওঁলোকৰ দৃঢ়তা আছিল সৰ্বপ্ৰকাৰ সন্দেহৰ ঊৰ্দ্ধত। সেই হেতুকেই তেওঁলোক কুখ্যাত চক্ৰটোৰ কবলত পৰিল।

কোনখন হাতেৰে ৰাজীৱ গান্ধীক হত্যা কৰিলে, বা কোনজনী মহিলাই মালা পিন্ধোৱাৰ ছলেৰে নিজৰ ককালত গোপনে বান্ধি অনা অত্যাধুনিক মাৰণাস্ত্ৰৰ বিস্ফোৰণ ঘটাই ৰাজীৱৰ প্ৰাণোচ্ছল জীৱনটোৰ যৱনিকা পেলালে, সেয়া হয়তো অনুসন্ধানকাৰীৰ দলে এদিন আৱিষ্কাৰ কৰিবগৈ। কোনোবাজনৰ হয়তো তাৰ বাবে শাস্তিও হবগৈ। কিন্তু সঁচা কবলৈ গলে সিবোৰৰ জানো অৰ্থ আছে? নিলগৰ পৰা নীৰৱে যিসকলে এই সমগ্ৰ কুকাণ্ড পৰিচালনা কৰিছিল আৰু যি সকলৰ কলুষিত মুখত আজি কুটিল হাঁহি বিয়পিছে, সেইসকল জানো কোনোবা কাহানি ধৰা পৰিব? ইন্দিৰা গান্ধীৰ হত্যাৰ সন্দৰ্ভত চৰকাৰী ভাবে প্ৰকাশিত হোৱা থক্কৰ আয়োগৰ প্ৰতিবেদনত অতি স্পষ্টভাৱে এক গভীৰ দেশী-বিদেশী চক্ৰান্তৰ কথা উত্থাপিত হোৱাৰ পিছতো জানো কোনোবাই সেই চক্ৰান্তকাৰী সকলৰ মুখা খোলাৰ চেষ্টা কৰিলে? বা তাৰ বাবে জানো কোনোবাই কেতিয়াবা দাবীকে তুলিলে?

ৰাজীৱ হত্যাই দেশজুৰি শোকৰ ছাঁ পেলালে। সম্ভৱতঃ প্ৰথমবাৰৰ বাবে অসমতো স্বতঃস্ফূৰ্তভাৱে সেই শোক প্ৰকাশিত হ'ল। কোনেও কোনোধৰণৰ আহ্বান নজনোৱাকৈয়ে প্ৰায়বোৰ নগৰ-চহৰৰ দোকান-পাট বন্ধ হ'ল। চহৰীয়া জীৱনৰ প্ৰাত্যাহিক ব্যস্ততা আৰু কৰ্মচাঞ্চল্য অন্ততঃ এদিনৰ বাবে হলেও আপোনা-আপুনি স্তব্ধ হৈ পৰিছিল। কিন্তু সঁচা অৰ্থত এইবোৰৰ জানো কিবা মূল্য আছে?

মূল্য নাই। কিয়নো ৰাজীৱ হত্যাৰ বাবে যিখন দেশ আতংকিত হৈ উঠিছে সেইখন দেশৰে মানুহৰ মাজত জানো হিংসাৰ নাগিনী-নৃত্য অহৰহ চলি থকা নাই? অসম্পূৰ্ণ হৈ থকা নিৰ্বাচনী যুঁজখনতে জানো খোলাখুলিভাৱে সাম্প্ৰদায়িক উন্মাদনাৰ উৎপাত বা জাত-পাতৰ অসহিষ্ণু আবেগ চলা কাৰ্য চলি থকা নাই? এইবোৰে জানো গণ্তহত্যাৰ দৰে জঘন্যতম কাৰ্যৰ বাবে প্ৰয়োজনীয় পৰিবেশত পৰিপুষ্টি যোগোৱা নাই?

ৰাজীৱ হত্যাৰ মাত্ৰ এসপ্তাহৰ আগতে শিৱসেনা নামৰ দলটোৰ নেতা বালথেকাৰেই পুণা চহৰৰ নিৰ্বাচনী সভা এখনত বক্তৃতা দিওঁতে মুকলিভাবে মহাত্মা গান্ধীৰ হত্যাকাৰী নাথুৰাম গডছেক ভূয়সী প্ৰশংসা কৰিলে। মহাত্মা গান্ধীৰ বাবে নহয়, নাথুৰামৰ বাবেহে ভাৰত গৌৰৱান্বিত বুলি নেতাজনে উচ্চস্বৰে ঘোষণা কৰিলে। ঠায়ে ঠায়ে 'নাথুৰাম গডছে জিন্দাবাদ' ধ্বনি, মহাত্মাৰ প্ৰতিমূৰ্তিবোৰ ভাঙি তাৰ ঠাইত নাথুৰামৰ প্ৰতিমূৰ্তি স্থাপনৰ দাবী নিৰ্বাচনৰ মজিয়াতে উত্থাপিত হোৱাৰ ঘটনা অপ্ৰিয় হলেও সত্য। এনেকুৱা 'শিৱসেনা' বাহিনীৰ লগতে কান্ধত কান্ধ মিলাই নিৰ্বাচনী যুঁজ চলাইছে বিজেপি দলে। বালথেকাৰেৰ মন্তব্যক গৰিহণা দিবলৈও দলটোৰ অক্ষমতা পৰিস্ফুট। দিয়েইবা কেনেকৈ? বিজেপি দলৰ নিৰ্বাচনী প্ৰচাৰৰ নায়িকা সাধ্বী ঋীথাম্ভৰাই ইখনৰ পিছত সিখন সভা কৰি ফুৰিছে, বজাৰ উপচি পৰিছে তেওঁৰ বক্তৃতাবোৰৰ কেছেটেৰে, য'ত ভাৰতৰ মুছলমান সকলক 'বাবৰৰ বাচ্চা' বুলি উল্লেখ কৰি এশিকনি দিবৰ বাবে আহ্বান জনোৱা হৈছে। এই বিজেপি দলৰ লগতে একেলগে চি পি আই আৰু চি পি এম-ৰ দৰে কমিউনিষ্ট সকলে ঢোকা দি যি ভি পি সিং-ৰ চৰকাৰ এটা নতুন দিল্লীত কিছুদিনৰ বাবে থিয় কৰাইছিল আৰু এইবাৰৰ নিৰ্বাচনতো বিজেপি বাদে বাকী সকলে যাৰ সৈতে জোট বান্ধি যুঁজ কৰি আছে, সেই ভি পি সিঙৰ দলেই দেখোন বিহাৰত মুকলিকৈ উচ্চ বৰ্ণৰ ভূমিহাৰ, ৰাজপুত, ব্ৰাহ্মণ আৰু কায়স্থ সকলক খতম কৰি দিবৰ বাবে আহ্বান জনাই আছে। এনে উদাহৰণ দেধাৰ। এইবিলাক কেৱলমাত্ৰ ভোট গোটাবৰ বাবে কৰা নিৰ্লজ্জ কেৰামতি নহয়, সমাজজীৱনত উচ্ছৃংখলতা, হিংসা, জাতি-ধৰ্ম-বৰ্ণ বিদ্বেষৰ লেলিহান জুই জ্বলোৱা উপাদানেই দেখোন এইবোৰ। কিন্তু তথাপিওটো নিৰ্বিবাদে এইবোৰ চলি আছে। ৰাজীৱ হত্যাৰ বাবে শ্ৰীলংকাৰ টাইগাৰ বাহিনীৰ (LTTE) ওপৰত বিভিন্ন মহলে সন্দেহ প্ৰকাশ কৰিছে। কিন্তু সেই বাহিনীৰ লগত লেটি-পেটি কৰি থকাৰ অভিযোগত কৰুণানিধি চৰকাৰক যেতিয়া কেন্দ্ৰীয় চৰকাৰে কিছুদিন পূৰ্বে বৰ্খাস্ত কৰিছিল, সমস্ত অকংগ্ৰেছী বিৰোধী পক্ষই প্ৰতিবাদ কৰি ভাৰত বন্ধ পালন কৰিছিল। অসম, পঞ্জাৱ আৰু জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদী সকলৰ লগত ভিন ভিন ৰাজনৈতিক দলৰ লেটি-পেটিৰ কথানো নেজানে কোনে? কিন্তু সকলোবোৰেইতো টিঘিল-ঘিলাই থাকিবলৈও সমৰ্থ হৈছে। দেশত হিংসাৰ উন্মত্ততা বৃদ্ধিৰ বাবে এই সকলোবোৰৰ কৰ্মকান্ড জানো অকণো দায়ী নহয়? আৰু এনে উন্মত্ততা দেখিও নিচাগ্ৰস্ত অলস হৈ থকা আমিবোৰো জানো দায়ী নহয়?

অত্যন্ত তিক্ত হলেও কিন্তু নিৰ্মম সত্য   যে দেশৰ ৰাজনৈতিক জীৱনত, ক্ষমতা-লালসাৰে উত্ৰাৱল সকলে দীৰ্ঘকাল জুৰি যি 'ইন্দিৰা নিপাত যাওক' বা Hate Indira প্ৰচাৰ চলাই আছিল, তাৰেই চূড়ান্ত আৰু অৱধাৰিত পৰিণতি হিচাপেই এদিন এজন আততায়ীয়ে সহজে ইন্দিৰা গান্ধীক হত্যা কৰিব পাৰিছিল। তাৰ পিছত পুনৰ তেনেবোৰ শক্তিয়েই নীতি, আদৰ্শ আৰু কৰ্মসূচীৰ নিহালি এৰি বিগত প্ৰায় পাঁচ বছৰে আক্ৰমণৰ লক্ষ্য কেৱলমাত্ৰ ৰাজীৱ গান্ধীক (তেওঁৰ দলক নহয়) কৰি লৈছিল, কংগ্ৰেছ (ই) হটাও নহয় কেৱল ৰাজীৱ হটাওৰ যি ৰাজনীতি কৰি আছিল, তাৰেই শোচনীয় পৰিণতি হিচাপে এক অখ্যাত আততায়ীৰ হাতত ৰাজীৱ গান্ধীৰো নিধন সম্ভৱপৰ হৈ উঠিল। চাপৰিলে মেঘ নেৰোৱাৰ দৰে আজি সেয়ে ভাৰতৰ কাৰো কান্ধৰ পৰা এই কলংকৰ বোজা নাতৰে।

ৰাজীৱ হত্যাৰ আঁৰত থকা হাতখন নিঃসন্দেহে ঘৃণ্যতম অপৰাধীৰ হাত। কিন্তু যিসকলে ইমানদিনে ভাৰতৰ মাটিত সংগোপনে হিংসাৰ পৰিবেশ জীপাল কৰি তুলিলে সেইসকল জানো হত্যাৰ দায়ৰ পৰা মুক্ত হ'ব পাৰিব? তেওঁলোকৰ শোক জানো আজি কুম্ভীৰাশ্ৰু নহয়?

আকৌ আমি যিসকল ভাৰতীয়ই ইমানদিনে হিংসাৰ নাগিনী-নৃত্য চাই আপোন পাহৰা হৈ থাকিলো, অহিংসাৰ ভূমিত হিংসাৰ বিৰুদ্ধে গৰ্জি উঠিব নোৱাৰিলো, সন্ত্ৰাসবাদক অস্পৃশ্য কৰি তুলিব নোৱাৰিলো, বৰ্ণবাদী আৰু সাম্প্ৰদায়িক শক্তিবোৰক এঘৰীয়া কৰিব নোৱাৰিলো, দেশৰ মাটিত থাকি বিদেশৰ দালালি কৰাবোৰক সমাজচ্যুত কৰিব নোৱাৰিলো, সেইসকল 'আমাৰ' শোকৰ জানো কিবা অৰ্থ বা মূল্য আছে? ইমানদিনে অৱলম্বন কৰা নিস্পৃহ আৰু নিৰ্লিপ্ত মানসিকতা কি ৰাজীৱ হত্যাৰ বাবে অকণো দায়ী নহয়? এনেস্থলত শোক কৰাৰ অধিকাৰেই আমাসবৰ কত?

অধিকাৰ থাকিব তেতিয়াহে, যেতিয়া আৰু যদিহে আমাৰ সমাজ জীৱনে ৰাজীৱ হত্যাৰ ঘটনাক নতুন যাত্ৰাৰম্ভৰ বিন্দুলৈ পৰিণত কৰিব পাৰে, যদিহে ক্ষমতাৰ ৰাগিত আওবাট লোৱা ৰাজনৈতিক নেতা সকলক সমাজ জীৱনৰ ধমকিয়ে সুবাট লবলৈ বাধ্য কৰাব পাৰে।

সেইবাবেই, ৰাজীৱ হত্যাৰ বাবে দেশজুৰি পালিত হোৱা জাতীয় শোকৰ মুহূৰ্তত কৰ্তব্য হৈছে, মিৰ্জা গালিবৰ ভাষাত –

"গম্ নঁহী হোঁ আজাদোঁ কো বেছ-অজ-য়ক্-নফাজ
বৰ্গ সে কৰতে হোঁ ৰোশন শাম্-এ-মাতম্খানা হাম"

–অৰ্থাৎ যিজন দূৰদৃষ্টিসম্পন্ন তেওঁতো বহু সময় শোক কৰি নেথাকে। শোকেৰে জয়াল হৈ থকা পঁজাটোত বজ্ৰপাত পৰিলেও, তাৰ সহায়তেই ঘৰটো পোহৰোৱাৰ উপস্থিত বুদ্ধি তেওঁৰ থাকিব লাগিব।

নহলে, ভাৰতৰ ঐক্য, সংহতি আৰু অখন্ডতাৰ আইগোঁসানীজনীক আৰু তেজ লাগিব। লাগিয়েই থাকিব। ঐক্য আৰু শান্তিৰ বাবে যুঁজ কৰা সকলৰ তেজ। অসংখ্যজনৰ তেজ।

**দুলাল বৰা**





# কাক ভোট দিম (২)

এইবাৰ নিৰ্বাচনৰ বতৰত এটা নতুন কথা ওলাইছে। ভোট দিবৰ সময়ত কেৱল প্ৰাৰ্থীজনৰ স্বভাৱ-চৰিত্ৰৰ প্ৰতিহে লক্ষ্য ৰাখিবা। তেওঁ কোন দলৰ প্ৰাৰ্থী সেই কথাৰ ওপৰত বেছি গুৰুত্ব নিদিবা। অগপ-ৰ অপঁইতা ডেকা ল'ৰাবোৰে যোৱা পাঁচ বছৰে ৰাইজক যি চৰম বিশ্বাসঘাতকতা কৰিলে সেই কথা মনত ৰাখিয়েই বোধহয় কিছুমান মানুহ এনে এটা সিদ্ধান্তলৈ আহিছে।

কথাষাৰ শুনিবলৈ খুব ভাল। কেৱল তথাকথিত দলীয় আদৰ্শ বা কাৰ্যসূচীৰ নামত কিছুমান অসৎ আৰু স্বাৰ্থান্ধ মানুহক বিধান সভালৈ পঠোৱাতকৈ বাছি বাছি কেইজনমান চৰিত্ৰবান আৰু বিবেকবান মানুহক ৰাইজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰাৰ প্ৰস্তাৱ নিশ্চয় বেছি সমৰ্থন যোগ্য – অন্ততঃ আদৰ্শৰ ফালৰ পৰা। কিন্তু আগ-পিছ নুগুণি এনে এটা নীতি অনুসৰণ কৰিবলৈ গলে তাৰ ফলত ভয়ংকৰ বিপদো হ'ব পাৰে। যোৱা দহটা বছৰৰ ৰক্তাক্ত অভিজ্ঞতাই অসমৰ মানুহক এই শিক্ষা দিছে যে অন্ততঃ অহা কিছুদিনৰ কাৰণে যিটো বস্তু আমাৰ সকলোৰে কাৰণে আটাইতকৈ জৰুৰী ভাবে দৰকাৰী সেইটো হ'ল এটা সুস্থিৰতাৰ পৰিবেশ। চলি থকা অৱস্থাত মটৰ গাড়ী এখনৰ ব্ৰেকে কাম নকৰা হ'লে আমি কি কৰো? গাড়ীৰ চকা দুটাৰ আগত শিল এচপৰা বা ইটা এডোখৰ দি প্ৰথমে গাড়ীখন ৰখাবলৈ আমি চেষ্টা কৰো। তাৰ পিছতহে ব্ৰেকটো ভাল কৰাৰ কথা চিন্তা কৰো। অসমৰ বৰ্তমান পৰিস্থিতিত আমাক লাগে এনে এটা সুদৃঢ় আৰু শক্তিশালী চৰকাৰ – যি চৰকাৰে ৰাজ্যখনত যোৱা পাঁচ বছৰ ধৰি বিৰাজ কৰা অৰাজকতা আৰু উচ্ছৃংখলতাৰ অবসান ঘটাই সকলো নাগৰিকৰ মনলৈ স্বস্তি আৰু নিৰাপত্তাৰ অনুভূতি ঘূৰাই আনিব পাৰে। মূল্কৰাজ আনন্দৰ সেই গল্পটো পঢ়িছেনে? এটি সৰু ল'ৰা বাপেকৰ লগত মেলা চাবলৈ গৈছিল। মেলাত বিচিত্ৰ মনোমোহা বস্তুৰ পয়োভৰ দেখি সি বলিয়াৰ নিচিনা হ'ল। যিটো বস্তুতে তাৰ চকু পৰে সেই বস্তুটোকেই তাক কিনিবলৈ লাগে। ইটো লাগে সিটো লাগে বুলি আবদাৰ কৰি সি বাপেকক অতিষ্ঠ কৰি তুলিলে। কিন্তু কোনোবা এপাকত মেলাৰ ভিৰৰ মাজত বাপেক-পুতেকৰ এৰা-এৰি হ'ল। কোনেও কাকো বিচাৰি নোপোৱা হ'ল। তেতিয়া ল'ৰাটোৱে 'দেউতা দেউতা' বুলি কান্দিবলৈ ধৰিলে। তাৰ কান্দোন শুনি মানুহবোৰে ইটো-সিটো বস্তু দি তাক নিচুকাবলৈ চেষ্টা কৰিলে। কিন্তু মাত্ৰ এক মুহূৰ্তৰ আগলৈকে যিটো ল'ৰাই মেলাৰ আটাইবোৰ বস্তু পাবৰ কাৰণে হামৰাও কাঢ়িছিল, এতিয়া তাক সেইবোৰ একোৱেই নলগা হ'ল। এতিয়া তাক লাগে একমাত্ৰ দেউতাকক। এই অকণমানি গল্পটোৰ মাজেদি জীৱনৰ এটা ডাঙৰ সত্য ফুটি উঠিছে। জীৱনত মাজে মাজে এনে একোটা পৰিস্থিতিৰ সৃষ্টি হয় যি পৰিস্থিতিত মাত্ৰ এটা বস্তুৰ প্ৰয়োজন আটাইতকৈ ডাঙৰ হৈ দেখা দিয়ে। তাৰ তুলনাত বাকী আন সকলো তুচ্ছ আৰু নগণ্য হৈ যায়। মৃত্যুমুখী ৰোগীয়ে আৰোগ্যৰ বাহিৰে আন একো কামনা নকৰে। প্ৰথমে তেওঁক লাগে বিছনাৰ পৰা উঠি বহিবলৈ শক্তি। বাকীবোৰ কথা পিছতো চিন্তা কৰা হ'ব। অসমৰো বৰ্তমান ঠিক সেই অৱস্থা। এতিয়া অসমক লাগে ৰাজ্যখনলৈ স্থিৰতা আৰু স্বাভাৱিক অৱস্থা ঘূৰাই আনিব পৰা এটা শক্তিশালী চৰকাৰ। বাকীবোৰ কথা পিছত চিন্তা কৰা হ'ব। কিন্তু ৰাইজে যদি দলৰ মুখলৈ নাচাই কেৱল প্ৰাৰ্থীৰ মুখলৈ চাই ভোট দিয়ে, তেন্তে কোনো এটা দলেই চৰকাৰ গঠন কৰিব পৰাকৈ সংখ্যা-গৰিষ্ঠতা নাপাবও পাৰে। তেনে অৱস্থাত এই শতাব্দীৰ শেষ দিন পৰ্যন্ত অসমৰ মানুহে আৰু শান্তিৰ মুখ নেদেখিব। আৰু বহুদিনলৈ অসমত চলিব কেৱল অৰাজকতাৰ ৰাজত্ব। সেই কাৰণে এনে ভাবে ভোট দিয়ক – যাতে যি কোনো এটা মাত্ৰ দলে প্ৰয়োজনীয় সংখ্যা-গৰিষ্ঠতা পাই চৰকাৰ গঠন কৰিব পাৰে। কেৱল চাব যাতে সেই দলটো অগপ বা আন তেনে কোনো আঞ্চলিক দল নহয়। অসমৰ মানুহৰ তেতিয়াহে ভুলৰ প্ৰায়শ্চিত্ত হ'ব যেতিয়া অগপ-ৰ এজন মাত্ৰ প্ৰতিনিধিও বিধান সভালৈ যাব নোৱাৰা অৱস্থা হ'ব। এই দলটোৰ অনভিজ্ঞ, অপৰিপক্ক আৰু অহংকাৰী ডেকা ল'ৰাবোৰে যোৱা পাঁচ বছৰে যি চৰম দুৰ্নীতি, স্বাৰ্থপৰতা আৰু অযোগ্যতাৰ পৰিচয় দি অসমক প্ৰায় মৰিশালিত পৰিণত কৰিলে তাৰ পিছতো যদি এই নিৰ্বাচনত তেওঁলোকৰ কোনো শাস্তি নহয়, তেনেহলে বুজিব লাগিব যে অসমৰ মানুহে স্বেচ্ছাই আত্মহত্যাৰ পথ বাছি লৈছে। আগ-পিছ নুগুণি আন্দোলনত জঁপিয়াই পৰি অসমৰ মানুহে যি ভুল কৰিছিল তাৰ ফল তেওঁলোকে ভোগ কৰিলে যোৱা দহবছৰ ধৰি। এইবাৰো যদি আগ-পিছ নুগুণি অগপ-ক বা আন যি কোনো আঞ্চলিক দলক সমৰ্থন কৰি তেওঁলোকে দ্বিতীয় বাৰ ভুল কৰে, তেন্তে তাৰ বিষময় ফল তেওঁলোকে ভোগ কৰিব লাগিব অহা দহবছৰ ধৰি।

**হোমেন বৰগোহাঞি**

# ভোটাৰৰ মানসিকতা

তুলতুল বৰুৱা

তিনিমাহমানৰ আগতে এদিন আমাৰ চুবুৰিৰে এজনে ক'লেহি, এই বেলিৰ ভোটাৰ-লিষ্টত বোলে মোৰ নামটো নাই। কথাটো শুনি মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়া নহ'ল, অৰ্থাৎ, ভাল বা বেয়া- একোৱেই নালাগিল। কথাটো সঁচা নে মিছা, তাৰো খবৰ কৰিবলৈ অন্তৰত অকণো আগ্ৰহ অনুভৱ নকৰিলো। ভাবিলো, সাম্প্ৰতিক গোলমলীয়া পৰিবেশত অসমত নিৰ্বাচন পতা সম্ভৱ নহব বুলিয়েই বোধকৰো মোৰ এনে অনাগ্ৰহ। কিন্তু, যেতিয়া অসমত নিৰ্বাচন পতাটো খাটাং হ'ল আৰু তাৰ পিছত ন-পুৰণি একুৰিমান ৰাজনৈতিক দলৰ পৰা আৰু গাইগুটীয়াকৈও সহস্ৰাধিক প্ৰাৰ্থীয়ে নিৰ্বাচনী ৰণক্ষেত্ৰত যুঁজ দিবলৈ ওলাই অহা দেখিলো, তেতিয়াও দেখোন মনৰ পৰা নিৰ্লিপ্ততাৰ ভাবটো নুগুচিল। ভাবিলো, ভোটাৰ-লিষ্টত নামটো যদি আছে, গম পামেই। কাৰণ, আমাৰ সমষ্টিটোত যুঁজিবলৈ ওলোৱা দুই ডজন প্ৰাৰ্থীৰ মাজৰ পৰা কোনোবা দুজনমানতো ভোট খুজিবলৈ আহিবই! ভোট দিওঁ নে নিদিওঁ আৰু দিলে কাক দিওঁ সেইটো বাৰু সময়ৰ মূৰকত স্থিৰ কৰিম। আৰু, লিষ্টত যদি নামটো নাই, তেনেহলেতো লেঠাই খতম্।

নিৰ্বাচনৰ প্ৰতি এনে নিৰ্লিপ্ততাই এইবেলি দেখিছো সংক্ৰামক ৰূপ ধাৰণ কৰিছে। অকল নিৰ্লিপ্ততা বা উদাসীনতাই নহয়, বহুতৰে নিৰ্বাচনৰ ওপৰত অনাস্থা উপজিছে। তেওঁলোকৰ মতে, 'লংকালৈ গ'লে প্ৰত্যেকেই ৰাৱণ হয়' বোলা কথাষাৰ আমাৰ দেশৰ ৰাজনীতিত এনেকৈ প্ৰমাণিত হৈ গৈছে যে এতিয়া আৰু কোনো দল বা ব্যক্তিক বিশ্বাস কৰি ভোট দিব নোৱাৰি। কিন্তু এইখিনিতে এটা প্ৰশ্ন উঠে। প্ৰশ্নটো হৈছে 'আমি ভোটাৰবিলাকে যাক ভোট দিওঁ, তেওঁনো নিৰ্বাচিত হলে আমাৰ কাৰণে বা দেশৰ কাৰণে কি কৰিব বুলি বিশ্বাস কৰি ভোট দিওঁ? উত্তৰত নিশ্চয় ইয়াকে কব লাগিব যে আমাৰ ভোটাৰসকলৰ শতকৰা নৱৈজনৰে এই বিষয়ে কোনো স্পষ্ট ধাৰণা নাই।

এই প্ৰসংগত এটা কথা মনত পৰিছে। ভাৰত স্বাধীন হোৱাৰ আগে আগে ১৯৪৬ চনত পতা সাধাৰণ নিৰ্বাচনৰ সময়খিনিলৈ। তেতিয়া আমাৰ ভোট দিব পৰা বয়স হোৱা

> নিৰ্বাচনৰ প্ৰতি এনে নিৰ্লিপ্ততাই এইবেলি দেখিছো সংক্ৰামক ৰূপ ধাৰণ কৰিছে। অকল নিৰ্লিপ্ততা বা উদাসীনতাই নহয়, বহুতৰে নিৰ্বাচনৰ ওপৰত অনাস্থা উপজিছে। তেওঁলোকৰ মতে, 'লংকালৈ গ'লে প্ৰত্যেকেই ৰাৱণ হয়'।



ফটো: জনসংযোগ

নাছিল যদিও নিৰ্বাচনক লৈ আমি ভালকৈয়ে মতলীয়া হৈছিলো। আমি তেতিয়া স্কুলীয়া ছাত্ৰী; ছাত্ৰ কংগ্ৰেছৰ সক্ৰিয় কৰ্মী। নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থীক জিকাবৰ কাৰণে আন বহুতৰে লগতে আমিও উঠি-পৰি লাগিছিলো। তেতিয়া কংগ্ৰেছৰ সৈতে গান্ধী-নেহৰুৰ নাম এনেভাবে সাঙোৰ খাই আছিল আৰু জনসাধাৰণৰ মনবোৰ গান্ধী-নেহৰুৱে এনেদৰে অধিকাৰ কৰি আছিল যে কংগ্ৰেছৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা অলপো কষ্টসাধ্য কাম নাছিল- বিশেষকৈ, গুৱাহাটীৰ ওচৰে-পাঁজৰে থকা যিবোৰ জনজাতীয় আৰু অজনজাতীয় গাঁৱলৈ আমি গৈছিলো, সেইবোৰ গাঁৱত অৱশ্যে, মুছলমান প্ৰধান গাঁওবোৰত কামটো সহজ নাছিল বুলি শুনিছিলো। কাৰণ, সেই সময়ত অসমতো মুছলিম লীগৰ প্ৰভাৱ কেৱল নতুনকৈ অসমলৈ অহা পমুৱাখিনিৰ ওপৰতে নহয়, অসমৰ থলুৱা মুছলমান সকলৰ ওপৰতো প্ৰবল ভাবে পৰিছিল। কংগ্ৰেছক সমৰ্থন কৰা বা জাতীয়তাবাদী মুছলমানৰ সংখ্যা তেতিয়া আঙুলি মূৰত লেখিব পৰা হৈছিলগৈ। উজনি অসমত আকৌ আহোম সভাৰ পতাকাৰ তলত আহোম সকলৰো একাংশই সাম্প্ৰদায়িক দাবী উত্থাপন কৰিছিল। সেয়ে হ'লেও আহোম সম্প্ৰদায়ৰ নেতা কৰ্মীৰে কংগ্ৰেছ ভৰি আছিল। সাম্প্ৰদায়িক আন এটা দল আছিল হিন্দু মহাসভা। সৰ্বভাৰতীয় পৰ্যায়তে ইয়াৰ সভ্য সংখ্যা সৰহ নাছিল; অসমত আছিল সেই অনুপাতে অতি তাকৰ। অসমৰ অনুসূচীত জাতিৰ মাজতো ডঃ আম্বেদকাৰৰ প্ৰভাৱ লেখত লব লগীয়া নাছিল। এনে অৱস্থাত সাম্প্ৰদায়িক ৰাজনৈতিক শক্তি হিচাপে মুছলিম লীগেই আছিল কংগ্ৰেছৰ প্ৰধান প্ৰতিপক্ষ।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত দেশ জুৰি চলা স্বাধীনতা আন্দোলনে তেতিয়া এনে এটা বাতাবৰণৰ সৃষ্টি কৰিছিল যে তাৰ মাজত ডাঙৰ দীঘল হোৱা আমাৰ লেখীয়া কিছুমানে সেই ১৩।১৪ বছৰ বয়সতে সাম্প্ৰদায়িকতাক দেশৰ ঘোৰ শত্ৰু আৰু জাতীয় ঐক্য আৰু প্ৰগতিৰ বাটত প্ৰধান প্ৰতিবন্ধক বুলি চিনিব পাৰিছিলো। সেই কাৰণেই, মুছলিম লীগৰ বিৰুদ্ধে কংগ্ৰেছৰ নিৰ্বাচনী যুদ্ধখনক আমি সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আমাৰ যুদ্ধ বুলি ধৰিছিলো। কংগ্ৰেছ তেতিয়া আছিল জাতীয় ঐক্যৰ মঞ্চ- য'ত জাতি ধৰ্ম বৰ্ণৰ ভেদভাবৰ স্থান নাছিল। কংগ্ৰেছক নিৰ্বাচনত জিকোৱাটো এই কাৰণেই আমাৰ বাবে সাময়িকভাবে জীৱনৰ একমাত্ৰ ব্ৰত যেন হৈ পৰিছিল। মুছলিম লীগে যেন কোনোপধে অসমত চৰকাৰ গঠন কৰিব নোৱাৰে, নিৰ্দলীয় সদস্য সকলক লৈ যাতে কোৱালিশন চৰকাৰো গঠন কৰিব নোৱাৰে- সেইটোৱেই আছিল আমাৰ লক্ষ্য।

এই প্ৰসংগতে আৰু এটা কথা কৈ থোৱা প্ৰয়োজন বুলি ভাবিছো। কথাটো এনেকুৱা:

হিন্দু-মুছলমানৰ সম্প্ৰীতি অসমৰ এটি পৰম্পৰাগত বৈশিষ্ট্য, যাক লৈ আমি আজিও গৰ্ব কৰি থাকো। ভাৰতৰ আন কেতবোৰ ঠাইৰ দৰে অসমৰ হিন্দু মুছলমানে কেতিয়াও মাৰপিট কটাকটি কৰা নাছিল। কিন্তু এটা সময়ত ত্ৰিশৰ দশকৰ শেষ ভাগত আৰু চল্লিশৰ দশকত মুছলিম লীগৰ নেতাসকলে তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থতে অসমৰ মুছলমান সকলকো ধৰ্মীয় আবেগত উতলা কৰি তেওঁলোকক দ্বিজাতিতত্ত্বত বিশ্বাস কৰিবলৈ আৰু পাকিস্থানৰ দাবীত সৰৱ হবলৈ উদগাইছিল। কিন্তু পিছত দেখা গ'ল যে তেওঁলোকৰ মাজলৈ সেই বিশ্বাস আহিছিল এটা ঢৌৰ দৰে আৰু সময়ত সি নিজে নিজেই মাৰ গ'ল। নহলে, ভাৰত বিভাজনৰ পিছত, দেশৰ আন আন ঠাইৰ পৰা যোৱাৰ দৰে অসমৰ পৰাও হাজাৰ-বিজাৰ মুছলমান পৰিয়াল পাকিস্থানলৈ উঠি গ'লহেঁতেন। অসমৰ পৰা বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা কেইঘৰ বা কেইজননো মুছলমান গলগৈ তাৰ হিচাপ মুখে মুখেই উলিয়াব পাৰি।

আকৌ ৪৬ চনলৈকে উভতি যাওঁ। এইবাৰ সেই নিৰ্বাচনৰ আন এটা দিশৰ কথা কব খুজিছো; যিটোৰ সৈতে মোৰ আজিৰ চিন্তা ভাবনাখিনিৰ পোনপটীয়া সম্পৰ্ক আছে। আমি কংগ্ৰেছ প্ৰাৰ্থীৰ বাবে ভোট বিচাৰি যিঁ কেইখন গাঁৱলৈ তেতিয়া গৈছিলো, সেই গাঁওকেইখন বৰ পিছপৰা আছিল। (ঠিক সিমানেই পিছপৰা কেইবাখনো গাঁও তিনি বছৰমানৰ আগতেও আকৌ দেখাৰ দুৰ্ভাগ্য ঘটিল- অন্য এটা কামত কোকৰাঝাৰৰ পৰা ধেমাজীলৈকে কেইখনমান জিলাৰ ভিতৰুৱা অঞ্চলত ঘূৰি ফুৰোতে।) তাৰ মানুহবোৰৰ বেছিভাগেই বৰ দুখীয়া, নিৰক্ষৰ আৰু হোজা। আমি কংগ্ৰেছক কিয় জিকাব লাগে, তাৰ কাৰণবোৰ ব্যাখ্যা কৰিবলৈ গৈ দেখিলো যে তেওঁলোকৰ সৰল-সহজ মনবোৰে আৰু বুদ্ধিয়ে আমাৰ যুক্তি আৰু তত্ত্ব কথাবোৰ ঢুকি নাপায়। তাকে দেখি আমাৰ লগৰে এজনী বাংগালী ভলণ্টিয়াৰে তাৰ মহিলা

> দুই চাৰিজন ভোটাৰে ভালদৰে বিচাৰ-বিবেচনা কৰি যেনিবা তেওঁলোকৰ ভোট কেইটা দিলেই; কিন্তু ঠিক একে সময়তে একে ঠাইতে আৰু হাজাৰজন ভোটাৰে নিজৰ জাতৰ বা ধৰ্মৰ, নিজৰ ভাষা-ভাষী বা অঞ্চলৰ বুলিয়েই কাৰোবাক তেওঁলোকৰ ভোট-বোৰ দি নিদিব জানো?



ফটো: পি আই বি

ভোটাৰবিলাকক এনেকৈয়ে বুজাবলৈ ধৰিলে: আইসকল, আপোনালোকে হাতীকে ভোট দিব। পঁজাঘৰত বা আন একোতে ভোট নিদিব। হাতীয়ে সেইবোৰ একে গছকতে ভাঙি পেলাব। হাতীক ভোট দিলে আপোনালোকেৰো হাতীৰ দৰে বল হব। ...... শেষত হাতীকেই জয় হৈছিল।

হাতী আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নিৰ্বাচনী প্ৰতীক। সন্দেহ নাই যে বৰদলৈদেৱ জয়যুক্ত হৈছিল তেখেতৰ নিজৰ আৰু কংগ্ৰেছৰ বিপুল জনপ্ৰিয়তাৰ কাৰণে। কিন্তু তাৰ লগতে এই কথাও ঠিক যে অসংখ্য হোজা আৰু নিৰক্ষৰ ভোটাৰে এনেবোৰ আজগুবী কথাতে পতিয়ন গৈ নিজে একো ভবা চিন্তা নকৰি নিজৰ নিজৰ ভোটবোৰ দি আহিছিলগৈ। এনেকুৱা বহুত নিৰ্বোধ মানুহৰ ভোট অকল কংগ্ৰেছেই নহয়, মুছলিম লীগ, আহোম সভা বা আন পাৰ্টিয়েও পাইছিল, নিৰ্দলীয় প্ৰাৰ্থীয়েও পাইছিল। কিন্তু গণতন্ত্ৰত এনেকুৱা এজনৰ ভোটটোৰ আৰু ডঃ বাণীকান্ত কাকতি বা কৃষ্ণকান্ত সন্দিকৈদেৱৰ দৰে পণ্ডিত ব্যক্তিৰো ভোটটোৰ মূল্য যে সমান আৰু তেনেকুৱা হাজাৰজন ভোটাৰৰ মাজত ডঃ কাকতি বা সন্দিকৈদেৱৰ দৰে পণ্ডিতহে নালাগে, সাধাৰণ ভাবে জনা-বুজা আৰু বিচাৰ-বুদ্ধি থকা মানুহো যে বিচাৰি পাবলৈ টান সেই কথাটো ভাবি চাব লগীয়া নহয়নে?

সেয়া হ'ল ১৯৪৬ চনৰ আগছোৱাৰ কথা। তাৰ ডেৰ বছৰৰ পিছতে দেশখন স্বাধীন হৈছিল। তেতিয়াৰে পৰা এতিয়ালৈকে সুদীৰ্ঘ চৌৰাল্লিশটা বছৰ পাৰ হ'ল। দহবাৰকৈ নিৰ্বাচন অনুষ্ঠিত হ'ল। কিন্তু আমাৰ ভোটাৰসকলৰ বেছি ভাগেই নিজৰ বিচাৰ বুদ্ধি খটুৱাব পৰাকৈ এতিয়াও শিক্ষিত নহ'ল। নিৰ্বাচিত প্ৰাৰ্থীসকলে, দেশৰ নেতাসকলে এইটো দিশলৈ মন কাণ নিদিলে। তাৰ সলনি ভোট সংগ্ৰহৰ নতুন নতুন কৌশল উদ্ভাৱন কৰাতহে বেছি তৎপৰতা দেখুৱালে। সাম্প্ৰদায়িকতাক নিৰ্বাচনী যুঁজৰ আহিলা হিচাপে ব্যৱহাৰ কৰাটোও তেনে এটা কৌশল। ভাৰত-বিভাজনৰ পিছত স্বাধীন ভাৰতৰ ৰাজনীতিৰ পৰা সাম্প্ৰদায়িকতাই বিদায় লব বুলি বহুতেই আশা কৰিছিল। কিন্তু কাৰ্যত দেখা গ'ল যে সি অধিক কুৎসিৎ ৰূপেৰেহে প্ৰবেশ কৰিলে। মুছলিম লীগ, হিন্দু মহাসভা, আকালি দল, শিৱসেনা আদিৰ দৰে প্ৰকাশ্যে ধৰ্মৰ নাম বা ছাপ বহণ কৰা ৰাজনৈতিক দলবোৰতো আছেই! কিন্তু আটাইতকৈ বেছি দুখৰ কথা হ'ল এই যে কংগ্ৰেছ আৰু যিবোৰ ৰাজনৈতিক দলে অহৰহ ধৰ্মনিৰপেক্ষতা, সমাজবাদ আৰু জাতীয় সংহতিৰ বুলি আওৰাই থাকে, সেই দলবোৰেও চোৰাংকৈ সাম্প্ৰদায়িকতাক উৎসাহ দিবলৈ ধৰিলে। ১৯৫২ চনত অনুষ্ঠিত স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতি পৰ্বতে ইয়াৰ আৰম্ভণি। তেতিয়াৰ পৰাই আমাৰ ৰাজনীতিত সাম্প্ৰদায়িকতাৰ পোহাৰ থন ক্ৰমে বহল হৈ আহি এতিয়া এখন বজাৰত পৰিণত হৈছে।

কেৱল ধৰ্মৰে নহয়, জাত-পাতৰ ভেটিত নিৰ্বাচনৰ প্ৰাৰ্থী থিয় কৰোৱাটো কংগ্ৰেছ আৰু অন্যান্য দলবো এটা নিয়মৰ দৰে হৈ পৰিছে। উদ্দেশ্য অনায়াসে সৰহ ভোট গোটোৱা। আমাৰ সমাজখন এতিয়াও এনে এটা স্তৰতে আছে, য'ত ধৰ্ম আৰু জাত-পাতৰ দোহাই দি মানুহৰ মন পোৱা বৰ সহজ। এনে এটা সহজ উপায় থাকোতে ভোটাৰ সকলক শিক্ষিত কৰাৰ, তেওঁলোকক ভাল-বেয়াৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিবলৈ সমৰ্থ কৰি তোলাৰ প্ৰয়োজনেই বা কি? তেনে কৰিবলৈ গলে নিৰ্বাচন খেলা ৰাজনীতিকবোৰৰ আৰু তেওঁলোকৰ পাৰ্টিৰো যে স্বাৰ্থৰ হানি নহ'ব তাৰ গেৰান্টি ক'ত? এনেকৈয়ে ৰাজনৈতিক সুবিধাবাদে দেশখনৰ মানুহবিলাকক জাতি ধৰ্ম-বৰ্ণ, তাৰ পিছত ভাষা-অঞ্চল ইত্যাদিৰ ভিত্তিত ভাগ ভাগ কৰি তেওঁলোকৰ মাজত পাৰস্পৰিক বিদ্বেষৰ বীজ ৰোপণ কৰিলে। ফলত, আমাৰ গণতান্ত্ৰিক ভেটিটোত বৰ বেয়াকৈ ফাট মেলিলে। এনে এটা অৱস্থা য'ত বিৰাজমান, তাত দুই চাৰিজন ভোটাৰে ভালদৰে বিচাৰ-বিবেচনা কৰি যোগ্যৰ তেওঁলোকৰ ভোটকেইটা দিলেই; কিন্তু ঠিক একে সময়তে একে ঠাইতে আৰু হাজাৰজন ভোটাৰে নিজৰ জাতৰ বা ধৰ্মৰ, নিজৰ ভাষা-ভাষী বা অঞ্চলৰ বুলিয়েই কাৰোবাক তেওঁলোকৰ ভোটবোৰ দি নিদিব জানো?

ভোটাৰ সকলক নিৰ্বাচনৰ আগে আগে টকা পইছা বা কানি কাপোৰ দিয়া, ভোজভাত খুওৱা– এইবোৰ হ'ল পুৰণি কৌশল। এইবোৰক মানুহে দুৰ্নীতি বুলিও নধৰা হৈছে। আজিকালি ভোটৰ বজাৰত চলিছে বৃত্তিধাৰী গুণ্ডাৰ সহায়ত বিপক্ষক ভীতি–প্ৰদৰ্শন কৰা প্ৰয়োজন হলে হত্যা কৰাৰ দৰে নৃশংস কৌশল; ছুৰি লাঠি, বন্দুকৰ জোৰেৰে 'বুথ কেপচাৰ' অৰ্থাৎ ভোট গ্ৰহণ কেন্দ্ৰ দখল কৰাৰ দৰে হীন আৰু হিংস্ৰ কৌশল অৱলম্বন কৰাৰ পৰ্ব। এনেবোৰ ঘটনাৰ কথা বাতৰিকাকতত গুলালে অতিৰঞ্জিত যেনেই লাগে। কিন্তু দূৰদৰ্শনত নলিনী সিঙে দেখুওৱা ছবি চোৱাৰ পিছততো সন্দেহৰ কোনো থলেই নাথাকিল। এই জঘন্য কাণ্ডবোৰ ব্যাপকভাবে চলি আছে উত্তৰ ভাৰতৰ অতি জনবহুল ৰাজ্য কেইখনত। তাৰ ভোটাৰবিলাকৰ কথা ভাবকচোন! তেওঁলোকৰ ওচৰত 'ভোটদানৰ স্বাধীনতা' বোলা কথাষাৰৰ কিবা অৰ্থ থাকিব পাৰেনে? কিন্তু তেওঁলোকৰ দ্বাৰাই নিৰ্বাচিত(?) প্ৰতিনিধি সকলেই জানো যোৱা পাঁচ দশক ধৰি আমাৰ ৰাষ্ট্ৰ ব্যৱস্থাত আটাইতকৈ বেছি ক্ষমতা দখল কৰি থকা নাই? তেওঁলোকেইতো সংসদতো সংখ্যা

এইবেলিৰ নিৰ্বাচনত ইন্দিৰা ঢৌ, জনতা ঢৌ বা অসম আন্দোলনৰ ঢৌৰ দৰে কোনো ঢৌ বা ৰেভ্ নাই। উত্তৰ ভাৰতৰ ৰাজ্য কেইখনমানত ডাঙৰকৈ নহ'লেও বিজেপি-ৰ ঢৌ এটা উঠিছে। তাৰো মূলতে কাম কৰিছে এটা ধৰ্মীয় আবেগে ৰাম জনমভূমিক কেন্দ্ৰ কৰি। কিন্তু আমাৰ দেশৰ কোটি কোটি দেশবাসীৰ কাৰণে এইটো কোনো 'ইছ্যু' নহয়;



গৰিষ্ঠতাৰ বলেৰে দেশৰ ভাগ্য নিৰ্ণয় কৰাতো প্ৰধান ভূমিকা লৈ আহিছে আৰু ইয়ানৰ পিছতো আমি আমাৰ গণতন্ত্ৰৰ জয়গান গাই নিশ্চিন্ত হৈ থাকিব পাৰিছো।

আমাৰ নিজ ৰাজ্য অসমত ভাগ্যক্ৰমে ভোটাৰসকল এতিয়াও এনে সন্ত্ৰাসৰ কবলত পৰিব লগীয়া হোৱা নাই। কিন্তু অসমতো এচাম ডেকাই ৰাজনৈতিক উদ্দেশ্যত যোৱা কিছুবছৰৰ পৰা গুলি বাৰুদ বন্দুক ব্যৱহাৰ কৰিবলৈ লৈছে; 'অসমৰ শত্ৰু' বুলি ভালেমান মানুহক হত্যা কৰিছে। কিন্তু তেওঁলোকে অৰ্থাৎ আলফাই যুগুত কৰা 'অসমৰ শত্ৰু'ৰ তালিকাত মানবেন্দ্ৰ শৰ্মা আৰু প্ৰদীপ শইকীয়াকে ধৰি ভালেমান নিৰপৰাধ মানুহৰ নামো সোমাল। সৰ্বসাধাৰণৰ মাজত মানবেন্দ্ৰ শৰ্মা ৰাজনীতিক বুলি নহয়, এজন অমায়িক, ভদ্ৰ, নিৰহংকাৰী, বন্ধুবৎসল আৰু পৰোপকাৰী সমাজসেৱী হিচাপেহে বেছি পৰিগণিত। প্ৰদীপ শইকীয়া এজন কৰ্মঠ, কৰ্তব্যপৰায়ণ ডেকা ইঞ্জিনিয়াৰ। যদি কংগ্ৰেছ (আই)ৰ মানুহ বুলি মানবেন্দ্ৰ শৰ্মাক আৰু হিতেশ্বৰ শইকীয়াৰ ভতিজাক বুলি প্ৰদীপ শইকীয়াক হত্যা কৰা হ'ল, তেন্তে আলফাই গণতন্ত্ৰকে হত্যা কৰিছে বুলি কব লাগিব। আৰু সেই গণতন্ত্ৰৰ হত্যাকাৰী আলফাকে সমৰ্থন কৰা বহুত মানুহেও এই নিৰ্বাচনত ভোট দি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। সৌভাগ্যক্ৰমে আকৌ অহা নিৰ্বাচনত আলফাই কোনো প্ৰকাৰৰ হস্তক্ষেপ নকৰে বুলি আগতীয়াকৈ ঘোষণা নকৰা হ'লে গণতন্ত্ৰত বিশ্বাস কৰা বহুত ভোটাৰেও প্ৰাণ হেৰুৱাৰ ভয়তে ভোট নিদিয়াকৈ থাকিলেহেঁতেন।

প্ৰাৰ্থী নিৰ্বাচনৰ বেলিকা আমাৰ ভোটাৰ বিলাকৰ এক বৃহৎ অংশ ঘাইকৈ স্বজন, স্বজাতি, স্বধৰ্ম বা স্বভাষাপ্ৰীতিৰ দ্বাৰা প্ৰভাৱিত হয়। গাঁওবাসী দুখীয়া মাটিহীন খেতিয়ক শ্ৰেণীৰ ভোটাৰসকলৰ ক্ষেত্ৰত সামন্তযুগীয়া আনুগত্যৰো এটা ভূমিকা থাকে। তদুপৰি, প্ৰচুৰ অৰ্থৰ বিনিময়ত ৰাজনৈতিক দলবোৰৰ বা দালালগিৰি কৰা চতুৰ মানুহ কিছুমানৰ কোনো প্ৰাৰ্থীৰো বুজনিত ভোল গৈ একোটা চুবুৰীৰ বা একোখন গাঁৱৰ আটাইবোৰ ভোটাৰে একোজন প্ৰাৰ্থীকে সমূহীয়াকৈ ভোট দিয়াৰ উদাহৰণো অলেখ আছে। মহিলা ভোটাৰসকলৰ আকৌ শতকৰা ৯০ গৰাকীতকৈও অধিক সংখ্যক ভোট দিয়ে তেওঁলোকৰ পৰিয়ালৰ পুৰুষসকলৰ নিৰ্দেশ মতে। আৰু কিছুমান অনিয়ম এতিয়া প্ৰায় নিয়মৰ দৰে হৈ পৰিছে। যেনে ধৰক ১৮ বছৰতকৈ (আগতে ২১ বছৰতকৈ) কম



বয়সৰ ল'ৰা-ছোৱালীৰ নাম ভোটাৰ লিষ্টত ভৰাই তেওঁলোকৰ হতুৱাই ভোট দিওৱা, মৃত বা অনুপস্থিত ব্যক্তিৰ নামত ভোট দিওৱা ইত্যাদি। ৮৫- চনৰ নিৰ্বাচনত অত্যুৎসাহী ল'ৰা-ছোৱালী কিছুমানে তেনেকৈ ভোট দি নিজকে অসম প্ৰেমী বুলি জাহোৱা দেখিছিলো আৰু দেখিছিলো এগৰাকী ত্ৰিশ বছৰীয়া মাক আৰু তেওঁৰ এঘৈকেশ (?) বছৰীয়া জীয়েকক একেলগে ভোট দিবলৈ যোৱা এইবোৰ কাম নকৰা হলেও, অসম গণ পৰিষদ সেইবুলি জিকিলেহেঁতেন। অগপ-ক জিকাবৰ বাবে বিদেশী খেদা আন্দোলনৰ ঢৌটোৱেই দেখোন যথেষ্ট আছিল।

এষাৰ কথা প্ৰায়েই কোৱা হয় যে গণতন্ত্ৰৰ চৰম পৰীক্ষা হয় নিৰ্বাচনত আৰু ভাৰত বাৰে বাৰে এই পৰীক্ষাত উত্তীৰ্ণ হৈ আহিছে। ১৯৭৭ চনৰ লোক সভাৰ নিৰ্বাচনত জনতা পাৰ্টিৰ জয় আৰু ১৯৮৫ চনৰ অসমৰ বিধান সভাৰ নিৰ্বাচনত অসম গণ পৰিষদৰ জয়ক তাৰ উজ্জ্বল দৃষ্টান্ত হিচাপে দাঙি ধৰা হয়। ৭৭ চনৰ নিৰ্বাচনী যুদ্ধক জৰুৰীকালীন অৱস্থাত ইন্দিৰা গান্ধীৰ চৰকাৰে দেশত চলোৱা স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে জেহাদ বুলি কোৱা হৈছিল। কিন্তু দেশখনৰ কোটি কোটি দৰিদ্ৰ ভোটাৰে ইন্দিৰাৰ স্বেচ্ছাচাৰী শাসনৰ কথানো কিটো বুজে? তেওঁলোকে যুগ যুগ ধৰি ক্ষমতাবানৰ স্বেচ্ছাচাৰিতাৰ বলি হৈ আহিছে। সেই কাৰণে তেওঁলোকক বুজোৱা হল যে ইন্দিৰা চৰকাৰে পৰিয়াল পৰিকল্পনাৰ আঁচনিৰ যোগেদি তেওঁলোকক নিৰংশ কৰিব খুজিছে। দাৰিদ্ৰ্যক নহয়, দৰিদ্ৰক শেষ কৰি দিবলৈ চৰকাৰ উঠি পৰি লাগিছে। এই এটা মাত্ৰ কথাই ইন্দিৰা কংগ্ৰেছক শোচনীয় ভাবে হৰুৱাই জনতা পাৰ্টিক ক্ষমতালৈ অনাত কিমান ডাঙৰ ভূমিকা ললে, সেই কথা আজি সকলোৱে জানে। অথচ, তেতিয়া ইন্দিৰা চৰকাৰক ক্ষমতাচ্যুত কৰিবৰ বাবে ভোটাৰসকলক বুজাবলৈ বহুতো ন্যায়সংগত যুক্তি আছিল! ৮৫ চনত অসম গণ পৰিষদ বিপুল ভোটত জয়যুক্ত হোৱাৰ কাৰণটো আগতেই উল্লেখ কৰি আহিছো। আমাৰ ভোটাৰ সকলে ভোট দিবৰ পৰত নিজৰ বিচাৰ বিবেচনা আৰু যুক্তিতকৈ যে আবেগকহে বেছি প্ৰাধান্য দিয়ে ছলাহি কথাত প্ৰায় ভোল যায় তাৰ প্ৰমাণ এই দুটা নিৰ্বাচনতে আমি পালো আৰু ফলাফলো নিজ চকুৰে দেখিলো।

এইবেলিৰ নিৰ্বাচনত ইন্দিৰা ঢৌ, জনতা ঢৌ বা অসম আন্দোলনৰ ঢৌৰ দৰে কোনো ঢৌ বা ৰেভ্ নাই। উত্তৰ ভাৰতৰ ৰাজ্য কেইখনমানত ডাঙৰকৈ নহ'লেও বিজেপি-ৰ ঢৌ এটা উঠিছে। তাৰো মূলতে কাম কৰিছে এটা ধৰ্মীয় আবেগে ৰাম জনমভূমিক কেন্দ্ৰ কৰি। কিন্তু আমাৰ দেশৰ কোটি কোটি দেশবাসীৰ কাৰণে এইটো কোনো 'ইছ্যু' নহয়; আচল 'ইছ্যু' হব লাগিছিল অৰ্থনৈতিক। অৰ্থনৈতিক সমস্যাৰ্ত আজি আমাৰ দেশখন জৰ্জৰিত। বয়বস্তুৰ দাম হু হু কৈ বাঢ়িছে; জনসংখ্যা বাঢ়িছে- সেই অনুপাতে কৃষি উদ্যোগৰ উৎপাদন বঢ়া নাই; কৰ্ম সংস্থানৰ ব্যৱস্থা হোৱা নাই; দেশৰ সম্পদখিনি আৰু সা-সুবিধাবোৰ ভোগ কৰিছে এমুঠিমান সুবিধাবাদী আৰু সুবিধাভোগী মানুহে, বঞ্চিতসকল আৰু বেছি বঞ্চিত হৈ গৈ আছে। অতি জৰুৰী এই 'ইছ্যু'বোৰক নিৰ্বাচনৰ সময়ত গুৰুত্ব দিয়া নহয়। ৰাজনৈতিক দলবোৰৰ নিৰ্বাচনী ইস্তাহাৰত আৰু প্ৰাৰ্থীবোৰৰ গোহাৰি পত্ৰত অৱশ্যে এইবোৰ কথাৰ উল্লেখ থাকে আৰু থাকে দাৰিদ্ৰ্য, নিৰক্ষৰতা, নিবনুৱা সমস্যা আদি দূৰীকৰণৰো প্ৰতিশ্ৰুতি। সাম্প্ৰদায়িক ঐক্য আৰু জাতীয় সংহতিৰ কথাও আটায়ে কয়। কিন্তু এই ইস্তাহাৰ বা গোহাৰি পত্ৰবোৰ পঢ়ি চাই কোনে? দেশৰ অধিকাংশ ভোটাৰেই দেখোন পঢ়িব লিখিব নাজানে! আৰু জনাবোৰৰো নো কিমানে নীতি বা আদৰ্শৰ কাৰণে ভোট দিয়ে? নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ প্ৰাৰ্থীবোৰে দিব লাগে কাৰণে দিয়ে। ভোটাৰ বিলাকেও সেইবোৰ বিশ্বাস নকৰে। তেওঁলোকে ভোট দিয়ে ঘাইকৈ আবেগৰ দ্বাৰা পৰিচালিত হৈ। কিছুমানে দিয়ে ব্যক্তিগত স্বাৰ্থৰ কথা ভাবি।

আৰু এটা কথা মন কৰিব লগীয়া। আমাৰ নগৰবোৰৰ আৰু গাঁৱৰো সুবিধাভোগী মানুহখিনিয়ে নিৰ্বাচনত যাকেই ভোট নিদিয়ক লাগিলে, নিৰ্বাচনৰ পিছত যি দল ক্ষমতালৈ আহে, তাৰ লগতে মিতিৰালি পাতি অধিক সুবিধা আদায় কৰি লবই। এইদৰেই এওঁলোকে দেশত এতিয়ালৈকে কৃষি-বাণিজ্য-উদ্যোগ, শিক্ষা-চিকিৎসা, বিজ্ঞান-প্ৰযুক্তি, ক্ৰীড়া আদিৰ ক্ষেত্ৰত যিখিনি উন্নতি হৈছে, তাৰ সিংহভাগ ভোগ কৰিবলৈ পাইছে। মুঠতে, নিৰ্বাচনী প্ৰক্ৰিয়াটোৱে দেশৰ সমূহ ৰাইজৰ প্ৰকৃত সমস্যাবোৰ সমাধান কৰাতকৈ সমস্যা বঢ়াইছেহে আৰু গণতন্ত্ৰক পৰিণত কৰিছে এক প্ৰহসনত।

আমাৰ এই আলোচনা-সমালোচনাক বহুতেই হয়তো নেতিবাচক বুলি নাক কোঁচাব। কিন্তু এবাৰ ভালকৈ ভাবি চালেই যি কোনো মানুহে বুজিব যে এইবোৰ মনে সজা কথা নহয়, বাস্তৱ সত্য। আৰু কথাবোৰ মই নতুনকৈও কোৱা নাই। আগতেও বাতৰিকাকত আলোচনী আৰু বিভিন্ন মঞ্চত বহুতো বিজ্ঞ লোকে এনেকুৱা কথা কৈ আহিছে। কিন্তু অৱস্থাৰহে একো পৰিবৰ্তন ঘটা নাই। বৰঞ্চ, বেয়াৰ পৰা বেছি বেয়াৰ পিনেহে ই গতি কৰিছে।

এইবেলিৰ নিৰ্বাচন যে গোটেই দেশতে হাজাৰে-বিজাৰে প্ৰাৰ্থী থিয় হৈছে, সঁচাকৈয়ে তেওঁলোকে দেশৰ সেৱা কৰিব খুজিছে বুলি আমি বিশ্বাস কৰোনে? এইবাৰ প্ৰথমবাৰৰ কাৰণে ভোট দিবলৈ অধিকাৰ পোৱা মোৰ ২৩ বছৰীয়া ভতিজা এটাই কবৰ দৰে তেওঁলোকে 'ডকাইতি কৰিবলৈ লাইচেন্স' বিচৰা নাইতো? অলপদিনীয়া অভিজ্ঞতাৰ পৰা সি যি দেখিছে, যি বুজিছে, তাকে কৈছে। আমিও সেইদৰে বহুদিনীয়া অভিজ্ঞতাৰ পৰা যি দেখিছো, যি বুজিছো, তাকে কৈছো। কিন্তু কথা হল যে সুবিধাবাদী ৰাজনীতিকবোৰক এনেকৈ ক্ষমতা দখল কৰিবলৈ বা ডকাইতি কৰিবলৈ আমি আৰু কিমান দিনলৈকে সুবিধা দি থাকিম? আমি ভোটাৰ সকলে কেতিয়া আমাৰ বিচাৰবুদ্ধিক কামত লগাবলৈ শিকিম? কেতিয়াকৈ আমি বুজিম যে আমাৰ ভোটবোৰেৰে আমি আমাৰ উন্নতিৰ, আমাৰ সুখ-শান্তি সমৃদ্ধিৰ নিশ্চয়তাৰ কাৰণেহে ব্যৱস্থা কৰিব লাগে?

ভোটাৰসকলক শিক্ষিত কৰিবলৈ, তেওঁলোকক সচেতন কৰিবলৈ কি ব্যৱস্থা কৰিব লাগে, সেই কথা জনা মানুহ আমাৰ মাজত আছে। অৰ্থনীতি, ৰাজনীতি আৰু সমাজ বিজ্ঞানৰ বিশেষজ্ঞ সকলে এই বিষয়ত লাগতিয়াল দিহা-পৰামৰ্শ দিব পাৰে। সমাজসেৱী অনুষ্ঠানবোৰে গা-লাগি আমাৰ ভোটাৰসকলক কথাবোৰ বুজাব পাৰে। কিন্তু এনেবোৰ ব্যক্তি আৰু অনুষ্ঠানে 'ৰাজনীতিৰ ক্ষেত্ৰখন লেতেৰা' বুলি দেশৰ বাবে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ এই নিৰ্বাচনী প্ৰক্ৰিয়াটোৰ পৰা আঁতৰত থাকে। ফলত, চতুৰ ৰাজনীতিকবোৰে আৰু বেছি সুবিধা লৈ ৰাজনীতিক আৰু দেশখনকো আৰু বেছি লেতেৰা কৰিব পাৰিছে। গতিকে, জনা-বুজা সকলো মানুহেই এইবোৰ কথাত ভাগ লবৰ হল, নজনাবোৰক বুজোৱাৰো দায়িত্ব লবৰ হল। দেশখন আমাৰ সকলোৰে, কেইজনমান ৰাজনীতিকৰ আচুতীয়া সম্পত্তি নহয়। কেৱল নিৰ্বাচনৰ সময়তে নহয়, বাকী সময়ছোৱাতো আমি এই কথাবোৰ চিন্তা কৰিব লাগিব। ভোটাৰক শিক্ষিত কৰাৰ প্ৰক্ৰিয়াটো শুৰু কৰিব লাগিব। বিশ্বৰ বৃহত্তম গণতন্ত্ৰ ভাৰতক বিশ্বৰ মহত্তম গণতন্ত্ৰত পৰিণত কৰাৰ দায়িত্ব আমাৰ সকলোৰে।

## আশা, প্ৰতিশ্ৰুতি, হতাশা আৰু উদাসীনতাৰে ভাৱাক্ৰান্ত ৰাজ্যৰ নিৰ্বাচনী প্ৰেক্ষাপটঃ বিভ্ৰান্ত জনগণ

# ৰণক্ষেত্ৰত বিভিন্ন দলৰ স্থিতি আৰু সম্ভাৱনা

“অসমৰ সাম্প্ৰতিক নিৰ্বাচনটোত কোন দল বা মৰ্চাই সংখ্যাগৰিষ্ঠতা পাব, এই দল সমূহৰ জয় লাভৰ ভিত্তি আৰু সম্ভাৱনা কি আৰু নিৰ্বাচনত জয় লাভ কৰি চৰকাৰ গঠন কৰিলে ৰাজ্যখনৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে প্ৰধান কৰণীয় কি হব–এই দিশ সমূহ সামৰি অসমৰ পাঁচটা প্ৰধান ৰাজনৈতিক দলৰ মূৰব্বী সকলৰ সৈতে হোৱা আচুতীয়া সাক্ষাৎকাৰৰ ভিত্তিত এই পৰ্যালোচনাটি সূত্ৰধাৰৰ পাঠকৰ বাবে যুগুত কৰিলে শ্ৰীভাস্কৰজ্যোতি বৰা আৰু শ্ৰীপাৰ্থপ্ৰতিম দাসে।”

এতিয়া নিৰ্বাচনৰ বতৰ। চৌদিশে উৎকণ্ঠা আৰু উখল-মাখল। ৰাজ্যৰ ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণৰ সময়। চাৰিও ফালে অগতানুগতিক ব্যস্ততা। বক্তৃতা, দেৱাল লিখন, প্ৰতিশ্ৰুতিৰ ফুলজাৰি। কাকতে-পত্ৰই নিৰ্বাচনী ইস্তাহাৰ। চৰকাৰী-বেচৰকাৰী প্ৰচাৰ মাধ্যমত সঘনাই প্ৰকাশিত খবৰ সমূহৰ নমুনা এনে ধৰণৰ:

“কংগ্ৰেছ-ই আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ সমৰ্থকৰ মাজত হোৱা সংঘৰ্ষত ১০ জন নিহত, বিহাৰত প্ৰাক নিৰ্বাচনী সংঘৰ্ষত ১৮ জন লোকৰ মৃত্যু, কমিউনিষ্ট শাসিত পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰত দাংগা-হাংগামা, প্ৰচাৰ অভিযানত চিত্ৰ-তাৰকাৰ অভিনৱ অনুষ্ঠান। নিৰ্বাচনী আকাশত ৰঙীন বেলুন। নিৰ্বাচনী আয়োগে নিৰ্দিষ্ট কৰি দিয়া নীতি-নিয়ম উলংঘা কৰি বিভিন্ন দলৰ নিৰ্ধাৰিত পৰিমাণতকৈ চাৰিগুণ নিৰ্বাচনী ব্যয় ইত্যাদি।”

এনে এক ভয়াবহ পৰিস্থিতিৰ মাজত গণতান্ত্ৰিক প্ৰমূল্য সমূহ জীয়াই ৰখাৰ প্ৰায় শেষ চেষ্টাত পুনৰ সংসদীয় গণতন্ত্ৰৰ গণ্ডীতে থাকি দেশৰ জনগণৰ ভাগ্য পৰীক্ষা। ভেটি হব, নতুন চৰকাৰ হব– বহু কিবা-কিবি হব, স্বাধীনোত্তৰ দেশত সুখৰ প্লাবন ঘটিব।

সমগ্ৰ দেশৰ লগতে একে লগে নহ'লেও অহা ৬ আৰু ৮ জুনত অসমৰ ১৪ খন লোক সভা আৰু অসম বিধান সভাৰ ১২৫ খন আসনৰ বাবে অসমতো নিৰ্বাচন হব। লোক সভাৰ আসনৰ বাবে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা ১৬৪ জন আৰু বিধান সভাৰ ১৬৬১ জন। সৰ্বভাৰতীয় দলৰ লগতে অসংখ্য আঞ্চলিক দল, অসংখ্য নিৰ্দলীয় প্ৰাৰ্থী।

যিবোৰ মানুহে অগপ-ক দেৱতাৰ দৰে পূজা কৰিছিল তেওঁলোকেও স্বীকাৰ কৰিছে এই চৰকাৰৰ পাঁচ বছৰীয়া শাসনকালত অসম অৰ্থনৈতিক আৰু সাংস্কৃতিক ভাবে আৰু এযুগ পিছুৱাই গল। ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ কথাটো বাদেই দিল্লীৰ বিৰুদ্ধে শোষণ আৰু বৈষম্যৰ অভিযোগ তোলা প্ৰফুল্ল মহন্তৰ বিৰুদ্ধেও আবছু, এ এচ ডি চি আদিৰ একেই অভিযোগ। মোহ ভংগই গ্ৰাস কৰি পেলোৱা ডেকা চামৰ একাংশ আদৰ্শবাদী মনে হতাশাগ্ৰস্ত হৈ হাতত তুলি লৈছে অস্ত্ৰ।

কিন্তু অতি আশ্বৰ্যজনক আৰু হাস্যাস্পদ ভাবে এই নিৰ্বাচনটো অগপ দলে নিজৰ নিৰ্বাচনী ইস্তাহাৰত অসম চুক্তি ৰূপায়ণ, ক্ষমতা বিকেন্দ্ৰীকৰণ আদিৰ দৰে কিছুমান তথাকথিত সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি সাঙুৰিছে। অসমক ধাৰৰ পৰা মুক্ত কৰিলে বুলি দাবী কৰা এই চৰকাৰৰ বিৰুদ্ধেই আকৌ প্ৰতিপক্ষৰ অভিযোগ, ক্ষমতালৈ আহিয়েই তেওঁলোকে প্ৰায় ৰাজকোষ উদং কৰিলে।

এচামে আকৌ এই দলতে থাকি পাঁচ বছৰে ঘিউ-মৌ-মাখন একেলগে খাই ৰাষ্ট্ৰপতি শাসন জাৰি হোৱাৰ পাছত দলৰ নেতৃত্বৰ ওপৰত অনাস্থা আনি গঠন কৰিছে নতুন অগপ। নীতিগত আৰু আদৰ্শৰ ফালৰ পৰা এই দল অতি দুৰ্বল কিয়নো এওঁলোকে পদত্যাগ কৰাৰ আগতেই এওঁলোক অগপ-ৰ পৰা বহিষ্কৃত হৈছিল। পুৰণি দলটোৰ প্ৰতীক আৰু পতাকাও এওঁলোকে দাবী কৰা সত্বেও নাপালে। এই দলটোৰ ইস্তাহাৰত অগপ-তকৈ বিশেষ নতুনত্ব নাই যদিও এওঁলোকে ধৰ্ম, ভাষা নিৰ্বিশেষে শান্তি-সম্প্ৰীতিৰ কথা কৈছে আৰু অগপ (মহন্তৰ)-ই দাবী কৰা ভালেখিনিৰ ভাগ দাবী কৰে, কিন্তু দোষৰ সিংহ ভাগ প্ৰফুল্ল মহন্তক দিয়ে।

অসমৰ জনসাধাৰণৰ পৰা প্ৰায় এটা দশক বিচ্ছিন্ন হৈ থকা কংগ্ৰেছ (ই) দল এইবাৰ নতুন উদ্যমেৰে নিৰ্বাচনত নামিছে। এই দলৰ প্ৰচাৰ অভিযান জাকজমক নহয় যদিও বহু শিবিৰত বিভাজিত আঞ্চলিক ৰাজনীতিৰ বৰ্তমানৰ দুৰ্বলতা হেতুকে এই দল ফাঁকেদি সৰকি যোৱাৰ আশাৰে আশান্বিত। এই দলৰ প্ৰধান শ্লোগান শান্তি, সুস্থিৰতা আৰু কৰ্মসংস্থাপন। চাহ বনুৱা, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুৰ অক্ষত ভোট পকেটবোৰে এই দলৰ দৃঢ় সম্ভাৱনাৰ ভেটি স্বৰূপ। কিন্তু অসমৰ বিশেষকৈ অসমীয়া জনজীৱনৰ সংকটৰ সময়ত লোৱা কিছু অদূৰদৰ্শী ভূমিকাৰ অভিযোগ এই দলৰ বাবে আসন্ন নিৰ্বাচনত আস্থা লাভ কৰিবলৈ যোৱাৰ পথত প্ৰধান অন্তৰায় স্বৰূপ!

জনতা দল আৰু বাওঁ গণতান্ত্ৰিক মৰ্চাৰ (জনতা, কংগ্ৰেছ-এছ, চি পি এম, আৰ চি পি আই) বক্তব্যত এই কথা স্পষ্ট যে দেশৰ অন্ন-বস্ত্ৰ বাসস্থানৰ সমস্যা সমাধান কৰিব লাগে, নিবনুৱা সমস্যা দূৰ কৰি, সামাজিক শান্তি স্থাপনৰ দ্বাৰা পাৰস্পৰিক সহযোগিতাৰে দাৰিদ্ৰ মোচন কৰি দেশৰ অৰ্থনীতিক গণমুখী কৰি তুলিব লাগে। কিন্তু এওঁলোকৰ প্ৰধান দুৰ্বলতা হ'ল– ৰাজনৈতিক সুস্থিৰতা প্ৰদানত ব্যৰ্থতা আৰু সবল নেতৃত্বৰ অভাৱ। প্ৰথাগত ভাবে পুৰণি বাওঁপন্থী আন্দোলনৰ বিফলতাও এওঁলোকৰ সম্ভাৱনাৰ পথত প্ৰধান অন্তৰায়।

বিজেপিয়ে ৰাম' চৰিত্ৰৰ ইমেজেৰে অসমৰ ৰাজনৈতিক ক্ষেত্ৰত এতিয়াও বিশেষভাবে গা কৰি উঠিব পৰা নাই আৰু ৰাজ্যখনত এই দলৰ সাংগঠনিক ভেটিও সিমান সবল নহয়। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত থকা বৈচিত্ৰ্যৰ বাবে বিজেপিৰ বাবে ধৰ্ম বা ৰাষ্ট্ৰীয়তাৰ ভিত্তিত অসমত গা কৰি উঠা সম্ভৱপৰ নহব- তাতে যি সময়ত ভাৰতীয় ৰাষ্ট্ৰীয়তাৰ বিৰুদ্ধে ৰাজ্যখনত স্বনিয়ন্ত্ৰণৰ আন্দোলন আদিয়ে মূৰ দাঙি উঠিছে। এই বিলাকৰ লগতে আছে ৰাজ্যত নতুনকৈ জন্ম লাভ কৰা প্ৰায় একুৰিমান আঞ্চলিক দল। ৰাস্তাই-পদূলিয়ে ৩০-৪০ জনমান মানুহ গোট খাইয়ো আঞ্চলিক দলৰ জন্ম হৈছে আৰু পঞ্জীয়নৰ বাবে আবেদন কৰিয়েই বিক্ষিপ্ত আৰু অসংগঠিত ভাবে

◆

“যিবোৰ মানুহে অগপ-ক দেৱতাৰ দৰে পূজা কৰিছিল তেওঁলোকেও স্বীকাৰ কৰিছে এই চৰকাৰৰ প্ৰায় পাঁচ বছৰীয়া শাসনকালত অসম অৰ্থনৈতিক আৰু সাংস্কৃতিক ভাবে অধিক এযুগ পিছুৱাই গ'ল। ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ কথাটো বাদেই দিল্লীৰ বিৰুদ্ধে শোষণ আৰু বৈষম্যৰ অভিযোগ তোলা প্ৰফুল্ল মহন্তৰ বিৰুদ্ধেও আবছু, এ এচ ডি চি আদিৰ একেই অভিযোগ।”

◆

নিৰ্বাচনত জঁপিয়াই পৰিছে। কিন্তু এই দল সমূহৰ ক্ষেত্ৰত থকা প্ৰধান সমস্যা হৈছে যে তেওঁলোকৰ কোনো স্পষ্ট আদৰ্শগত ভেটি যেন নাই, প্ৰত্যেকেই প্ৰায় একেখিনি কথাকেই কয় “স্বায়ত্ত শাসন লাগে–দিল্লীৰ শোষণ বন্ধ কৰিব লাগে” ইত্যাদি। নিৰ্বাচনত কিহৰ ভিত্তিত জয় লাভ কৰিব, জিকিলে কি কৰিব, কেনেকৈ এখন চৰকাৰ চলাব আদি কথাতকৈ তেওঁলোক ৰাইজৰ মাজত বৰ্তমান কিমান জনপ্ৰিয় তাকেই জুখিবলৈহে বেছি আগ্ৰহী যেন বোধ হয়। এই দলসমূহৰ নামবোৰো প্ৰায় একেধৰণৰ, বিভ্ৰান্তিৰ সৃষ্টি কৰিব পৰা বিধৰ।

এইবোৰৰ উপৰিও আছে অসংখ্য নিৰ্দলীয় প্ৰাৰ্থী। অদ্ভূত কিবা এটা জেদতহে যেন নিৰ্বাচনত নামিছে তেনে এক মনোভাবেৰে নিৰ্বাচনী আয়োগৰ প্ৰধান তালিকাত থকা ৰেলগাড়ীৰ পৰা বাদ্যযন্ত্ৰ তলা-ছাবিৰ প্ৰতীক চিহ্নলৈকে লৈ এওঁলোকে নিৰ্বাচনত নামিছে। এইসকলৰ মাজত বহুতো গুণী-জ্ঞানী শিক্ষাবিদ, বুদ্ধিজীৱীও আছে। আনকি কংগ্ৰেছ বা গণ পৰিষদৰ টিকট নোপোৱা লোকো আছে। এওঁলোকে কোনো সুসংহত প্ৰচাৰ মাধ্যম ব্যৱহাৰ নকৰি বা কৰিবলৈ সুবিধা নাপাই কেৱল প'ষ্টাৰ-বেনাৰ আদিৰেই প্ৰচাৰ কাৰ্য চলাইছে বাবে জনসাধাৰণৰ বাবে (ব্যক্তিগত চিনাকিৰ বাহিৰে) এওঁলোকক চিনাক্ত কৰাটো স্বাভাৱিকতে বৰ কষ্টসাধ্য হব।

ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত প্ৰচণ্ড বিষোদ্গাৰ কৰি থকা আবছু, আৰ্মকা আদিয়েও অৱশেষত গণতান্ত্ৰিক প্ৰক্ৰিয়া ৰক্ষা কৰাৰ দোহাই দি নিৰ্বাচনত জঁপিয়াই পৰিছে। এনে ধৰণৰ আঞ্চলিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ পয়োভৰত ৰাইজৰ একাংশই এনে মন্তব্যও কৰিবলৈ লৈছে যে ভাৰতীয় সংবিধানত মূল নিৰ্বাচনৰ আগতে প্ৰাৰম্ভিক পৰ্যায়ত এক নিৰ্বাচন অনুষ্ঠিত কৰি নিৰ্দিষ্ট পৰিমাণৰ আস্থা-ভোটি লাভৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে এওঁলোকৰ ক্ষেত্ৰত এটা কথা প্ৰায় স্পষ্ট। জয়লাভ কৰিলে এওঁলোকে কোনো এক প্ৰধান শিবিৰত যোগদান নকৰাকৈ টিকি থাকিব নোৱাৰিব।

এনে পৰিস্থিতিত ৰাজ্যখনৰ ভোটাৰ সকলৰ মনৰ মাজত থকা প্ৰধান চিন্তা হৈছে– “কাক ভোট দিম? প্ৰাৰ্থী চাই নে দল চাই? নে দুয়োটা চাই?” যদিও ৰাজনৈতিক দলসমূহে ইতিমধ্যে নিৰ্বাচনী ইস্তাহাৰত বহু কথা কৈছে তথাপি ৰাজ্যখনত বিকল্প চৰকাৰৰ নেতৃত্ব দিয়াৰ সম্ভাৱনা থকা ৰাজনৈতিক নেতাসকলৰ লগত হোৱা আচুতীয়া সাক্ষাৎকাৰ ভিত্তিত প্ৰস্তুত কৰা এই পৰ্যালোচনাই জনসাধাৰণৰ সমুখত তেওঁলোকৰ প্ৰকৃত স্থিতি জনাত সহায় কৰিব বুলি আশা কৰা হৈছে।

সকলো শাসন ব্যৱস্থাৰ ভিতৰত গণতন্ত্ৰ সৰ্বোত্তম। কিয়নো ই নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে সকলোকে ভুল শুধৰণিৰ সুযোগ দিয়ে। আজি ৰাজ্যখনৰ জনসাধাৰণৰ সমুখত থকা আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে– “একেবোৰ মানুহকে পুনৰ শাসন ক্ষমতা দি পুৰস্কৃত কৰা হব নে অন্য কিবা বিকল্পৰ সন্ধান কৰা হব”– চূড়ান্ত ৰায়দান জনসাধাৰণৰ। এই প্ৰশ্নৰ উত্তৰৰ ভিত্তিত দিয়া জনসাধাৰণৰ ৰায়দানৰ ওচৰতে নিৰ্ভৰ কৰিছে ৰাজ্যৰ ৰাজনৈতিক ভৱিষ্যত।



# “আঞ্চলিক দলবোৰতকৈয়ো সৰ্বভাৰতীয় দলবোৰ অধিক আঞ্চলিকতাবাদী”

– সিংহ

শ্ৰীশৰৎ চন্দ্ৰ সিংহকংগ্ৰেছ (স) দলৰ সভাপতি, এইবাৰ নিৰ্বাচনৰ বিলাসীপাৰা পূব সমষ্টিৰ বিধান সভাৰ প্ৰাৰ্থী প্ৰবীণ আৰু বিশাল ব্যক্তিত্বৰ এইজনা ৰাজনৈতিক নেতাক আমি লগ ধৰিছিলো ১২ মেৰ এটি বৰষুণীয়া পুৱাত হেদায়েৎপুৰৰ কংগ্ৰেছ ভৱনত। পূৰ্বে টেলিফোন যোগে যোগাযোগ কৰি আমি তেখেতৰ কাষত উপস্থিত হৈছিলো। কংগ্ৰেছ ভৱনৰ কোঠা এটিত- নিবিষ্টমান তেখেতে কিবা লিখি আছিল। আন্তৰিকতাৰে আমাক অকণমান সময় বহিবলৈ কৈ তেখেতৰ কাম সম্পূৰ্ণ কৰিছিল।

আমি সুধিছিলো এটি পোনপটীয়া প্ৰশ্ন- ৰাইজৰ মতে আপুনি লোক সভালৈ যোৱাহে উচিত। তদুপৰি আপোনাক আমি কিয় ভোট দিব লাগে?

সিংহঃ বিধান সভা অথবা লোকসভা যিকোনো ৰাজনৈতিক স্থিতিতে থাকি ৰাইজৰ সেৱা কৰিব পাৰি। ইয়াত কোনো পাৰ্থক্য নাই। ব্যক্তিগত ভাবে মোৰ লোক সভালৈ যোৱাৰো কোনো ইচ্ছা নাই। মই নিৰ্বাচনত প্ৰতিনিধিত্ব কৰা সমষ্টিৰ ৰাইজৰ বাবেই বিধান সভাত প্ৰতিদ্বন্দ্বিতা কৰিছো।

‘মোক কিয় ভোট দিব লাগে’- (হাঁহি)- আচলতে, মোৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ভেটিটোৱে হৈছে ৰাইজৰ শুভেচ্ছা আৰু আশীষ, গতিকে ব্যক্তিগত স্বাৰ্থ বুলিবলৈ ইয়াত একোৱে নাই। ৰাইজৰ বাবেই মোক ভোট দিব লাগে বুলি মই ভাবো।

প্ৰশ্নঃ আপোনাৰ দলৰ নিৰ্বাচনী প্ৰচাৰ কেনে ধৰণৰ হৈছে? নিৰ্বাচন আয়োগে বান্ধি দিয়া নিয়ম নীতি সমূহক আপুনি ভাল পাইছেনে?

সিংহঃ প্ৰতিটো দলৰে নিৰ্বাচনী কৌশল বেলেগ বেলেগ। আমাৰো নিয়ম বেলেগ। আমাৰ নিৰ্বাচনী প্ৰচাৰ প্ৰকৃত ঠাইত হৈ আছে। ৰাইজৰ সতে ব্যক্তিগত সংস্পৰ্শ ৰাখি নিৰ্বাচনী প্ৰচাৰ চলোৱা হৈছে। অৰ্থনৈতিক ক্ষেত্ৰত দুৰ্বল আমাৰ দলত জাকজমকতা, আড়ম্বৰপূৰ্ণ নিৰ্বাচনী প্ৰচাৰ নাই। বৰ্তমানৰ পৰিস্থিতি অধ্যয়ন কৰিহে বিভিন্ন ক্ষেত্ৰত বিভিন্ন উপায়ে নিৰ্বাচনী প্ৰচাৰ চলোৱা হৈছে।

নিৰ্বাচন আয়োগৰ আচৰণ বিধিৰ সৈতে আমি একমত। আমি সুখী হৈছো- এই নীতি নিয়মসমূহ দেখি। প্ৰশাসনৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে আৰু এই আস্থাৰ বাবেই আমি নিশ্চিন্তে নিৰ্বাচনত লাগিছো।

প্ৰশ্নঃ বিধান সভাত আসন কিমান পাম বুলি ভাবিছে? ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ সতে নেতৃত্ব দিয়াৰ সম্ভাৱনা আছে নেকি?


সিংহঃ বৰ্তমানলৈ আমি ৪৭ খন আসন পাম বুলি ভাবিছো। পিছলৈ এই সংখ্যাৰ সলনি হবও পাৰে। আমাৰ দলে মোটামুটি ভাবে আটাইকেইখন আসনতে প্ৰাৰ্থী থিয় কৰাইছে। ৰাইজে নিজৰ বিবেচনা মতে প্ৰাৰ্থী নিৰ্বাচিত কৰিব। দলৰ ভিতৰত এতিয়াও নিৰ্বাচনৰ আসন প্ৰাপ্তি সম্পৰ্কে গুণাগঁথা চলি আছে।

কোনো দলে যদি সংখ্যাগৰিষ্ঠতা নাপায় তেনেহ'লে বাওঁ গণতান্ত্ৰিক মৰ্চা হিচাপে আটায়ে লগ লাগি চৰকাৰখন গঠন কৰিব লাগিব। প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত মতভেদ থাকিলেও বাওঁ গণতান্ত্ৰিক মৰ্চাৰ ভেটিটো একেই আছে। এই সন্দৰ্ভত আটাই কেইটা দলৰে সৈতে আলোচনা চলি আছে। সম্ভৱ এই ক্ষেত্ৰত এক ঐকামতত উপনীত হব পাৰিম। শেষত চৰকাৰখনৰ নেতৃত্ব কোনে দিব সেয়া সময়ত নিৰ্ণয় কৰিব পৰা যাব। এতিয়াই একো ক'ব নোৱাৰি। নেতৃত্ব দিয়াটো যদিও মূল কথা- তথাপিও দলবোৰৰ মাজত পৰস্পৰ বুজাবুজি আৰু ঐকাইহে এখন সুস্থিৰ চৰকাৰৰ ভেটি বুলি মই ভাবো।

প্ৰশ্নঃ যদি আপুনি কোৱাৰ দৰে বাওঁ গণতান্ত্ৰিক চৰকাৰ এখন গঠন হয়- এই চৰকাৰৰ প্ৰথম কম কি হব?

সিংহঃ (তৎক্ষণাত) ৰাজ্যত শান্তি স্থাপন। বৰ্তমান ৰাজ্যত সকলোবোৰ সমস্যাতকৈয়ো মূখ্য সমস্যাটো হৈছে শান্তি শৃংখলাৰ। শান্তি স্থাপনৰ সতে জড়িত আনবোৰ বিষয় হ'ল- ................ (এইখিনিতে তেখেতে কলে, “কথাটো বহলাই কৈছো” ) ভাৰতৰ আন ৰাজ্যতকৈ অসমত বিভিন্ন শ্ৰেণী গোষ্ঠীৰ লোকৰ সংখ্যা বেছি। এই Ethnic group-বোৰৰ আশা, আকাংক্ষা সামাজিক জীৱন আদিৰ সৈতে একাত্ম হৈ আন্তৰিকতাৰে পৰস্পৰৰ মাজত বুজাবুজি গঢ়ি তুলিব পৰাটোহে এখন চৰকাৰৰ কৰ্তব্য। এওঁলোকৰ মাজত সমন্বয় সাধন কৰিব পাৰিব লাগিব। Ethnic group-বোৰৰ দাবীবোৰৰ প্ৰতি শ্ৰদ্ধাশীল হবই লাগিব। পূৰ্বৰ চৰকাৰে সততে কৈছিল যে দিল্লীয়ে আমাক বঞ্চনা কৰিছে- সেইদৰে স্বায়ত্ত শাসিত জিলা পৰিষদৰো কথা হ'ল- দিছপুৰে তেওঁলোকক প্ৰবঞ্চনা কৰিছে এই যে ইটোৱে সিটোক দোষ দিছে- এইবোৰৰ কাৰণ হ'ল- পৰস্পৰে পৰস্পৰৰ প্ৰতি অশ্ৰদ্ধাশীল। প্ৰতিটো গোষ্ঠীৰে শ্ৰেণী-বিৰোধ আছে। এই বিৰোধ আঁতৰাবলৈ আত্মকেন্দ্ৰিকতা পৰিহাৰ অপৰিহাৰ্য। সকলোৱে আঞ্চলিকতাবাদৰ কথা কয়। প্ৰকৃততে “What is Regionalism? We are move regional than the Regional party” (উত্তেজিত হৈ)। (পুনৰ হাঁহি)- “আচলতে আমি আমাৰ অতীতৰ ইতিহাস পাহৰিছো- ‘মনু সংহিতাত থকাৰ দৰে সামাজিক গাৰ্থনি অৰ্থনৈতিক ব্যৱস্থাৰ অতীৱ প্ৰয়োজন হৈ পৰিছে.’ “মুঠতে- সকলো ক্ষেত্ৰতে ব্যক্তিগত স্বাৰ্থৰ উৰ্ধ্বত থাকি কাম কৰিব পাৰিব লাগিব–তেতিয়াহে দেশ আৰু জনগণৰ সেৱা কৰাৰ পথ সুগম হব।”

সিদিনা- এইখিনিতে আমাৰ কথা-বতৰা সামৰণি পেলাইছিলো- শ্ৰীসিংহ দেৱক আমাৰ ধন্যবাদ জনাই। এটা কথা এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ নিচিনা সৰ্বভাৰতীয় নেতা এজনৰ নিৰহংকাৰ, উদাৰ, সহজ-সৰল, সৰ্বোপৰি তেখেতৰ স্নেহশীল মনটোক সততে বিচাৰি পোৱা নাযায়।





# “সুস্থিৰ চৰকাৰ গঠনৰ ক্ষেত্ৰত কংগ্ৰেছ(ই) দলৰ কোনো বিকল্প নাই”

–শইকীয়া

শ্ৰীহিতেশ্বৰ শইকীয়া, ৰাজ্যিক কংগ্ৰেছ(ই) দলৰ সভাপতি। ১৩ মে' তাৰিখৰ ৰাতিপুৱা আমি লগ ধৰিছিলো- শ্ৰীহিতেশ্বৰ শইকীয়াক মটবীয়াত থকা তেখেতৰ বাসভৱনত। যথেষ্ট সংখ্যক সমৰ্থকৰ ভিৰ আৰু ব্যস্ততাৰ মাজত শ্ৰীশইকীয়াক দেখা গৈছিল। ৰাজ্যৰ কংগ্ৰেছ(ই) দলৰ মুৰব্বী হিচাপে কেইবা ঠাইৰ পৰা অহৰহ আহি থকা টেলিফোনে তেখেতক অতি ব্যস্ত কৰি তুলিছিল। কিছু সময় ৰহাৰ 'পিছত- বাসভৱনৰ এটি সুকীয়া কোঠাত আমি আৰম্ভ কৰিছিলো এক অন্তৰংগ সাক্ষাৎকাৰ।

আমাৰ প্ৰথম প্ৰশ্ন-

–আপোনাক ৰাইজে কিয় ভোট দিব লাগে? আপোনাৰ বিজয়ৰ সম্ভাৱনা কিমান?

শইকীয়াঃ “প্ৰথমতে, দেখা গৈছে যে ৰাজ্যত কংগ্ৰেছ (ই) য়েই একমাত্ৰ ৰাজনৈতিক দল যিয়ে এখন সুস্থিৰ চৰকাৰ গঠন কৰিব পৰাকৈ প্ৰস্তুত। যোৱা ৫ বছৰ ধৰি চলা সন্ত্ৰাস, আতংক, ভুৱা প্ৰতিশ্ৰুতিৰ অৱসান ঘটাই অসমৰ ৰাইজৰ মাজত শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিবলৈ একমাত্ৰ আমাৰ দলেই সমৰ্থ হ'ব। অসমৰ ৰাইজে স্পষ্টকৈ দেখা পাইছে যে এই স্বাধীনতাৰ ৪০ বছৰীয়া শাসন কালত অইন অইন ৰাজনৈতিক দলৰ তুলনাত আমাৰ দলে কি দিছে- আৰু ৰাইজে কি পাইছে। ইয়াৰ দ্বাৰাই কথাটো স্পষ্ট হয় যে কংগ্ৰেছ (ই) দলৰ সৈতে কোনো দলৰ তুলনা নহয়।

“অগপ চৰকাৰৰ ভাঙোন, আৰু নিৰ্বাচনত প্ৰায় ৩৮ টা ৰাজনৈতিক দলৰ উপস্থিতিয়ে ৰাইজক বিমোৰত পেলাইছে। তদুপৰি প্ৰতিটো দলেই ১২৬ খন আসনত প্ৰাৰ্থী থিয় কৰাব পৰা নাই। জনতা দলৰ পৰা ৩০খন আসন পাম বুলি কোৱা হৈছে। মৰ্চা চৰকাৰ এখনৰ সন্দৰ্ভত কব পৰা যায় যে এনে চৰকাৰ অস্থিৰ। মিহলি চৰকাৰ এখনে দেশৰ শান্তি প্ৰগতি আনিব নোৱাৰে। এনে পৰিপ্ৰেক্ষিতত কং(ই) দলকেই ৰাইজে আদৰি লব বুলি কব পাৰি।”

“আমাৰ জয়লাভৰ সম্ভাৱনা উজ্জ্বল। আমি একক সংখ্যা গৰিষ্ঠতা লাভ কৰিব পাৰিম বুলিও মই নিশ্চিত। মই বিস্তীৰ্ণ অঞ্চল ভ্ৰমণ কৰি পোৱা অভিজ্ঞতাৰ ভিত্তিতহে এই কথা কৈছো। তদুপৰি এটা কথা লক্ষ্য কৰিছো যে ৰাইজৰ মনত পূৰ্বৰ কংগ্ৰেছ বিৰোধী ভাব নোহোৱা হৈছে।”

প্ৰশ্নঃ যদি সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰে তেনেহলে কোন দলৰ সহায়ত চৰকাৰ গঠনৰ বাবে চেষ্টা চলাব?

শইকীয়াঃ “এই ক্ষেত্ৰত আলোচনা মৰ্মে আমাৰ দলৰ সৈতে আন দলৰ নীতি আৰু আদৰ্শ মিলিলেহে চৰকাৰ গঠন কৰিব পৰা হ'ব”

প্ৰশ্নঃ যদি আপোনাৰ দল ক্ষমতালৈ আহে তেনেহলে প্ৰথম কামটো কি হ'ব?

শইকীয়াঃ দেশৰ শান্তি ঘূৰাই অনাটোহে আমাৰ প্ৰথম কাম হ'ব।


প্ৰশ্নঃ বিচ্ছিন্নতাবাদ সম্পৰ্কে আপোনাৰ বক্তব্য কি?

শইকীয়াঃ মই আগতেই কৈছো যে- এইবাৰ দেশত ক'তো কংগ্ৰেছ বিৰোধী মনোভাৱ দেখা নাই। আবাল বৃদ্ধ বনিতাই আমাৰ সভাবোৰত যোগদান কৰিছে। বিচ্ছিন্নতা বাদ যদি কৰবাত হৈছে- তেনেহলে তাক আলোচনাৰ মাজেৰে সমাধান কৰিব লাগিব। সমস্যাৰ গভীৰতালৈ সোমাই সমাধান উলিয়াব লাগিব।”

প্ৰশ্নঃ নিৰ্বাচনী আয়োগৰ আচৰণ বিধি সম্পৰ্কে আপোনাৰ মতামত?

শইকীয়াঃ আমি ভাল পাইছো, আৰু নীতি নিয়ম সমূহ মানি লৈছো।

আমাৰ সাক্ষাৎকাৰৰ ইমানতে সামৰণি পেলাইছিলো আৰু খন্তেক পাছতে শ্ৰীশইকীয়াই নিজ সমষ্টি নাজিৰালৈ ঢাপলি মেলিছিল। সহৃদয়তা আৰু আন্তৰিকতা পূৰ্ণ ব্যৱহাৰে তেখেতৰ কৃতকাৰ্যতাৰ মূল বুলি আমি পতিয়ন গৈছিলো, কাৰণ সাক্ষাৎকাৰ চলি থকা অৱস্থাতো টেলিফোনৰ বাবে তেখেতে উঠি যাবলগীয়া হৈছিল-আৰু বাবে বাবে ক্ষমা বিচাৰিছিল তাৰ বাবে।





# “সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাই জনতা দলৰ মূলমন্ত্ৰ”

–বৰবৰা

শ্ৰীগোলাপ বৰবৰা, ৰাজ্যিক জনতা দলৰ সভাপতি। হেঙেৰাবাৰীত থকা তেখেতৰ বাসভৱনত যোৱা ১৫ মে' তাৰিখে ৰাতিপুৱা আমি উপস্থিত হৈছিলো আগতীয়া অনুমতি সাপেক্ষে। আমি গৈ পোৱাত তেখেতে অকলশৰে ৰাতিপুৱাৰ চাহকাপ খাই দূৰদৰ্শনত প্ৰস্তাৰ বাতৰি শুনি আছিল। সম্পূৰ্ণ ঘৰুৱা পৰিবেশৰ মাজত শ্ৰীবৰবৰাক আমি টানি আনিছিলো আমাৰ কথাৰ মাজলৈ-। চাহ-মিঠাইৰে আমাকো আপ্যায়িত কৰাৰ পিছত আৰম্ভ হৈছিল আমাৰ কথোপকথন-

প্ৰশ্নঃ জনতা দলৰ ইমান উত্থান পতনৰ





OKDISCD

পাছতো আপোনাৰ দলক আমি কিয় অথবা ৰাইজে কিয় ভোট দিব লাগে?

**বৰবৰা:** "সামাজিক ন্যায় প্ৰতিষ্ঠাৰ কাৰণে। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ প্ৰচেষ্টা চলোৱা হৈছে–ভি পি সিং প্ৰধান মন্ত্ৰী হৈ থকা সময়ত। এইবাৰ সমাজত দুখীয়া নিচলা সকলৰ উন্নতিৰ বাবে তেওঁলোকৰ আশা আকাংক্ষক সফলভাবে ৰূপায়িত কৰিবলৈ যি 'মন্ডল আয়োগ'-ৰ চুপাৰিশ সমূহ কাৰ্যকৰী কৰিবলৈ লোৱা হৈছে, তাত সমাজৰ উপৰ মহলাৰ মানুহ কিছুমান অসন্তুষ্ট হৈছে; আৰু বিজেপি-ৰ নিচিনা দলে ভাবিছে যে সেইটো যদি হবলৈ হয়, তেনেহলে তেওঁলোক ধৰ্মনীতি ৰাজনীতিত চলাই থাকিব নোৱাৰিব আৰু সেই কাৰণে 'ৰাম জন্মভূমি বাব্‌ৰি মছজিদ' বিবাদটোৰ সৃষ্টি কৰিলে। তেতিয়া ভি পি সিঙে কৈছিল যে মন্দিৰ প্ৰতিষ্ঠা কৰাত আপত্তি নাই; কিন্তু মছজিদ ভাঙি নহয়। সেই বিবাদৰ বাবেই জনতা দলৰ পতন হ'ল। সেয়েহে এইবাৰ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সমাজৰ অৱহেলিত শ্ৰেণীৰ উন্নতিৰ বাবে নীতি গ্ৰহণ কৰা হৈছে–আৰু তাৰ ভিত্তিতেই ৰাইজে আমাক ভোট দিব লাগে। জনতা দলৰ বিভাজন হ'ল আদৰ্শগত বিভাজন, সংখ্যালঘু সকলক প্ৰাধান্য দিয়া বাবে বিভাজন।"

**প্ৰশ্ন:** ভি পি সিঙে কৌশলেৰে মন্ডল আয়োগৰ প্ৰতিবেদনৰ বাস্তৱ প্ৰয়োগ কৰিলে চৰকাৰখনৰ পতন নঘটিলহেঁতেন নেকি–যি ক্ষেত্ৰত সাংবিধানিক গণ্ডীৰ মাজেৰে সমাজৰ নিচলা সকলৰ উন্নতিৰ বাবে কাম কৰাৰ সুযোগ আছিল?

**বৰবৰা:** "কৌশলৰ আশ্ৰয় হয়তো লব পৰা গলহেঁতেন। কিন্তু আদৰ্শ আৰু নীতিৰ ক্ষেত্ৰত জনতা দলে কাৰো সৈতে আপোচ নকৰাৰ সিদ্ধান্ত হে ললে– পাছলৈ ৰাইজৰ সঁহাৰি পোৱাৰ আশাত।"

**প্ৰশ্ন:** এতিয়া অসমৰ পটভূমিলৈ আহিলে দেখা যাব যে জনতা দলৰ পতনৰ পিছত জনসাধাৰণৰ বিৰূপ মনোভাব নাই, আন্তৰিকতা আছে। এতিয়াও জনসাধাৰণৰ জনতা দলৰ প্ৰতি এটা সহানুভূতিশীল দৃষ্টিভংগীয়েই আছে। এইক্ষেত্ৰত জনতা দলৰ সাংগঠনিক দিশটো দুৰ্বল বুলি যদি ভাবে –তেনেহলে এই পৰিস্থিতি কিহৰ বাবে হ'ল–আৰু ইয়াৰ বাবে কি কাৰ্যপন্থা হাতত লোৱা হৈছে?

**বৰবৰা:** "যোৱা ১৯৭৯ চনত যেতিয়া আমাৰ চৰকাৰৰ পতন ঘটিল, সেই সময়ত আমি যিহেতুকে মদৰ একচেটীয়া ব্যৱসায় বন্ধ কৰাৰ চেষ্টা কৰিছিলো, সৰ্ব সাধাৰণৰ সমস্যাৰ বিষয়ে কথা কৈছিলো, তেতিয়া তথাকথিত ভদ্ৰলোক শ্ৰেণীৰ, এম, এ, বি, এ পাছ কৰা লোকৰ প্ৰতিনিধি আমাৰ মাজত নাছিল। আৰু আমাৰ বেলিকা এই প্ৰথমবাৰৰ বাবে অসম বিধান সভালৈ তলৰ খাটি খোৱা মানুহৰ মাজত কাম কৰা মানুহৰ প্ৰতিনিধি আহিছিল। মানুহ যেতিয়া শাসনত বহে তেতিয়া সমাজৰ তথাকথিত প্ৰতিষ্ঠিত

"এই নিৰ্বাচন এনে এক সময়ত অনুষ্ঠিত হবলৈ গৈছে য'ত ভাৰতবৰ্ষৰ অংগ ৰাজ্যসমূহ ভাষা, ধৰ্ম আৰু বৈষম্যৰ ভিত্তিত পৃথকতাবাদী আন্দোলনেৰে আন্দোলিত আৰু ৰাজনৈতিক অস্থিৰতা ক্ৰমাগত ভাবে শীৰ্ষলৈ ধাৱমান। অসমৰ ক্ষেত্ৰত এই নিৰ্বাচনৰ গুৰুত্ব অতি বেছি কিয়নো এই ৰাজ্যখন এহাতে উঃ পূব অঞ্চলত পৃথকতাবাদী আন্দোলন সমূহৰ অন্যতম কেন্দ্ৰস্থল হোৱাৰ লগতে ৰাজ্যৰ আভ্যন্তৰীণ ক্ষেত্ৰতো সমান্তৰাল ভাবে পৃথকতাবাদী আন্দোলন অব্যাহত।"

ভদ্ৰলোক শ্ৰেণীটোৱে সদায় সমালোচনা কৰে। মই যেতিয়া মুখ্যমন্ত্ৰী আছিলো তেতিয়া সৰ্বসাধাৰণ মানুহে নহয়, এচাম মানুহ আছিল চহৰকেন্দ্ৰিক, যি সকলে কৈছিল– 'এই গোলাপ বৰবৰা, যি বি, এ পাছো নহয় ৰিক্সা ইউনিয়ন কৰা, মজদুৰ ইউনিয়ন কৰা মানুহ–এওঁ কি কৰিব। এই শ্ৰেণীটো কিন্তু দিছপুৰ কেন্দ্ৰিক। চৰকাৰৰ লগত ওলোমা–বাদুলী থকাদি থাকি কিবা কিবি সুবিধা ভোগ কৰি থাকে। যেতিয়া যি দল আছে সেই দলতেই বাগৰ সলায়। এই শ্ৰেণীটোৰ বাবে জনতা দলৰ পতন ঘটিছিল। যি কি নহওক দলৰ সাংগঠনিক ভেটিটো তলত আছে। আৰু এটা কথা ১৯৮৩-ৰ নিৰ্বাচন আমি বৰ্জন কৰিছিলো। ১৯৮৫-ত এপিনে অসমীয়া আবেগ আনহাতে সংখ্যালঘু সকলৰ ভাব প্ৰৱণতা। সেই ভাব প্ৰৱণতাৰ ফলতেই আমি ভোট নাপালো। কিন্তু আমি কাম কৰি গলো। তাৰ পিছত আমাৰ চৰকাৰ যেতিয়া কেন্দ্ৰত আহিল সংখ্যালঘু সকলৰ দৃষ্টিভংগী সলনি হ'ল– আৰু তেওঁলোকে বুজি পালে যে স্বকীয়তাক মৰ্যাদা দিয়া একমাত্ৰ দল হল জনতা দল। তেওঁলোক আমাৰ মাজলৈ আহিছে। গতিকে দল আগতকৈয়ো যথেষ্ট শক্তিশালী হৈ উঠিছে।"

**প্ৰশ্ন:** যদিহে বাওঁ গণতান্ত্ৰিক মৰ্চাৰ চৰকাৰ এখন গঠন কৰিব লগা হয়– আপোনালোকে অগপ দলৰ সহায় বিচাৰিব নে? যদি অগপ দলেও সংখ্যাগৰিষ্ঠতা নাপায়?

**বৰবৰা:** "অগপ দলৰ সহায় বিচৰা কোনো প্ৰশ্নই নাহে। কাৰণ তেওঁলোকেই চৰকাৰ গঠন কৰিব, সংখ্যা গৰিষ্ঠতা পাব বুলি কৈ আছে; আগৰ হোৱাতো যেতিয়া ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ কেন্দ্ৰত আছিল তেতিয়াও অগপ দলে জনতা দল অথবা কংগ্ৰেছ (স) দলৰ সৈতে আলোচনা কৰি কোনো কাম কৰা নাছিল। সঁচা কথা ক'বলৈ গলে– বঙালী ভাষাত কোৱা হয় যে 'আনাড়ী'– ঠিক সেই শব্দটোৱে অগপ দলৰ মতে খাপ খায়। তেওঁলোক অনভিজ্ঞ। প্ৰফুল্ল মহন্তই ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ ওচৰত ৰাজ্যিক জনতা দলৰ বিৰুদ্ধে অভিযোগ তুলিছিল। যাতে ভি পি সিঙে মোৰ বিৰুদ্ধে ব্যৱস্থা লয়। এইবোৰ সৰু স্কুলীয়া ল'ৰাৰ খেল বুলি মই ভাবো।"


**প্ৰশ্ন:** নতুন অগপ দলৰ ক্ষেত্ৰত?

**বৰবৰা:** নতুন অগপ-ও নতুন একো নহয়। নতুন বটলত পুৰণি মদ। লেনদেনৰ অভিযোগ ইটো দলৰ বিৰুদ্ধেও সিটো দলৰ বিৰুদ্ধেও.............

**প্ৰশ্ন:** বাৰু, আপোনাৰ দলে যদি ক্ষমতালৈ আহে প্ৰথম কাম কি হব?

**বৰবৰা:** ৰাজ্যত শান্তি স্থাপনেই আমাৰ মূল আৰু প্ৰথম কাম হব। ধন্যবাদ দি আমি সিদিনা গুচি আহিছিলো–শ্ৰীগোলাপ বৰবৰাৰ ওচৰৰ পৰা। মনত তেতিয়া আমাৰ এটাই ভাব- ৰাজনীতি কৰিলেও এওঁলোক স্থিতপ্ৰজ্ঞ।







# "নতুন অগপ দলৰ প্ৰত্যেকেই মুখ্য মন্ত্ৰী হব খোজে।"

**মহন্ত**

প্ৰাক্তন মুখ্য মন্ত্ৰী, অগপ দলৰ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ সৈতে আমাৰ সাক্ষাৎ হৈছিল ১৭ মে'-ৰ ৰাতিপুৱা দিছপুৰস্থিত চৰকাৰী বাসভৱনত। নিৰাপত্তা ৰক্ষীৰ বেহু ভেদ কৰি আমি পূৰ্ব অনুমতি সাপেক্ষে চ'ৰা ঘৰত কিছুসময় অপেক্ষা কৰাৰ পিছত সোমাই আহিছিল- 'বগা চাফাৰী' পৰিহিত শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া। চিৰন্তন মিঠা হাঁহিৰে স্বাগতম জনাই নিজহাতে ফেনখন চলাই দি আমাক আমাৰ কাম আৰম্ভ কৰাৰ ইংগিত দিলে। সাক্ষাৎকাৰৰ কথাখিনি বাণীবদ্ধ কৰাৰ অনুমতি লৈ আমি সুধিলো–

**প্ৰশ্ন:** ১৯৭৯ চনৰে পৰা ১৯৯১ চনলৈ এই সুদীৰ্ঘ প্ৰায় এযুগ অসমত যুৱ সম্প্ৰদায়ৰ প্ৰাধান্য চলিছে। ১৯৮৩-ৰ নিৰ্বাচন বৰ্জন, ১৯৮৫-ত অগপ-ৰ জন্ম আৰু ক্ষমতা লাভ, দুৰ্নীতিৰ অভিযোগ, নেতৃত্বৰ খেলিমেলি, অৱশেষত অগপ দলৰ বিভাজন। এই পটভূমিত আপোনাক তথা আপোনাৰ দলক ৰাইজে কিয় ভোট দিব লাগে?

**মহন্ত:** "আমাক কিয় ভোট দিব লাগে এই কথা আমাৰ নিৰ্বাচনী ইস্তাহাৰত কৈছো। আৰু মোৰ বিৰুদ্ধে যিবোৰ অভিযোগ উত্থাপিত হৈছে– এইবোৰ অসত্য বুলি প্ৰমাণ হৈছে। এইবোৰ মোৰ আৰু দলৰ ভাবমূৰ্তি নষ্ট কৰাৰ কাৰণেহে প্ৰচাৰ কৰা হৈছে। নতুন অগপ দলৰ কিছুমানে তথা আমাৰ দলৰ মাজতো কিছুমানে এনেকুৱা অপচেষ্টা চলাইছিল।"

**প্ৰশ্ন:** নতুন অগপ দলৰ সাংগঠনিক ভেটিটো দুৰ্বল বুলি কব খোজে নেকি?

**মহন্ত:** "নতুন অগপ দল ক্ষমতা লোভী কিছুমান মানুহৰ দ্বাৰা গঠিত। আচলতে অগপ দল ভাগ হোৱা নাই। দল বিৰোধী কাৰ্যকলাপত জড়িত থকা কিছুমানে অগপ দলৰ পৰা ওলাই গৈছে। তেওঁলোকৰ কোনো নীতি আৰু আদৰ্শ নাই। নতুন অগপ দলৰ প্ৰত্যেকেই মুখ্য মন্ত্ৰী হবলৈ ইচ্ছা কৰে। গতিকে এওঁলোকৰ বিচাৰ ৰাইজৰ হাতত।"

**প্ৰশ্ন:** এতিয়ালৈকে নিৰ্বাচনী প্ৰচাৰত ৰাইজৰ কেনে ধৰণৰ মনোভাব লক্ষ্য কৰিছে; নগাঁৱৰ কিছুমান ঠাইত প্ৰত্যক্ষ ভাবে ৰাইজে অভিযোগ কৰিছে যে, প্ৰফুল্ল মহন্ত অকলে আহক, কিন্তু পুনৰ দালালক প্ৰশ্ৰয় দিয়া নহব। বাতৰি কাকতত এই সন্দৰ্ভত অনেক কথা ওলাইছে ৰাইজৰ আক্ষেপ, অভিমান প্ৰকাশ পাইছে?

**মহন্ত:** "আমি নিৰ্বাচনী প্ৰচাৰ এতিয়ালৈকে চলোৱা নাই। দলৰ মানুহখিনিকহে লগ ধৰিছো। তাৰ উপৰি আমাৰ কোনো দালাল নাই। ৰাইজে ভুল বুজিছে। বাতৰি কাকতেও প্ৰকৃত কথাৰ ভু নোলোৱাকৈ অপপ্ৰচাৰ চলাইছে। পিছলৈ এই অৱস্থা নাথাকে বুলি মই বিশ্বাস কৰো। আচলতে ৰাইজৰ আশা আকাংক্ষা বহুত বেছি আছিল– অগপ দলটোৰ প্ৰতি। সকলোতে সীমাবদ্ধতা আছে।"

**প্ৰশ্ন:** অগপ-ই দিল্লীৰ প্ৰতি বিষোদ্গাৰ কৰিছে; স্বায়ত্ত শাসন দাবী সমিতিৰো, অথবা আবছু আদিৰো আপোনালোকৰ প্ৰতি অনুৰূপ অভিযোগ আছে–– এই ক্ষেত্ৰত..........

**মহন্ত:** 'আমি সদায় ক্ষমতাৰ বিকেন্দ্ৰীকৰণ মনেপ্ৰাণে বিচাৰিছিলো আৰু বিকেন্দ্ৰীকৰণত জাতি জনজাতি, বিভিন্ন শ্ৰেণীৰ সকলোৱে ভাগ লৈ নিজৰ নিজৰ সমস্যা সমূহ সমাধান কৰাত আগবাঢ়িব পাৰিব বুলি আমি বিশ্বাস কৰো।'

**প্ৰশ্ন:** যদি অগপ দলে সংখ্যাগৰিষ্ঠতা পাই চৰকাৰ গঠন কৰিব পাৰে তেনেহলে প্ৰধান আৰু প্ৰথম কাম কি হব?

**মহন্ত:** "আমাৰ নিৰ্বাচনী ইস্তাহাৰত থকা আটাই কেইটা প্ৰতিশ্ৰুতিয়েই আমি প্ৰথমে পালন কৰিম। এই ক্ষেত্ৰত প্ৰথম কাৰ্য বুলি একো নাই। ইস্তাহাৰত থকা গোটেইখিনি কথা বুনিয়াদী আৰু প্ৰাথমিক।"


**প্ৰশ্ন:** ৰাজ্যখনত শান্তি স্থাপনৰ প্ৰশ্নটো থাকি গৈছে–

**মহন্ত:** 'শান্তি স্থাপন, আইন শৃংখলা পৰিস্থিতি আদি কোনো একচেটীয়া সমস্যা নহয়। আটাইবোৰ সমস্যাৰ সতে সাঙোৰ খাই আছে।"

**প্ৰশ্ন:** নতুন অগপ আৰু অগপ দলৰ পুনৰ মিলন হোৱাৰ সম্ভাৱনা আছে নেকি?

**মহন্ত:** 'আমাৰ দুৱাৰ খোলা আছে।'

ধন্যবাদ দি আমি আমাৰ সাক্ষাৎকাৰৰ সামৰণি পেলাই- উভতি আহিছিলো। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ আত্ম প্ৰত্যয় আৰু দৃঢ়তাই অগপ দলৰ স্থিতি সম্পৰ্কে কিছু ইংগিত দিছিল।





# "মোৰ মুখ্য মন্ত্ৰী হোৱাৰ কোনো বাসনা নাই"

**–ফুকন**

নতুন অগপ দলৰ কাৰ্যকৰী সভাপতি শ্ৰীভৃগু কুমাৰ ফুকনক সাক্ষাৎ কৰিবলৈ

গৈ আমি যথেষ্ট আহুকালত পৰিছিলো। তেখেতৰ নিৰ্বাচনী প্ৰতিনিধিৰ জৰিয়তে চাৰি দিন সাক্ষাতৰ পূৰ্ব অনুমতি পোৱাৰ পিছতো আমি সফল নহ'লো। অৱশেষত পঞ্চম দিনা অৰ্থাৎ ১৫ মে তাৰিখে নিশা ১০ বজাত সাক্ষাৎকাৰ দিয়াৰ প্ৰতিশ্ৰুতিৰে শ্ৰীফুকনে আমাক মাতি পঠিয়ায়। সিদিনা নিশা ১০ বজাত নতুন অগপ দলৰ কেইজনমান কৰ্মীয়ে আমাক গাড়ীৰে শ্ৰীফুকনৰ বাসভৱনলৈ লৈ যায় আৰু প্ৰায় দুঘণ্টা সময় অপেক্ষা কৰাৰ পিছত নিশা ১২ বজাত শ্ৰীভৃগু কুমাৰ ফুকনৰ সতে সাক্ষাৎ হয়। কিন্তু সেই সময়ত সাক্ষাৎকাৰ দিয়াৰ বাবে অপাৰগতা প্ৰকাশ কৰে। শ্ৰীফুকন অৱশেষই নিৰ্বাচনী প্ৰচাৰ কাৰ্যত ব্যস্ত আছিল। তেখেতৰ বাসভৱনৰ সন্মুখত যথেষ্ট সংখ্যক সমৰ্থকৰ ভিৰ দেখা গৈছিল। ১৫ তাৰিখৰ নিশা ১০ বজাত আমি লগ পাইছিলো– নতুন অগপ দলৰ তামোলপুৰ, মৰিগাঁও জাগিৰোডৰ বিধান সভাৰ নিৰ্বাচনী প্ৰাৰ্থীসকলক। আশ্বৰ্যজনক ভাৱে শ্ৰীফুকনে সিদিনা সম্ভাৱ্য বিধয়ক কেইজনৰ সৈতে চিনাকি হৈছিল। এই কথাৰ দ্বাৰা দলৰ সাংগঠনিক দুৰ্বল ভেটিৰ কথা পৰিস্কাৰ হৈ পৰে। সমৰ্থক সকলৰ সতে কথা বতৰা পাতি থকা অৱস্থাতে আমি তেওঁক দুটামান কথা সুধিছিলো– অগপ দলৰ বিভাজন, দুৰ্নীতিৰ অভিযোগ; অকৰ্মণ্যতাৰ ইমান নিদৰ্শনৰ পাছতো আপোনালোকক ৰাইজে কিয় ভোট দিব লাগে– উত্তৰত শ্ৰীফুকনে নিৰ্বাচনী ইস্তাহাৰখনলৈ আঙুলিয়াই দিয়ে যে তাতেই সকলো কথাৰ উত্তৰ আছে। পুনৰ আমি কথা প্ৰসংগত তেখেতক সম্ভাৱ্য মুখ্য মন্ত্ৰীৰ শাৰীত থকা এজন ৰাজনৈতিক নেতা বুলি সাক্ষাৎকাৰ লব খুজিছো বুলি কোৱাত একে আষাৰেই তেখেতে তেখেতৰ মুখ্য মন্ত্ৰী হোৱাৰ কোনো বাসনা নাই বুলি আমাক জনায়।

শ্ৰীফুকনৰ মতে আমাৰ আচুতীয়া সাক্ষাৎকাৰ সম্ভৱ নহ'ল– একমাত্ৰ ফুকনৰ ব্যস্ততাৰ বাবে। নিৰ্বাচনৰ মাধ্যমেৰে এখন দেশক নেতৃত্ব দিবলৈ ওলোৱা শ্ৰীভৃগু কুমাৰ ফুকনৰ এনে ব্যস্ততাই আমাক এক নতুন অভিজ্ঞতা আহৰণত সহায় কৰিলে। ১৫ মে তাৰিখৰ নিশা আমি বিফল মনোৰথ হৈ উভতি আহিলো। তেতিয়া আমাৰ ঘড়ীত নিশা ১২ বাজি গৈছিল। তেতিয়াও শ্ৰীফুকনে গোট খোৱা ব্যক্তি কেইগৰাকীৰ সতে কথা পাতি আছিল। সংবাদ মাধ্যমৰ প্ৰতি তেখেতৰ এনেকুৱা স্পষ্ট অনীহাই (?) দলৰ সম্ভাৱনা সম্বন্ধে দুনাই চিন্তা কৰাৰ অৱকাশ দিলে।

## সামৰণিতঃ

এতিয়া সমগ্ৰ তৃতীয় বিশ্বতে এনে এক সময় য'ত চৌদিশে মানুহৰ আৰ্তনাদ, কোলাহল, পুলিচৰ কৰ্ডন, উত্তেজিত মানুহৰ জুম। এটা নতুন শতিকাক আদৰি আনিবলৈ যোৱাৰ প্ৰাক মুহূৰ্তত য'ত বিশ্বৰ উন্নত দেশসমূহ দুৰ্বাৰ গতিত সন্মুখৰ পিনে ধাৱমান তৃতীয় বিশ্বৰ অন্যতম দেশ ভাৰতবৰ্ষৰ অ'ত ত'ত উৎসুক, শংকিত, অসহায়, ক্ৰন্দনৰত মানুহৰ ভিৰ। ভাৰতবৰ্ষত পুনৰবাৰ নিৰ্বাচন হৈছে। ক্লান্ত, অসহায়, তেজহীন ব্যক্তিৰে দেশৰ সৰ্বসাধাৰণ ৰাইজে পুৰণি আশাৰ ভেটিতে নতুনকৈ সাৰ-জাবৰ দি আকৌ আশা কৰিছে– এই সকলোবোৰৰ অৱসান ঘটিব, মানুহৰ অভাৱ পূৰণ হব, এক নতুন যুগৰ আৰম্ভণিয়ে মানুহৰ আত্মাৰ মহত্ব, প্ৰগতিৰ জয়গান, সভ্যতাৰ ঘোষণাক সঁচা বুলি প্ৰমাণিত কৰিব।


"যি সকল নৰৰক্ত পিপাসুৱে দেশ প্ৰেমিকৰ মুখা পিন্ধি অসমক মানৱতা আৰু সভ্যতা-সংস্কৃতিৰ মৰিশালিত পৰিণত কৰিবলৈ চেষ্টা চলাইছে তেনেবোৰ শক্তিক পৰাভূত কৰিব লাগিব। প্ৰকৃত ৰাজনৈতিক ধ্যান-ধাৰণাৰে, সুস্থ-সবল বিবেকেৰে যোগ্য, অৰ্হতাসম্পন্ন ব্যক্তি আৰু দলসমূহক চিনাক্ত কৰি চৰকাৰ গঠনৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব লাগিব।"

বিভিন্ন জাতি-উপজাতিৰ বিচিত্ৰ উপাদানৰ একীভৱনৰ ফলত গঢ় লোৱা ভাৰতবৰ্ষৰ ৰাজ্য সমূহৰ সামাজিক-সাংস্কৃতিক গাঁথনিও প্ৰায় একে ধৰণৰ। ৰাষ্ট্ৰীয় সংসদীয় নিৰ্বাচনৰ লগতে একে লগে বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হব সাতখন প্ৰদেশত। নিৰ্বাচনত নানাৰঙী আৰু ভিন্নসুৰী শ্লোগানেৰে মুখৰিত হৈ থকা ভাৰতবৰ্ষৰ আকাশ-বতাহত আজি সঘনাই উচ্চাৰিত শব্দবোৰ হল ধৰ্ম, ৰাষ্ট্ৰীয়তা অখণ্ডতা, সমতা, সামাজিক ন্যায়, স্বনিয়ন্ত্ৰণ, সুস্থিৰতা, প্ৰগতি, উন্নয়ন ইত্যাদি। অথচ আমি সকলোৱে জানো যে এটা উৰ্ৱলি যোৱা সমাজ ব্যৱস্থা আৰু অবাস্তৱ আৰু অপ্ৰায়োগিক অৰ্থনৈতিক ব্যৱস্থাই ব্যক্তিগত স্বাৰ্থ, শ্ৰেণী স্বাৰ্থ, শোষণ আৰু দুৰ্নীতিৰ হাথিয়াৰেৰে জনগণৰ বাবে কাগজৰ আঁচনিৰ পাহাৰ বন্ধাৰ বাদে একোৱেই কৰিব নোৱাৰে। বৰ্তমানৰ নিৰ্বাচনটোৰ গুৰুত্ব অন্য এক দিশৰ পৰাহে। এই নিৰ্বাচন এনে এক সময়ত অনুষ্ঠিত হবলৈ গৈছে য'ত ভাৰতবৰ্ষৰ অংগ ৰাজ্যসমূহ ভাষা, ধৰ্ম আৰু বৈষম্যৰ ভিত্তিত পৃথকতাবাদী আন্দোলনেৰে আন্দোলিত আৰু ৰাজনৈতিক অস্থিৰতা ক্ৰমাগত ভাৱে শীৰ্ষলৈ ধাৱমান। ভাৰতবৰ্ষৰ অংগৰাজ্য



ফটোঃ পি আই বি






হিচাপে এই সকলো সমস্যাৰে জৰ্জৰিত হৈ থকা অসমতো এই নিৰ্বাচনৰ তাৎপৰ্য গুৰুত্বপূৰ্ণ।

অসমৰ ক্ষেত্ৰত এই নিৰ্বাচনৰ গুৰুত্ব অতি বেছি কিয়নো এই ৰাজ্যখনত নানা জাতি-উপজাতিৰ সামাজিক-সাংস্কৃতিক-একীভৱনৰ ফলত গঢ় লৈ উঠা জন জীৱনৰ সামাজিক গাঁথনিৰ ভেটি সোলোক-ঢোলোক আৰু সাতাম-পুৰুষীয়া শান্তি সম্প্ৰীতি বিনষ্ট হোৱাৰ উপক্ৰম।

১৯৭৯ চনত অসমৰ ছাত্ৰ-যুৱ সমাজে আৰম্ভ কৰা জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনে অসমৰ ৰাইজৰ মনত বহু পৰিমাণে জাতীয় সচেতনতা আনি দিবলৈ সক্ষম হৈছিল যদিও ১৯৮৫ চনত এখন কাগজৰ চুক্তিৰে শেষ হোৱা এই আন্দোলনে অসমত জাতীয়তাবাদৰ এক সুদৃঢ় ভেটি স্থাপন কৰিব নোৱাৰিলে। জাতীয়তাবাদী আন্দোলনেৰে জাতীয় চৰকাৰ গঠন কৰি যুৱ-সম্প্ৰদায়ৰ একাংশই ক্ষমতাৰ বাঘজৰি ললে যদিও স্পষ্ট নীতি আৰু আদৰ্শৰ অভাৱ, দুৰ্বল নেতৃত্ব, সমস্যা সমূহৰ গভীৰতালৈ গৈ সমাধান কৰাত ব্যৰ্থতা আদিয়ে– অতি কম সময়ৰ ভিতৰতে ৰাইজক পতিয়ন নিয়াবলৈ ধৰিলে যে অকল জাতীয়তাবাদৰ শ্লোগানেৰে অযোগ্য আৰু নিষ্ঠাহীন এখন চৰকাৰে জনসাধাৰণৰ বাবে কেতিয়াও সৃজনীমূলক ভাবে প্ৰগতি আৰু সুখৰ প্লাৱন আনিব নোৱাৰে।

আজি অসমৰ জনসাধাৰণ এনে এক সন্ধিক্ষণত উপস্থিত হৈছে যাক সাধাৰণ ভাষাত উভয় সংকট বুলিব পাৰি। এচামে কৈছে– "সংবিধান সংশোধন কৰিব লাগে, ফেডাৰেল গাঁথনি লাগে, স্বায়ত্ত শাসন লাগে, বৈষম্য আঁতৰাব লাগে" আৰু আনফালে কোৱা হৈছে "মৌলিক অধিকাৰ আৰু প্ৰয়োজন পূৰণ কৰিব লাগে, গণতন্ত্ৰক অধিক শক্তিশালী কৰিব লাগে, ৰাষ্ট্ৰীয়তা আৰু সাংস্কৃতিক ঐক্য বজাই ৰাখিব লাগে" ইত্যাদি ইত্যাদি। এই শব্দবোৰ ৰাইজৰ অতি পৰিচিত শব্দ। কিন্তু কথা আৰু কাগজেৰে ৰাইজৰ পেট নভৰে– এই কথাও ৰাইজে জানে।

ব্যৱস্থাটোৰ বাস্তৱ পৰিবৰ্তন বিচৰা সকল বা শ্ৰেণী সংগ্ৰাম বা আত্মনিয়ন্ত্ৰণৰ সমৰ্থকসকলেও প্ৰবল উদাৰতাবাদৰ ভেটি ভাঙি ৰাইজক বৈপ্লৱিক সমাজ-পৰিবৰ্তনৰ মূল মন্ত্ৰ সমূহে পতিয়ন নিয়াব পৰা নাই। ইয়াৰ পৰা এইটোৱেই স্পষ্ট হৈ পৰে যে ব্যৱস্থাটো বৰ্তমান এনেকৈয়ে থাকিব আৰু যদি এনেকৈয়ে থাকে অসমৰ মানুহে ঠিক কৰিব লাগিব– তেওঁলোকে কাৰ কথা শুনিব। এই শতাব্দীত এয়াই তেওঁলোকৰ শেষ সুযোগ। উপযুক্ত বিচাৰ বুদ্ধিৰে সিদ্ধান্ত গ্ৰহণ কৰি জনগণৰ প্ৰধান সমস্যা সমূহ পূৰণ কৰিব পৰা চৰকাৰ এখন জনগণেই গঠন কৰিব। এই ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি কৰি জনসাধাৰণক মূল সমস্যা সমূহৰ পৰা আঁতৰাই লৈ যোৱা শক্তি সমূহকো তেওঁলোকে চিনাক্ত কৰিব লাগিব।

যিসকল নৰ-ৰক্ত-পিপাসু, আসুৰিক শক্তিয়ে দেশপ্ৰেমিকৰ মুখা পিন্ধি অসমক মানৱতা আৰু সভ্যতা সংস্কৃতিৰ মৰিশালিত পৰিণত কৰিবলৈ চেষ্টা চলাইছে তেনেবোৰ শক্তিক পৰাভূত কৰিব লাগিব। প্ৰকৃত ৰাজনৈতিক ধ্যান-ধাৰণাৰে, সুস্থ-সবল বিবেকেৰে যোগ্য, অৰ্হতা সম্পন্ন ব্যক্তি আৰু দলসমূহক চিনাক্ত কৰি চৰকাৰ গঠনৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব লাগিব। ৰাজনৈতিক সামাজিক সুস্থিৰতা আৰু মৌলিক প্ৰয়োজনীয় বিষয় সমূহেও জনসাধাৰণৰ সিদ্ধান্ত গ্ৰহণত অগ্ৰাধিকাৰ পোৱা উচিত হব। এনে এখন চৰকৰ গঠন হব লাগিব যি দক্ষতা, অৰ্হতা আৰু নিষ্ঠাৰে সমস্যা সমাধানত ব্ৰতী হৈ সুব্যৱস্থাপনাৰে সম্পদৰ সদ্ব্যৱহাৰ আৰু গণমুখী অৰ্থনীতিৰে দেশক প্ৰগতিৰ পথলৈ আগুৱাই নিব পাৰিব। চৰকাৰ, প্ৰশাসন আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান কমাই আনি পাৰস্পৰিক আলোচনা আৰু সহযোগিতাৰে ব্যৱস্থাটোৰ বাস্তৱ পৰিবৰ্তনৰ কাম কাজো লাহে লাহে আৰম্ভ কৰিব লাগিব। কিন্তু জনসাধাৰণৰ বাবে সৰ্বোপৰি মনত ৰাখিব লগীয়া কথা এয়ে হব যে তেওঁলোকেই চৰকাৰ প্ৰকৃত জনচেতনা আৰু সন্ধানী দৃষ্টিৰে উপযুক্ত সিদ্ধান্ত গ্ৰহণৰ মাজেৰেই জনগণে নিজৰ মনৰ মাজত বিপ্লৱেই হওক বা বিবৰ্তনেই তাৰ সুঠাম, সবল বীজ অংকুৰিত কৰিব লাগিব। □

# ৬, ৮ জুনৰ নিৰ্বাচন অসমৰ মানুহৰ বাবে অগ্নি পৰীক্ষা

গিৰীশ চন্দ্ৰ শৰ্মা

১৯৮৫ চনৰ নিৰ্বাচনৰ পিছত অসমত এয়া ১৯৯১ চনৰ লোক সভা আৰু বিধান সভা নিৰ্বাচন সম্পূৰ্ণ নিৰাপত্তা, নিস্তেজ আৰু উৎসাহহীন পৰিবেশত অনুষ্ঠিত হোৱাৰ লক্ষণ সৰ্বত্ৰতে বিৰাজমান, এই কাৰণেই যে যোৱা পাঁচ বছৰত হোৱা হতাশাই জনসাধাৰণক ইমান গভীৰ ভাবে পীড়িত কৰিছে যে তেওঁলোকে বৰ্তমানৰ এই নিৰ্বাচনৰ প্ৰতি সম্পূৰ্ণ নিৰুদ্বেগ হোৱাটো একো অস্বাভাৱিক নহয়। দ্বন্দ্ব আৰু দ্বিধাই ভাৰাক্ৰান্ত কৰা এটা ৰাজহুৱা মন, আশা আকাংক্ষা ভংগ হোৱাৰ হতাশা আৰু বহু আগ্ৰহেৰে শাসনৰ গাদীলৈ পঠিওৱা এদল যুৱকে দুৰ্নীতি আৰু নীচক স্বাৰ্থপৰতাৰ পংকিলতাত নিমজ্জিত হৈ সমগ্ৰ দেশৰ জনসাধাৰণক প্ৰবঞ্চিত কৰাৰ উপৰিও লাখ লাখ বিদেশীক বহিষ্কাৰ কৰাতো দূৰৈৰ কথা তাৰ নামেই নোলোৱাত এহাতে যেনেকৈ জনসাধাৰণৰ মনত প্ৰতাৰিত হোৱাৰ অসহনীয় ক্ষোভ আনহাতে ৰাজ্যখনৰ ভৱিষ্যত সংকট নিৰাময় কৰাৰ প্ৰতিশ্ৰুতি দি দিছপুৰ দখল কৰা সকলে আৰু তেওঁলোকৰ সমৰ্থকৰূপী সুযোগ সন্ধানীহঁতে বিদেশী নাগৰিকৰ প্ৰশ্নত ছবছৰ কাল আন্দোলন কৰাৰ যৌক্তিকতাক প্ৰহসনত পৰিণত কৰাৰ বাবে হোৱা সামগ্ৰিক ভাবে প্ৰবঞ্চিত হোৱাৰ যন্ত্ৰণা। বিদেশী নাগৰিকৰ সমস্যাতো সমস্যা হৈয়েই ৰ'ল, সমাধান কৰাতো দূৰৈৰ কথা এতিয়া সেই সমস্যাটোক লঘু কৰি দেখুওৱাৰ প্ৰয়াস কৰি তেওঁলোকে কেনেকৈ খিলঞ্জীয়া লোকৰ বিশ্বাসঘাতকতা কৰিছে সেই কথা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত অগপ আৰু অগপ-ৰ বিসম্বাদীৰ মাজত হোৱা বাদানুবাদে প্ৰকট কৰি তুলিছে। ভাৰত বাংলাদেশ সীমাত কাঁইটীয়া তাঁৰৰ বেৰা পাঁচ বছৰেও দিব নোৱাৰিলে অথচ কথাটো কিমান জৰুৰী আছিল। সীমা উন্মুক্ত হৈ আছে। অবৈধভাবে বিদেশীলোক অসমলৈ আহিয়েই আছে, আহি এইখিনি পোৱাৰ পিছত তেওঁলোকক পায় কোনে? দুৰ্বল আৰু দুৰ্নীতিগ্ৰস্ত শাসন ব্যৱস্থাই বিদেশী অনুপ্ৰবেশ ত্বৰান্বিত কৰাত সহায়হে কৰিছে– যোগ্যতাৰ এনে অপূৰ্ব অভিলেখ শিৰত লৈ ৰাইজৰ ওচৰলৈ ভোট বিচৰা সকলক ৰাইজে কেনেভাবে লব তাক ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। মই ৰাজনৈতিক দল সমূহৰ কথা কোৱা নাই। তেওঁলোকে আন ৰাজনৈতিক দলক সমালোচনা কৰিবই। প্ৰশ্ন থাকিলেও কৰিব নেথাকিলেও কৰিব। প্ৰশ্ন নেথাকিলে উলিয়াই লব। কিন্তু মই এইখিনি কথা কওঁতে সৰ্বসাধাৰণ ৰাইজৰ কথা কৈছো যিসকলে বিদেশী বিতাড়ন আন্দোলনৰ আহ্বানত চগাচাকিৰ দৰে সঁহাৰি দিছিল। যিসকলৰ প্ৰায় ৭০০ যুৱক/পুত্ৰ/ভ্ৰাতৃ/স্বামী ছহিদ হৈছিল। যিসকলৰ এক হাজাৰৰো অধিক যুৱক পুলিচ চি আৰ পি-ৰ অমানুষিক অত্যাচাৰত চিৰদিনৰ বাবে পংগু হৈছিল। আজি সেই সকল ৰাইজ দোমোজাত পৰিছে নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত। বঞ্চনাৰ ক্ষোভত দগ্ধ তেওঁলোকৰ মানসিকতা। অস্তিত্ব বিপন্ন হোৱাৰ ভয় অন্তৰত সুমুৱাই দিয়াৰ পিছত সেই খিলঞ্জীয়া লোকসকলকে প্ৰতাৰণা কৰি এমুঠি যুৱকে কোনো অনুশোচনা নকৰি পুনৰ ক্ষমতা দখল কৰাৰ বাবে উঠি পৰি লাগিছে। অসম বিধান সভাৰ ১২৫ (এখন আসন কোকৰাঝাৰ পশ্চিমত এজন বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্দলীয় নিৰ্বাচিত) আসন আৰু ১৪খন লোক সভাৰ নিৰ্বাচন ঘোষণা আৰু প্ৰচাৰ কাৰ্যৰ কোলাহলৰ মাজতো আমি জনসাধাৰণৰ এই গভীৰ মানসিক অন্তৰ্দ্বন্দ্বৰ উমান পাইছিলো। বিশ্বাস ভংগৰ যাতনা সঁচাকৈয়ে অসহ্যকৰ। তেওঁলোকৰ সেই যাতনাৰ কথা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অনুৰণিত হোৱাও দেখিছো। লগতে ইয়াকো দেখিছো যে জনসাধাৰণে আজি নিশ্চিতি বিচাৰিছে স্থায়ী শান্তিৰ বাবে, এখন সবল সুষ্ঠ চৰকাৰৰ বাবে যিখন চৰকাৰে অন্ততঃ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব, ভংগ নকৰে। প্ৰতিশ্ৰুতি দি ৰক্ষা কৰিব নোৱাৰি কাপুৰুষৰ দৰে পৃষ্ঠভংগ দিয়া সকলৰ স্বৰূপ জানিবলৈ আৰু বাকী নাই। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সেই একেই চৰ্চা আৰু বিশেষকৈ নিৰ্বাচনৰ আগ মুহূৰ্তত এইবোৰ কথা বৰকৈ ওলাইছে। সময় কটাবলৈ কাৰোবাক পঠিয়াই দিলেও দিব পাৰি পাঁচ বছৰ কাল আমোলা টেকেলা পিএ আদিৰ সহায়ত ফাইলত চহি কৰিও পাঁচ বছৰ কটাই দিব পাৰি সময় অতিবাহিত হৈ যাব কিন্তু আৰ্থ-সামাজিক কোনো ক্ষেত্ৰতে তাৰ কিন্তু চিন মোকাম নেথাকিব। গতিকে এয়া অগ্নি পৰীক্ষাৰ সময়। কাক ভোট দি দিল্লী বা দিছপুৰলৈ পঠিয়াব। সময় কটোৱাৰ বাবে অযোগ্যজনক নে জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰিব পৰা বিচক্ষণ কৃতবিদ্য লোকক। এয়া বিচাৰ কৰি চোৱাৰ সময়। সঠিক সময়ত সঠিক সিদ্ধান্ত লব নোৱাৰিলে পিছত অনুতপ্ত হৈ লাভ নাই। অজ্ঞাত কুলশীলজনক সমৰ্থন কৰি চোৱা হল। এতিয়া সকঁলো পৰিচিত হৈ পৰিছে।

অসমত এক শ্ৰেণীৰ পুঁজিপতিৰ ন্যস্ত স্বাৰ্থ জড়িত খবৰ কাগজৰ মূল্যহীন, টুলুঙা মন্তব্য, অপৈণত লেখা আৰু শাকেপাতে উলিয়াই দিয়া কথাকে বেদবাক্য বুলি ভবা লোকো অসমত আছে – অৱশ্যে তেওঁলোক শিক্ষিত মানুহ। সাধাৰণ মানুহে কিন্তু ঠিকেই বুজে। নিৰ্বাচনৰ আগমুহূৰ্তত আমি বিভিন্ন জনক লগ ধৰি কথা-বতৰা হৈ এনেবোৰ কথা গম পাইছো। মানুহৰ প্ৰাক নিৰ্বাচনী মনোভাব এনে ধৰণৰ।

যোৱা পাঁচ বছৰত তেওঁলোক হতাশ হৈছে আৰু সমগ্ৰ যুৱ শক্তিক সন্দেহৰ চকুৰে চাবলৈ লৈছে। নলবাৰীৰ এটা সমষ্টিৰ কিছুমান বয়োজ্যেষ্ঠ লোকৰ লগত কথা-বতৰা পাতি থাকোতে তাৰে এজনে কৈ উঠিল: "এইবাৰ মানুহে কিন্তু ডেকা ল'ৰাক ভোট নিদিয়ে। বয়সষ্ঠ লোককহে দিব।" তেওঁ কিন্তু কথাষাৰ বহলাই নকলে যদিও আন কেইজনেও তেওঁৰ কথাত হয়ভৰ দিলে আৰু এনে লাগিল যে অন্তৰ্নিহিত তাৎপৰ্য বুজিবলৈ কাৰো বাকী নাছিল। স্থানান্তৰতো অনুৰূপ মন্তব্য শুনিছো।

সকলোতে বহু বহু প্ৰাৰ্থী নিৰ্বাচনত উঠিছে। কেইবাটাও আঞ্চলিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ভোটৰ পথাৰখনত খলক লগাইছে। পোষ্টাৰ চপাইছে, বেনাৰ লিখাইছে, অফিচ খুলিছে। গাড়ী দৌৰাইছে আৰু মানুহ খটুৱাইছে। আটাইবোৰ কামতে প্ৰচুৰ অৰ্থব্যয় হৈছে। একোটো নিৰ্বাচনী অফিচত হেনো প্ৰতিদিনে এহাজাৰৰ পৰা পাঁচ হেজাৰ টকা খৰচ হয়। ইমানবোৰ টকা আহিছে ক'ৰ পৰা? প্ৰতিষ্ঠিত দলবোৰৰ কথা সুকীয়া। সেই দলবোৰৰ শকত পুঁজি আছে। সেইবোৰ দলক পুঁজিপতি, উদ্যোগপতি আৰু বৃহৎ ব্যৱসায়ী গোষ্ঠীয়ে টকা দিয়ে। কিন্তু লাপিলুপাবোৰে টকা পালে ক'ৰ পৰা? এনেবোৰ কথা ভোটাৰ ৰাইজৰ মুখত শুনিছো এই গুৱাহাটী চহৰতে। মানুহে প্ৰশ্ন কৰিছে, সন্দেহ কৰিছে আৰু ইতিমধ্যে কিছুমানৰ বিৰুদ্ধে থকা অভিযোগ সত্য বুলি ধাৰণা কৰিছে। যোৱা পাঁচ বছৰত অসমৰ আৰ্থ-সামাজিক জীৱনত যি ধৰণৰ অবক্ষয় হৈ গল বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত থকা সহাৱস্থানৰ যি যাউতিযুগীয়া বান্ধোন চিগি থানবান হ'ল তাৰ বিষময় পৰিণতি দূৰীভূত কৰাৰ বাবে এতিয়াই ব্যৱস্থা লোৱাৰ বাবে নিৰ্বাচনে প্ৰথম পদক্ষেপ আনি দিছে।

এটা কথা নিশ্চিত ভাবে প্ৰতিপন্ন হৈ গৈছে যে ভাৰতীয় জনসাধাৰণে সামূহিক ভাবে কেতিয়াও ভুল কৰা নাই। চল্লিশ বছৰীয়া গণতান্ত্ৰিক জীৱনত তেওঁলোকে বিভিন্ন ব্যক্তি আৰু দলক ক্ষমতাৰ বাঘজৰি হাতত তুলি দি চাইছে। পৰিণতিও দেখিছে। সেই অভিজ্ঞতা আৰু বাস্তৱ পৰিস্থিতিৰ পটভূমিত জনসাধাৰণে কাক ভোট দিয়ে তালৈ উৎকণ্ঠাৰে সমগ্ৰ পৃথিৱীৰে সচেতন নাগৰিকে চাই আছে।

বহু দল উপদল প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী এক জীৱন্ত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে লক্ষণ। কিন্তু কাক নিৰ্বাচন কৰিব ৰাইজৰ কথা। ৰাইজে ইতিমধ্যে চিন্তা কৰিবলৈ লৈছে যে তেওঁলোকক এখন সুস্থিৰ আৰু সবল চৰকাৰ লাগে। যিখন চৰকাৰে ভালভাবে দেশ শাসন কৰিব পাৰে, ভাৰতৰ বৈশিষ্টপূৰ্ণ বৈচিত্ৰ্যৰ মাজৰ ঐক্য অটুট ৰাখিব পাৰে, সুষ্ঠ অৰ্থনৈতিক নীতি অনুসৰণ কৰি দেশখনক দেৱলীয়া অৱস্থাৰ পি ন গতি কৰাৰ পৰা ঘূৰাই আনিব পাৰে। ন্ধৰ মাহৰ পিছতেই আকৌ নিৰ্বাচন পাতিব লগা হোৱা পৰিস্থিতিৰ পৰা দেশখনক ৰক্ষা কৰিব পাৰে। নিৰ্বাচন পৰিচালনা কৰোতে চৰকাৰৰ ব্যয় হব ১৫০০ কোটি টকা। বিভিন্ন দল উপদল আৰু ব্যক্তিয়ে এক বুজন পৰিমাণৰ ধন খৰচ কৰিব। কিছুমানৰ মতে তিনি হেজাৰ কোটিৰো অধিক টকা খৰচ হব। এই ব্যয় অপৰিহাৰ্য যদিও উৎপাদিকা শক্তি হীন। এক অৰ্থত অপচয়ৰ দৰে কিন্তু আমি সকলোৱে মনত ৰখা উচিত যে এই ব্যয়ৰ বোজা দেশৰ সমগ্ৰ জনসাধাৰণে বহণ কৰিব লাগিব। যি চৰকাৰেই নহক কিয় ১৯৯২ চনৰ বাজেটত চৰকাৰে কৰ বহুৱাই প্ৰায় ৫০০০ কোটি টকা তোলাৰ ব্যৱস্থা কৰিব লাগিব। এই ৫০০০ কোটি টকাৰ কৰ লগালে কোনোমতে ঘাটি পূৰণ হব কিন্তু ৰাহি নহয়। কিয়নো প্ৰায় ২০০০ কোটি টকাৰ ঘাটি বাজেটৰ জেৰ টানিব লাগিব। কৰ লগোৱাৰ পৰিণতি হব বস্তুৰ দাম আৰু বাঢ়িব। মুদ্ৰাস্ফীতি বাঢ়ি যাব। ইফালেতো পুঁজিপতি ব্যৱস্থাই কৰা দৌৰাত্ম্য আছেই। এনেবোৰ পৰিস্থিতি চম্ভালিবৰ বাবে যে এখন স্থায়ী আৰু শক্তিশালী চৰকাৰ লাগে সেই কথা এতিয়া সৰ্বসাধাৰণ ৰাইজেও জনা হৈছে। গতিকে এইবাৰৰ নিৰ্বচনত ভাৰতীয় মানুহৰ মানসিকতাৰ পৰীক্ষা হব। কি বিচাৰে তেওঁলোকে সুস্থিৰতা নে অস্থিৰতা। নে তেওঁলোক সম্ভাৱ্য পৰিণতিৰ বিষয়ে এতিয়াও অজ্ঞ হৈয়েই আছে?

অসমৰ মানুহে বুজি পাইছে যে কাম কৰিব নোৱৰা অযোগ্য লোকক ভোট দি লাভ নাই। গতিকে তেওঁলোকে অতি সন্তৰ্পণে সিদ্ধান্ত লৈ থৈছে। কথাটো অনুমান কৰিব পাৰিছো বিভিন্ন ঠাইৰ দুই এটা সুৰু সুৰা ঘটনাৰ মাধ্যমত। গুৱাহাটীৰ জু-ৰোডৰ এঘৰ মধ্যবিত্ত মানুহৰ ঘৰলৈ ভোট বিচাৰি আহিছিল এক মন্ত্ৰী পত্নীৰ লগতে আৰু কেই গৰাকীমান ভদ্ৰ মহিলা। তেওঁলোকে বিস্তৃত জু-ৰোড অঞ্চলত মানুহৰ ঘৰে ঘৰে গৈ আহি সেই বিশেষ ঘৰটোত সোমাল। ঘৰৰ মানুহজন তেতিয়া নাছিল। গৃহিণীয়ে তেওঁলোকক বহিবই নকলে। মাথোন ক'লে– "যাওক, যাওক, আমাক আৰু কব নালাগে। কাক ভোট দিম আমি মনতে স্হিৰ কৰি থৈছো।" গৃহিণীৰ উগ্ৰমূৰ্তি দেখি ভোট বিচাৰি অহা মহিলা কেইগৰাকী সেমেনা সেমেনিকৈ ওলাই গল। বহু ঠাইত এইদৰে একালৰ পাত্ৰ মন্ত্ৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত নমাসকল বিব্ৰত হব লগীয়াত পৰিছে। বিব্ৰত নহব কিয়? মানুহৰ আশা ভংগৰ ক্ষোভ অতি তীব্ৰ হয়। প্ৰতাৰিত হোৱাৰ পৰিণতি অতি ভয়াবহ হয়।

আঞ্চলিকতাবাদে অসমৰ মানুহক আকৰ্ষণ কৰিছিল। তেওঁলোকে ভাবিছিল যে সৰ্বভাৰতীয় দলবোৰে অসমৰ মানুহৰ মনৰ কথা বুজি নেপায় বা বুজিবলৈ চেষ্টাও নকৰে। গতিকে অসমৰ সমস্যাৰ সমাধানৰ বাবে আঞ্চলিক দলহে অধিক কাৰ্যকৰী। দেখাত কথাটো সত্য যেন লাগে। সৰ্বভাৰতীয় দলৰ বিফলতাৰ বাবেই আঞ্চলিক দলৰ সৃষ্টি হৈছে। কিন্তু দেখা গল যে আঞ্চলিক দলেও কাম কৰিব নোৱাৰে। ৰাজ্য-কেন্দ্ৰ সম্পৰ্ক এনেভাবে ৰচিত হৈছে যে সকলো কথাতে ৰাজ্য চৰকাৰ কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হব লাগে। সংবিধানখনে বৰ্তমানৰ চাহিদা কিমান দূৰ পূৰাব পাৰিছে আৰু বৰ্তমান যুগৰ সমস্যাৰ বিস্তৃতি আৰু জটিলতালৈ চাই সংবিধানখনকে পুনৰ লিখন কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কত ইতিমধ্যে প্ৰবল জনমত সৃষ্টি হৈছে। আঞ্চলিকতাবাদে দিল্লীৰ আসোঁৱাহ দূৰ কৰি এটা সুচল পথ উলিওৱাত বৰঙণি যোগাব নোৱাৰে। সবাতোকৈ অসুবিধাজনক কথা হল আঞ্চলিক দল হিচাপে অসমত অগপ-ই কোনো ভাবমূৰ্তিৰ সৃষ্টি কৰিব নোৱাৰিলে যি ভাবমূৰ্তিৰ সৃষ্টি কৰিলে সেয়ে তেওঁলোকক দুৰ্নীতিপৰায়ণ, অযোগ্য আৰু দায়বদ্ধতাহীন, অপৰিণামদৰ্শী, অদূৰদৰ্শী আৰু দায়িত্বহীন হিচাপে থিয় কৰালে। এই ভাবমূৰ্তিৰে তেওঁলোকে জনসাধাৰণৰ অকুণ্ঠ সমৰ্থন পাব নোৱাৰে। ভাবমূৰ্তি ইমান নিম্নস্তৰলৈ যোৱাৰ সময়তে দুভাগ হৈ



OKDISCD

তেওঁলোকে ভৱিষ্যতৰ যিকণ সম্ভাৱনা আছিল তাকো মষিমূৰ কৰিলে। 'আপুনি আপোনাক ৰাখে আপুনি আপোনাক মাৰে।' শংকৰদেৱ-আজান পীৰৰ নাম লোৱা দলটোৱে সময়ত সকলো পাহৰি গল। নিৰ্বাচনত তেওঁলোকে জনসাধাৰণৰ পৰা কেনে সমাদৰ পাব তাক সহজতে অনুমান কৰিব পাৰি। তথাপি বিভাজন নহলে হয়তো দলটোৱে এটা উলাই কৰিব নোৱৰা স্থিতিলৈ আহিলহেঁতেন। এইবাৰৰ নিৰ্বাচনত আঞ্চলিক দলৰ ক্ষমতালৈ অহাৰ কোনো আশা নাই। বহুবোৰ আঞ্চলিক দলে সেইটো কামনাও কৰা নাই। কিয়নো ৩০।৪০ জন প্ৰাৰ্থী থিয় কৰোৱা দলে নিজেও আশা নকৰে ক্ষমতালৈ অহাৰ। গতিকে জনসাধাৰণে কি চাই ভোট দিব?

বহুত ঠাইত ভোটাৰ ৰাইজে এনেদৰেও কোৱা শুনিছো: "আমি আমাৰ ভোটবোৰ নষ্ট নকৰো। চাইচিটিহে ভোট দিম।" গতিকে দেখা যায় এইবাৰ অসমত সৰ্বভাৰতীয় ৰাজনৈতিক দলবিলাকেহে ভাল সঁহাৰি পাব। জনতা দল অসমৰ সাংগঠনিক দুৰ্বলতা আছে তাতোকৈ সাংগঠনিক ভাবে দুৰ্বল সমাজবাদী জনতা দল। বিজেপি দেশৰ অন্যত্ৰ লহৰৰ সৃষ্টি কৰিলেও অসমত এই দলৰ সংগঠন চালুকীয়া আৰু প্ৰায় বিধান সংখ্যাৰ কিঞ্চিদধিক এক তৃতীয়াংশৰ বাবেহে প্ৰতিদ্বন্দ্বিতা কৰিছে। গতিকে দলটোৰ অসমত উচ্চাভিলাস নাই। একমাত্ৰ আঞ্চলিক দল অগপ আৰু কংগ্ৰেছ আই আটাইবিলাক আসনতে প্ৰাৰ্থী থিয় কৰাইছে।

কংগ্ৰেছ আয়ে এইবাৰ জনসাধাৰণৰ পৰা ভাল সঁহাৰি আশা কৰিছে। অগপ-ৰ শোচনীয় বিফলতা আৰু অনুজ্জ্বল ভাব মূৰ্তিৰ সুযোগ কংগ্ৰেছ আই পাব বুলি ধৰি লৈছে। অসমত বসবাস কৰা অন্য প্ৰদেশৰ লোক, বাংলাভাষী, হিন্দু তথা মুছলমান ভোট এইবাৰ কংগ্ৰেছ আইৰ পক্ষলৈ যাব বুলি ইতিমধ্যে নিৰ্বাচন পৰ্যবেক্ষণ কৰা কিছুমান সূত্ৰই মতামত ব্যক্ত কৰিছে।

২১ মে'ৰ নিশা মাদ্ৰাজৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ নিলগত কংগ্ৰেছ আই সভাপতি ৰাজীৱ গান্ধীক বোমা বিস্ফোৰণ ঘটাই নৃশংসভাবে হত্যা কৰা ঘটনাই ইতিমধ্যে দেশৰ ভিতৰে বাহিৰে দলমত, জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে সকলো লোকৰে সহানুভূতিৰ ভাব উদ্ৰেক কৰিছে। জীৱনৰ এই আটাইতকৈ কৰ্মময় অধ্যায়ত ইমান সম্ভাৱনাপূৰ্ণ এজন নেতাৰ জীৱন বন্তি নিৰ্বাপিত কৰি দিলে। পৃথিৱীৰ সকলো মানুহে এই নৃশংস হত্যাকাণ্ডক ধিক্কাৰ দিছে। নিন্দা কৰিছে। ৰাজীৱ গান্ধীৰ এই অমানুষিক হত্যাই ১২ জুন আৰু পোন্ধৰ জুনত হব লগীয়া সৰ্বভাৰতীয় নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটদানত যে প্ৰভাৱ পেলাব তাত সন্দেহ নাই। ১৯৮৪ চনত ইন্দিৰা গান্ধী হত্যাৰ পিছতেই হোৱা নিৰ্বাচনত সহানুভূতি লহৰৰ বাবে কংগ্ৰেছ আই দলে বিপুলভাবে জয়লাভ কৰিছিল। অসমত ৬ জুন আৰু ৮ জুনত হব লগীয়া লোক সভা আৰু বিধান সভাৰ নিৰ্বাচনতো ৰাজীৱ গান্ধীক অমানুষিকভাবে কৰা হত্যাই প্ৰভাৱ পেলাব বুলি অনুমান কৰিব পাৰি। একাংশ অসমৰ বাতৰি কাকতে কংগ্ৰেছ আইৰ বিৰুদ্ধে চলোৱা ব্ৰাহ্মণ আৰু বলিৰ পঠাৰ সাধুৰ দৰে অসত্যক পুনঃ পুনঃ কৈ সত্যৰ দৰে প্ৰতিভাত কৰা কায়দাৰ ফল স্বৰূপে দলটো যেন ব্ৰাত্য হৈ পৰিছিল আৰু ভ্ৰমাত্মক ধাৰণাৰ বাবে হিংসাৰো বলি হব লগীয়াত পৰিছিল। কিছুমান মানুহক কিছু সময়ৰ বাবে মূৰ্খ বনাব পাৰি কিন্তু সকলো মানুহকে সকলো সময়ৰ বাবে মূৰ্খ বনাব নোৱাৰি। সৰ্বসাধাৰণ ৰাইজে খেলাটো বুজি পাইছে। ৰাজাখনত গঢ়ি উঠা গণতান্ত্ৰিক পৰম্পৰা ধ্বংস কৰি অসহিষ্ণুতা, বিদ্বেষ আৰু হিংসাৰ জুই বিয়পাই এচাম মানুহক বিপথগামী কৰা সকলোৰো এদিন বুমেৰাং হব। সুষ্ঠ আৰু শান্তিপূৰ্ণ পৰিবেশত ভোটদান কৰিবলৈ পালে অসমৰ তথা ভাৰতৰ ৰাইজে নিৰ্ভুল ভাবে প্ৰতিনিধি বাছিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। ■


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১০০% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**
কুমাৰপাৰা, গুৱাহাটী-৭৮১০০৯






# ভোটৰ ভাবনা আৰু দুৰ্ভাবনা

অনিল বৰুৱা

ভাল সাংবাদিক কোন জন আৰু ভাল সাংবাদিকতা কেনেকুৱা?

কোনজন সাংবাদিক ভাল নহয় আৰু কেনেকুৱাবোৰ সংবাদিকতা ভাল নহয় সেই বিষয়ে কিছু কথা ক'ব পৰা যায় হয়তো। কিন্তু কোনজন আৰু কেনেকুৱাবোৰ 'ভাল' সেইটো কোৱা টান। অলপ দাৰ্শনিকতা কৰি ক'ব পাৰি যে ঘটনাটো বেদান্তৰ ভগবানৰ দৰে – নেতি নেতি! অমুক নহয় তমুক নহয়, এনেকুৱা নহয় তেনেকুৱা নহয়, ইত্যাদি ইত্যাদি।

মোৰ বৃত্তিটোত দীৰ্ঘদিন সোমাই থকাৰ অতি নিঃকিন অভিজ্ঞতা আৰু যোগ্যতাৰে ক'ব পৰা কথা কেইটা এনেকুৱা: বৃজন ভাগ সাংবাদিকতাই হয় সাহিত্য, নহয় আলোকচিত্ৰ অথবা প্ৰচাৰমূলক বিবৃতি। কিমানে সাহিত্যত তলি উদং অৱস্থা দেখি, ভাবৰ ঘৰ দেৱলীয়া হোৱাৰ উমান পাই, ব্যৰ্থকাম বা বিৰক্ত হৈ অথবা দুৰ্গম পথ-পৰিক্ৰমালৈ ভয় কৰি সাংবাদিকতা কৰিছে তাৰ হিচাপ মই নাজানো। কিন্তু এই বিধৰ সাংবাদিকতাত কল্পনা আৰু অভিলাষী চিন্তাৰ পয়োভৰ দেখিলে তেওঁলোকক সাহিত্যলৈকে উভতি গৈ তাতে লাগি ভাগি যুঁজ বাগৰ কৰি থাকিবলৈ ক'বৰ মন যায়। যি দেখে বা যিমানলৈকে দেখে অৰ্থাৎ সামথহি যিখিনি দেখুৱায় তাকে অবিকল লেখা সাংবাদিকৰ সংখ্যাও কম নহয়। এওঁলোকে কলমটোক কেমেৰা বা টেপ ৰেকৰ্ডাৰৰ দৰে ব্যৱহাৰ কৰে। বাকী প্ৰায় সকলেই প্ৰচাৰমূলক বিবৃতি লেখে; কেতিয়াবা তেওঁ নিজে যিটো ধাৰণা কৰিবলৈ সক্ষম হৈছে সেইটো লিখে আৰু কেতিয়াবা তেওঁক যিটো ধাৰণা ল'বলৈ দিয়া হৈছে বা লিখিবলৈ কোৱা হৈছে সেইটো লিখে। প্ৰত্যক্ষভাবে ৰাজনীতি কৰাতকৈ সাংবাদিকতা কৰি থকাটো অথবা সাংবাদিকতাৰ আঁৰ লৈ ৰাজনীতি কৰি থকাটো অধিক নিৰাপদ আৰু সুবিধাজনক বুলি ভবা সকলে ৰাজনীতিৰ গোটেই হেঁপাহখিনি সাংবাদিকতাৰ নামত পূৰাই লয়। অসাধাৰণ সাংবাদিক সকলৰ কথা নহয়, মোৰ দৰে সাধাৰণ সাংবাদিক সকলৰ কথাহে কৈছো। আমি সাধাৰণতে যিটো কৰি আহিছো সেই বিষয়ে অন্ততঃ কিছু কথা সকলোৰে জনা ভাল।

সুধিলে আমি কওঁ, আমাৰ বৃত্তিৰ আদি আৰু শেষ কথা 'Objectivity' অৰ্থাৎ বস্তুনিষ্ঠতা। কিন্তু objectivity কেতিয়া হঠাতে, অৱলীলাক্ৰমে Unthinking objectivityত পৰিণত হয় – চিন্তাশূন্য বস্তুনিষ্ঠতা হৈ পৰে, আমি ক'ব নোৱাৰো। আমি তেতিয়া অবালচন্দ্ৰৰ দৰে আচৰণ কৰি থাকো।

সাংবাদিকৰ গোটেই কাৰবাৰটো হেনো 'Facts' লৈ অৰ্থাৎ তথ্য বা ঘটনা লৈ – যিটো ঘটিছে সেইটো লৈ। সাংবাদিকে যে অকল তথ্য বা ঘটনা পৰিবেশন কৰিলেই নহয়, তথ্যৰ বুকুৰ পৰা সত্য আহৰণ কৰি পৰিবেশন কৰাটোহে তেওঁলোকৰ বৃত্তিৰ প্ৰধান আৰু একমাত্ৰ কাম আৰু সেই কাৰণেই সাংবাদিক সকল মহৎ লোক আৰু সাংবাদিকতা মহৎ বৃত্তি – এইবোৰ কথা আমি বৃত্তিত লগেভাগে চৰ্চা বা অনুশীলন কৰা দূৰৰ কথা, আমি নাপাতোৱেই আৰু কেতিয়াবা পাতিবলৈ লগ বিচাৰিলেও নাপাওঁ।

এতিয়াৰ পৰা ঠিক পঞ্চাছ বছৰৰ আগৰ মে' মাহটোত মাওছে টুঙে ইয়েনানত তেওঁৰ দলৰ কেডাৰ সকলৰ আগত কৈছিল: 'Facts' are all the things tht exist objectively, 'truth' means their internal relations, that is, the laws governing them, and 'to seek' means to study. অৰ্থাৎ সহজ কৰি কবলৈ গ'লে, মই দেখাকৈ যিবোৰ আছে সেইবোৰেই 'তথ্য বা ঘটনা', কিন্তু 'সত্য' হ'ল সেইবোৰৰ আভ্যন্তৰীণ সম্বন্ধবোৰ, অৰ্থাৎ সেইবোৰ পৰিচালনা কৰা নিয়মবোৰ আৰু 'সন্ধান কৰা'ৰ অৰ্থ হ'ল অধ্যয়ন কৰা।

আমি কৰোনে? তথ্য বা ঘটনাবোৰৰ বুকুত আমি সত্যৰ সন্ধান কৰোনে?

আমি সাধাৰণতে নিজৰ মনটোৰে, মতটোৰে ধাৰণাটো গঢ়ি লওঁ, মনোভাবটো কৰি লওঁ। এটা subjectivist attitude অৰ্থাৎ এটা আত্মগত, আত্মপ্ৰকাশক ভংগি লওঁ। যিটো প্ৰকৃত অৱস্থা তাত আমাৰ মনৰ ৰহণ সানি লওঁ। এই ভংগিটোৱেই হ'ল আমাৰ সাংবাদিক সকলৰ আটাইতকৈ ডাঙৰ শত্ৰু, ঘোৰ শত্ৰু।

এই ধৰণৰ চিন্তাধাৰাৰ মানুহবোৰ কেনেকুৱা সেই লৈ ব্যংগ কৰি মাওছে টুঙে সেইখন সভাতে এফাকি কবিতা গাই শুনাইছিল আৰু নিজকে সাংঘাতিক, বিয়াগোম কিবা এটা বুলি ভাবি থকা সকলক 'অসুখ'টো দূৰ কৰিব খুজিলে কবিতা ফাকি মুখস্থ কৰি থবলৈ আৰু সাহস হলে নিজৰ কোঠাৰ বেৰত লিখি থবলৈ পৰামৰ্শ দিছিল। কবিতা ফাকি হ'ল–

The reed growing on the wall
top-heavy, thin-stemmed
and shallow of root;
The bamboo shoot in the hills
sharp-tongued, thick-skinned
and hollow inside.

অৰ্থাৎ এইধৰণৰ, তথ্য বা ঘটনাক আত্মগত ভংগিৰে চোৱা, subjectivist attitude থকা মানুহবোৰ মূৰ-গধুৰ, গা গাৰি নথকা আৰু পোতন নথকা শিপাৰ হয় অথবা মুখ চোকা, ডাঠ ছালৰ আৰু ভিতৰ-ফোঁপোলা হয়।

সেইটোৱেই নহ'বলৈ হ'লে, আমি তথ্য বা ঘটনাৰ বুকুত সত্যৰ সন্ধান কৰিব লাগিব।

– এই কথাবোৰ মনলৈ আহিল অসমৰ নিৰ্বাচন প্ৰসংগতঃ আন্দোলন, চুক্তি, গণ পৰিষদ, প্ৰফুল্ল মহন্ত, ভৃগু ফুকন, উলফা, হিতেশ্বৰ শইকীয়া, কংগ্ৰেছ আই – মুঠতে ৰাজাখনত যোৱা প্ৰায় ১২ বছৰ ধৰি চলা উতলা-কেৰাহি (seething cauldron) হেন পৰিস্থিতিৰ কথা ভাবোতে। বাৰে বাৰে একেটা প্ৰশ্নই মোক খুন্দিয়াই আছে: এই প্ৰায় ১২ বছৰত আমাৰ এই মহৎ বৃত্তি সাংবাদিকতা তাৰ আপোন মহিমাৰে ভাস্বৰ হৈ উঠিলনে? তথ্য বা ঘটনাৰ উৰ্ধ্বত উঠি সত্য দাঙি ধৰিব পাৰিলোনে?

□ □ □

অহা ৬ আৰু ৮ জুনত ভোট গ্ৰহণ হ'ব। এই লেখা প্ৰকাশ হোৱাৰ পৰা ভোটৰ



OKDISCD

দিনলৈ মাজত মাত্ৰ চাৰিটা দিন। ইতিমধ্যে সাংবাদিক সকলৰ সমীক্ষা দৈনিক ওলাব লাগিছে। মই মানি লৈছো, যিটো পৰিস্থিতি 'exist objectively' তাৰে ছবিখন দাঙি ধৰা হৈছে। যিটো প্ৰকৃত ঘটনা তাকে প্ৰতিবেদনত ঠাই দিয়া হৈছে। কিন্তু তথ্য বা ঘটনাৰ বুকুৰ পৰা সত্য আহৰণ কৰি উলিয়াই তাক পৰিবেশন কৰাৰ চেষ্টা প্ৰায়খিনি সমীক্ষাতে নাই। সম্ভৱ সম্পাদক সকলে সেইটো বিচৰাও নাই।

এৰৈছ মে' পৰ্যন্ত দুটা প্ৰধান পক্ষ স্পষ্ট হৈ ওলাইছিল। ক্ৰমে এটা ধাৰণাই গঢ় লৈ উঠিছিল যে হিতেশ্বৰ শইকীয়া আৰু তেওঁৰ কংগ্ৰেছ আই-ৰ বিৰুদ্ধে বাকী সকলো দল আৰু প্ৰাৰ্থী উঠিছে। প্ৰতিদ্বন্দ্বিতাৰ শীৰ্ষত এফালে শইকীয়াৰ প্ৰাৰ্থী আৰু আনফালে প্ৰতিপক্ষৰ যিকোনো এজন প্ৰাৰ্থীয়ে স্থান লোৱাৰ দৰে হৈছিল। এনেকুৱা এটা সম্ভাৱনাই দেখা দিছিল: যিহেতু শইকীয়া পক্ষৰ ভোটৰ বিভাজন ঘটাৰ সম্ভাৱনা কম, প্ৰায় নায়েই, গতিকে তাৰুৰ হ'লেও যিখিনি আছে সেইখিনি থাকিবই আৰু প্ৰলয় হ'লেও, দুৰ্যোগ হলেও সেইখিনি ভোট দিবলৈ যাবই। কিন্তু শইকীয়াৰ প্ৰতিপক্ষত একেখিনি ভোটৰে ভাগ বিচাৰিব বহুতে - কোনো কোনো সমষ্টিত কমেও ৩০ জনে। যিহেতু ঢৌ, ধুমুহা, ভাবাবেগ নায়েই, গতিকে প্ৰতিপক্ষত থকা সকলে মন গ'লে ভোট দিবগৈ আৰু নগলে নাই। আকৌ, কেনেবাকৈ কেন্দ্ৰত কংগ্ৰেছ আই-ৰ চৰকাৰ হ'লে, অসমত ওপঙি থকা ভোট প্ৰায় আটাইখিনিয়েই শইকীয়ালৈ যাব।

সহানুভূতিয়েও শইকীয়াৰ পক্ষে কিছু ভোটৰ দোলন ঘটোৱাৰ সম্ভাৱনা এটা আছিল। প্ৰায় এঘাৰ বাৰ ব[illegible] ধৰি শইকীয়া আৰু তেওঁৰ দলক একৰক[illegible] এঘৰীয়া কৰি ৰখাৰ চেষ্টাই তেওঁলো[illegible] অনুকূলে প্ৰতিক্ৰিয়াজনিত সহানুভূতি এটাও হয়তো সৃষ্টি কৰিলেহেঁতেন। শইকীয়াহঁতক একেবাৰে বিহকত কমখিনি কৰা হোৱা নাই। মানবেন্দ্ৰ শৰ্মা আৰু প্ৰদীপ শইকীয়াক হত্যাৰ সমৰ্থনত দিব পৰা যুক্তি কিবা আছেনে? এইধৰণৰ অনাহক বিদ্বেষ আৰু হিংসাই পীড়িত পৰিয়ালটো আৰু তেওঁলোকৰ দলটোক দুনাই বিচাৰ কৰি চোৱাৰ অৱকাশ আনি দিছিল বহুতৰ বাবে -আনকি শইকীয়াহঁতৰ প্ৰতিপক্ষৰো বহুতক।

শইকীয়াৰ প্ৰতিপক্ষত থাকি আক্ৰমণ চলোৱা সকলে যি কোনো ক্ষেত্ৰতে উন্নততৰ আৰু মহত্তৰ নীতি আৰু আদৰ্শ, আচাৰ আৰু অনুশীলন প্ৰদৰ্শন কৰি অহা হ'লেও এক কথা আছিল - তেতিয়াও বাছনি কৰাৰ থল এটা অন্তত: থাকিলহেঁতেন। গণ পৰিষদৰ নতুন ডেকা-গাভৰু জাকে নতুন ৰাজনৈতিক আৰু প্ৰশাসনিক সংস্কৃতিৰ নামত যিখিনি দেখুৱালে সেইখিনি পাঁচ বছৰ ধৰি দেখাৰ পাছত দুনাই ৰাজ্যখনৰ দায়িত্ব তেওঁলোকৰ হাতত তুলি দিয়াৰ কথা কেতিয়াও ভাবিব নোৱাৰি। শইকীয়া যোগ্যতম নহ'ব পাৰে, কিন্তু তেওঁৰ থকাখিনি ৰাজনৈতিক বিচক্ষণতা আৰু প্ৰশাসনিক দক্ষতাৰ তুলনাত বাকী সৱা অপদাৰ্থ।

এনেয়েও এইবাৰ ভোট দিবলৈ কম মানুহ ওলাব। পূৰ্বৰ দুটামতে দিল্লীত চৰকাৰ এটা হৈ যোৱাৰ পাছত ভোট হোৱা হ'লে প্ৰাৰ্থীৰ উপযুক্ততা, দলৰ অতীত কীৰ্তিকলাপ, নতুন প্ৰতিশ্ৰুতি আৰু আঞ্চলিকতাবাদী ভাবাবেগ একমাত্ৰ বিবেচ্য বিষয় হৈ নাথাকিলেহেঁতেন -দিল্লীত চৰকাৰ কৰা দলটো বা দলবোৰৰ পিনে ভোটৰ বৃহৎ পৰিমাণে দোলন ঘটিলেহেঁতেন আৰু সেইটোৱে ভূমিকা জয়-পৰাজয়ৰ ক্ষেত্ৰত নিৰ্ণায়ক হৈ পৰিলহেঁতেন। তদুপৰি, অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদে যোৱা ৫ বছৰ চৰকাৰত বহি থকাৰ পৰা তেওঁলোকে এসময়ত কৰি অহা আন্দোলনটো আৰু তাত পশ্চাংঘাত হানি কৰা চুক্তিখন নিজেই কথাৰে আৰু কামেৰে খুব দৰকাৰী আৰু জৰুৰী বিষয় নহয় বুলি প্ৰতিপন্ন কৰি দিয়াৰ পাছত সেইবোৰ লৈ নতুনকৈ মানুহক ভুলাব পৰা নগ'লহেঁতেন আৰু ভোট দিওঁতাই অন্য বিবেচনাকহে আগ ঠাই দিলেহেঁতেন।

এই আটাইবোৰ কথাই শইকীয়া আৰু তেওঁৰ দলক সহায় কৰিছিল। ৰাজীৱ গান্ধীক নৃশংসভাৱে হত্যা কৰা ঘটনায়ো কিছু ভোট দিয়াৰ সম্ভাৱনা আছিল। কিন্তু ২১ মে'ৰ পৰৱৰ্তী পৰিস্থিতি জলবিভাজিকাৰ (watershed) দৰে হৈ পৰিল: ছনিয়া গান্ধীক সভাপতি পদত বহুৱাইহে দল আৰু দলৰ ভৱিষ্যৎ ৰক্ষা কৰিব লগা হোৱা কংগ্ৰেছ আয়ে এতিয়া ভোট আকৰ্ষণ কৰে [illegible] খেদে কোৱা টান। অসমৰ বহু বছৰীয়া পৰিস্থিতিয়ে তাড়িত কাৰণে একেবাৰে [illegible] আৰু ফপৰীয়া কৰি [illegible] শাসনৰ কাৰণত এতিয়া [illegible] মনোনিৱেশ দৰ্বো। পৰিবৰ্তন, শইকীয়াই এইটো বোজা কান্ধত লৈ থিয় হৈ ভোট বিচাৰিব পাৰিবনে? [illegible] খোজ থৰকবৰক আছিল, এতিয়া আতু কাটি, চুচৰি, লেবাই চলিব নালাগিবনে? মুঠতে ৰাজীৱে শইকীয়াক লও বুলি ল'লে: এদিন কোনো মতে চৰকাৰত বহিছিলে, প্ৰধান মন্ত্ৰী হৈ নমাই দিলে; আকৌ পৰিস্থিতিয়ে চৰকাৰত বহাৰ অতি ক্ষীণ সম্ভাৱনা এটা দেখুৱাইছিল, নিহত হৈ তাৰ মুদা মাৰি থৈ গ'ল।

ভাগ্য আৰু ভগবানৰ কথা মই নাজানো। বিশ্বাসী সকলে শইকীয়াৰ ভাগ্য আৰু ভগবান অতি বলবান বুলি কয়। দেখিলে পাছত লিখিম।□



ফটো: জনসংযোগ





# আগন্তুক নিৰ্বাচন আৰু আঞ্চলিক ৰাজনীতিৰ ভৱিষ্যত

সচ্চিদানন্দ ভৰালী

ব্যাপক অনিশ্চয়তা আৰু অনেক জল্পনা-কল্পনাৰ শেহত দেশৰ ১০ম লোক সভাৰ নিৰ্বাচনৰ লগতে অসমতো লোক সভা আৰু বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱাত অসমৰ জনসাধাৰণে স্বস্তিৰ নিশ্বাস পেলাইছে। এই ব্যৱস্থাই অন্তত: অসমৰ জনসাধাৰণক দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়ালৈ উভতি অহাৰ বাবে এটি সুযোগ দিয়াৰ লগতে সামৰিক বাহিনীৰ নিৰ্যাতনৰ পৰা সাময়িক ভাবে হলেও নিষ্কৃতি দিলে।

অসমত পাঁচ বছৰীয়া দুৰ্নীতি আৰু অপশাসনৰ প্ৰতিভূ অসম গণ পৰিষদে / অৱশেষ নিজ চৰকাৰৰ কাৰ্যকাল চলি থাকোতেই যোৱা বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰতে বিধান সভাৰ নিৰ্বাচন পাতিবলৈ যো-জা কৰিছিল। আৰু সেই মতে কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগৰ ওচৰতো আৰ্জি পেছ কৰিছিল। অসম গণ পৰিষদৰ দলীয় কৰ্মকৰ্তা তথা চৰকাৰৰ মন্ত্ৰী বিধায়কৰ কোনো কোনোৱে এইটো নিশ্চয় উপলব্ধি কৰিব পাৰিছিল যে এহাতে দলৰ মন্ত্ৰী বিধায়কৰ অবাধ দুৰ্নীতি, অপশাসন আৰু স্বজনতোষণ আৰু আনহাতে ৰাজ্যখনত বিৰাজ কৰা নৈৰাজ্য আৰু নিৰাপত্তাহীনতাৰ পৰিপ্ৰেক্ষিতত এই দল আৰু চৰকাৰ অতি কম সময়ৰ ভিতৰতেই অসমৰ সমগ্ৰ বিশেষকৈ থলুৱা অসমীয়া ভাষী জনগোষ্ঠীৰ পৰাই সম্পূৰ্ণৰূপে বিচ্ছিন্ন আৰু তেওঁলোকৰ সদিচ্ছা আৰু আস্থাৰ পৰা বঞ্চিত হৈ পৰিছে।

মনত ৰখা দৰ্কাৰ যে অসম গণ পৰিষদৰ চৰকাৰৰ কাৰ্যকাল ছোৱাত অসমত গণতান্ত্ৰিক বিধি ব্যৱস্থা আৰু প্ৰমূল্যৰ সম্পূৰ্ণ অৱলুপ্তি ঘটাইছিল আলফাৰ দোৱাত্মাই ৰাজ্যখন সৰ্বত্ৰতে এক ভীষণ শ্বাসৰুদ্ধ পৰিবেশৰ সৃষ্টি কৰিছিল। আৰু জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত আঞ্চলিক দলৰ



চৰকাৰ অৱতীৰ্ণ হৈছিল আলফাৰ পৃষ্ঠপোষকৰ ভূমিকাত! বাহিৰৰ কথা বাদেই আনকি দলীয় সভা আৰু মন্ত্ৰী সভাৰ ভিতৰতো কোনো এটি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মুকলিমুৰীয়া আলোচনাৰ বাস্তৱ পৰিবেশ আছিল সদায়েই অনুপস্থিত। এনে এটি অৱস্থাতো কেইবাজনো মন্ত্ৰী বিধায়কে বিশ্বস্ত অনুগামী সহযোগী সকলক কৈছিল যে ডিচেম্বৰত নিৰ্বাচন হব আৰু অগপ দলে অতি কমেও এক শতাধিক আসনত জিকি আহি পুনৰ দিছপুৰ শিঙৰি ঘৰত আৰোহণ কৰিব। জনসাধাৰণৰ পৰা বিচ্ছিন্ন আৰু তেওঁলোকৰ আস্থাৰ পৰা বঞ্চিত এটি আঞ্চলিক ৰাজনৈতিক দলে কি অদৃশ্য শক্তিৰ সহায়ত পুনৰ এনেদৰে ক্ষমতাসীন হোৱাৰ সপোন দেখিছিল সেইটো সাঁথৰ যেন লাগিলেও সহজেই অনুমান সাপেক্ষ। কেৱল সকলো ওলট পালট কৰি দিলে ২৮ নৱেম্বৰ তাৰিখে প্ৰবৰ্তন কৰা ৰাষ্ট্ৰপতি শাসন আৰু 'অপাৰেশ্যন বজৰংগ'!

সি যি কি নহওক, বেআইনী ঘোষিত আলফা দমনৰ নামত অসমৰ নিৰীহ জনসাধাৰণৰ ওপৰত যি সামৰিক নিৰ্যাতন আৰম্ভ কৰা হৈছিল তাৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ পথ অগপ-ৰ পাঁচ বছৰীয়া শাসন কালতেই বিকল হৈ পৰা গণতান্ত্ৰিক বিধি ব্যৱস্থা আৰু পৰম্পৰা পুনৰ ওভোটাই আনি যিমান সোনকালে পৰা যায় সিমান সোনকালেই ৰাজ্যখনত বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰি নিৰ্বাচিত চৰকাৰৰ হাতত ক্ষমতা অৰ্পণ কৰাটো। কিন্তু অসমৰ ৰাজনৈতিক জীৱনধাৰা ইমানেই বিধ্বস্ত হৈ পৰিছিল যে তৎকালেই নিৰ্বাচন অনুষ্ঠিত কৰাটো সম্ভৱপৰ নাছিল। কেন্দ্ৰীয় চৰকাৰৰ অনীহা এক সুকীয়া কথাহে।

আনহাতে যোৱা ফেব্ৰুৱাৰী মাহৰ ২৭ তাৰিখে আলফাই সৰ্বভাৰতীয় ৰাজনৈতিক দল সমূহৰ সদস্য/সদস্যা সকলক ৩০ মাৰ্চৰ ভিতৰতে নিজ নিজ দলীয় সদস্য পদ পৰিত্যাগ কৰা আৰু নকৰিলে বিষম পৰিণতিৰ সন্মুখীন হব বুলি দিয়া সতৰ্কবাণীয়ে অসমৰ ৰাজনৈতিক জীৱন ধাৰাৰ যিখিনি অৱশিষ্ট আছিল সেইখিনিকো নিশেষ কৰি দিয়াৰ উপক্ৰম কৰিছিল। কাজেই নিৰ্বাচনৰ আশা আছিল সুদূৰ পৰাহত। কাৰণ নিৰ্বাচনৰ পূৰ্বচৰ্ত্তই হল ৰাজনৈতিক দলৰ অস্তিত্ব আৰু মুকলি ভাৱে কাম-কাজ কৰাৰ সুগম পৰিবেশ আৰু অৱকাশ।

অৱশেষত দিল্লীত ৰাজনৈতিক ঘটনাৱলীৰ দ্ৰুত পট পৰিৱৰ্তনে তথা ৰাষ্ট্ৰপতিৰ দ্বাৰা ১৩ মাৰ্চৰ লোক সভা ভংগ কৰি ৫ জুনৰ ভিতৰতে ১০ম লোক সভা গঠনৰ ঘোষণাই, অসমতো ৰাজনৈতিক কৰ্ম তৎপৰতা বৃদ্ধি কৰাৰ লগতে লোক সভাৰ সৈতে ৰাজ্যিক বিধান সভাৰ নিৰ্বাচন পতাৰ দাবী দুই এক বাদে আনবোৰ সৰ্বভাৰতীয় ৰাজনৈতিক দলে শক্তিশালী ভাৱে তোলাত অসমতো নিৰ্বাচনমুখী ৰাজনৈতিক বাতাবৰণ গঢ়ি উঠে। আলফাইও নিজৰ নিৰ্লিপ্ত অৱস্থান ঘোষণা কৰি এই ক্ষেত্ৰত এক সদৰ্থক ভূমিকা লয়। ইতিপূৰ্বে ১ ফেব্ৰুৱাৰী তাৰিখৰ পৰাই আলফাই অস্ত্ৰ সম্বৰণৰ ঘোষণা কৰি থৈছিল আৰু ৪ এপ্ৰিল তাৰিখে এই অস্ত্ৰ সম্বৰণৰ ম্যাদ আৰু বৃদ্ধি কৰি দিয়া ঘোষণাৰ জৰিয়তে আলফাই অসমত

**পূৰ্বৰ স্থিতিৰ বিপৰীতে আলফাই অসমত নিৰ্বাচন অনুষ্ঠিত কৰা তথা গণতান্ত্ৰিক বাতাবৰণ ওভোটাই আনিবলৈ লোৱা ওপৰোক্ত পদক্ষেপ সমূহৰ অন্তৰালত আন কেইটামান কাৰণো নিহিত হৈ আছে।**

নিৰ্বাচনী বাতাবৰণ গঢ়ি তোলাত অধিক ইন্ধন যোগায়। এই ক্ষেত্ৰত আলফাই সৰ্বশেষ পদক্ষেপটো ললে ১০ এপ্ৰিল তাৰিখে। সেই দিনাই আলফাৰ সাধাৰণ সম্পাদকজনে কাকতলৈ দিয়া এটি বিবৃতিৰ যোগে ঘোষণা কৰে যে উক্ত সংগঠনে অসমত নিৰ্বাচনী তথা আনুষংগিক ৰাজনৈতিক প্ৰক্ৰিয়াত কোনো ধৰণৰ হস্তক্ষেপ নকৰিব। অস্ত্ৰ সম্বৰণ সম্পৰ্কে ৪ এপ্ৰিলৰ বিবৃতিৰ অনুকূলে কিছু সংশোধনী ঘটাই দিয়া ১০ এপ্ৰিল তাৰিখৰ বিবৃতিত আৰু কোৱা হৈছিল;

"The ULFA as a sequal to the demands made by the general people of Assam, asking for peace and tranquillity and in response to the appeal from the Prime Minister has taken a decision to extend the time limit of 'cease—fire' including stoppage of all related activities until further orders. This is being done as an initiative for peace, so normalcy could be restored in Assam............"

"The ULFA has earlier indicated that it does not recognise the political process in the State. It therefore, reiterates that it would not interefere in the holding of elections and other political process in the State'. (The Assam Tribune, 17 April, 1991.)

পূৰ্বৰ স্থিতিৰ বিপৰীতে আলফাই অসমত নিৰ্বাচন অনুষ্ঠিত কৰা তথা গণতান্ত্ৰিক বাতাবৰণ ওভোটাই আনিবলৈ লোৱা ওপৰোক্ত পদক্ষেপ সমূহৰ অন্তৰালত আন কেইটামান কাৰণো নিহিত হৈ পৰিছে। প্ৰথমতে, সামৰিক অভিযানৰ কবলত সংগঠনটো প্ৰায় ভাঙি গৈছে। সংগঠনৰ বাহিৰত থকা কৰ্মীসকলে আত্মগোপন কৰিছে যদিও অনবৰত স্থান সলনি কৰি থাকিব লগীয়াত পৰিছে। প্ৰায় ১৪৪ দিন জোৰা এই অভিযানত সামৰিক বাহিনীয়ে ২০৫ জন দুৰ্ধৰ্ষ উগ্ৰপন্থীকে ধৰি প্ৰায় ৩০০০ জন আলফা বুলি অভিযুক্ত সদস্যক কৰায়ত্ত কৰি কাৰাগাৰত ৰাখিছে। লগতে ৪০ টা প্ৰশিক্ষণ শিবিৰ বিধ্বস্ত কৰিছে আৰু পাঁচ কোটি টকাসহ অনেক প্ৰকাৰৰ ভালেমান অস্ত্ৰ-শস্ত্ৰ আৰু ২৪ কেজি কানি জব্দ কৰিছে। (The Assam Tribune, 20 April, 1991, The North East Times, 20 April, 1991, আজিৰ অসম, ২০ এপ্ৰিল, ১৯৯১) দ্বিতীয়তে, ৩১ মাৰ্চ তাৰিখে উত্তৰ লখীমপুৰৰ ওচৰৰ খোলাহাটিত ১৬২ জন আলফা উগ্ৰপন্থী তথা সদস্যই ৰাজ্যৰ ৰাজ্যপালজনৰ ওচৰত আত্মসমৰ্পণ কৰা কাৰ্যইও নিশ্চয় আলফাৰ কেন্দ্ৰীয় নেতৃত্বৰ ওপৰত সামান্যতম হলেও প্ৰতিকূল প্ৰভাৱ পেলাইছে। তৃতীয়তে, প্ৰথম শাৰীৰ নেতৃত্বৰ পশ্চাদপসাৰণে সংগঠনৰ দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ কৰ্মী সদস্যৰ মাজত হতাশাৰ মনোভাব গঢ়ি তুলিছে। চতুৰ্থতে, আলফাৰ প্ৰতি জনসাধাৰণৰ য'ত যি অলপ অচৰপ আস্থা তথা সহানুভূতি আছিল আলফাৰ নৃশংসতা আৰু লক্ষী পথাৰত তাৰ সবিশেষ উন্মোচনৰ পিছত নিঃশেষ হৈ আহিছিল।





আনহাতে জনসাধাৰণৰ ওপৰত সামৰিক বাহিনীৰ অত্যাচাৰেও আলফাৰ ওপৰত থকা তেওঁলোকৰ সহানুভূতিৰ সৰ্বশেষ খিনিও ধুই মচি নিকা কৰি নিছিল। সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সদস্য সকলৰ ক্ৰমবৰ্ধমান নিৰাপত্তাহীনতা আৰু সেই সকল লোকৰ প্ৰতি আলফাৰ শাস্তিমূলক ব্যৱস্থা লোৱাৰ সতৰ্কবাণীয়ে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সদস্য সকলৰ সৈতে সামাজিক আৰু পাৰিবাৰিক ভাৱে জড়িত আৰু সম্পৰ্কিত সমাজৰ ব্যাপক অংশৰ লোক ভীষণভাৱে ক্ষুব্ধ হৈ পৰিছিল। আনকি আলফাৰ সংগঠনৰ ভিতৰতেই ভালেমান সদস্য কৰ্মকৰ্তা প্ৰভূতভাৱে অনুৎসাহিত হোৱাৰ লগতে প্ৰতিবাদৰ নীৰৱ সাক্ষী হৈ পৰিছিল। সকলো সময়তে নীৰৱতাই সমৰ্থন নুসূচায়। কাজেই এই পৰিবৰ্তিত পৰিস্থিতিত আলফাই নিজৰ ৰাজনৈতিক স্থিতি তথা কাৰ্যসূচীৰ পৰিবৰ্তন সাধন কৰিবলৈ বাধ্য হৈছিল।

সি যি কি নহওক, ১৮ এপ্ৰিল তাৰিখে ৰাষ্ট্ৰপতিয়ে দশম লোক সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অধিসূচনা জাৰি কৰাৰ আগে পিছে অসমত নিৰ্বাচন অনুষ্ঠিত কৰা নকৰা সম্পৰ্কে বিৰাজ কৰা অনিশ্চয়তাৰ অৱসান ঘটাই যোৱা ২৪ এপ্ৰিল তাৰিখে মুখ্য নিৰ্বাচনী আয়ুক্ত টি এন শেষণে ৬ আৰু ৮ জুন তাৰিখে দুটা পৰ্যায়ত অসমত বিধান সভা আৰু লোক সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তৰ কথা ঘোষণা কৰে। সমগ্ৰ দেশতে নিৰ্বাচনী ৰাজনীতিৰ আওহাৱা সৃষ্টি হোৱাৰ লগে লগেই প্ৰায় বিগত এক দশকতকৈও অধিক কাল ধৰি অসমত চলি অহা আঞ্চলিক ৰাজনৈতিক ঘটনাপুঞ্জীৰ সবিশেষ দৃশ্যটোৰো ভালেমান আকৰ্ষণীয় দিশ উন্মোচিত হবলৈ লৈছে।

অভিলেখ সৃষ্টিকাৰী দুৰ্নীতি, প্ৰশাসনিক অকৰ্মণ্যতা আৰু ব্যৰ্থতা, চৰিত্ৰহীন নেতৃত্ব আৰু পদে পদে প্ৰতাৰকৰ ভূমিকাত অৱতীৰ্ণ হোৱা অগপ-ৰ প্ৰতি জনসাধাৰণৰ মোহভংগ সম্পূৰ্ণ হোৱাত এই দল আজি ধ্বংসমুখী যাত্ৰাৰ একক অভিযাত্ৰী। দীৰ্ঘদিনীয়া অন্তৰ্কলহৰ শেহত যোৱা ৫ এপ্ৰিল তাৰিখে সংঘটিত হোৱা বিভাজনে পৰোক্ষ ভাৱে অগপ আৰু অসমৰ জনসাধাৰণৰ মাজৰ দ্বন্দ্বকেই প্ৰতিফলিত কৰিছে। অসমৰ জনসাধাৰণৰ ভাগ্য ভৱিষ্যত যে এই দলৰ কৰ্মকৰ্তাসকলৰ হাতত অলপো নিৰাপদ নহয় সেই সম্পৰ্কে আৰু এতিয়া কাৰো মনত সামান্যতমো সন্দেহ নাই। আনহাতে বিভাজনৰ পৰিণতি স্বৰূপে নতুন নাম ভূমিকাত অৱতীৰ্ণ হোৱা 'নতুন অসম গণ পৰিষদো' যে অসমৰ জনসাধাৰণৰ সামগ্ৰিক ভাগ্য ভৱিষ্যত তথা আশা আকাংক্ষা পৰিপূৰণৰ পৰীক্ষিত কৰ্মী নহয় তাক তেওঁলোকৰ অতীতৰ কৃতকৰ্মই কোনো আউল নলগাকৈ সাব্যস্ত কৰিছে। বৰ্তমানৰ উভয় দলৰ কৰ্মকৰ্তাই নিকট অতীতত অসমৰ ৰাজনৈতিক জীৱন ধাৰাক মৰা সুঁতিলৈ ৰূপান্তৰিত কৰি অসমৰ সমাজ সভ্যতা শিক্ষা সংস্কৃতি বিধ্বস্ত কৰাত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছিল। সোণৰ হৰিণ ৰূপী মাৰিচৰ মায়াত ভোল গৈ অসমীয়া মানুহে আৰু এবাৰ ভুল কৰি নিজৰ সৰ্বস্ব বিপদগ্ৰস্ত কৰিব যেন নালাগে।

**সমগ্ৰ দেশতে নিৰ্বাচনী ৰাজনীতিৰ আওহাৱা সৃষ্টি হোৱাৰ লগে লগেই প্ৰায় বিগত এক দশকতকৈও অধিক কাল ধৰি অসমত চলি অহা আঞ্চলিক ৰাজনৈতিক ঘটনা-পুঞ্জীৰ সবিশেষ দৃশ্যটোৰো ভালেমান আকৰ্ষণীয় দিশ উন্মোচিত হবলৈ লৈছে।**

অগপ/ নতুন অগপ-ৰ পতনোন্মুখ পথ যাত্ৰাৰ সন্ধিক্ষণতেই আজি অসমৰ সমুদায় জাতীয়তাবাদী মতাদৰ্শৰ লোক আৰু দলেই সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সমানেই পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ হৈছে। এই নিৰ্বাচনী জয় পৰাজয়েই এই জাতীয়তাবাদী দল সমূহৰ ভৱিষ্যত অস্তিত্ব নিৰ্ণয় কৰিব বুলি ধাৰণা কৰা হৈছে।

সাম্প্ৰতিক অসমৰ নিৰ্বাচনী দৃশ্যপটৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হৈছে নিবাৰণ বৰা আৰু হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ প্ৰাৰ্থিত্ব। আৰু প্ৰেমকান্ত মহন্তৰ সৰ্বভাৰতীয় দলত যোগদান। অসম আন্দোলনৰ তথাকথিত তাত্বিক তথা স্বাধীনোত্তৰ অসমৰ সবাতোকৈ ব্যৰ্থ ৰাজনীতিক নিবাৰণ বৰাই যেনেকৈ অন্যান্য জাতীয়তাবাদী দল সমূহৰ বিৰুদ্ধে নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ হৈ অভিলেখ সৃষ্টি কৰিছে ঠিক তেনেকৈ অসম আন্দোলনৰ নেপথ্য নায়ক ভাৰতীয় পুলিচ সেৱাৰ উচ্চ পদস্থ বিষয়া হিৰণ্য ভট্টাচাৰ্যই গুৱাহাটী লোক সভা সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচনী প্ৰাৰ্থী হৈ সকলোকে বিস্ময়াভিভূত কৰি তুলিছে।

অসমৰ জাতীয়তাবাদী আন্দোলনৰ ৰথী মহাৰথী সকলৰ এই দ্বৈত চৰিত্ৰ তথা কৌতুকপূৰ্ণ ব্যক্তিগত ভূমিকাৰ কথা বাদ দিলেও দেখা যায় যে একেই মতাদৰ্শগত ভিত্তিত কাঠফুলাৰ দৰে ৰাতিটোৰ ভিতৰতে গঢ়ি উঠা প্ৰায় ২৪টা আঞ্চলিক দলে আৰু বিপুল পৰিমাণৰ জাতীয়তাবাদী মতাদৰ্শৰ লোকে নিৰ্দলীয় প্ৰাৰ্থী ৰূপে সাম্প্ৰতিক নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ হৈছে। হাজাৰ হলেও সকলো লাচিতৰ দেশৰ মানুহতো!

এইখিনিতে এইটো প্ৰণিধানযোগ্য যে অসম আন্দোলনৰ সময়তেই দেখা দিয়া অসমীয়া বৰ্ণহিন্দু মধ্যবিত্ত শ্ৰেণীৰ তীব্ৰ আধিপত্যবাদী মানসিকতাই অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ সমাজখন ভাঙি চিঙি চুৰমাৰ কৰাৰ লগতে ভাষিক, ধৰ্মীয় আৰু এথ্নিক সংখ্যালঘু জনগোষ্ঠী সমূহৰ মাজত গভীৰ সংশয় আৰু ভীতি বিহ্বলতাৰ সৃষ্টি কৰিছিল। আৰু এই সংশয় আৰু ভীতি বিহ্বলতাই সময়ত ক্ৰমে ৰাজনৈতিক ভাৱে সংগঠিত ৰূপ পৰিগ্ৰহ কৰে। পৰৱৰ্তী কালৰ ঘটনা পৰিঘটনাই এই ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়াক আৰু বেছি সুদৃঢ় কৰে। ১৯৮৫-ৰ ডিচেম্বৰৰ নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুৰ গৰিষ্ঠ সংখ্যকৰ উদ্যোগ আৰু সহযোগত গঢ়ি উঠিছিল সংযুক্ত সংখ্যালঘু মৰ্চা আৰু এই সংগঠনে উক্ত নিৰ্বাচনত ১৭ খন আসনত জয়লাভ কৰি তেওঁলোকৰ প্ৰতিপক্ষ অগপ-কেই শক্তিশালী কৰি তুলিছিল। সংযুক্ত সংখ্যালঘু মৰ্চাৰ একাংশই পৰৱৰ্তী কালত আই কংগ্ৰেছৰ সৈতে চামিল হলেও তাৰ সুকীয়া অস্তিত্ব এতিয়াও বিৰাজমান। এই অংশটো বৰ্তমানৰ নিৰ্বাচনত ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ দলসমূহৰ অংশীদাৰ। আগন্তুক নিৰ্বাচনৰ বাবে এই দলে লোক সভা আৰু বিধান সভাৰ যথাক্ৰমে ৪খন আৰু ২৮খন আসনত প্ৰাৰ্থী থিয় কৰাইছে।

ইতিমধ্যে এইবাৰৰ নিৰ্বাচনৰ আগে আগে সংখ্যালঘু সকলৰ মাজত এটি নতুন ৰাজনৈতিক দলৰ সংগঠনো গঢ়ি উঠিছে। 'গণতান্ত্ৰিক গণ সম্মিলন' নাম ভূমিকাত আত্মপ্ৰকাশ কৰা এই দলে যথাক্ৰমে লোক



OKDISCD

সভা আৰু বিধান সভাৰ বাবে ১ খন আৰু ১২ খন আসনত প্ৰাৰ্থী থিয় কৰাইছে।

বড়োসকলৰ বাবে এখন সুকীয়া গৃহ ভূমিৰ দাবীত আজি প্ৰায় কেইবা বছৰো ধৰি আবছু বি পি এ চি-ৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰাঞ্চলত এক ব্যাপক আন্দোলন গঢ়ি উঠিছে আৰু এই আন্দোলনে বড়ো জনগোষ্ঠীৰ মাজত জনপ্ৰিয়তাও লাভ কৰিছে। সাম্প্ৰতিক নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ গৈ এই আন্দোলনকাৰী সংগঠন সমূহে যুটীয়াভাৱে বড়ো অধ্যুষিত অঞ্চল সমূহত ২৪ জন প্ৰাৰ্থী থিয় কৰোৱাৰ লগতে গুৱাহাটী লোক সভা সমষ্টিত প্ৰখ্যাত সাহিত্যিক মেদিনী মোহন চৌধুৰীক প্ৰাৰ্থিত্ব দি অসমীয়া বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বাধীন জাতীয়তাবাদী দল সমূহক বেছ বিপদত পেলাইছে। ১৯৮৫-ৰ নিৰ্বাচনত এই অৱস্থা আছিল অনুপস্থিত। অৰ্থাৎ বড়ো জনগোষ্ঠীৰ ভোটৰ সহায়ত অগপ-ই সংযুক্ত সংখ্যালঘু মৰ্চাৰ পৰা অহা নিৰ্বাচনী বিপদ মকাবিলা কৰিবলৈ সক্ষম হৈছিল। বিধান সভাৰ পশ্চিম কোকৰাঝাৰ সমষ্টিৰ কংগ্ৰেছ (আই)-ৰ প্ৰাৰ্থীজনে আবছু বি পি এ চি-ৰ প্ৰাৰ্থী পৰমেশ্বৰ ব্ৰহ্মৰ সমৰ্থনত নিজৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাত ব্ৰহ্ম বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধান সভালৈ নিৰ্বাচিত হোৱা কাৰ্যই দেখুৱাইছে যে কংগ্ৰেছ আই আৰু আবছু বি পি এ চি-ৰ মাজত প্ৰয়োজন হ'লে নিৰ্বাচনী বুজাপৰা অসম্ভৱ নহয়।

কাৰ্বি আংলঙত কাৰ্বিসকলৰ বাবে স্বায়ত্ত শাসিত ৰাজ্য স্থাপনৰ দাবীত গঢ়ি উঠা স্বায়ত্ত শাসিত ৰাজ্য দাবী কমিটী (ASDC)-য়ে ইতিমধ্যে নিজৰ সাংগঠনিক স্থিতি মজবুত কৰিছে আৰু এই সংগঠনেও ১ খন লোক সভা আৰু ৭ খন বিধান সভাৰ আসনত প্ৰাৰ্থী থিয় কৰাই অসমৰ সাম্প্ৰতিক নিৰ্বাচনী ৰাজনীতিৰ ৰং চৰাইছে।

১৯৮৫-ৰ নিৰ্বাচনত অনুপস্থিত অথচ এইবাৰ লোক সভাৰ ১০ খন আৰু বিধান সভাৰ ৮৬ খন আসনত প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচনী ৰাজনীতিত অংশ গ্ৰহণ কৰা অন্যতম আঞ্চলিক ৰাজনৈতিক দল হ'ল ...ৰ্মিকা। এই সংগঠনে ইতিমধ্যে অসমৰ ...লেমান ঠাইত বিশেষকৈ, মিছিং, তিৱা, ...উৰী, আহোম, চুতীয়া জনগোষ্ঠীৰ লোক অধ্যুষিত অঞ্চলত কিছু প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এই আঞ্চলিক ৰাজনৈতিক সংগঠনটোও আই পি এফ আৰু চি পি আই-ক বাদ দি বাকী সৰ্বভাৰতীয় ৰাজনৈতিক দল সংগঠনৰ দৰেই আপোচহীন ভাৱেই আলফা-অগপ-ৰ বিৰোধী। সামগ্ৰিক ভাৱে কব পাৰি যে এই ভাষিক, ধৰ্মীয় সংখ্যালঘু আৰু এথনিক ভাবাদৰ্শযুক্ত আঞ্চলিক ৰাজনৈতিক দল সংগঠনৰ নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰাৰ্থিত্বই বিশেষকৈ বৰ্ণ হিন্দু মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বাধীন আঞ্চলিক জাতীয়তাবাদী দল সমূহৰ নিৰ্বাচনী অগ্ৰগতিত বিপুল বাধাৰ সৃষ্টি কৰিব। মুঠতে আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰতি সহানুভূতিশীল ভোট সমূহ এইদৰে বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ দলৰ মাজত ভাগ হৈ পৰাটো যিহেতু খাটাং সেয়ে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ নিৰ্বাচনী স্থিতি অসমত অধিক মজবুত হোৱাৰ সম্ভাৱনা আছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে শেহতীয়াকৈ আলফাৰ পৰা 'পামিট' লৈ ৰাজনীতি কৰিবলৈ লোৱা চি পি আই আৰু

◆

**মুঠতে আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰতি সহানুভূতিশীল ভোট সমূহ এইদৰে বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ দলৰ মাজত ভাগ হৈ পৰাটো যিহেতু খাটাং সেয়ে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ নিৰ্বাচনী স্থিতি অসমত অধিক মজবুত হোৱাৰ সম্ভাৱনা আছে।**

◆

আই পি এফে এইবাৰৰ নিৰ্বাচনী ৰাজনীতিত বিশেষ কিবা প্ৰভাৱ পেলাব বুলি মনে নধৰে। চি পি আই দলে লোক সভাৰ ৪ খন আৰু বিধান সভাৰ ৩৬ খন আসনত আৰু আই পি এফে কেৱল বিধান সভাৰ ৩ খন আসনত প্ৰাৰ্থী থিয় কৰাইছে। (অৱশ্যে গুৱাহাটী লোক সভাৰ আসনখনত চি পি আইৰ প্ৰাৰ্থী গৰাকী পূৰ্বতে এবাৰ বিজয়ী হোৱা ব্যক্তি।

সামগ্ৰিক ভাৱে জাতীয়তাবাদৰ ভিত্তিত গঢ়ি উঠা এই ২৪ টা আঞ্চলিক দলৰ প্ৰাৰ্থী আৰু যথেষ্ট পৰিমাণৰ নিৰ্দলীয় জাতীয়তাবাদী প্ৰাৰ্থীৰ বিপৰীতে নিৰ্বাচনত অংশ গ্ৰহণ কৰা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সংখ্যা হল ১৪ টা। কাজেই এইবাৰৰ অসমৰ ৰাজ্যিক বিধান সভা আৰু লোক সভাৰ নিৰ্বাচন আপাততঃ দুটা প্ৰধান শিবিৰৰ মাজত অনুষ্ঠিত হব। এফালে থাকিব বহু বিভক্ত জাতীয়তাবাদী আঞ্চলিক ৰাজনৈতিক দলসমূহ আৰু আনফালে থাকিব সৰ্বভাৰতীয় ৰাজনৈতিক দলসমূহ। আৰু নিৰ্বাচনত সৰ্বভাৰতীয় দলবোৰৰেই জয় সুনিশ্চিত বুলি কব পাৰি। অৱশ্যে কোন দলে কিমান আসন পাব সেইটো বহুলাংশে নিৰ্ভৰ কৰিব সেই সেই দল সমূহে অতীতত দেখুৱাই অহা ৰাজনৈতিক দূৰদৰ্শিতা তথা ন্যায় নিষ্ঠতা আৰু জন সেৱাৰ ক্ষেত্ৰত দেখুওৱা আদৰ্শনিষ্ঠা, আত্মত্যাগ, সাংগঠনিক দৃঢ়তা আৰু স্থিতি, আৰু অসমৰ আৰ্থ-সামাজিক শিক্ষা সাংস্কৃতিক সমস্যা সমাধানৰ প্ৰতি থকা যথাৰ্থ আঁচনি আৰু কাৰ্যসূচীৰ ওপৰত।

প্ৰতিবেদনৰ সামৰণিৰ আগতে আৰু এটি সম্ভাৱনাৰ কথা উনুকিয়াই থব পাৰি। নিৰ্বাচনৰ সময় যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজনৈতিক মহলত বাৰুকৈয়ে গুৰুত্ব পাই আহিবলৈ ধৰা কথাটি হল নিৰ্বাচনৰ প্ৰায় অন্তিম পৰ্যায়ৰ আগত সম্প্ৰতি নিৰ্বাচন প্ৰক্ৰিয়াৰ প্ৰতি অনীহা তথা নিৰপেক্ষতা অৱলম্বন কৰিবলৈ লোৱা আলফাৰ ভূমিকা কি হব? আলফা শেষ মুহূৰ্তত নিৰপেক্ষ হৈ থাকিবনে? কাজেই বিভিন্ন মহলত সম্প্ৰতি প্ৰাধান্য লাভ কৰাটো হ'ল যে আলফাই শেষ মুহূৰ্তত নিৰ্বাচনত হস্তক্ষেপ কৰিব পাৰে, অৰ্থাৎ কোনো এটা আঞ্চলিক দলৰ সপক্ষে তথা স্থান বিশেষে কোনো প্ৰাৰ্থীৰ সমৰ্থনত কাম কৰিব পাৰে। ইতিমধ্যে নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰথম পৰ্বতে অৰ্থাৎ মনোনয়ন দাখিল পৰ্ব চলি থাকোতেই কোনোবা অদৃশ্য(?) শক্তিৰ হেঁচাত বিশেষকৈ বৰপেটা বিধান সভা সমষ্টিৰ প্ৰাৰ্থী অগপ-ৰ কুমাৰ দীপক দাস, নতুন অগপ-ৰ প্ৰাৰ্থী শশধৰ কাকতি, জনতা দলৰ প্ৰাৰ্থী অধ্যাপক ধীৰেণ বায়ন, কলিয়াবৰ বিধান সভা সমষ্টিত নতুন অগপ-ৰ প্ৰাৰ্থী অতুল গোস্বামী, ঢেকিয়াজুলিত অগপ-ৰ দলীয় মনোনয়ন প্ৰাপ্ত প্ৰাৰ্থী জোচেফ টপ্নো আদিয়ে হয় নিজ নিজ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে নহয় মনোনয়ন পত্ৰ দাখিল কৰিব নোৱাৰিলে। ঠিক তেনেদৰে তেজপুৰ বিধান সভা সমষ্টিৰ অগপ-ৰ দলীয় প্ৰাৰ্থী ধনঞ্জয় দাসৰ বিপৰীতে নিৰ্বাচনী প্ৰচাৰত নিৰ্দলীয় প্ৰাৰ্থী এজনে গোপনে প্ৰফুল্ল কুমাৰ মহন্তৰ আশীৰ্বাদ পুষ্ঠ হৈছে বুলি সদৰি হৈ পৰিছে।

সামৰণিত কব পাৰি যে নিৰ্বাচন যুধ্ধ আৰু নিকা ভাৱে অনুষ্ঠিত হলে অসমত আঞ্চলিক ৰাজনীতিৰ বিপৰীতে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ স্থিতি অধিক মজবুত হব আৰু আগত দিনত অসমৰ ৰাজনীতিয়ে এটি নতুন সৰ্বভাৰতীয় মোৰ লব। □





# নিৰ্বাচনী যুঁজঃ গণ পৰিষদৰ ৰথী-মহাৰথী সকল

অসম বিধান সভা আৰু লোক সভাৰ নিৰ্বচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দল সমূহৰ প্ৰচাৰ অভিযান ক্ৰমান্বয়ে জোৰদাৰ হোৱা পৰিলক্ষিত হৈছে। অসম বিধান সভাৰ বাবে ১৬৬১ জন আৰু লোক সভাৰ বাবে ১৬৪ জন প্ৰাৰ্থীয়ে নিৰ্বচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ইমান বেছি সংখ্যক প্ৰাৰ্থীয়ে নিৰ্বচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও ৰাইজে অসম বিধান সভাৰ বাবে ১২৫ জন আৰু লোক সভাৰ বাবে ১৪ জন প্ৰাৰ্থীকহে নিৰ্বাচিত কৰিব লাগিব। বড়ো পিপুলচ একচন কমিটীৰ মুখ্য আহ্বায়ক পৰমেশ্বৰ ব্ৰহ্ম কোকৰাঝাৰ পশ্চিম সংৰক্ষিত সমষ্টিৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভালৈ ইতিমধ্যে নিৰ্বাচিত হৈছে। ১৯৮৫ চনৰ নিৰ্বচনত বিপুল ভোটত জয়লাভ কৰি প্ৰায় ৫ বছৰ ৰাজ্যশাসন কৰা অসম গণ পৰিষদ দলৰ ভাগ্য এইবাৰো নিৰ্ণয় কৰিব অসমৰ ৰাইজেই। বাস্তৱত যি দেখা গ'ল, যোৱা পাঁচ বছৰত অসমৰ ৰাইজে বহু বিড়ম্বনা সহি-সামৰি নিৰ্বিকাৰ হৈ থাকিলেও, তেওঁলোকে এইবাৰ নিশ্চয় কিবা এটা পাঙি আছে যিটোৰ বাবে অসমৰ ৰাইজে প্ৰাৰ্থী সকলক নিৰ্বচনৰ জৰিয়তে উচিত ভাৱে এটা পুৰস্কৃত কৰিব। আখৰে আখৰে অসম চুক্তি ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা অসম গণ পৰিষদক অসমৰ ৰাইজেই এইবাৰৰ নিৰ্বচনত মাধমাৰ সোধাব বুলি নিৰ্বচনী প্ৰচাৰৰ গতিগোত্ৰ চালে সহজে অনুমান হয়।

আগন্তুক নিৰ্বচনত অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদৰ লেখতলবলগীয়া কেইজনমান নেতাৰ ভাগ্য নিৰ্ণয় কৰাটো কঠিন হৈ পৰিছে। এইসকল নেতাৰ ভিতৰত আছে প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰাক্তন মন্ত্ৰী সকল, থানেশ্বৰ বড়ো, অতুল বৰা, বিৰাজকুমাৰ শৰ্মা, সুৰেন্দ্ৰ নাথ মেধি, দিগেন চন্দ্ৰ বৰা, ভৰত নৰহ আৰু যতীন মালি আদিয়েই

## ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচন

### মুঠ আসন ১২৬

### অসম বিধান সভাত দলীয় অৱস্থানঃ

| দলৰ নাম | প্ৰতিদ্বন্দ্বিতা কৰা আসনৰ সংখ্যা | জয়লাভ কৰা আসনৰ সংখ্যা |
|---|---|---|
| ১। কংগ্ৰেছ (আই) | ১২৫ | ২৫ |
| ২। অসম গণ পৰিষদ | ১০৭ | ৬৩ |
| ৩। জনতা পাৰ্টি | ৮৭ | – |
| ৪। কংগ্ৰেছ (সমাজবাদী) | ৭৩ | ৪ |
| ৫। সংযুক্ত সংখ্যালঘু মৰ্চা | ৫৯ | ১৭ |
| ৬। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) | ৩৯ | ২ |
| ৭। ভাৰতীয় জনতা পাৰ্টি | ৩৭ | – |
| ৮। ভৈয়াম জনজাতি পৰিষদ | ২৮ | ৩ |
| ৯। ভাৰতৰ কমিউনিষ্ট পাৰ্টি | ২০ | – |
| ১০। লোক দল | ১৯ | – |
| ১১। সংযুক্ত জনজাতি ৰাষ্ট্ৰীয় মুক্তি মৰ্চা (ইউ টি এন এল এফ) | ১৩ | ১ |
| ১২। ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি | ১৩ | – |
| ১৩। ছচিয়েলিষ্ট ইউনিটি চেন্টাৰ অৱ ইণ্ডিয়া (এচ ইউ চি আই) | ৬ | ১* |
| ১৪। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী – লেনিনবাদী) | ৭ | ১ |
| ১৫। ৰাষ্ট্ৰীয় সঞ্জয় মঞ্চ | ৭ | – |
| ১৬। বিপ্লৱী সমাজবাদী দল | ১ | – |
| ১৭। বিপ্লৱী জাতীয়তাবাদী দল | ১ | – |
| ১৮। ফৰৱাৰ্ড ব্লক | ২ | – |
| ১৯। নিৰ্দলীয় | ৪৮৪ | ৯ |
| সৰ্বমুঠ | ১১২৮ | ১২৫ |

* ২৫ নং গোলোকগঞ্জ সমষ্টিৰ জনতা পাৰ্টিৰ প্ৰাৰ্থী গৰাকীৰ মৃত্যুত উক্ত সমষ্টিৰ নিৰ্বাচন বাতিল হয়। অসম গণ পৰিষদ দল ক্ষমতালৈ অহাৰ পিছত উক্ত আসনখন গণ পৰিষদ দলে জয়লাভ কৰে। ফলত তেওঁলোকৰ লাভ কৰা মুঠ আসনৰ সংখ্যা হয়গৈ ৬৪ খন। অসম বিধান সভাত তেওঁলোকৰ সদস্যৰ সংখ্যা ৭২ জনলৈ বৃদ্ধি হয়।

* দঃ শালমৰা সমষ্টিৰ নিৰ্বাচন আদালতে পিছত বাতিল কৰা হেতুকে এচ ইউ চি আই দলে পোৱা একমাত্ৰ আসনখন নোহোৱা হয়।

# ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচন

## মুঠ আসন ১২৬

## অসম বিধান সভাঃ

| দলৰ নাম | প্ৰতিদ্বন্দ্বিতা কৰা আসনৰ সংখ্যা |
|---|---|
| ১। কংগ্ৰেছ (ই) | ১২৫ |
| ২। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) | ২৯ |
| ৩। ভাৰত কমিউনিষ্ট পাৰ্টি | ৩৭ |
| ৪। জনতা পাৰ্টি | ৩৩ |
| ৫। জনতা দল | ৯৬ |
| ৬। জনতা দল (সমাজবাদী) | ৭ |
| ৭। ভাৰতীয় জনতা পাৰ্টি | ৪৮ |
| ৮। কংগ্ৰেছ (সমাজবাদী) | ৪৬ |
| ৯। লোকদল | ৪ |
| ১০। ভৈয়াম জনজাতি পৰিষদ | ১৫ |
| ১১। আৰ্মকা | ৫৪ |
| ১২। অসম গণ পৰিষদ | ১২১ |
| ১৩। নতুন অসম গণ পৰিষদ | ৮৬ |
| ১৪। সংযুক্ত জন কংগ্ৰেছ, অসম | ১৪ |
| ১৫। সংযুক্ত সংখ্যালঘু মৰ্চা | ৩০ |
| ১৬। অসম জাতীয়তাবাদী দল | ১৯ |
| ১৭। গণতান্ত্ৰিক গণ সন্মিলন | ১৩ |
| ১৮। অসম জাতীয় পৰিষদ | ৯ |
| ১৯। সংযুক্ত লোক পৰিষদ | ১০ |
| ২০। ভাৰতৰ বিপ্লবী কমিউনিষ্ট পাৰ্টি | ৩ |
| ২১। আই পি এফ | ৪ |
| ২২। স্বায়ত্তশাসিত দাবি কমিটী (এ এচ ডি চি) | ৮ |
| ২৩। দূৰদৰ্শী পাৰ্টি | ১ |
| ২৪। আমৰা বাঙালী | ২ |
| ২৫। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্স-লেনিনবাদী) | ২ |
| ২৬। নিৰ্দলীয় | ৮৪৫ |
| সৰ্বমুঠ | ১৬৬১ |

ধান। অনাহাতেদি নতুন অসম গণ পৰিষদৰ সভাপতি আৰু অসম বিধান সভাৰ অধ্যক্ষ পুলকেশ বৰুৱা, প্ৰাক্তন মন্ত্ৰী ...ল ভৃগুকুমাৰ ফুকন, বৃন্দাবন গোস্বামী আৰু ৰমেন্দ্ৰনাৰায়ণ কলিতা। আগন্তুক নিৰ্বাচনত কোনজন নেতাই কিমান সংখ্যক ভোট লাভ কৰিব, তাৰ ওপৰতেই তাজনৰ জনপ্ৰিয়তা প্ৰতিফলিত হৈ পৰিব।

১৯৮৫ চনৰ নিৰ্বাচনত প্ৰফুল্ল কুমাৰ মহন্তই নগাওঁ সমষ্টিত ৩৬৩৬৯টা আৰু কলিয়াবৰ সমষ্টিত ২১১৭০টা ভোট পাই বিজয়ী হৈছিল। নগাওঁ সমষ্টিত মুকুট শৰ্মাই পাইছিল ২১৯৯৯টা। মুঠতে ১৪৩৭০ টা ভোটৰ ব্যৱধানত মহন্ত বিজয়ী হৈছিল। ১৯৮৫-ৰ নিৰ্বাচনত সমষ্টিটোত প্ৰাৰ্থী আছিল ৯ জন আৰু এইবাৰ হ'ল ১৫ জন। বাস্তৱত দেখা পোৱা মতে সমষ্টিটোত ঘাইকৈ অসম গণ পৰিষদ আৰু কং (ই)ৰ মাজতে দুৰ্ঘোৰ প্ৰতিদ্বন্দ্বিতা হ'ব।

সমষ্টিটোত মহন্তৰ যোৱা অক্টোবৰ আৰু নবেম্বৰ মাহত নগাওঁৰ ভালে সংখ্যক অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ মাজত বিতৰণ কৰা লাখ লাখ টকাৰ বেংক ড্ৰাফ্টবোৰেই ইংগিত দিছিল যে সমষ্টিটোৰ পৰা নিৰ্বাচিত হবৰ বাবে মহন্তই প্ৰাণান্তিক চেষ্টা কৰিব। কিন্তু তথাপি সমষ্টিটোত জয়লাভ সহজ হ'ব বুলি অনুমান কৰিয়েই সম্ভৱত মহন্তই নগাওঁৰ ওপৰিও বড়মপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বাধ্য হ'ল। নগাওঁ সমষ্টিত কং (ই) দলৰ প্ৰাৰ্থী মুকুট শৰ্মাৰ সম্ভাৱনা অধিক বুলিয়েই প্ৰায় সকলোৱে মুখে মুখে উচ্চাৰিত হৈছে। ইপিনে ১৯৮৫ চনৰ নিৰ্বাচনত বড়মপুৰ সমষ্টিৰ পৰা অসম গণ পৰিষদৰ প্ৰাৰ্থী গিৰীন্দ্ৰনাথ বৰুৱাই জয়লাভ কৰিছিল। তেওঁ লাভ কৰা ভোটৰ সংখ্যা আছিল ৪১১৬৭টা। সমষ্টিটোত ঘাইকৈ প্ৰফুল্ল কুমাৰ মহন্ত (অগপ), ৰমেশচন্দ্ৰ ফুকন (কং-ই), লক্ষেশ্বৰ গোহাঞি (বিজেপি) আৰু ডঃ মোহন চন্দ্ৰ বৰাৰ (নিৰ্দলীয়) মাজতেই প্ৰতিদ্বন্দ্বিতা হ'ব বুলি পৰিলক্ষিত হৈছে। গণ পৰিষদৰ পক্ষে থকা ভোট এক বৃহৎ অংশ ডঃ বৰাই লাভ কৰাৰ উপৰিও, নতুন অসম গণ পৰিষদৰ প্ৰাৰ্থী জনেও পাব। ফুকন আৰু গোহাঞি দুয়োগৰাকী প্ৰাৰ্থীয়েই বড়মপুৰ সমষ্টিৰ বিধায়ক আছিল। সমষ্টিটোৰ অসম গণ পৰিষদৰ সপক্ষে পূৰ্বৰ লেখীয়াকৈ ৰাইজৰ পৰিষ্কৃত সমৰ্থন পৰিলক্ষিত হোৱা নাই।

অসম গণ পৰিষদৰ অন্যতম সাধাৰণ সম্পাদক প্ৰাক্তন গড়কাপ্তানি মন্ত্ৰী অতুল বৰা মৰ্যাদাপূৰ্ণ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী। যোৱা বাৰৰ নিৰ্বাচনত ৪৫৮০৩টা ভোটত বিজয়ী হৈছিল। এইবাৰ ২২ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা উক্ত সমষ্টিত প্ৰাক্তন মুখ্য মন্ত্ৰী গোলাপ বৰবৰা (জনতা দল) অতুল বৰা (অগপ) জনশক্তি সংগ্ৰাম পৰিষদৰ পবিন্দ্ৰ ডেকা (নিৰ্দলীয়) আৰু কং (ই)-ৰ অৰুণ বৰাৰ মাজতেই ঘাইকৈ প্ৰতিদ্বন্দ্বিতা হ'ব। ইতিমধ্যে নিৰ্বাচনী প্ৰচাৰ কাৰ্য চলাওঁতে কেতবোৰ বলপ্ৰয়োগৰ ঘটনা ঘটা বাবে বৰাৰ ভাবমূৰ্তি ভালেখিনি হ্ৰাস পাইছে। বৰা আৰু ডেকাই প্ৰত্যেকজনে বিজয়ী হ'ব বুলি দৃঢ়তাৰে বেকত কৰিছে। ইফালে সচিবালয়ৰ এচাম কৰ্মচাৰীয়ে যিদৰে গোলাপ বৰবৰাৰ হৈ গোপনে প্ৰচাৰ অভিযান চলাইছে, তেনেদৰে আন এচামে আকৌ ডেকাক সমৰ্থন কৰিব বুজি জনা গৈছে। উল্লেখযোগ্য যে কৰ্মচাৰী পৰিষদৰ নেতা চৰণ ডেকা, পবিন্দ্ৰ ডেকাৰেই ককায়েক।

গুৱাহাটীৰ অন্য এক মৰ্যাদাপূৰ্ণ সমষ্টি হ'ল গুৱাহাটী পূব। ১৯৮৫ চনৰ নিৰ্বাচনত এই সমষ্টিৰ পৰাই ৪৫৯৪১টা ভোটত বিজয়ী হোৱা প্ৰাক্তন মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মাৰ ভাগ্য এইবাৰো নিৰ্ণয় কৰিব পূব গুৱাহাটী সমষ্টিৰ ৰাইজে। শ্ৰীশৰ্মাই ইতিমধ্যে প্ৰচাৰ অভিযানত ৰাইজৰ মাজত যথেষ্ট অসন্তুষ্টি আৰু বিক্ষোভৰ উমান পোৱাৰ ঘটনা বিশেষভাৱে উল্লেখযোগ্য। সমষ্টিত ২৬ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰালৈ লক্ষ কৰিলে এই প্ৰতিদ্বন্দ্বিতা বিৰাজ কুমাৰ শৰ্মা (অগপ) চিত্তৰঞ্জন পাটোৱাৰী (কং-ই), ফণী শৰ্মা (সংযুক্ত জন কংগ্ৰেছ অসম) আৰু কংগ্ৰেছ এছ-ৰ প্ৰাৰ্থী পংকজ বৰাৰ মাজতেই ঘাইকৈ প্ৰতিদ্বন্দ্বিতা হ'ব। দুই শৰ্মাৰ মাজত চলা প্ৰতিদ্বন্দ্বিতাত কংগ্ৰেছ (ই)ৰ বা কংগ্ৰেছ (এছ)ৰ প্ৰাৰ্থী গৰাকী সৰকি যোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

গুৱাহাটীৰ অন্য এটা সমষ্টি হ'ল গুৱাহাটী পশ্চিম। যোৱা বাৰৰ নিৰ্বাচনত এই সমষ্টিৰ পৰা অগপ দলৰ পৰা ৰমেন্দ্ৰ নাৰায়ণ কলিতাই জয়লাভ কৰিছিল। তেওঁ লাভ কৰা ভোটৰ সংখ্যা আছিল ৪৩১৪৯টা। কংগ্ৰেছ (ই)-ৰ জয়কুমাৰ জৈনে পাইছিল ১৫১৭০টা। সমষ্টিত কোন দলে জয়লাভ কৰিব সেইটো নিশ্চিত কৰিব পৰাটো কঠিন। কাৰণ এই সমষ্টিত সবাতোকৈ অধিক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১৬ জন নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা উক্ত সমষ্টিত বহুকোণীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনাই প্ৰবল।

৫১ নং জালুকবাৰী আন এক মৰ্যাদা পূৰ্ণ সমষ্টি। এই সমষ্টিৰ পৰাই ১৯৮৫ চনৰ নিৰ্বাচনত ভৃগু কুমাৰ ফুকনে ৪৫০৮৬ টা ভোটত বিজয়ী হৈছিল। এইবাৰৰ নিৰ্বাচনত ২২ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই সকলৰ ভিতৰত স্থানীয় কেইবাগৰাকী প্ৰাৰ্থীয়েও প্ৰতিদ্বন্দ্বিতা কৰিছে। উক্ত প্ৰাৰ্থী সকলে নিজ নিজ অঞ্চলৰ কিছু সংখ্যক ভোট পাবলৈ সক্ষম হ'ব। অনাহাতেদি কংগ্ৰেছ (ই) প্ৰাৰ্থী আদিল শ্বাহে ধৰ্মীয় সংখ্যালঘু আৰু বেংগলী হিন্দুৰ ভোট সমূহ পাবলৈ সক্ষম হোৱা যেন পৰিলক্ষিত হৈছে। সমষ্টিটোত পূৰ্বৰ লেখীয়াকৈ ফুকনৰ ভাবমূৰ্তি নাই যদিও অঞ্চল বিশেষত তেওঁৰ আধিপত্য আছে। শৃগালকুছিৰ ৰাইজে ফুকনৰ সপক্ষে ভোটদান কৰিলে ফুকনৰ ভাগ্য উদয় হোৱাৰ সম্ভাৱনা আছে। এইবাৰৰ নিৰ্বাচনত ঘাইকৈ ফুকন আৰু শ্বাহৰ মাজতেই প্ৰতিদ্বন্দ্বিতা হ'ব।

# ১৯৯১ চনৰ লোক সভা নিৰ্বাচন

## মুঠ আসন ১৪

| দলৰ নাম | প্ৰতিদ্বন্দ্বিতা কৰা আসনৰ সংখ্যা |
|---|---|
| ১। কংগ্ৰেছ (ই) | ১৪ |
| ২। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) | ২ |
| ৩। ভাৰতৰ কমিউনিষ্টা পাৰ্টি | ৪ |
| ৪। জনতা পাৰ্টি | ৬ |
| ৫। জনতা দল | ৬ |
| ৬। জনতা দল (সমাজবাদী) | ২ |
| ৭। ভাৰতীয় জনতা পাৰ্টি | ৮ |
| ৮। কংগ্ৰেছ সমাজবাদী | ৫ |
| ৯। ভৈয়াম জনজাতি পৰিষদ অসম | ২ |
| ১০। আৰ্মকা | ৯ |
| ১১। অসম গণ পৰিষদ | ১৪ |
| ১২। নতুন অসম গণ পৰিষদ | ১১ |
| ১৩। সংযুক্ত সংখ্যালঘু মৰ্চা | ৪ |
| ১৪। অসম জাতীয়তাবাদী দল | ২ |
| ১৫। গণতান্ত্ৰিক গণ সন্মিলন | ১ |
| ১৬। অসম জাতীয় পৰিষদ | ১ |
| ১৭। সংযুক্ত লোক পৰিষদ | ২ |
| ১৮। ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি | ১ |
| ১৯। আই পি এফ | ১ |
| ২০। স্বায়ত্তশাসিত দাবী কমিটী (এ এচ ডি চি) | ১ |
| ২১। দূৰদৰ্শী পাৰ্টি | ২ |
| ২২। নিৰ্দলীয় | ৬৯ |
| সৰ্বমুঠ | ১৬৭ |

বি: দ্ৰ: পৰিসংখ্যা: নিৰ্বাচনী বিভাগ দিছপুৰ।

গুৱাহাটী লোক সভা সমষ্টিৰ অন্তৰ্গত এটা মৰ্যাদাপূৰ্ণ সমষ্টি হ'ল বৰক্ষেত্ৰী সমষ্টি। অসম বিধান সভাৰ অধ্যক্ষ পুলকেশ বৰুৱাই অসম গণ পৰিষদৰ পৰা যোৱা বাৰৰ নিৰ্বাচনত ৪৩৫৯০টা ভোট লাভ কৰি বিজয়ী হৈছিল। এইবাৰো শ্ৰীবৰুৱাই উক্ত সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। কং (ই) প্ৰাৰ্থী ডাঃ ভূমিধৰ বৰ্মণেই বৰুৱাৰ প্ৰধান প্ৰতিদ্বন্দ্বী। শ্ৰীবৰ্মণ নিজ সমষ্টি ধৰ্মপুৰ এৰি কিয় বৰক্ষেত্ৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিলে, সেইটো জনাৰ উপায় নাই। কিন্তু সংখ্যালঘু অধ্যুষিত অঞ্চলৰ ৰাইজৰ ভোট পাবলৈ শ্ৰীবৰ্মণেই সক্ষম হ'ব বুলি অনুমান কৰিব পাৰি।

গণ পৰিষদৰ ৰথী-মহাৰথী সকলৰ মাজত হোৱা যুঁজৰ ছবিখনৰ পৰা আৰু এতিয়ালৈকে আগবঢ়া নিৰ্বাচনী প্ৰচাৰৰ পৰা বুজা যায় যে কোনো এগৰাকী নেতায়েই নিজৰ সমষ্টিত নিষ্কণ্টক হৈ থকা নাই। কোনো এজনেই অন্যতকৰ বাবে হলেও নিজৰ সমষ্টি এৰিব পৰা নাই। প্ৰফুল্ল কুমাৰ মহন্তই অসম গণ পৰিষদৰ হৈ আৰু ভৃগু কুমাৰ ফুকন বা পুলকেশ বৰুৱাই নতুন অসম গণ পৰিষদৰ হৈ ৰাজ্যজোৰা দলীয় প্ৰচাৰাভিযানত নামিব পৰা নাই। তদুপৰি বৰুৱা আৰু ফুকনৰ বাদে আন কেইজনে ভোটাৰ সকলৰ সন্মুখত অহৰহ দুৰ্নীতি কৰা নাই বুলি ব্যাখ্যা দিব লগা হৈছে। এনে প্ৰেক্ষাপটত এইসকলৰ কেইবাজনকো আসন্ন নিৰ্বাচনে ধৰাশায়ী কৰাটো ধ্ৰুৱপ।

হৰেন বুঢ়াগোহাঞি

# অনিশ্চয়তাৰ চাকনৈয়াত অসমৰ আসন্ন নিৰ্বাচন

শূল শৰ্মা

অসম বিধান সভাৰ সমষ্টিৰ মুঠ সংখ্যা হ'ল ১২৬টা আৰু লোক সভাৰ সমষ্টি ১৪টা। ইতিমধ্যে পশ্চিম কোকৰাঝাৰ সংৰক্ষিত সমষ্টিৰ বড়ো গণ-সংগ্ৰাম পৰিষদৰ আহ্বায়ক পৰমেশ্বৰ ব্ৰহ্ম বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভালৈ নিৰ্বাচিত হৈছে। বিধান সভাৰ একমাত্ৰ হাফলং সমষ্টিটোতহে কংগ্ৰেছ (ই) আৰু এজন নিৰ্দলীয় প্ৰাৰ্থীৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হ'ব। বাকী ১২৪টা বিধান সভাৰ সমষ্টিতেই বহুকোণীয়া প্ৰতিদ্বন্দ্বিতা চলিছে।

এইবাৰৰ অসমৰ নিৰ্বাচনী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যাধিক্যই পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে।

এই নিৰ্বাচনত অসমৰ ১৪খন লোক সভা আসনৰ বাবে ১৬৪ জন আৰু ১২৫ খন বিধান সভাৰ আসনৰ বাবে ১৬৬০ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সৰ্বভাৰতীয় দল কংগ্ৰেছ (ই)য়ে লোক সভাৰ ১৪খন আৰু বিধান সভাৰ ১২৫ খন আসনতেই প্ৰতিদ্বন্দ্বিতাত নামিছে। অসম গণ পৰিষদে লোক সভাৰ আটাইকেইখন আসনতে প্ৰাৰ্থী দিছে যদিও বিধান সভাৰ ১২১ খন আসনৰ বাবেহে প্ৰাৰ্থী থিয় কৰাইছে। নতুন অগপ দলে লোক সভাৰ ১১ খন আৰু বিধান সভাৰ ৮৬ খন আসনতহে প্ৰতিদ্বন্দ্বিতাত নামিছে। সৰ্বভাৰতীয় দল জনতা দলে ৬ আৰু ৯৬, চি পি আই ৪ আৰু ৩৭, চি পি এম ২ আৰু ২৯, কংগ্ৰেছ (এছ) ৫ আৰু ৪৬, বি জে পি ৮ আৰু ৪৮ খন। অসমৰ আন এটা আঞ্চলিক দল আৰ্মকাই লোক সভাৰ ৯ খন আৰু বিধান সভাৰ ৫৪ খন আসনত প্ৰাৰ্থী থিয় কৰাইছে।

যোৱা বছৰ অসম বিধান সভাৰ ম্যাদ শেষ হ'বলৈ মাত্ৰ কেইটামান দিনহে বাকী থকাত ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি অধিক অৱনতি ঘটিছে বুলি আৰু অগপ চৰকাৰৰ আমোলত অসমত মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন নহ'ব বুলি সন্দেহ কৰি ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰা হৈছিল। তেতিয়া প্ৰধান মন্ত্ৰীৰ মত আছিল: 'অসমত ৰাষ্ট্ৰপতি শাসন ব্যৱস্থা বলৱৎ কৰাৰ বাহিৰে চৰকাৰৰ সমুখত কোনো পথ খোলা নাছিল। ৰাজ্যখনত নিৰ্বাচন পাতিলেও সেয়া মুক্ত আৰু নিকা হোৱাৰ সম্ভাৱনা নাছিল।'

নিৰ্বাচিত চৰকাৰ এখনৰ ম্যাদ শেষ হোৱাৰ আগমুহূৰ্তত অবাঞ্ছিত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰাত সৰ্বভাৰতীয় দল - কংগ্ৰেছ (ই), কংগ্ৰেছ (স) আৰু ৰাজ্যিক জনতা দলৰ মনোভাৱ আৰু প্ৰতিক্ৰিয়া প্ৰণিধান যোগ্য।

> 'আকৌ নিৰ্বাচন আহিব ধৰিছে। সকলো শাসন ব্যৱস্থাৰ ভিতৰত গণতন্ত্ৰ সৰ্বোত্তম যাইকৈ এই কাৰণেই যে ই নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে সকলোকে ভুল শুধৰণিৰ সুযোগ দিয়ে। ভোটদাতা জনসাধাৰণে নিৰ্বাচনৰ যোগেদি যোগ্যজনক পুৰস্কাৰ দিয়াৰ আৰু অযোগ্যজনক শাস্তি দিয়াৰ সুযোগ পায়। কিন্তু জনসাধাৰণে যদি এই সুযোগৰ সদ্ব্যৱহাৰ কৰিব নাজানে বা নোখোজে, তেন্তে নিজৰ দুখ নিজে মাতি অনাৰ কাৰণে আন কাকো দোষাৰোপ কৰিবলৈ তেওঁলোকৰ অধিকাৰ নাথাকে।'
>
> *হোমেন বৰগোহাঞি*

প্ৰদেশ কংগ্ৰেছ (ই) সভাপতি হিতেশ্বৰ শইকীয়া: 'ৰাষ্ট্ৰপতিৰ শাসনে অসমৰ আইন শৃংখলাহীন পৰিস্থিতি আৰু অগপ-ৰ অন্ধকাৰ যুগৰ অৱসান ঘটাব। ৰাষ্ট্ৰপতি শাসনৰ অধীনত ৰাজ্যত স্থায়ী শান্তি প্ৰতিষ্ঠা হ'ব।'

কংগ্ৰেছ (স) সভাপতি শৰৎ চন্দ্ৰ সিংহ: 'নীতিগত ভাবে আমি ৰাষ্ট্ৰপতি শাসনৰ বিৰোধী। অসমৰ বৰ্তমান পৰিস্থিতিত ৰাষ্ট্ৰপতিৰ শাসনহে একমাত্ৰ বিকল্প-পথ আছিল।'

ৰাজ্যিক জনতা দলৰ সভাপতি গোলাপ বৰবৰা: 'অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ বাবে শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু অগপ চৰকাৰ সম্পূৰ্ণৰূপে জগৰীয়া। অগপ চৰকাৰে ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰা উচিত আছিল।'

কিন্তু অসম গণ পৰিষদৰ সভাপতি, অপদস্থ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই অসমত ৰাষ্ট্ৰপতিৰ শাসন জাপি লগতে সেনা বাহিনীক বিশেষ অধিকাৰ প্ৰদান কৰা আইন বলৱৎ কৰা কাৰ্যক গণতান্ত্ৰিক অধিকাৰৰ ওপৰত কুঠাৰাঘাত বুলি অভিহিত কৰিছিল। আৰু ই গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি বিশ্বাসঘাতকতা বুলিও কৈছিল।

পিছে সেই সময়ত বাতৰি কাকতৰ মত আছিল: "১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ দিনা 'অগপ' যেতিয়া ক্ষমতাত অধিষ্ঠিত হৈছিল তেতিয়া কোনেও ভাবিব পৰা নাছিল যে পাঁচ বছৰ পূৰ্ণ নকৰাকৈয়ে ৰাষ্ট্ৰপতি শাসনৰ গৰাহত এই চৰকাৰৰ অৱসান ঘটিব আৰু জনসাধাৰণেও স্বস্তিৰ নিশ্বাস পেলাব। ইয়াৰ বাবে যদি কোনো ৰাজনৈতিক দল দায়ী হয় তেনেহলে ক'ব লাগিব-যে সেয়া অসম গণ পৰিষদ আৰু কোনো এজন ব্যক্তিক যদি ইয়াৰ বাবে জগৰীয়া কৰিবলৈ হয় তেনেহলে সৰ্বপ্ৰথমতে আঙুলি টোৱাব লাগিব প্ৰফুল্ল কুমাৰ মহন্তৰ পিনে।"

এয়া নিৰপেক্ষ বাতৰি কাকতৰ নিৰপেক্ষ নিৰ্ভীক মতামত। ছেন্টিনেল (হিন্দী দৈনিক),২৯ নৱেম্বৰ, ১৯৯০।

ৰাষ্ট্ৰপতি শাসনৰ অৱসান ঘটাই অনতিপলমে নিৰ্বাচন বিচাৰিছিল সকলো দলেই। ব্যতিক্ৰম কেৱল কংগ্ৰেছ (ই) দল। আলফাৰ ভাবুকিত সকলোৱেই ত্ৰাহি মধুসূদন সুঁৱৰিবলৈ লাগিল। পিছত আলফাৰ শুভ বুদ্ধিৰ উদয় হ'ল। একপক্ষীয়া ভাবে অস্ত্ৰ সম্বৰণ ঘোষণা কৰি শেষত নিৰ্বাচনতো কোনো ধৰণৰ হস্তক্ষেপ নকৰাৰ সংকল্প ললে। নিৰ্বাচন সকলোকে লাগে। আনকি আলফাকো। নহ'লে যে সৈন্যবাহিনীক বেৰেকলৈ ধুৰাই পঠিয়াব নোৱাৰি! নিৰ্বাচিত চৰকাৰ এটা নাহিলে আমোলাতান্ত্ৰিক ৰাষ্ট্ৰপতি শাসনৰ ওৰ পেলাব নোৱাৰি, ক'লা আইন সমূহো আঁতৰ কৰিব নোৱাৰি। সেয়েহে এই নিৰ্বাচন সকলোৰে কাম্য। কিয়নো ৰাষ্ট্ৰপতি শাসন গণতান্ত্ৰিক ব্যৱস্থাৰ স্থায়ী বিকল্প নহয়।

পিছে অনিশ্চয়তাৰ মাজত হঠাতে অসমৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগেই বেছি ভাগ ৰাজনৈতিক দলৰ মাজত হুৰাদুৰা লাগিল। মনোনয়ন পত্ৰ দাখিলৰ কাৰণে মাত্ৰ চাৰিদিনহে সময় পোৱাত আনকি অগপ-ৰ মাজতেই প্ৰাৰ্থী নিৰ্বাচনত খেলিমেলি লাগিল। ভূতৰ ওপৰত দানহ পৰাদি তাতে অগপ-ৰ মাজত অন্তৰ্দ্বন্দ্ব লাগিল – এটা দল, দুটা দল হ'ল – অগপ আৰু নঅগপ হ'ল। তথাপিও মূল অগপ-ৰ মহন্ত গোটে আটাইবোৰ সমষ্টিতেই প্ৰাৰ্থী দিবলৈ সমৰ্থ হ'ল। নতুন দলটোৱে প্ৰাৰ্থী বিচাৰি নাপাই কেইবাটাও সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা বাদ দিলে। সময়ৰ নাটনিত বাও গণতান্ত্ৰিক মঞ্চয়ো যুটীয়া ভাবে প্ৰাৰ্থী দিয়াত ব্যৰ্থ হৈ গাইগুটীয়া ভাবেহে অ'ত ত'ত প্ৰাৰ্থী থিয় কৰিবলৈ বাধ্য হ'ল। জনতা দলেও অগপ-ৰ বিকল্প ৰূপে ভোটাৰ ৰাইজৰ ওচৰলৈ যাব নোৱৰা হ'ল।

সেয়েহে এতিয়া অসমৰ নিৰ্বাচনী যুঁজখন ধাইকৈ অগপ (মহন্ত) বনাম কংগ্ৰেছ (ই)ৰ মাজতে আৱদ্ধ থাকিব। ক্ষেত্ৰবিশেষে অৱশ্যে কংগ্ৰেছ (ই)ৰ বিৰুদ্ধে যুঁজ দিব অন্য দলৰ প্ৰাৰ্থীয়ে – অগপ-ই নহয়। জনতা দল, চি পি আই, চি পি এম আদি সৰ্বভাৰতীয় দলকেইটাৰ কিছুমান সমষ্টিত প্ৰভাৱ আছে। সেইবোৰ সমষ্টিৰ পৰা তেওঁলোকৰ প্ৰাৰ্থী নিৰ্বাচিত হৈয়ো আহিব হয়তো। বিপদ হ'ল মাত্ৰ কেৱল অগপ-ৰ দুয়োটা ফৈদৰ। পূৰ্বৰ অগপ-ৰ ভোটখিনি দুভাগ হৈ গলে মাজত কোন সৰকিব কোৱা টান। এইক্ষেত্ৰত কংগ্ৰেছ (ই)-ৰ সুবিধা অধিক। তেওঁলোকৰ দৃঢ় সমৰ্থক সকলৰ ভোটবোৰতো আছেই তাতে এইবাৰ পূৰ্বৰ অগপ-ই পোৱা ভোটৰ এক অংশও পাব। তদুপৰি এইবাৰ ইউ এম এফ-ৰ জোৰ নাই। এটা ফৈদে ইতিমধ্যে কংগ্ৰেছত (ই)-ত যোগ দিয়াত সেইখিনি ভোটো যোগ হ'ব।

তথাপিও অগপ-ৰ প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই একক সংখ্যা গৰিষ্ঠতা পাই চৰকাৰ গঠনত আশাবাদী। নতুন অগপ-য়ো আশা বাদ দিয়া নাই।

এইবোৰ নিৰ্বাচনী জয়-পৰাজয়ৰ জল্পনা-কল্পনা। নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী উঠিছে ৮৪৫ জন। নিৰ্দলীয় প্ৰাৰ্থীৰ বিস্ফোৰণ ঘটিছে বুলিয়েই ক'ব লাগিব। অৱশ্যে আমাৰ ভোটাৰ সকল এতিয়া অভিজ্ঞ হৈ উঠিছে। কাক ভোট দিব লাগে তেওঁলোকে নজনা নহয়। মাত্ৰ সংখ্যাধিক্য প্ৰাৰ্থী উঠি সমষ্টি এটাৰ ভোটাৰ ৰাইজক বিভ্ৰান্তিকৰ অৱস্থাত পেলাইছে। ইমানবোৰ দল আৰু নিৰ্দলীয় প্ৰাৰ্থী উঠিলে ভোটদাতাৰ খেলিমেলি হোৱাটো স্বাভাৱিক। তথাপিও তেওঁলোকৰ মনত নিশ্চয় উদয় হয় এই প্ৰশ্নটো – 'কাক ভোট দিম? প্ৰাৰ্থী চাই ভোট দিমনে, দল চাই ভোট দিম? নে দুয়োটা?'

অলপতে প্ৰকাশ হোৱা Forty Years of World's Largest Democracy: A Survey of Indian Elections নামৰ কিতাপখনত ভাৰতীয় ভোটাৰে নিৰ্দলীয় প্ৰাৰ্থীতকৈ দলীয় প্ৰাৰ্থীকহে সমৰ্থন কৰি ভোটদান কৰে বুলি কৈছে। এই কথাও উল্লেখযোগ্য যে নিৰ্বাচনত নমা নিৰ্দলীয় আটাইবোৰ প্ৰাৰ্থীয়েই যে প্ৰকৃততে নিৰ্দলীয় ব্যক্তি সেইটো নহয়। ইয়াৰ ভিতৰত দলৰ টিকট নোপোৱা বহুতো বিসম্বাদী বিদ্ৰোহী প্ৰাৰ্থীও আছে। বিধান সভাই যাৰ জীৱনৰ আশা তেনেবোৰ মানুহক কোনে বাধা দিয়ে। তাৰ উপৰিও একাংশ পৃষ্ঠপোষকে জোৰ কৰিও কিছুমান প্ৰাৰ্থীক নিৰ্দলীয় হিচাপে থিয় কৰায়। অৰ্থাৎ বলিৰ পঠা কৰে। অস্বীকৃত আঞ্চলিক দল কিছুমানৰ প্ৰাৰ্থীয়েও নিৰ্দলীয়



ফটো: জনসংযোগ

OKDISCD

হিচাপে উঠিব লগা হৈছে। যি কি নহওক এটা সমষ্টিত যদি ত্ৰিশ জন প্ৰাৰ্থী থাকে, 'বেলট পেপাৰ'খন অভাৱনীয় ভাৱে দীঘল হয়। ভোটাৰৰ ভোটদান কৰিবৰ সময়ত যে বিভ্ৰান্তি হয় সেই কথা সহজে অনুমেয়।

অসমৰ আগন্তুক নিৰ্বাচন বহুকোণীয়া হোৱাৰ কাৰণে আটাইতকৈ বেছি লাভবান হোৱা দলটো হ'ল কংগ্ৰেছ (ই) হে। বহু আঞ্চলিক দলৰ অংশগ্ৰহণ, তাতে বহুকোণীয়া প্ৰতিদ্বন্দ্বিতা, আনহাতে ভোটাৰ ৰাইজৰ নিৰ্লিপ্ততা লগতে আবেগিক ঢৌ-বিহীন পৰিবেশে শেষত গৈ 'সৰ্বভাৰতীয় দল অপ্ৰাসংগিক' বুলি কোৱা কংগ্ৰেছ (ই)ক হে ক্ষমতাৰ গাদীলৈ পুনৰ অহাত সহায় কৰিব বুলি ধাৰণা হয়। ইতিমধ্যে বহুতো দলৰ-মূল নেতাৰ মূৰ কামোৰীণ হোৱা পৰিলক্ষিত হৈছেই। আগৰ অগপ-ৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই তেওঁৰ পূৰ্বৰ সমষ্টি নগাঁৱত পুনৰবাৰ বিজয়ী হোৱাৰ সম্ভাৱনাত সন্দেহ প্ৰকাশ কৰি ওচৰৰ আন এটা সমষ্টি বৰহমপুৰতো প্ৰতিদ্বন্দ্বিতা কৰিব লগা হৈছে। কংগ্ৰেছ (স) সভাপতি প্ৰাক্তন মুখ্য মন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ-ই বিলাসীপাৰা পূবত, জনতা দলৰ সভাপতি তথা প্ৰাক্তন মুখ্য মন্ত্ৰী গোলাপ বৰবৰাই তেওঁৰ পুৰণা ঠাই এৰি নতুন সমষ্টি দিছপুৰত, চি পি এমৰ হেমেন দাসে তেওঁৰ পূৰ্বৰ সমষ্টিতেই আৱদ্ধ থাকিবলগীয়া হৈছে। আনহাতে কংগ্ৰেছ (ই) সভাপতি, প্ৰাক্তন মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই তেওঁৰ ঘৰুৱা সমষ্টি নাজিৰাত নিশ্চিত বিজয়ৰ সম্ভাৱনা দেখি অন্যান্য সমষ্টিত কিমান অধিক কংগ্ৰেছ প্ৰাৰ্থী জয়ী কৰি আনিব পাৰে তাতহে অধিক মনোনিবেশ কৰা পৰিলক্ষিত হৈছে। সেয়েহে শইকীয়াই ঢৌ-বিহীন এই নিৰ্বাচনত অধিক সংখ্যক আসন লাভ কৰিব পাৰিব বুলি আশা কৰিছে।

মনত ৰখা দৰকাৰ ১৯৮৫-ৰ পূৰ্বে হোৱা নিৰ্বাচনত প্ৰাপ্ত সমীক্ষা এটাৰ মতে কংগ্ৰেছ (ই) দলে কেৱল সংখ্যালঘুৰে নহয়, প্ৰায় ৪০ শতাংশ খিলঞ্জীয়া অসমীয়া লোকৰো ভোট পাইছিল। অৱশ্যে ১৯৮৫ চনৰ আবেগিক নিৰ্বাচনত এই ৪০ শতাংশ ভোটৰ বহুলাংশে হ্ৰাস পাইছিল।

কিন্তু এইবাৰ দ্বিবিভক্ত অগপ দল, ইউ এম এফ দলৰ দুৰ্বল স্থিতি আনহাতে চাহশ্ৰমিক শ্ৰেণীৰ অক্ষুণ্ণ আনুগত্যই কংগ্ৰেছ (ই) দলত আশাৰ সঞ্চাৰ কৰিছে। এক কথাত কংগ্ৰেছ (ই)-ৰ 'ভোটৰ ভেটি' অক্ষুণ্ণ হৈয়ে আছে। আৰু এটা কথা। ১৯৮৫ চনৰ প্ৰবল জনসমৰ্থনৰ ঢৌৰ সময়তো অগপ-ই মাত্ৰ ৬৪খন আসনহে দখল কৰিবলৈ সমৰ্থ হৈছিল। তেতিয়া তেওঁলোকে ভোট পাইছিল মাত্ৰ ৩৪.৫৪ শতাংশহে। সেইটো উত্তাল নিৰ্বাচনত কংগ্ৰেছ (ই) পৰাজিত হৈছিল যদিও দ্বিতীয় স্থান লাভ কৰিছিল। ভোট পাইছিল ২৩.৪৭ শতাংশ আৰু আসন লাভ কৰিছিল ২৫ খন। দ্বিবিভক্ত অগপ দল আৰু অনেক ক্ষুদ্ৰ ক্ষুদ্ৰ আঞ্চলিক দলৰ আৱিৰ্ভাৱে একত্ৰিত অসম গণ পৰিষদে পোৱা ভোটখিনি বিভক্ত কৰি পেলালে সৰ্বভাৰতীয় ৰাজনৈতিক দলতকৈ আঞ্চলিক দলবহে যে প্ৰচুৰ ক্ষতিসাধন কৰিব তাত কোনো সন্দেহ নাই।

জনতা দলৰ ৰাজ্যিক সভাপতি গোলাপ বৰবৰাই আশংকা কৰিছে যে অহা নিৰ্বাচনত অসমত কোনো এটা ৰাজনৈতিক দলেই সংখ্যা গৰিষ্ঠতা লাভ কৰাৰ সম্ভাৱনা নাই। অৱশ্যে তেওঁ এই কথাও মুক্ত কণ্ঠে স্বীকাৰ কৰিছে যে কেন্দ্ৰৰ লোক সভাৰ নিৰ্বাচনৰ ফলাফলৰ প্ৰভাৱ অসমত পৰিব। আমাৰ বোধেৰে সংখ্যালঘু গোষ্ঠীক সেই নিৰ্বাচনে বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিব। বৰবৰাৰ মতে কেন্দ্ৰত যদিহে ৰাষ্ট্ৰীয় মৰ্চাৰ দলৰ চৰকাৰ গঠন হয়, তেনেহলে অসমতো সেই নিৰ্বাচনৰ ফলাফলে জনতা দল, কংগ্ৰেছ (এছ) আৰু অন্যান্য বাওঁপন্থী দলকেইটাক সহায় কৰিব। যদিহে নিৰ্বাচনৰ ফলাফল কংগ্ৰেছ (ই) দলৰ সপক্ষে যায়, তেনেহলে সেই ফলাফলে অসমতো কংগ্ৰেছ (ই) দলক সহায় কৰিব।

কেন্দ্ৰত যিটো দলৰে চৰকাৰ নাহক লাগিলে অসমৰ আঞ্চলিক দলৰ কি লাভ হ'ব? তেতিয়াও ভোটাৰ আঞ্চলিক দলৰ ফালে ঢাপলি মেলিবনে? বড়ো আৰু কাৰ্বি অধ্যুষিত অঞ্চলৰ কথা সুকীয়া। তাত বড়োলেণ্ড, কাৰ্বি স্বায়ত্তশাসিত ৰাজ্যৰ দাবীত আন্দোলন চলি আছে। তেওঁলোকৰ ভোটাৰে সেই দাবীৰ সপক্ষেহে তেওঁলোকৰ আঞ্চলিক দলৰ ফালে থাকিব। অসমৰ বাকী অংশত কেন্দ্ৰীয় চৰকাৰৰ দলটোৰ ফালেহে যাব সেইটো ধ্ৰুপ। এই সকলোবোৰ অংকৰ ভিত্তিতেই অসমত কংগ্ৰেছ (ই)ৰ বিজয় সম্পৰ্কে হিতেশ্বৰ শইকীয়া নিশ্চিত। নিতান্তই চমু সময়ৰ এক সাক্ষাতকাৰত শ্ৰীশইকীয়াই কয়:

প্ৰশ্ন: সৰ্বভাৰতীয় প্ৰেক্ষাপটত কংগ্ৰেছ (ই)ৰ সম্ভাৱনা কি?

উত্তৰ: মই প্ৰায় নিশ্চিত কংগ্ৰেছ ক্ষমতালৈ আহিব। প্ৰায় সকলোৱেই নিশ্চিত।

প্ৰশ্ন: তেন্তে কংগ্ৰেছ (ই) জয়ী হলে সেই ফলাফলে অসমৰ নিৰ্বাচনত প্ৰভাৱ পেলাব। আৰু সেই পৰিকল্পনাত আপোনালোক সফল?

উত্তৰ: (হাঁহি) জৰুৰ প্ৰভাৱ পেলাব। অসমত নিৰ্বাচনৰ দিন কিছু পিছুওৱাত আমাৰ সুবিধা হ'ব যদিহে আমি জিকো। যদিহে আমি হাৰো আমাৰ সকলো গ'ল ভয়ানক ৰিস্ক এটা আছে। কিন্তু আশা কৰো আমাৰ ভাল হ'ব।

প্ৰশ্ন: ধৰক আপোনাৰ দলে সংখ্যাগৰিষ্ঠতা যদি লাভ কৰাত ব্যৰ্থ হয় তেতিয়া কোন কোন দলৰ লগত লগ হৈ চৰকাৰ গঠন কৰিব?

উত্তৰ: এতিয়াই ক'ব নোৱাৰি। আমি তেতিয়া কিছুমান চৰ্ত দিম। সেইবোৰ মানিলেহে মিত্ৰতা হ'ব।

প্ৰশ্ন: ধৰক গণ পৰিষদ দলে আপোনালোকৰ চৰ্ত মানি ল'লে। তেতিয়া একেলগে চৰকাৰ গঠন কৰিব নেকি?

উত্তৰ: (হাঁহি) সেইটো কেনেকৈ হ'ব? আমি তেওঁলোকক ল'লেও তেওঁলোকেই অহা উচিত নহয়। আমাৰ চৰ্তও তেওঁলোকে মানি ল'ব নালাগে।

### উপসংহাৰ

দলত্যাগৰ উজান এতিয়া অসমতো বাঢ়িছে। আগেয়ে অৱশ্যে আন ৰাজ্যৰ তুলনাত এই ৰাজ্যত কম আছিল। এতিয়া ক্ষমতালৈ দেশসেৱা কৰিবৰ কাৰণে অসমত নেতাৰ অভাৱ নাই। নহ'লেনো কোনো কোনো সমষ্টিত কুৰিৰ পৰা ডেৰকুৰিৰ ভিতৰত প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ যায়নে? প্ৰতিদ্বন্দ্বিতা কৰা সকলৰ ভিতৰত এনেলোকো হয়তো ওলাব যি টিকট পোৱাৰ আশাত সৌ সিদিনালৈকে প্ৰফুল্ল মহন্ত, হিতেশ্বৰ শইকীয়া বা গোলাপ বৰবৰাৰ কেৱল গুণকেই কীৰ্তন কৰি আছিল। আৰু যিদিনাই সেই সেই দলৰ টিকট নাপালে, সেই দিনাৰ পৰাই সেই সকল মহন্ত-শইকীয়া-বৰবৰা আদিৰ বিৰুদ্ধে মুখৰ হৈ পৰিল। কেৱল ক্ষমতা বাণীৰ কাৰণে মৌ'হোৱা সকলক জনসাধাৰণেও উচিত শিক্ষা দিব বুলিয়েই বিশ্বাস।"

(উপেন্দ্ৰ বৰকটকীৰ চিঠি: নতুন দৈনিক) ■





# নিৰ্বাচনৰ জৰিয়তে ৰাইজে প্ৰতিশোধ ল'বই

মাত্ৰ পাঁচ বছৰ আগৰ কথা। যিটো দলক অসমৰ সংখ্যা গৰিষ্ঠ ৰাইজে নিজৰ দল বুলি গণ্য কৰিছিল, যিটো দলে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কোনো প্ৰয়োজন নাছিল, যিটো দলে নিৰ্বাচনী যুদ্ধত এক প্ৰকাৰ 'ৱাক অভাৰ' লাভ কৰি শাসন ক্ষমতা দখল কৰিছিল, সেই দলটোৰ আজি না জল না থল অৱস্থা! মাত্ৰ পাঁচ বছৰ আগেয়ে যিটো দলে এক নতুন ৰাজনৈতিক সংস্কৃতিৰ জন্ম দিয়াৰ প্ৰতিশ্ৰুতিৰে চৰকাৰ গঠন কৰিছিল, সেই দলটোৰ নেতাজনেই ৰাজনীতিৰ সৈতে টকা-পইছাৰ লেন-দেন থাকিবই বুলি মুকলি ভাৱে ঘোষণা কৰি ৰাইজক বিচুৰ্তি খুৱালে।

মাত্ৰ পাঁচ বছৰ আগৰ কথা। অসম চুক্তি আখৰে আখৰে ৰূপায়ণ, বিদেশী বহিষ্কাৰ আৰু সামগ্ৰিক ভাৱে সোণৰ অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে যিটো দলে শাসনৰ বাঘজৰি হাতত ল'লে, সেইটো দলে বাস্তৱত কৰিলে কি? সাতশ ছহিদৰ তেজৰ বিনিময়ত গঠিত হোৱা চৰকাৰ খনে এশটা বিদেশী বহিষ্কাৰ কৰাৰ প্ৰমাণ ৰাইজৰ আগত দাঙি ধৰিব নোৱাৰিলে।

মাত্ৰ পাঁচ বছৰ আগৰ কথা। যিজন ব্যক্তিৰ হাতত অসমৰ ভৱিষ্যত তুলি দিয়া হৈছিল, সেইজন ব্যক্তিকেই এতিয়া বিশ্বাস ঘাতক, প্ৰতাৰক আৰু ভ্ৰষ্টাচাৰৰ বাহক বুলি অভিহিত কৰা হৈছে। কোনো বিৰোধী ৰাজনৈতিক দলৰ নেতাই এই বচন আওৰোৱা নাই। এই বচন বোৰ আওৰাইছে একালৰ নিজৰ ঘনিষ্ঠ সহযোগী সকলে।

মাত্ৰ পাঁচ বছৰ আগৰ কথা। যিটো দলে অসমৰ ভৱিষ্যত নিৰূপণৰ বাবে এক পক্ষীয় ভাৱে ঠিকা লৈছিল, সেইটো দল এতিয়া ছটা বিভিন্ন দল-উপদলত বিভক্ত।

মাত্ৰ পাঁচ বছৰৰ আগৰ কথা। যিটো দলে ৰাইজৰ আদালতত বিচাৰৰ কথা দোহাৰিছিল, সেইটো দলেই চৰকাৰ গঠনৰ পিছত নিজেই নিজৰ বিচাৰ কৰিলে আৰু ৰায় দিলে।

মাত্ৰ পাঁচ বছৰ আগৰ কথা। যিটো দলৰ সৰহ সংখ্যক 'বেকাৰ' নেতাৰ হাতত এটা ফুটা কড়িও নাছিল, সেইটো দলৰ নেতা সকলেই আজি লাখ লাখ টকা নিৰ্বাচনত খৰচ কৰিছে।

সেয়ে ৰাইজে আজি পুনৰ ভোট বিচাৰি যোৱা নেতা সকলক প্ৰশ্ন কৰিছে—পাঁচ বছৰত কিমান জন বিদেশী বহিষ্কাৰ কৰিলে? উত্তৰত নেতা নিমাত। কিমানজন বিদেশীৰ ভোটাধিকাৰ বাতিল কৰিলে? নেতা নিমাত। কিমান জন নিবনুৱাক চাকৰি দিলে? নেতা নিমাত। লটাৰিৰ টকা বিতৰণৰ কেলেংকাৰি তদন্ত কিয় কৰা নহ'ল? নেতা নিমাত। ৰেলৰে স্লিপাৰ কেলেংকাৰিৰ তদন্ত কিয় কৰা নহ'ল? নেতা নিমাত। নিজৰেই সতীৰ্থ এজনে বিদেশী মহিলাক অশালীন ব্যৱহাৰ কৰি অসমীয়া জাতিটোলৈ কলংক কঢ়িয়াই অনাজনৰ বিৰুদ্ধে কি শাস্তিৰ ব্যৱস্থা কৰা হ'ল? নেতা নিমাত। ক্ষমতাৰ অপব্যৱহাৰেৰে চৰকাৰী 'পুল' কাৰ ধ্বংস কৰাৰ পিছত তাৰ তদন্ত কিয় নহ'ল? নেতা নিমাত। মন্ত্ৰী সভাৰ বৈঠকত মদ খাই বমি কৰি বীৰত্ব প্ৰদৰ্শন কৰা সতীৰ্থ জনৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? নেতা নিমাত।

পাঁচ বছৰ সম্পূৰ্ণ অৰাজকতা চলাৰ পিছত ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসনৰ জৰিয়তে সামৰিক বাহিনী মেলি দিয়া হ'ল। সামৰিক বাহিনীৰ নিৰ্যাতনৰ বলি হ'ব লগা হ'ল অসংখ্য নিৰপৰাধী লোক। ৰাইজৰ বুলি দাবী কৰা দলটোৰ নেতা সকলে সামৰিক বাহিনীৰ নিৰ্যাতনৰ বিৰুদ্ধে কেৱল বাতৰি কাকতৰ জৰিয়তে বিবৃতি দিয়েই ক্ষান্ত থাকিল। সামৰিক বাহিনীৰ নিৰ্যাতন চলাৰ সময়ত নেতা সকল ৰাইজৰ ওচৰলৈ যোৱাৰ পৰিৱৰ্তে পলাই কিয় ফাট মাৰিলে? নেতা নিমাত।

এতিয়া নেতা সকল পুনৰ নিৰ্বাচনত জঁপিয়াই পৰিছে। পুৰণি আৰু নতুনত বিভক্ত হোৱা দুয়োটাই ঘোষণা কৰিছে যে নিৰ্বাচনত সংখ্যা গৰিষ্ঠ আসন লাভ কৰিবই। চৰকাৰ গঠন কৰিবই ইত্যাদি। কাৰণ তেওঁলোকৰ কোনো বিকল্প নাই। কথাতো ঠিকেই। যোৱা পাঁচ বছৰত তেওঁলোকৰ দলটোৱে অসমত কাহানিও নোহোৱা নোপজা যিবোৰ অভিলেখ স্থাপন কৰিলে তাৰ জানো কিবা বিকল্প আছে? অদূৰ ভৱিষ্যতেও জানো তেওঁলোকে সৃষ্টি কৰা অভিলেখবোৰ কোনোবাই ভংগ কৰিব পাৰিব? কেৱল 'মন্ত্ৰিত্বৰ বাবেই তেওঁলোকে ইজনে সিজনক ৰাজহুৱা ভাৱে গোৱাল গালি পাৰি মুহূৰ্তৰ ভিতৰতে পুনৰ সান্মটি ধৰি যি ভাওনা প্ৰদৰ্শন কৰিলে তাৰ জানো কিবা বিকল্প আছে? পাঁচবছৰ আগলৈকে নিজৰ হাতত ফুটা কড়িও নথকা জনে এতিয়া লাখে লাখে নিৰ্বাচনত টকা খৰচ কৰিব পৰাটোৰ জানো কিবা বিকল্প আছে? যোৱা পাঁচ বছৰত যি লেং মৰাৰ ৰাজনীতি প্ৰদৰ্শন কৰি দেখুৱালে, তাৰ জানো কিবা বিকল্প আছে? দুৰ্নীতিৰ সন্দৰ্ভত স্পষ্ট অভিযোগ উত্থাপন কৰাৰ পিছতো, সেই দুৰ্নীতিৰ প্ৰমাণ কৰাৰ বাবে ফেপেৰি পাতি উঠা জনৰ জানো কিবা বিকল্প আছে?

আচলতে এই বিকল্প কথাটো উত্থাপন কৰিয়েই পাঁচ বছৰ শাসনত থকা প্ৰতাৰক সকলে ভোটাৰ ৰাইজৰ প্ৰতি চৰম নিন্দা কৰিছে।

পাঁচ বছৰ কাল শাসনত থাকি এটাও প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱৰা দলটোৱে এতিয়া মূলতঃ দুটা ভাগত বিভক্ত হৈ পুনৰ নতুন প্ৰতিশ্ৰুতিৰে নতুন বেশত অৱতীৰ্ণ হৈছে। উদ্দেশ্য ৰাইজৰ দ্বাৰা নিৰ্বাচিত পুনৰ হাঁৰলুট আৰম্ভ কৰা। মাত্ৰ পাঁচ বছৰ শাসনত থাকিয়েই তেওঁলোকে মাটি কিনিলে, গাড়ী কিনিলে, অট্টালিকা সাজিলে। পুনৰ

পাঁচ বছৰলৈ শাসন ক্ষমতা লাভ কৰিলে তেওঁলোকে এইবাৰ কি কৰিব আৰু কি নকৰিব সেইটো কোনোবাই কল্পনা কৰিব পাৰিবনে?

পাঁচবছৰ শাসনত থাকি এই নেতাসকলে যিখিনি ধন গোটাই ললে, তাৰেই সামান্য অংশ এইবাৰৰ নির্বাচনত বিনিয়োগ কৰিছে। উদ্দেশ্য এই বিনিয়োগৰ দ্বাৰা পুনৰ ধন ঘটাৰ সুযোগ লাভ কৰিব। কাৰণ তেওঁলোকে ৰাজনীতিৰ ব্যৱসায়টো ভালদৰে শিকি লৈছে যোৱা পাঁচ বছৰত।

নেতা সকলে ঘোষণা কৰিছে যে তেওঁলোকৰ দলটো সম্পূর্ণ গণতান্ত্রিক। কিন্তু যিটো দলৰ অসংখ্য নেতাই এইবাৰ মনোনয়ন লাভ কৰিব নোৱাৰি বিক্ষুব্ধ হৈ নির্দলীয় প্রার্থী হিচাপে নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিছে, সেই দলটোৱে অনানুষ্ঠানিক সেনাবাহিনী জনে দুটা সমষ্টিৰ পৰা প্রতিদ্বন্দ্বিতা কৰিছে।

যিটো দলে যোৱা পাঁচটা বছৰে শাসন ক্ষমতাত থাকি পৌৰ নিগম, পৌৰ সভা, গাওঁ পঞ্চায়ত নির্বাচনৰ নাম নললে, সেই দলটোৱে এতিয়া পুনৰ নির্বাচনী ইস্তাহাৰত ক্ষমতা বিকেন্দ্রীকৰণৰ আড়াজ দিছে। ইয়াতকৈ হাস্যকৰ বিষয় কিবা আছে নে?

যিটো দলে যোৱা পাঁচটা বছৰে শাসন ক্ষমতাত থাকি জনজাতীয় সমস্যা সমাধানৰ বাবে সামান্যতমো উদ্যোগ নললে, সেইটো দলেই এইবাৰৰ নির্বাচনী ইস্তাহাৰত জিলা পৰিষদৰ জৰিয়তে জনজাতীয় সকল স্বায়ত্ত শাসন প্রদান কৰাৰ কথা ঘোষণা কৰিছে। ইয়াতকৈ চৰম প্রহসনৰ বিষয় কিবা থাকিব পাৰেনে?

কেৱল আধাৰ শিলা স্থাপনত ৰাজকোষৰ লাখ লাখ টকা খৰচ কৰি বিত্তীয় সংকটৰ দোহাই দি যিটো দলে দুবছৰৰ বাবে চৰকাৰী চাকৰিত নিযুক্তি বন্ধ ৰাখিলে, সেই দলটোৱে এতিয়া পুনৰ ৫০ লাখ যুৱকক কর্ম সংস্থাপন দিয়া হ'ব বুলি ঘোষণা কৰিছে। নিবনুৱা যুৱকৰ প্রতি এইটো এটা চৰম পৰিহাস নহয়নে?

কিন্তু সকলো ৰাজনৈতিক দলৰ নেতাসকলে এটা কথা মনত ৰখা উচিত যে ৰজাৰত টেঙা আম এবাৰহে বেচিব পাৰি। ৰাইজৰ প্রতি কৰা চৰম বিশ্বাসঘাতকতাৰ প্রতিশোধ ৰাইজে লবই। নির্বাচনৰ জৰিয়তে ৰাইজে ইয়াৰ প্রমাণ দি আহিছে।

ত্রিনয়ন

# দিক্‌ভ্রান্ত ৰাজনীতি বনাম বিভ্রান্ত জনসাধাৰণ

ধ্ৰুৱজ্যোতি শইকীয়া

অসমৰ আকাশত নির্বাচনৰ বা বলিছে। দশম লোকসভাৰ নির্বাচনৰ লগে লগে অসমত নির্বাচন হব নে নহয় এই লৈ বহু জল্পনা কল্পনা চলি থাকোতেই, চন্দ্ৰ শেখৰে অসমত নির্বাচন অনুষ্ঠিত কৰাৰ সপক্ষে ৰায়দান কৰে আৰু এই ৰায়ৰ সপক্ষে অসমৰ সকলো শ্রেণীৰ জনসাধাৰণেই ইতিবাচক মত আগবঢ়োৱাত, অৱশেষত 'ৰাইজৰ উৰ্দ্ধত কোনো নহয়' বুলি ভাবি বাহিক ভাবে হ'লেও এই নির্বাচনত 'আলফা'ই সম্পূর্ণ নেতিবাচক ভূমিকা পালন কৰাৰ কথা দোহাৰিলে। ৰাইজ যেন আশ্বস্ত হ'ল। এই নির্বাচনৰ গুৰুত্বপূর্ণ দিশটো হ'ল ই সম্পূর্ণ ভাবে আবেগ বৰ্জিত হব। সেয়েহে এই নির্বাচনে অসমৰ ভৱিষ্যতত নির্ণায়ক ভূমিকা গ্রহণ কৰিব পাৰিব বুলি ক'ব পাৰি।

অহা ৬ আৰু ৮ জুনত অসমৰ নির্বাচন অনুষ্ঠিত হব। কিন্তু এইবাৰৰ নির্বাচনত জনসাধাৰণে কাক নির্বাচিত কৰে বুজা কঠিন। ইয়াৰ কাৰণ হ'ল এহাতে বহুতো আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম আৰু আনহাতে যোৱা ১০ বছৰত সৰ্বভাৰতীয় দলসমূহে হেৰুওৱা স্থিতি কিছু হ'লেও পুনৰ উদ্ধাৰ। ইয়াৰ উপৰি চূড়ান্ত ৰূপে দেখা দিয়া গোষ্ঠী ভিত্তিক ৰাজনীতি। উল্লেখযোগ্য যে বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী, বিশেষকৈ 'সদৌ অসম ছাত্র সন্থা', 'অসম জাতীয়তাবাদী যুৱ ছাত্র পৰিষদ' আৰু 'অসম সংযুক্ত মুক্তি বাহিনী'ৰ প্রায়বোৰ সমৰ্থক সদস্যই অৰ্থাৎ ১৮ বছৰৰ ওপৰৰ লোকসকলে এইবাৰৰ ভোটাধিকাৰ লাভ কৰিছে। যদিও এই সংস্থাসমূহে পোনপটীয়াকৈ ৰাজনীতিত অংশ গ্রহণ নকৰে তথাপিও এওঁলোকৰ অধিকাংশই প্রার্থী নির্বাচনত ভোটাধিকাৰ সাব্যস্ত কৰিব অর্থাৎ নতুন চৰকাৰ গঠনত এওঁলোকে বলিষ্ঠ ভূমিকাই গ্রহণ কৰিব।

ইয়াৰ উপৰি জনজাতীয় অঞ্চল আৰু সংখ্যালঘু তথা পিছপৰা জনসাধাৰণৰ মাজত কিছু হ'লেও স্থিতি লাভ কৰা আমকাই এইবাৰ প্রথমবাৰৰ বাবে অসমৰ ৰাজনীতিত অংশ গ্রহণ কৰিছে। অনাহাতে বিজেপি- কংগ্রেছ (ই) আৰু অন্যান্য সর্বভাৰতীয় ৰাজনৈতিক দলবোৰ আছেই। এই সকলোবোৰ দিশ চালি জাৰি চালে দেখা যায় যে অসমৰ ৰাজনীতি এই অনিশ্চয়তাৰ মূলতে হ'ল যোৱা পাঁচ বছৰত 'অসম গণ পৰিষদ' দলৰ পশ্চাৎপদ ভূমিকা আৰু অৱশেষত অভাৱনীয় ভাবে দলটোৰ বিভাজন।

আঞ্চলিক ৰাজনৈতিক দলবোৰৰ ক্ষেত্রত দেখা যায় দুটামান দলৰ বাহিৰে বাকী সকলো দলৰে জন্ম অসম আন্দোলনক কেন্দ্র কৰিয়েই হৈছিল। এই সকলো দলেই কয় যে ৰাজ্যখনৰ সামগ্রিক বিকাশ সাধন কৰাই তেওঁলোকৰ লক্ষ্য। কিন্তু এই লক্ষ্যত উপনীত হবৰ বাবে এওঁলোকৰ কোনো বিশেষ ৰাজনৈতিক মতাদর্শ বা পৰিকল্পিত কাৰ্যসূচী নাই। এইফালৰ পৰা চালে দৃঢ়ভাবে ক'ব পাৰি যে এনেধৰণৰ ৰাজনৈতিক দল সমূহে তেওঁলোকে মুখেৰে কোৱাৰ দৰে অসমৰ সামগ্রিক বিকাশৰ ক্ষেত্রত কোনো ধৰণৰ বিশেষ অৰিহণা আগবঢ়াব নোৱাৰে। এওঁলোকৰ মূল উদ্দেশ্য হ'ল 'ক্ষমতা'; যিকোনো প্রকাৰে ক্ষমতা হস্তগত কৰা। এই আঞ্চলিকতাবাদী সকলে যি কৌশল কৰি সর্বভাৰতীয় দলসমূহক ৰাজ্যৰ পৰা এলাগী কৰিব বিচাৰিছিল কিন্তু সেই কৌশল ওফৰি গ'ল এওঁলোকৰ নিজৰ মাজত হোৱা খোৱা কামোৰা আৰম্ভ হোৱাৰ লগে লগে। অসম আন্দোলনৰ মূল লক্ষ্যৰ ভিত্তিত এইসকল লোক এসময়ত একগোট হৈছিল। এওঁলোকৰ মূল শ্ল'গান আছিল অবৈধ বিদেশী বহিষ্কাৰ। কিন্তু পাঁচ বছৰৰ পিছতেই এইসকলৰ ইমান সাংঘাতিক ভাবে মানসিক পৰিবৰ্তন হ'ল যে কাৰো মুখত আগৰ সেই শ্ল'গান নাই। কিয়নো নাই? এইবাবেই নিশ্চয় যে এই শ্ল'গানে আজি মানুহক হাঁহিৰ খোৰাক যোগোৱাৰ বাহিৰে আন একো কৰিব নোৱাৰে। এই সকলোবোৰে প্রমাণ কৰে যে অসমীয়া মানুহৰ মনবোৰ উৰণীয়া চৌ; আহে আৰু যায়; ই স্থায়ী নহয়। যিটো দল একাংশ মানুহে আঁচলৰ ধন ভাঙি বুকুৰ তেজ দি গঠন কৰিছিল- সেই দলটোৱে কিয় নিজকে নির্দিষ্ট কাৰ্যসূচীৰ দ্বাৰা সবল কৰিব নোৱাৰিলে? সুবিধাবাদী মধ্যবিত্ত শ্রেণীৰ দ্বাৰা প্রতিপালিত হোৱাৰ বাবেই নেকি? এনে এটা দিশৰ পৰাও ক'ব পাৰি যে 'সদৌ অসম ছাত্র সন্থাই' অহৰহ তেওঁলোক এটা অৰাজনৈতিক সংগঠন বুলি কৈ থকা সত্ত্বেও সমস্যাৰে ভৰপূৰ ৰাজ্যখনৰ মুখ্য মন্ত্রীৰ আসনত পোনচাতেই সেইটো সংগঠনৰ লোকক স্থান দিয়াৰ সোৱাদ অসমৰ ৰাইজে ইতিমধ্যে লাভ কৰিছে। যেনে কর্ম তেনে ফল- এতিয়া দুখ কৰি লাভ নাই। বর্তমানে এই সমস্ত বিষয়বোৰ লৈ আবেগ ৰহিত ভাবে বিবেকেৰে পর্যালোচনা কৰা উচিত--আমি ভোট দিম কাক? সঁচাকৈয়ে আঞ্চলিকতাবাদে অসমৰ ৰাইজক তৰাবনে? যদি তৰাব বুলি ভবা গৈছে সেই ৰাজনীতিত কিবা ৰাজনৈতিক মতাদর্শ, অর্থনৈতিক নীতি আছে নে নাই আৰু তেওঁলোকে দিয়া প্রতিশ্রুতিসমূহ ৰক্ষা কৰিব নোৱাৰিলে জনগণে কি কৰিব? নে সলনি কৰি কৰি কোনটো খাপ খাই তাতে বাট চাব? এই সকলোবোৰ বিষয় গভীৰ ভাবে অসমৰ ৰাইজে পর্যালোচনা কৰা উচিত। অলপতে আঞ্চলিক ৰাজনীতিৰ ওপৰত আলোকপাত কৰিবৰ বাবে পূর্বাঞ্চলৰ ৰাজ্য সমূহত ভ্রমণ কৰাৰ সময়ত অৰুণাচল প্রদেশৰ প্রাক্তন মুখ্য মন্ত্রী তথা ৰাজ্যখনৰ জ্যেষ্ঠ ৰাজনৈতিক নেতা টমো ৰিবাই এই লেখকক কৈছিল যে অগপ-ৰ পশ্চাৎপদ ভূমিকাই পূর্বাঞ্চলৰ আঞ্চলিক ৰাজনৈতিক ভেটি দুর্বল কৰি তুলিছে (ৰিবা নেতৃত্বাধীন আঞ্চলিক দল পিপলছ পার্টি অব অৰুণাচল অলপতে জনতা দলত জাহ গ'ল।) ইয়াৰ কাৰণ হ'ল প্রায় ক্ষেত্রতে অসমৰ ওপৰত নির্ভৰশীল এই ৰাজ্য কেইখনৰ ৰাজনীতিও অসমৰ ওপৰত যথেষ্ট নির্ভৰ কৰে। ৰাজ্যখনৰ শাসনলৈ অগপ অহাৰ পিছতে পাৰস্পৰিক ভেদা-ভেদ, সন্ত্রাসবাদী দৌৰাত্ম্য আদি উল্লেখনীয় ভাবে বৃদ্ধি পালে- যাৰ প্রভাৱ নেকি চুকে কোণে বিয়পি পৰিল। সন্ত্রাসবাদী সকলৰ ঘাটি উদ্ধাৰ হোৱা ফুলবাৰী অঞ্চলৰ ৰাইজ এসময়ত

উল্লেখযোগ্য যে ৮৫-ৰ নির্বাচনত আত্মহত্যা কৰিম বুলি ভাবুকি দি দলীয় টিকট সংগ্রহ কৰা প্রাক্তন বিধায়কে এইবাৰ নির্বাচনত টিকট পোৱা নাই আৰু এজন প্রাক্তন মন্ত্রীয়ে দলীয় টিকট নাপাই অসম বিৰোধী বুলি ভবা সর্বভাৰতীয় দলৰ লগত জড়িত হৈ টিকট সংগ্রহ কৰি কৃতার্থ মানিছে।

হাড়ে হিমজুৱে অগপ-ৰ সমৰ্থক আছিল। কিন্তু নির্বাচনৰ দুৱাৰডলিত তেওঁলোকে অগপ-কেই নাকচ কৰিব বিচাৰিলে- যাৰ ফলত স্থানীয় অগপ বিধায়ক জনে দল ত্যাগ কৰিব লগা অৱস্থা হ'ল। আঞ্চলিক ৰাজনীতিৰ উত্তৰোত্তৰ ভূমিকাৰ ক্ষেত্রত ই এটা সৰু উদাহৰণ। মুঠৰ ওপৰত দেখা যায় অগপ দলটোৰ কাৰ্যকলাপে নিজকে ধ্বংস কৰাৰ লগতে আঞ্চলিক ৰাজনীতিৰ ওপৰতো মাধমাৰ শোধালে আৰু অৱশেষত নিজৰ মাজত বিভাজন ঘটাত ঘৰ বিভীষণবো সৃষ্টি হ'ল। দেখা যায় অগপ বিসম্বাদী (নতুন অসম গণ পৰিষদ) সকলেও যথেষ্ট সমৰ্থন পাইছে। বহুতো অগপ প্রিয় ভাজন সচেতন যুৱকে নতুন অগপ-ৰ হৈ ব্যাপক কাৰ্যসূচীত অংশ গ্রহণ কৰিছে। উল্লেখযোগ্য যে আলফাৰ এজন শীর্ষস্থানীয় নেতাই গুৱাহাটীৰ পৰা প্রকাশিত এখন সাপ্তাহিকৰ নিজস্ব কলমত অগপ-ৰ বিভাজনক আদৰণি জনাইছে। এনে কেতবোৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় নতুন অগপ-ৰ প্রতি আঞ্চলিকতাবাদী জনগণৰ কিছু হ'লেও আস্থা আছে। ইয়াৰ উপৰি এই দলে কেতবোৰ সমভাবাপন্ন দলৰ লগত বুজা পৰাৰ ক্ষেত্রত সহানুভূতি দেখুৱাইছে, ফলত অতিৰিক্ত অগপ প্রিয়ভাজন সকলৰ মাজত পুনৰ আশাৰ সঞ্চাৰ হৈছে।

লজ্জাজনক বিষয় যে অগপ (মহন্ত) দলে ৮টা বিধান সভা সমষ্টিত দুজনকৈ লোকক মনোনয়ন দিব লগা হৈছিল- প্রার্থী সকলৰ পৰা নানা ধৰণৰ ভাবুকি অহাৰ বাবে। উল্লেখযোগ্য যে ৮৫-ৰ নির্বাচনত আত্মহত্যা কৰিম বুলি ভাবুকি দি দলীয় টিকট সংগ্রহ কৰা প্রাক্তন বিধায়কে এইবাৰ নির্বাচনত টিকট পোৱা নাই আৰু এজন প্রাক্তন মন্ত্রীয়ে দলীয় টিকট নাপাই অসম বিৰোধী বুলি ভবা সর্বভাৰতীয় দলৰ লগত জড়িত হৈ টিকট সংগ্রহ কৰি কৃতার্থ মানিছে। জনগণে বাৰু এই সকলৰ পৰা কি আশা কৰিব পাৰে? কোনো কোনোৱে কৈছে যে অসমত আঞ্চলিক ৰাজনীতিৰ অস্তিত্বই লোপ পাব, সেয়েহে এনে দলৰ ব্যাপক পৰাভৱে দেখা দিছে। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে আগন্তুক বিজিত সকলৰ প্রায় ভাগেই নিজস্ব ব্যক্তিত্বৰ ফলত নির্বাচিত হব আৰু কিছু ভাগ্যবান ভোট বিভাজনৰ ফলত সৰকি আহিব। কোনো এটা নির্দিষ্ট দলেই এককভাবে চৰকাৰ গঠন কৰাৰ আশা নাই বুলিও কিছু সচেতন মহলে সন্দেহ কৰিছে। সেয়ে হ'লে আগন্তুক দিনবোৰ সুস্থিৰ ভাবে যাব বুলি ধাৰণা কৰিব নোৱাৰি। ইয়াৰ মূলতে হ'ল ৰাজ্যখনত বিকল্পহীন ৰাজনীতি তথা সুস্থ চিন্তাধাৰাৰ অভাৱ। জনগণে নির্বাচনক লৈ কেৱল এই বাবেই আশ্বস্ত হৈছে যে নির্বাচনৰ ফলত ৰাষ্ট্রপতি শাসনৰ অৱসান হব। কিন্তু ইয়াৰ দ্বাৰা জানো ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিব (যি সকলে ৰাষ্ট্র সন্ত্রাসৰ দ্বাৰা স্বাভাৱিক

জীৱন যাত্ৰাৰ ব্যাঘাত জন্মিছে বুলি অনুভৱ কৰিছে)। হয়তো আগন্তুক নিৰ্বাচনত চৰকাৰ খনেও নিজস্ব কাৰণত বৰ্তমানতকৈ অধিক ভাবে সন্ত্ৰাস চলাব পাৰে, যিদৰে অগপ-ই শাসন কালত কুখ্যাত কলা আইনৰ জৰিয়তে বড়ো জনসাধাৰণৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছিল। অগপ-ৰ দিনতেই জানো ভূমকা-বাঘমাৰা আদিত ব্যাপক হাৰত দলবদ্ধ ধৰ্ষণ হোৱা নাছিল?

অসমত প্ৰথমবাৰৰ বাবে ক্ষমতাত অধিষ্ঠিত হোৱা আঞ্চলিক দল অগপ-ৰ বিভাজনক নীতিগত বুলিও ক'ব খোজে। কিন্তু বিষয়টো তেনে নহয়। স্পষ্টভাৱে ধৰা পৰা কথাটো হ'ল– প্ৰফুল্ল মহন্তই যদি ক্ষমতাত মৰকামোৰ মাৰি নাথাকিলহেঁতেন তেন্তে নিশ্চয় আজি এনে বিভাজন নহ'লহেঁতেন, নীতিগত ভাবে হোৱা হলে অন্তত আমি সেই নীতিৰ জিলিকনি অলপ হ'লেও অগপ-ৰ চৰকাৰৰ কালতেই দেখিলোহেঁতেন। ধেমা-ধৰা ৰাজনীতিৰ ডেকা বাহকসকলে মহন্তক ইমান দিন বৰ্তাই ৰাখিলে আৰু এওঁলোকৰ কাপুৰুষালীৰ বাবেই অগপ নিজে ধ্বংস হ'ল। দেখা গ'ল সুবিধাবাদৰ চূড়ান্ত দেউলিয়াপনা আৰু ডেকাশক্তিৰ অপচয়। এনে অপচয় আকৌ জানো নতুন চামে হবলৈ দিব? যদি দিয়ে তেন্তে সেয়া হব মূৰ্খামি। এটা কথা ঠিক যে অসমৰ বৃহত্তৰ জাতীয়তাবাদী অংশটোৱে কেতিয়াও সৰ্বভাৰতীয় আধিপত্যক স্বীকাৰ নকৰে, কিন্তু ক্ষুদ্ৰ ভাগত বিভক্ত এই শক্তিটোৰ বিৰুদ্ধে সৰ্বভাৰতীয় আধিপত্যই যুঁজ কৰাটো একো ডাঙৰ কথা নহয়। এই বিভাজন ভাৰতীয় 'ঔপনিবেশিক' শক্তিটোৰ বাবে এটা ডাঙৰ লাভ। মন কৰিব লগা কথা যে অগপ বিভাজনৰ পিছত দুয়োটা ভাগেই ৰাষ্ট্ৰীয় মৰ্চাৰ অংশীদাৰক লৈ দাবী কৰিছিল, এই অংশীদাৰৰ বাবে ইমান হেঁপাহ কিয়? (অন্যহাতে এওঁলোকেই আকৌ আত্মনিয়ন্ত্ৰণৰ কথা কয়) ৰাষ্ট্ৰীয় মৰ্চা অসমৰ স্বাৰ্থ ৰক্ষাৰ বাবে ইমানেই আকুলনে? তামিলনাড়ুত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ প্ৰতিবাদত ৰাষ্ট্ৰীয় মৰ্চাই লগে লগে ভাৰত বন্ধ দিছিল। কিন্তু অসমত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ সময়ত এওঁলোকে একো ভূমিকাই গ্ৰহণ নকৰিলে। ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ ক্ষেত্ৰতো চাবলৈ গ'লে কংগ্ৰেছৰ নেতৃত্বৰ যি দৰে হিন্দী বলয়ৰ প্ৰভাৱ পৰিলক্ষিত হয়– ঠিক একেদৰেই ৰাষ্ট্ৰীয় মৰ্চাতো একেটা বলয়ৰ প্ৰভাৱ একেদৰেই আছে। গতিকে দেখা যায় ৰাষ্ট্ৰীয় মৰ্চাক ভালৰি বোলাই সংখ্যাৰ ৰাজনীতি কৰি দেখাত অসমে কিবা লাভ কৰিব পাৰে, কিন্তু প্ৰকৃতাৰ্থত অসমে এনেদৰে একো নাপাব। আঞ্চলিক মনোভাবাপন্ন ঐক্যবদ্ধ শক্তি এটাৰ প্ৰয়োজন এইবাবেই যে ৰাজ্যৰ অৰ্থনীতিটোক ৰাজ্যিক ভিত্তিত সবল ভাবে গঢ়ি তোলাৰ সম্ভাৱনা প্ৰচুৰ থাকে। সমগ্ৰ ৰাষ্ট্ৰখনতে আঞ্চলিক ৰাজনৈতিক দল সমূহৰ মঞ্চ এখন গঢ়ি তোলাৰ প্ৰয়োজন, কাৰণ এনে কৰিলেহে ৰাজ্যৰ ভিতৰত হকে-বিহকে মঞ্চই হস্তক্ষেপ কৰিব নোৱাৰিব। ফলস্বৰূপে কিছু হ'লেও এককেন্দ্ৰিকতাৰ অবসান ঘটাই যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ সূচনা কৰিব পৰা যাব, অন্যহাতে তেতিয়া ৰাজ্য সমূহৰ ক্ষোভিত শ্ৰেণীৰ ক্ষোভ কিছু লাঘৱ হব আৰু ঔপনিবেশিক শোষণৰ ক্ষেত্ৰত বৃহৎ বাৰ্জনাৰীৰ বাবে এই ব্যৱস্থাই কিছু হ'লেও বাধাৰ সৃষ্টি কৰিব। ৰাজ্যৰ অৰ্থনৈতিক নীতি, উন্নয়নৰ পৰিকল্পনা, পুঁজিৰ বণ্টন আদি সামগ্ৰিক উন্নয়নৰ দিশবোৰ কোনো খোকোজা নলগাকৈ তেতিয়া চম্ভালিব পৰা যাব। কিন্তু অগপ-ই পোনচাতেই ৰাষ্ট্ৰীয় মৰ্চাৰ নেজত ধৰি ওলমিল। যদি এনে কিবা আকাংক্ষা আছিলেই তেন্তে সৰ্বভাৰতীয়ৰ নাম ললে পৰাচিত হব লগা অৱস্থা এটাৰ সৃষ্টি এওঁলোকে কিয় কৰিছিল?

স্বকীয় অস্তিত্ব স্বীকাৰ কৰি গ্ৰহণ কৰা উমৈহতীয়া স্বাৰ্থক কোৱা হয় সমন্বয়। অন্যহাতে বলপূৰ্বক ভাবে গ্ৰহণ কৰা উমৈহতীয়া স্বাৰ্থক কোৱা হয় স্বেচ্ছাচাৰ তথা আধিপত্যবাদ। ৰাষ্ট্ৰীয় ৰাজনীতিত আঞ্চলিক দল খুলিলে কোনো বিশেষ অঞ্চল (দৰাচলতে ৰাজ্যক) সামৰি লৈ গঢ়ি উঠা ৰাজনৈতিক ব্যৱস্থাৰ কথা বুজায়। সেই ৰাজ্যখনৰে ভিতৰত আকৌ কোনো বিশেষ গোষ্ঠী ভিত্তিক আঞ্চলিক ৰাজনীতিৰ প্ৰয়োজন কিয় হ'ল? অসমে যি দৰে কেন্দ্ৰৰ হিন্দী বলয় নিৰ্ভৰ ৰাজনীতিৰ পৰা নিজকে বচাবলৈ আঞ্চলিক ৰাজনীতিৰ কথা ভাবিছে ঠিক একেদৰেই ক্ষুদ্ৰ জনগোষ্ঠী সমূহে দিছপুৰ কেন্দ্ৰিক উগ্ৰ অসমীয়াবাদী আধিপত্যৰ পৰা নিজকে বচাবলৈ নিজস্ব গোষ্ঠী ভিত্তিক ৰাজনীতিৰ জন্ম দিছে অৰ্থাৎ শোষণৰ ধাৰাটো একেদৰেই আছে। সেয়েহে প্ৰশ্ন হয় কোন বিধৰ ৰাজনীতিয়ে ৰাইজক তৰাব? বৰ্তমান ভাৰতীয় ৰাজনীতিয়ে পূতি গন্ধময় ৰূপ লৈছে। গোষ্ঠীদ্বন্দ্ব, মৌলবাদী চিন্তাধাৰা আদিয়ে সমগ্ৰ ৰাজনীতি বিষয়টোকে আবৰি ধৰিছে– অৱশ্যে ই স্বাভাৱিক। কাৰণ জনসংখ্যা বৃদ্ধিৰ তুলনাত দেশখনৰ অৰ্থনৈতিক পৰিবৰ্তন তথা শিক্ষিতৰ হাৰ বৃদ্ধি হোৱা নাই– ব্যাপক জনসাধাৰণেই চিন্তা শক্তিৰ নিম্নত। ধনৰ ওপৰত এই দেশৰ ৰাজনীতি নিৰ্ভৰশীল আৰু এই ব্যৱস্থাই ওপৰৰ পৰা তললৈ প্ৰচলিত। গতিকে ক'ব পাৰি ব্যাপক গণ জাগৰণ আৰু উমৈহতীয়া প্ৰচেষ্টাৰ আবাহনে ইয়াৰ অন্ত নপৰে। বৰ্তমানে অসমৰ ৰাজনীতিত দেখা গৈছে স্বনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নটোক প্ৰায়বোৰ দলেই হুবহুকৈ গ্ৰহণ কৰিছে, অৱশ্যে ই নিৰ্বাচনী টোপনে বাস্তৱিক চিন্তা-ধাৰাৰ প্ৰতিফলন, এতিয়াও ক'ব পৰা হোৱা নাই। বিভাজনমুখী ৰাজনীতিৰ পৰা ধাৰণা কৰিব পাৰি যে ই বাস্তৱিক চিন্তা-ধাৰাৰ বাহক নহয়, ই মাথো ক্ষমতাৰ এটা আলমহে। বৰ্তমানে প্ৰফুল্ল মহন্তই ৰাজনৈতিক প্ৰচাৰ চলাইছে যে ৯০ শতাংশ অনুদান লাভ কৰি ৰাজ্যখনক ধাৰৰ কবলৰ পৰা তেওঁহে বচালে। অন্যথা ৰাজ্যখন চূড়ান্ত ভাবে অৰ্থনৈতিক সংকটৰ গৰাহত পৰিলহেঁতেন; কিন্তু এই কথাৰ তীব্ৰ প্ৰতিবাদ জনাই নতুন অগপ দলৰ শ্ৰীমতী বিজয়া চক্ৰবৰ্তীয়ে কৈছে যে "দীনেশ গোস্বামী আৰু তেওঁৰ বাবেহে ৰাজ্যখন বিশেষ ৰাজ্য হিচাপে চিহ্নিত হ'ল– অন্যথা মহন্তৰ নিচিনা নেতাৰ বাবে ই সাধ্যৰ অতীত।" এই ক্ষেত্ৰত আমাৰ ক'ব লগা একো নাই। এয়া যিকোনো নেতাৰ শক্তি নে অসমৰ দীৰ্ঘদিনীয়া আন্দোলনৰ ফলশ্ৰুতি সেই কথা ৰাইজে বিবেচনা কৰিব।

বহুতে সন্দেহ কৰিছিল বিহাৰ আদি ৰাজ্যৰ দৰে অসমত আলফাই গুণ্ডাগিৰি কৰিব। এই সন্দেহ অমূলকো নহয়। এইবাৰ নিৰ্বাচনৰ উল্লেখনীয় দিশ হৈছে যে কেইবাসংখ্যক প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰৰ ক্ষেত্ৰত দলীয় সূত্ৰ সমূহে দাবী কৰিছে যে ইয়াৰ অন্তৰালত গোপন ভাবুকিয়ে ক্ৰিয়া কৰিছে। ৰাজ্য প্ৰশাসনেও এই মতকেই দোহাৰিছে। আজি জনগণ আলি-দোমোজাত। সংকটৰ মুহূৰ্তত টোতে ওপঙি থকা আৰু মৌনতা অৱলম্বন কৰা এক কথা, গতিকে এখন সমৃদ্ধিশালী অসম গঢ়িবলৈ হ'লে ৰাজ্যখনত এজন শক্তিশালী নেতা, সুস্থ সহযোগী আৰু স্পষ্ট কাৰ্যক্ৰমণিকাৰ প্ৰয়োজন, লাগিলে ই যি ধৰণৰ ৰাজনৈতিক দলৰ পৰাই নহওক! অন্যথা নীতিহীন, লক্ষ্যহীন ৰাজনীতিত বিভ্ৰান্ত জনসাধাৰণে সদায় দিক্‌ভ্ৰান্ত হৈয়েই ৰ'ব লাগিব। ■






# অসম গণ পৰিষদৰ নিৰ্বাচনী ইস্তাহাৰঃপ্ৰলোভনৰ প্ৰচেষ্টা অব্যাহত

নৰেণ বৰা

সীমাহীন দুৰ্নীতি, নিকৃষ্ট, ঘৃণনীয় আৰু জাত্যাভিমানী ৰাজনীতিৰ চেম্পিয়ন অসম গণ পৰিষদ দলে পঁচাশীৰ প্ৰতিশ্ৰুতিকে নতুন ৰূপত সজাই পৰাই এইবাৰৰ নিৰ্বাচনী ইস্তাহাৰত লিপিবদ্ধ কৰিছে। ক্ষমতা-লিপ্সাৰ কুটিল ৰাজনীতিৰে পুষ্ট এই দলটোৱে আন বেলেগ কোনো প্ৰতিশ্ৰুতি দিব পৰা নাই। অৱশ্যে পূৰ্বৰ প্ৰতিশ্ৰুতিখিনি এটাও পালন নকৰাটো দলটোৰ বাবে মংগলজনকহে হৈ পৰিছে। কিয়নো অন্যথা এইবাৰৰ নিৰ্বাচনত ক'ব লগা একো নাথাকিলহেঁতেন।


দলীয় বিভাজনক অশেষ চেষ্টা কৰিও ৰোধ কৰিব নোৱৰা অগপ-ই পূৰ্বৰ দৰে এইবাৰো জনসাধাৰণৰ প্ৰতি থকা তেওঁলোকৰ 'দায়িত্ববোধ' (?) আৰু 'প্ৰতিশ্ৰুতি' দোহাৰি নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হবলৈ আগবাঢ়িছে। ১৯৮৫ চনৰ নিৰ্বাচনত যেনেদৰে 'অসমৰ সকলো শ্ৰেণীৰ' (?) জনসাধাৰণৰ 'অকুণ্ঠ সমৰ্থন' আৰু 'মৰম' লাভ কৰিছিল সেই সমৰ্থন ইস্তাহাৰত পুনৰ আশা কৰিছে। সেইবাৰ অৱশ্যে গণ পৰিষদৰ পক্ষত এক স্বাভাৱিক গতি আছিল আৰু সেই অৱস্থাত ৰাজ্যখনৰ প্ৰায় ৩৫% ভোটদাতাই তেওঁলোকৰ পক্ষে ৰায় দিছিল। কিন্তু আজি তেওঁলোকে জনসাধাৰণক তোষামোদ কৰিছে– অৱশ্যে অতি নিৰ্লজ্জভাৱে। "কিন্তু এটা কথা সুস্পষ্ট হৈ পৰিছে যে বহুতৰ প্ৰত্যাশা, নতুন এক কৰ্মসূচী আৰু আঞ্চলিকতাবাদৰ সদা বিকশিত ধ্যান-ধাৰণাক বাস্তৱলৈ ৰূপায়ণ কৰোঁতে আমি অনেক ভুল-ত্ৰুটি কৰা সত্ত্বেও অসমৰ জনসাধাৰণে এইবোৰ নিজ মহানুভৱতাৰে ক্ষমা কৰিছে আৰু আমাৰ দলটোৰ প্ৰতি সমৰ্থন আৰু শুভাশিষ অক্ষুণ্ণ ৰাখিছে। কোন বিধাৰ প্ৰত্যাশা আৰু কৰ্মসূচী এই দলে ৰূপায়ণ কৰিলে? আঞ্চলিকতাবাদৰ ধ্যান ধাৰণাৰ বিকাশ বাদেই, বং-বিৰঙৰ আঞ্চলিকতাবাদী ধাৰণা আৰু বহু শিবিৰত বিভাজিত আঞ্চলিকতাবাদৰ তিখিলঘিলনীত জনসাধাৰণ অতিষ্ঠ হৈ পৰিল। ৰাইজৰ শুভাশিষ? অসমৰ ৰাইজৰ বাবে যোৱা পাঁচ বছৰ কাল কেতিয়া শেষ হয় কেতিয়া শেষ হয় লগা নাছিল নে?

ক্ষমতাৰ কাষৰীয়া মতলীয়া জন বিচ্ছিন্ন পাৰ্টি নেতাই ৰাইজৰ অন্তৰংগ বন্ধুৰ ভাও দিবলৈও কুণ্ঠাবোধ কৰা নাই। প্ৰবল বান পানীৰ সময়ছোৱাত বান দুৰ্গত ৰাইজ যেতিয়া সৰ্বস্বান্ত হৈ পৰিছিল, তেতিয়া মন্ত্ৰী বিধায়ক সকল ক'ত আছিল? দিছপুৰৰ চৰকাৰখনে বান সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে কি কৰিছিল? তাৰ স্পষ্ট খতিয়ান অসমৰ ৰাইজে পাব নে? বানপানী আৰু নৈৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা দৰিদ্ৰ ভূমিহীন কৃষকে দুৰ্গম হাবি ভাঙি চহ কৰা অঞ্চল অথবা চাপৰিৰ অঞ্চলৰ পৰা ব্যাপক হাৰত উচ্ছেদ কাৰ্য সংঘটিত কৰা অগপ চৰকাৰৰ প্ৰতি কৃষক ৰাইজ আতংকিত হোৱা নাছিল নে? হাতী আৰু বন্দুকধাৰী লগাই গাঁৱৰ পিছত গাঁও উচ্ছেদ কৰি ধ্বংস কৰা সেইখন চৰকাৰৰ বাবে কোন আপোন আছিল– বন্দুকধাৰী নে সৰ্বসাধাৰণ ৰাইজ?

সামৰিক বাহিনীয়ে কৰা নিৰ্যাতনৰ সময়ত? হয়, অসমত বজৰুৱৰ কিলেৰে পিঠি ও-বখলীয়া হব বুলি সন্দেহ কৰি এওঁলোকে দিল্লীৰ ব'ট ক্লাবলৈ গৈ ধৰ্ণা দিছিল। সেই বাবেই ইস্তাহাৰত গৌৰৱেৰে ক'ব পাৰিছে– "......... প্ৰবল বানপানীয়ে অনা দুৰ্যোগৰ সময়তেই হওক বা সামৰিক বাহিনীয়ে কৰা নিৰ্যাতনৰ সময়তেই হওক অসম গণ পৰিষদে সদায় ৰাইজৰ লগত থিয় দি আহিছে। এই আন্তৰিক সোৱৰ মনোভাৱৰ বাবেই অসম গণ পৰিষদৰ দৰে আন কোনো দলে কেতিয়াও, ক'তো জনসাধাৰণৰ অন্তৰ ইমান গভীৰ ভাৱে স্পৰ্শ কৰিব পৰা নাই।" কিন্তু ৰাইজে জানো পাহৰিব পাৰিব যে সামৰিক শাসনৰ বাবে অগপ-ই দায়ী?

"যোৱা পাঁচ বছৰত জনসাধাৰণৰ প্ৰশাসনৰ ওচৰ চপাই অন্যত দলে চমকপ্ৰদ সফলতা লাভ কৰিছিল ......।" অতি হাস্যকৰ কথা যে তেৰাসৱে জনসাধাৰণকহে প্ৰশাসনমুখী কৰিবলৈ চেষ্টা কৰিছিল, প্ৰশাসনক নহয়। নিজৰ কথাতে সেয়াকে ধৰা পৰিছে। সুচতুৰ আৰু শাসক শ্ৰেণীৰ সুযোগ্য ৰাজনীতিজ্ঞ ইমান কেঁচেলুৱা নহয়। তেওঁলোকে কাৰ্যতঃ যিয়েই নকৰক কিয় তাত্ত্বিক পৰ্যায়ত ইমান মাৰাত্মক ভুল কেতিয়াও নকৰে। জনসাধাৰণক প্ৰশাসনমুখী কৰাৰ অৰ্থ হৈছে প্ৰশাসনৰ ভুল-ত্ৰুটিৰ ওচৰত জনসাধাৰণক আপোচ কৰিবলৈ বাধ্য কৰোৱা। জনসাধাৰণে প্ৰশাসনক জনমুখী কৰাৰ বাবে ইয়াৰ ভিতৰত সাল সলনি বিচাৰে; জনমুখী প্ৰশাসনহে জনসাধাৰণৰ কাম্য আৰু ইয়াৰ মাজেদি জনসাধাৰণ আৰু প্ৰশাসনৰ মাজত থকা দূৰত্ব আঁতৰোৱা সম্ভৱ।

"বহু বছৰৰ অৱহেলা আৰু অনগ্ৰসৰতাৰ ফলত জনজাতীয় মনৰ যি বিস্ফোৰণ ঘটিছে আৰু জনগোষ্ঠী সমূহৰ অসন্তোষ, অবিশ্বাস আৰু সহঅৱস্থান বিৰোধী মনোভাৱৰ ফলত যি পৰিস্থিতিৰ সৃষ্টি হৈছে, সেয়া উপশম ঘটোৱাৰ বাবে দলৰ জনজাতি নীতি, ভূমি নীতি আৰু নিয়োগ নীতিৰ ৰচনাত্মক পৰ্যালোচনাৰে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও দল



ফটো: জনসংযোগ

প্ৰতিশ্ৰুত হৈছে।" – জনজাতি নীতি, ভূমি নীতি আৰু নিয়োগ নীতিৰ গৰিমা! বিক্ষুব্ধ জনজাতি সকল, ভূমিহীন কৃষক আৰু চাকৰি বিচাৰি হতাশ হৈ পৰা হেজাৰ-বিজাৰ উচ্চ শিক্ষিত যুৱক-যুৱতীৰ ওচৰত এই গৰিমা! আমি প্ৰত্যক্ষ কৰিলো যে এইখন চৰকাৰৰ দিনতেই নতুনকৈ জনগোষ্ঠী বিক্ষুব্ধ হৈ পৰিল–মানসিকভাৱে তেওঁলোকক তথা-কথিত মূল সুঁতিৰ পৰা আঁতৰি যাবলৈ বাধ্য কৰোৱা হ'ল। বড়ো আন্দোলন আৰু কাৰ্বি আন্দোলনৰ প্ৰতি কি মনোভাব লৈছিল? নিৰ্যাতন দমনৰ বাহিৰে অন্য পথৰ কথা শাসনৰ গাদীৰ পৰা ভাবিব পাৰিছিল নে?

নেতা সকলে বড়ো আন্দোলনৰ নেতৃবৰ্গক আলোচনাৰ বাবে মাতি আনি আলোচনাত নবহি আন্দোলনকাৰী সকলক অপমানিত কৰিছিল। কাৰ্বি আন্দোলনৰ ক্ষেত্ৰতো তাকেই কৰিছিল। অনাকি বড়ো আন্দোলনৰ প্ৰশ্নত কেন্দ্ৰীয় চৰকাৰে লব খোজা পদক্ষেপ সমূহৰ ওপৰতো ৰাজ্য চৰকাৰে বিধি-পথালি দিছিল। পুলিচী নিৰ্যাতন? অগপ ই অসমত সন্ত্ৰাসবাদ নিবাৰক আইন (TADA) প্ৰয়োগ কৰি বড়ো আন্দোলনকাৰী আৰু কাৰ্বি সকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাইছিল। ৰাইজক হাৰাশাস্তি কৰাৰ বাবে স্পেচিয়েল ডেজিগনেটেড কোৰ্ট ব্যৱস্থা গঢ়ি তোলাৰ সিদ্ধান্ত অগপ-ই লৈছিল।

মাটিৰ পৰা কৃষকক উচ্ছেদ কৰা, কৃষকে ন্যায্য দাবীৰ ভিত্তিত কৰা আন্দোলনৰ ওপৰত দমন-নিপীড়ন চলোৱা- এয়াই আছিল অগপ ৰ বহু প্ৰশংসিত(?) কৃষি নীতি আৰু কৃষক জনসাধাৰণৰ প্ৰতি মনোভাব। সম্পূৰ্ণ নতুন উদ্যোগ নীতি ঘোষণা কৰিবলৈ অসমৰ্থ হোৱা, ৰুগ্ন কল-কাৰখানা সমূহত প্ৰাণসঞ্চাৰ কৰিবলৈ কোনো ধৰণৰ যত্ন নকৰা, সম্পদৰ উচিত ব্যৱহাৰৰ মাধ্যমে নতুন উদ্যোগ প্ৰতিষ্ঠাৰ দ্বাৰা নতুন কৰ্মসংস্থান সৃষ্টি কৰিব নোৱাৰা অদক্ষ অগপ দলৰ অসম্পূৰ্ণ আৰু ত্ৰুটিপূৰ্ণ নিয়োগ নীতিৰ পৰ্যালোচনাৰ পৰা কোনো ফল পোৱা নাযায়।

ৰাজ্যখনৰ ৰাজকোষ উদং কৰি অৰ্থনৈতিক কোঙা কৰা, কৰ্মচাৰী আৰু অন্য স্তৰৰ ৰাইজক জীয়াতু ভুগিবলৈ এৰি দিয়া এই দলেই নিৰ্বাচনী যতৰত অনায়াসে ক'ব পাৰিছে– "১৯৮৫ চনত দলে চৰকাৰ গঠন কৰা সময়ত যি শোচনীয় অৰ্থনৈতিক অৱস্থা আছিল, আজি সেই অৱস্থা নাই। দলীয় চৰকাৰৰ নিৰহ নিপানী যত্ন আৰু দলৰ অবিৰত সংগ্ৰামৰ ফলস্বৰূপে ৰাজ্যখনৰ ৰাজকোষ যথেষ্ট টনকিয়াল হৈছে।" এই ক্ষেত্ৰত তেওঁলোকে কৰা দুৰ্নীতি, অপচয় ঢাকি ৰখাৰ বাবে ৯০% অনুদানৰ কথা বুকু ফিন্দাই কোৱা হয়। কিন্তু, অদক্ষ আৰু অধঃপতিত চৰকাৰ আৰু বিধ্বস্ত প্ৰশাসনে সেই অনুদান জনসাধাৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰিব বুলি কোনোবাই বিশ্বাস কৰিব পাৰে নে?

নিৰ্বাচনী ইস্তাহাৰত ক'বলৈ যত্ন কৰিছে যে তেওঁলোকে ১৯৮৫ চনৰ নিৰ্বাচনত আগবঢ়োৱা প্ৰতিশ্ৰুতি সমূহৰ সৰহখিনিকে পূৰণ কৰিছে আৰু বাকী থকাখিনিও পূৰণৰ পথ প্ৰশস্ত কৰি ৰাখিছে। কিন্তু সেই কথা সঁচা নে মিছা তাক দেখোন যোৱা পাঁচ বছৰৰ অভিজ্ঞতাৰ দাপোণখনেই স্পষ্ট কৰি দিয়ে।

বিভিন্ন ৰাজনৈতিক দল আৰু অন্যান্য সংগঠনে তদৰ্থবাদৰ অৱসান ঘটাই পঞ্চায়ত, পৌৰসভা, পৌৰনিগম আদি স্বায়ত্ত শাসিত প্ৰতিষ্ঠান সমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনাই অহা সত্বেও যোৱা পাঁচ বছৰে অগপ-ৰ আজৰি নোহাল। এইবাৰৰ প্ৰতিশ্ৰুতি হুমাহৰ ভিতৰত এই সংস্থা সমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰা। কিন্তু কোনে বিশ্বাস কৰিব? নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ বাবে ৩৬ দফীয়া প্ৰতিশ্ৰুতিৰে প্ৰলোভনৰ প্ৰচেষ্টা অব্যাহত আছে। ■



নক'লে নহয়

# হিতেশ্বৰ শইকীয়াৰ বিষয়ে

অনিল বৰুৱা

কিছুমান কথা আছে, নক'লে নহয়। কোৱাৰ সময় এইটোৱেই। ৰাজনৈতিক প্ৰতিপক্ষ হিচাপে হিতেশ্বৰ শইকীয়া প্ৰসংগ ওলালেই, বিশেষকৈ নিৰ্বাচনৰ মুখত ওলালেই কিছুমান কথা মনলৈ আহে। আচলতে, শইকীয়াইতৰ বিৰুদ্ধে নিৰ্দিষ্টকৈ দাঙি ধৰিব পৰা অভিযোগবোৰ কি কি? তেওঁ দেখিবলৈ কেনেকুৱা, কথা কয় কেনেকৈ, তেওঁ কোন সম্প্ৰদায়ৰ, কোন অঞ্চলৰ – এনে ধৰণৰ কথাৰে যদি কিবা আপত্তি আছে, তেনেহলে সেইবোৰ মনুষ্যত্বৰ প্ৰাণীৰ কথা, সেইবোৰ কথাৰে আলোচনাত প্ৰবৃত্ত হোৱাৰ ইচ্ছা মোৰ নাই। কিন্তু ৰাজনীতি আৰু প্ৰশাসনৰ ক্ষেত্ৰত শইকীয়াইতৰ বিৰুদ্ধে তুলিব পৰা এনে কি নিৰ্দিষ্ট অভিযোগ আছে যিটো আন কাৰো বিৰুদ্ধে তুলিব নোৱাৰি? শৰৎ সিংহ, গোলাপ বৰবৰাইতৰ বিৰুদ্ধে নোৱাৰি, প্ৰফুল্ল মহন্ত, ভৃগু ফুকনইতৰ বিৰুদ্ধে নোৱাৰি?

কি আছে কওক, অভিযোগবোৰ স্পষ্টকৈ আৰু নিৰ্দিষ্টকৈ উত্থাপিত হ'ব লাগে।

## গিল আৰু পুলিচ: বিশ্ববিদ্যালয়ত

এই মুহূৰ্তত মনলৈ আহিছে দীৰ্ঘদিন ধৰি শুনি অহা এটা অভিযোগ: শইকীয়াই তাহানি গুৱাহাটী বিশ্ববিদ্যালয়ত কে পি এছ গিলৰ নেতৃত্বত প্ৰথম পুলিচ নমাইছিল। অত্যন্ত বাজে অভিযোগ। সেই সময়ত পূৰ্ণাংগ গৃহমন্ত্ৰী আছিল তেতিয়াৰ মুখ্য মন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ নিজেই। মুখ্য মন্ত্ৰী তথা গৃহ মন্ত্ৰীৰ নিৰ্দেশ নাপালে, অন্ততঃ তেওঁৰ অনুমোদন, মত আৰু সেউজ সংকেত নাথাকিলে গৃহ দপ্তৰৰ ৰাজ্য পৰ্যায়ৰ (Minister of State) মন্ত্ৰী জনে তেনে এটা তাণ্ডৱ ঘটনা কৰিব পাৰে নেকি? ৰাজ্য পৰ্যায়ৰ মন্ত্ৰীক কেৰাণীতকৈ অধিক দায়িত্ব আৰু মৰ্যাদা দিয়া হয় নেকি? প্ৰফুল্ল মহন্তই দিছিল নেকি?

কোৱা হয় অ'বি চি ৰাজনীতিৰ কথা। দেৱকান্ত বৰুৱাই তেওঁৰ ছচিয়েলিষ্ট অতীতৰ পৰা অ'-বি-চি তত্ত্ব নমাই আনি, ধুলিবালি মোহাৰি ইন্দিৰা গান্ধীৰ হাতত তুলি দিছিল আৰু পাছত দুয়ো সিংহ আৰু



শইকীয়াক অসমৰ ৰাজনীতি বশ কৰিবৰ কাৰণে তাক প্ৰয়োগ কৰিবলৈ লগাই দিছিল। কথাটো মিছা নেকি? মহেন্দ্ৰ চৌধুৰীহঁতৰ গঁঠীয়া ৰাজনীতিৰ বিৰুদ্ধে তাকে নকৰি কি উপায় আছিল? মুষ্টিমেয় বৰ্ণহিন্দুৰ আধিপত্যবাদ – বামুণ, গোসাঁই, কলিতা, কায়স্থ, বৰ কলিতাৰ সাম্প্ৰদায়িকতা অনুমোদন যোগ্য নেকি? এই অ'-বি-চি তত্ত্বৰ আধাৰতে আজি বিশ্বনাথ প্ৰতাপ সিংহঁতৰ সৰ্বভাৰতীয় মণ্ডল ৰাজনীতি – একে উৎস, একে সুঁতি, একে প্ৰবাহ। বৰং ক'ব পাৰি যে, হিতেশ্বৰ শইকীয়াহঁতে ভাগীৰথী নমাইছিল প্ৰায় কুৰি বছৰৰ আগেয়ে। সহৃদয় পাঠক, আপুনি গম ধৰিব পাৰিছেনে নাই ক'ব নোৱাৰো, আমাৰ দেশৰ ভৱিষ্যৎ ৰাজনীতি আবৰ্তিত হবলৈ গৈছে কিন্তু এই অ'-বি-চি আৰু মণ্ডল ৰাজনীতি অৱলম্বন কৰিয়েই।

তিৰাশীৰ নিৰ্বাচন বৰ্জন কৰা হৈছিল, কিন্তু শইকীয়াহঁতে ভাগ লৈছিল। পিছে, যিবোৰ কথাৰে বৰ্জন কৰা হৈছিল সেইবোৰ কথা বৰ্জন কৰা সকলে পাছৰ সাতোটা বছৰত কিমান অপাঙক্তেয়, অৰ্থহীন আৰু অদৰকাৰী কৰি পেলালে, মন কৰা হৈছেনে? নিৰ্বাচনটো তেতিয়া কেন্দ্ৰত থকা কংগ্ৰেছ আয়ে পাতিছিল আৰু পাছত সেই কংগ্ৰেছ আই-ৰ লগতে অতি অসন্মানজনক চৰ্তত, আন্দোলনক পশ্চাৎঘাত কৰাকৈ 'ৰাজীৱ গান্ধী জিন্দাবাদ' চুক্তিখন কৰি পেলোৱা হৈছিল। তাকো, শইকীয়াহঁতে আন্দোলন আৰম্ভ হওঁতেই আগবঢ়োৱা ৭১ চনৰ সময়সীমাটোকে মানি লৈ।

এই মুহূৰ্তত মনলৈ অহা দুটামান অভিযোগ চুই গ'লো।

## প্ৰথম স্থান লৈ উত্তীৰ্ণ হয়

আচল কথা, তুলনা কৰিবলৈ ললেই শইকীয়াহঁতৰ প্ৰতিপক্ষত থকা সকলৰ সৰহভাগ অতি নিৰ্বোধ, দায়িত্বজ্ঞানহীন আৰু অপৰিণামদৰ্শী প্ৰতিপন্ন হৈ ওলাই পৰে। কেতিয়াবা ভাবিবৰ মন যায়, প্ৰতিপক্ষ হিচাপে শইকীয়াহঁত কোনো ক্ষেত্ৰতে বলে নোৱৰা বিধৰ, বুদ্ধিমান আৰু বিচক্ষণ বুলিয়েই তেওঁলোকৰ প্ৰতি ইমান বিদ্বেষ, ইমান হিংসা নেকি?

(শুনা কথা। উত্তৰ পাৱৰ পৰা এজন প্ৰাৰ্থীয়ে টেলিফোনত ক'লেঃ ককাইদেউ, বানপানীৰ কাৰণে নিৰ্বাচনৰ কাম একেবাৰেই কৰিব পৰা নাই। শইকীয়াৰ নিৰ্বিকাৰ উত্তৰঃ কোনো কথা নাই, নিৰ্বাচনৰ কাম কৰিব পৰা নাই, ৰিলিফৰ কাম কৰা।

আকৌ শুনা কথা। প্ৰশ্নঃ চৰকাৰ কৰিব পৰাকৈ সংখ্যা গৰিষ্ঠতা নাপালে কি কৰিব, কাৰ লগত চৰকাৰ কৰিব, কিছু সংখ্যক আসন পোৱাৰ সম্ভাৱনা থকা আঞ্চলিক দল আটাইবোৰেইতো দিল্লী বিৰোধী? শইকীয়াৰ উত্তৰঃ দিল্লী বিৰোধীহে, দিছপুৰ বিৰোধীতো নহয়। তেওঁলোকে অসমক ভালপায় কাৰণেই নিৰ্বাচনত উঠিছে। আমিও ভাল পাওঁ। গতিকে, একেলগে অসমৰ ভালৰ কাৰণে কাম কৰিবলৈ লগ লগাত অসুবিধা নহ'ব। – এই স্তৰৰ বুদ্ধিদীপ্ত ৰাজনীতি প্ৰতিপক্ষৰ বাবে অনবৰতে ভয়ৰ কথা হৈ থাকিবই।)

কংগ্ৰেছ আইক সমৰ্থন কৰিবলৈ একো নাই। ৰাজনৈতিকভাৱে দলটোক আৰু দলটোৰ নেতাবোৰক সমালোচনা কৰি থাকিবলৈ অসংখ্য যুক্তি আছে। গতিকে, দলটো আৰু তাৰ নেতাবোৰৰ সমালোচনা হ'ব লাগে, প্ৰয়োজনীয় ক্ষেত্ৰত নিন্দা কৰিব লাগে, গৰিহণা দিব লাগে – ৰাজনৈতিকভাৱে। কিন্তু শইকীয়া আৰু কংগ্ৰেছ আই যিটো নহয় সেইটো বুলি, তেওঁলোকে যিবোৰ কৰা নাই সেইবোৰ কৰিছে বুলি, তেওঁলোকৰ যিবোৰ দোষ সকলোৰে আছে – সমালোচক সকলৰো আছে, বৰং বহু ক্ষেত্ৰত বেছিকৈহে আছে সেইবোৰৰ কাৰণেও তেওঁলোকক সমালোচনা কৰি থকাৰ অৰ্থ কি? শইকীয়াহঁতে ৰাষ্ট্ৰপতি শাসন দিয়ালে বুলি 'ধৰি লৈ' সমালোচনা কৰি আছে, 'টাডা' আইন প্ৰকৃত পক্ষে প্ৰয়োগ কৰি অহা প্ৰফুল্ল-ভৃগুহঁতে – কি অদ্ভূত বিচাৰ সৰ্বোচ্চ শিক্ষা-দীক্ষাৰে জাতিষ্কাৰ ডেকা ল'ৰাহঁতৰ!

আমি 'সৰ্বোত্তম' নেতাজন বাছিব লগা হয় ৰাজহুৱা ক্ষেত্ৰত দেখি অহা, পাই অহা নেতা সকলৰ মাজৰ পৰাই, ব্যৱহাৰিক ৰাজনীতিৰ পৰীক্ষা-নিৰীক্ষাত উত্তীৰ্ণ হোৱা সকলৰ মাজৰ পৰাই আৰু সাধাৰণ মান বেয়া হলেও তাৰ মাজৰে 'কিছু উন্নত' এজনক। ৰাজনীতি বাছোতেও সেইটোকে কৰিব লগা হয় আৰু নেতা বাছোতেও সেইটোকে কৰিব লগা হয়। অমুক 'ভাল' বুলি ক'লে এইটো বুজিব নালাগিব যে তেওঁক একে সময়তে 'আদৰ্শ'ও বোলা হৈছে; বাছনি কৰিবলৈ যিসকলক পোৱা হৈছে, সেইসকলৰ ভিতৰত তেৱেঁই 'ভাল'। কথা ইমানেই। অসমত বৰ্তমান ৰাজনীতি কৰি থকা সকলৰ মাজৰ পৰা বাছনি কৰিবলৈ ল'লেই শইকীয়া প্ৰথম স্থান লৈ উত্তীৰ্ণ হৈ যায়।

## বিদ্বেষ আৰু হিংসাঃ বিকাৰ

কিন্তু এই প্ৰসংগত নক'লে নহয় যে হিতেশ্বৰ শইকীয়াৰ প্ৰতি বিদ্বেষ আৰু হিংসা বহুতৰ ক্ষেত্ৰত এটা ডাঙৰ বিকাৰ হৈ পৰিছে। এটা উদাহৰণঃ তেওঁ মুখ্য মন্ত্ৰী হোৱাৰ কিছুদিনৰ পাছতে এখন দৈনিক বাতৰি কাকতে অবলীলাক্ৰমে স্বীকাৰ কৰা দি আকাৰে-ইংগিতে কৈ দিছিল যে পুলিচ, চি-আৰ-পি-ৰ নিৰ্যাতনবোৰ কমিছে আৰু পৰিস্থিতি কিছু শান্তিপূৰ্ণ হৈছে। ৰ'ব, কিন্তু তাৰ গোটেইখিনি কৃতিত্ব দিছিল সেই সময়ৰ পুলিচ সঞ্চালক প্ৰধান জ্ঞানানন্দ শৰ্মা পাঠকক। ভাবটো আছিল এনেকুৱাঃ তেতিয়াৰ মুখ্য মন্ত্ৰী তথা গৃহ মন্ত্ৰী হতশ্ৰী হোৱা হিতেশ্বৰৰ বিৰুদ্ধে গৈ শৰ্মা পাঠকেহে যেন সেইখিনি কৰিছিল। এইটো বাতৰি কাকত আৰু সম্পাদকৰ বিকাৰগ্ৰস্ত মানসিকতা নুবুলি কি বুলিব?

ব্যক্তিগত ধৰণৰ কথা হলেও কৈ যাওঁ যে হিতেশ্বৰ শইকীয়াৰ কোনবোৰ সবলতা, কোনবোৰ দুৰ্বলতা মোৰ সমান ভালকৈ জনা আৰু দুই একহে আছে। শুনিবলৈ বেয়া লাগিলেও ক'ব লাগিব যে কিছুদিনৰ আগেয়ে বিনোদ চোপ্ৰাৰ 'পাৰিন্দা' চাইছিলো আৰু তাত নানা পটেকাৰে কৰা 'আন্না' চৰিত্ৰটো মোৰ মনৰ গভীৰত থাকি গ'ল। তাৰ পাছৰ পৰা হিতেশ্বৰ শইকীয়া বুলিলেই তৎ মুহূৰ্তে 'আন্না' চৰিত্ৰটোলৈ মনত পৰে। এইটো ভাবৰ ঘৰত বিকাৰ বুলি জানিও মই গুচাব পৰা নাই, বহু চেষ্টা কৰিও মনত বাহ লোৱা সদৃশ-প্ৰতিমাখন ভাঙিব পৰা নাই। হয়তো মোৰ চৌপাশৰ পৰিবেশে মোকো বন্দী কৰি থৈছে। তদুপৰি ভাগ্য আৰু ভগবান লৈ থকা মানুহৰ প্ৰতি মোৰ প্ৰচণ্ড বিৰাগ আছে; এইবোৰ মানুহে কৰিব নোৱৰা কোনো কামেই নাই বুলি ভাবো আৰু সেই কাৰণেই তেওঁলোকক ভয়ো কৰো আৰু ঘৃণাও কৰো। নিজকে ভগবান বুলি ভবা বা সকলো কাম ঈশ্বৰেই তেওঁৰ হতুৱাই কৰোৱা বুলি ভবা অথবা তেওঁ যি কৰিছে ঈশ্বৰেই চাব বুলি ভবা মানুহবোৰ –আয়াটোল্লা খোমেনি, জিয়া উল হক, মোৰাৰজী দেশাই জাতীয় মানুহবোৰ অতি বিপজ্জনক বুলি ভাবো। এওঁলোকে কৰা কোনো কামৰ দায়িত্ব নিজে নলয় – ভগবানৰ কান্ধত দি দিয়ে, গতিকে বেয়া কাম কৰি পাপবোধ, অপৰাধবোধ এওঁলোকৰ নাজাগে। বৰং ঈশ্বৰেই সকলো কৰাই আছে বুলি বেয়া কামবোৰো কৰি গৈ থাকে। শইকীয়াৰো এনেকুৱা এটা প্ৰৱণতা আছে, কেতিয়াবা প্ৰবল হৈ পৰে। ব্যক্তিগত জীৱনৰ বিকাৰ আৰু বিকৃতি ব্যক্তিগত জীৱনতে সামৰি থলে কথা নাই, কিন্তু উপচি বাগৰি ৰাজহুৱা জীৱনলৈ বিয়পিলে ভয়ৰ কথা হৈ পৰে।

হিতেশ্বৰ শইকীয়া মোৰ কাৰণে আদৰ্শ ৰাজনীতিক নহয়। মাত্ৰ মই দেখা আৰু জনা সকলৰ মাজৰ পৰা বাছনি কৰিব পৰা অধিক উপযুক্তজন। এই নিৰ্বাচনে যদি এনে লোক উলিয়ায়, এনে লোকৰ হাতত ৰাজ্যখন পৰিচালনাৰ দায়িত্ব দিয়ে যি সকলো দিশতে শইকীয়াতকৈ অধিক উন্নত, তেতিয়াহলে সেইটোতকৈ ভাল কথা আৰু একো নহ'ব। কিন্তু সেইটো নহয় মানে, ইতিমধ্যে কেৰামতি প্ৰদৰ্শন কৰা সকলৰ পৰা বাছনি কৰিব লাগিলে মই শইকীয়াক কৰিম। জানো, তেওঁ লক্ষ্যত উপনীত নকৰায়গৈ – মই দেখা আন সকলেও নকৰায়, কিন্তু শইকীয়াৰ পৰিচালনাত দক্ষতা আছে, তেওঁ মাজ বাটতে দুৰ্ঘটনাত পতিত কৰোৱাৰ ভয় কম।

## আন কেইটামান উদাহৰণ

সাংবাদিকে তথ্য বা ঘটনাৰ বুকুৰ পৰা সত্য আহৰণ কৰাৰ পৱিত্ৰ দায়িত্ব পালন নকৰাৰ কথা কৈ আহিছো (দ্ৰষ্টব্যঃ এই সংখ্যা 'চুই যাওঁ')। অকল শইকীয়াৰ ক্ষেত্ৰতে নহয়, আন ক্ষেত্ৰতো সেইটো হৈছে।

কেইটামান উদাহৰণ।

সেই যে আন্দোলনৰ সময়ত গুৱাহাটীৰ চানমাৰিত ৰাইজে কাৰফিউ ভংগ কৰিছিল, প্ৰকৃতপক্ষে ৰাইজে কাৰফিউ ভংগ কৰিছিল নে সেই সময়ৰ উপায়ুক্তই নিৰুপায় অৱস্থাত পৰি কাৰফিউ প্ৰত্যাহাৰ কৰি লৈছিল? খৰ্গেশ্বৰ তালুকদাৰ যে ছহিদ হৈছিল সেই অভিযানটো প্ৰকৃতপক্ষে অসম-বিৰোধী চক্ৰৰ ষড়যন্ত্ৰৰ অংশ হিচাপে হৈছিল নে? অভিযানটোৰ নেতৃত্ব সেই সময়ৰ কামৰূপৰ উপায়ুক্তই (এজন সন্দেহৰ থল নথকা অসমপ্ৰেমী) দিব লগা নাছিল নে আৰু তেওঁ শেষ মুহূৰ্তত পাৰিবাৰিক কাৰণত যাব নোৱৰাত প্ৰথমজন অতিৰিক্ত উপায়ুক্তই নেতৃত্ব লোৱাত ঘটনাক্ৰমে অভিযানটোত যোৱা কেইজনেই অনা-অসমীয়া হৈ পৰাটোৱেই প্ৰকৃত কথা নহয় নে? – এনেকুৱা শ শ প্ৰশ্ন আছে যিবোৰৰ সঠিক উত্তৰ আটায়ে গাইবাই ফুৰাবোৰ নহয়; সেইবোৰে জুমুৰি দি ধৰিলে মূৰ আচন্দ্ৰাই কৰি যায়।

ধৰক, এই 'right of self-determination' কথাষাৰ। ইংৰাজীত থকা চাকৰি-বিধিখনৰ অৰ্থকে ভালদৰে বুজি নোপোৱা হিৰণ্য কুমাৰ ভট্টাচাৰ্যই এই ইংৰাজীত প্ৰচলিত কথাষাৰৰ অৰ্থ কি বুলি গণ পৰিষদলৈ বিদ্ৰুপ হানিছে ক'ব নোৱাৰো। ৰ'ব, ভুল নুবুজিব, কিছুমান ঠাইত ৰোমান্টিক প্ৰেম নহয় বুলি তাহানি ধেমালিতে চৰ্চা হোৱা কথাটোৰ প্ৰতিধ্বনি কৰি কিছুমান মানুহে ভাল ইংৰাজী নাজানিবই বুলি মই বিদ্ৰুপ কৰিব খোজা নাই। কথাষাৰ ৰাজনৈতিক – বুজিবলৈ হলে ষ্টেলিনৰ কাষ চাপিব লাগিব, তেওঁ লেনিনবাদৰ ব্যাখ্যা প্ৰসংগত এই কথাষাৰৰ অৰ্থ আৰু তাৎপৰ্যৰ বিষয়ে কৈ গৈছে। 'ৰঙা বকাসুৰ' বধিবলৈ এসময়ত খাকী উৰ্দি এৰি ধুতিৰে টঙালি মাৰি লোৱা আৰু এতিয়া নিৰ্বাচনত হঠাৎ গেৰুৱা পৰিধান কৰা ভট্টাচাৰ্যই লেনিনে থৈ যোৱাটো বুজিছেনে দ্বিতীয় ইন্টাৰনেচনেলৰ সময়ৰটো বুজিছে ক'ব নোৱাৰো।

কমিউনিষ্টে যিদৰে 'People' মানে শুদা ৰাইজ বা শুদা জনগণকে নুবুজে – জনগণৰ সচেতন, সংগঠিত আৰু অগ্ৰণী অংশকহে বুজে, সেইদৰে 'right of self-determination'ৰ অৰ্থ ঠিক আত্মনিৰ্ধাৰণ বা নিয়ন্ত্ৰণৰ অধিকাৰেই নহয়, আৰু বেছি। দ্বিতীয় ইন্টাৰনেচনেলৰ সময়ত কথাষাৰৰ অৰ্থ স্বায়ত্তশাসনৰ অধিকাৰ বুলিয়েই চলি আহিছিল আৰু কিছুমানে তাকে cultural autonomy হিচাপে অৰ্থাৎ নিজা সাংস্কৃতিক অনুষ্ঠান ৰখাৰ অধিকাৰ বুলিও চলাইছিল। লেনিনে ধাৰণাটো সম্প্ৰসাৰিত কৰি তাক 'right of the oppressed peoples of the dependent countries and colonies to complete secession, right of nations to independent existence as states' কৰিলে। এতিয়া কমিউনিষ্টৰ বাবে কথাষাৰৰ অৰ্থ লেনিনে দি থৈ যোৱাটোঃ সম্পূৰ্ণ বিচ্ছিন্ন হৈ যোৱা আৰু তাৰ মৰ্ম আন্তৰ্জাতিকতাবাদ আৰু গণ পৰিষদৰ বাবে অৰ্থঃ স্বায়ত্তশাসন লৈ ৰাজ্যখনৰ জনগণৰ লগত আকৌ এবাৰ ফাকতি কৰা আৰু তাৰ মৰ্ম উগ্ৰ-জাতীয়তাবাদ (Chauvinism)।

এই 'অধিকাৰ' বিচৰা সকলক সাংবাদিকে হেঁচা মাৰি ধৰিব লাগিছিল আৰু তেওঁলোকৰ ধাপ্পাবাজি উদঙাই ধৰিব লাগিছিল। কিন্তু নধৰিলে।

মই দেখুৱাব খুজিছো যে সৰহভাগ সাংবাদিকেই তথ্য বা ঘটনা লৈয়ে ব্যস্ত থাকি সত্য আহৰণৰ পিনে পিঠি দি আছে। তাৰ ফলত সমস্যাক বাধা দিবতো পৰাই নাই, সমস্যাৰ সৃষ্টিতহে ইন্ধন যোগাইছে। তেওঁলোক সত্যৰ প্ৰতি আগ্ৰহী হোৱা হলে তেওঁলোকে মহৎ বৃত্তিটোৰ সাৰ্থকতা বিচৰা হলে অযথা হিতেশ্বৰ শইকীয়াক অসমৰ ৰাজনীতিৰ খলনায়ক সজাই নাৰাখিলেহেঁতেন। সূ


সূত্ৰধাৰ

ডাকযোগেও আপুনি পাব।

বছৰেকীয়া বৰঙণিঃ ১৩২ টকা (২৪ টা সংখ্যা)

ছমহীয়া বৰঙণিঃ ৬৬ টকা (১২ টা সংখ্যা)

ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:

চাৰ্কুলেচন মেনেজাৰ

সূত্ৰধাৰ

মনজেৰা হাউচ, মতিলাল নেহৰু পথ

পানবজাৰ, গুৱাহাটী-৭৮১০০১

# হাতীতকৈ মানুহ শ্ৰেষ্ঠ

পবিত্ৰ কুমাৰ শৰ্মা

১৯৮৫ চনৰ ৰাজ্য বিধান সভাৰ নিৰ্বাচনত হাতীৰ প্ৰতীকত চাব মাৰি অসমৰ ভোটাৰে অসম গণ পৰিষদ দলক একক সংখ্যা গৰিষ্ঠ দল হিচাপে দিছপুৰলৈ পঠিয়াইছিল। হাতীত উঠি দিছপুৰলৈ পঠিয়াবলৈ অসমত যি জনজাগৰণ হৈছিল, ১৯৯১ চনৰ ৰাজ্য বিধান সভা আৰু লোক সভাৰ নিৰ্বাচনত জনসাধাৰণৰ তেনে সঁহাৰি নাই। হাতীৰ শক্তিৰে ক্ষমতা দখল কৰিলেও ৰাজ্য শাসনৰ কাৰণে প্ৰয়োজনীয় অভিজ্ঞতা, দক্ষতাৰ অভাৱ আৰু দুৰ্নীতিৰ পয়োভৰে অসম গণ পৰিষদক দ্বিখণ্ডিত কৰিলে। অকল সেয়ে নহয় অসমবাসীৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামে অসমৰ থলুৱা জাতি জনজাতিৰ মাজতো অবিশ্বাস আৰু বৈষম্যৰ বীজ সিঁচি অসমক পুনৰ খণ্ডিত হোৱাৰ বাতাবৰণ চিৰস্থায়ী কৰিলে। অসমৰ ছবছৰীয়া আন্দোলনৰ গণ সংগ্ৰাম পৰিষদৰ অংশীদাৰ অসম সাহিত্য সভাতো অভূতপূৰ্ব জনসমাবেশত সাহিত্য সভাৰ লাখ লাখ টকীয়া বাৰ্ষিক অধিবেশনত হাতীৰ শোভাযাত্ৰাৰে সভাপতিক আদৰা হয়। মহাপুৰুষ শংকৰদেৱৰ জন্ম দিৱসতো অসমৰ প্ৰতিখন ঠাইতে সম্ভৱ হ'লে হাতীৰ সমদল উলিওৱাৰ আয়োজন কৰা হয়। শক্তিমান হাতীক অসমীয়াই বশ কৰি অসমৰ গছ-বননি ধ্বংস কৰি হাতীৰ বাসস্থান সংকুচিত কৰি অনা সত্বেও হাতীয়ে কিন্তু প্ৰতিবাদ কৰি ৰাজপথলৈ ওলাই অহা নাই। বনৰীয়া হাতীক বশ মনোৱা মানুহে নিজৰ বুদ্ধি বৃত্তি হাতীতকৈও শ্ৰেষ্ঠ বুলি অসমত প্ৰতিষ্ঠা কৰিব পাৰিছেনে? জৈৱিক বিবৰ্তনৰ একেবাৰে শেহতীয়া খাপত বুদ্ধিশ্ৰেষ্ঠ মানুহৰ বিকাশ হৈছিল। মানুহৰ বুদ্ধি বৃত্তি, প্ৰতিভা, সৃজনীশক্তি সকলোৰে পৰিচালনা কৰে মগজুৱে। বিবৰ্তনৰ ফলত মানুহৰ স্নায়ুতন্ত্ৰই সুগঠিত জৈৱিক নিয়ন্ত্ৰণ পদ্ধতিৰ গৰাকী হৈছে। এজন প্ৰাপ্ত বয়স্ক মানুহৰ মগজুৰ ওজন ১৩৭৫ গ্ৰাম। প্ৰাপ্ত বয়স্ক মানুহৰ ক্ষেত্ৰত ইয়াতকৈ কম ওজনৰ মগজু থাকিলে বুদ্ধি বৃত্তিৰ বিকাশ কমে। অৱশ্যে মানুহৰ প্ৰজ্ঞা মগজুৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰে বুলি প্ৰমাণিত হোৱা নাই। সাপ বা মাছতকৈ স্তনপায়ী প্ৰাণীৰ মগজু ডাঙৰ। সৰীসৃপৰ পৰা বিবৰ্তন হৈ স্তন্যপায়ী প্ৰাণীৰ উদ্ভৱ হৈছে ২ কোটি বছৰৰ আগতে। গতিকে এই দীৰ্ঘ সময়ছোৱাত মগজুৰ বিবৰ্তন ঘটিছে। মানুহৰ উৰ্পৰিপুৰুষৰ মগজু বিকশিত হ'লেও আজিৰ মানুহৰ প্ৰজ্ঞা তেওঁলোকৰ মাজত নাছিল। নিয়ানুথাৰ্ডাল আৰু ক্ৰ'মেগমানৰ মগজুৰ আকাৰ এতিয়াৰ মানুহতকৈ ১০০ ঘনমিটাৰ বেছি। মানৱ মগজু ইমান বিকশিত হ'ল কেনেকৈ?

মানুহৰ মগজুৰ আটাইতকৈ ডাঙৰ অংশ হ'ল ছেৰিব্ৰেল কৰটেক্স। ই সোঁ আৰু বাওঁ দুই গোলাৰ্ধত বিভক্ত। প্ৰতিটো গোলাৰ্ধতে চাৰিটাকৈ ল'ব আছে। ইহঁতক ক্ৰমে ফ্ৰন্টেল, পেৰিয়েটেল, টেম্পৰেল আৰু অকছিপিটেল বোলা হয়। বৰ্তমান কমপিউটাৰ এক্সিয়েল টমোগ্ৰাফীৰ সহায়ত মগজুৰ সম্পূৰ্ণ ছবি পাব পাৰি। মগজুৰ সোঁ আৰু বাওঁ গোলাৰ্ধ স্নায়ু আৰু জৈৱিক আঁহ জাতীয় গঠনেৰে হটো সিটোৰ লগত সংযুক্ত। এই গঠনক কৰপাছ কেল'ছাম বোলে। মানুহৰ মগজুৰ বিকাশ ঘটিছিল তিনিটা স্তৰত। প্ৰথম পশ্চমগজু। এই অংশই জৈৱিক ক্ৰিয়াকলাপ যেনে উশাহ নিশাহ লোৱা, হৃদযন্ত্ৰৰ কাৰ্য নিয়ন্ত্ৰণ কৰা আদি কাম পৰিচালনা কৰে। দ্বিতীয় অংশ মধ্য মগজু। ই কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ আৰু ছেৰিব্ৰেল কৰ্টেক্সৰ মাজত অৱস্থিত। এই অংশত ঠেলামাছ আৰু হাইপ'ঠেলামাছ অংশ আছে। ই খোৱা বস্তু, দেহৰ উষ্ণতা, হৰ্মোনৰ ক্ৰিয়া আদি কাৰ্য নিয়ন্ত্ৰণ কৰে। ছেৰিব্ৰেল কৰটেক্স তৃতীয় স্তৰ। পশ্চমগজুৰ লগত অন্য এক অংশ ছেৰিবেলাম সংযুক্ত।

মানুহৰ চিন্তা চৰ্চা বুদ্ধি বৃত্তি আদিৰ বাহক বিলাকক নিউৰন বোলে। ইহঁতক কমপিউটাৰৰ বিটৰ লগত তুলনা কৰিব পাৰি। নিউৰন বিলাক বিদ্যুৎ সঞ্চালিত ক্ষুদ্ৰ গোট। মানুহৰ মগজুত এনেকুৱা ১০^১১টা নিউৰণ আছে। প্ৰতিটো নিউৰণেই ১০০০-ৰ পৰা ১০,০০০ ছিনাপ্‌ছিৰে সংযুক্ত। গছৰ পাত এটা পচি গলে তাৰ ভিতৰত থকা শিৰা উপশিৰাৰ বিস্তৃতিৰ দৰে ছিনাপ্‌ছি আৰু নিউৰনবোৰ জৈৱিক সুক্ষ্ম স্নায়ুৰে সংযুক্ত। মানুহৰ মগজুৰ তথ্য সংগ্ৰহ কৰি সঞ্চয় কৰা ক্ষমতা নিউৰন সমূহতে আছে। এই ক্ষমতা গোটেই বিশ্বব্ৰহ্মাণ্ডত থকা প্ৰাথমিক কণা (ইলেকট্ৰন, প্ৰ'টন) তকৈও বেছি। মানুহৰ মগজুৰ এনে নিউৰনৰ সঞ্চয় সম্ভাৱনা অসীম কাৰণেই প্ৰত্যেকজন মানুহ আনজনতকৈ বুদ্ধিমত্তা আৰু আচৰণত সম্পূৰ্ণ বেলেগ। মানুহৰ মগজুৰ এই সঞ্চয় শক্তিক সম্পূৰ্ণ ব্যৱহাৰ কৰিব পৰা হলে পৃথিৱীত অতিমানৱহে থাকিলহেঁতেন। মানুহৰ মগজুতেই বাল্যকালৰ পৰা বাৰ্ধক্যলৈ সকলো তথ্য জমা হয়। ছিনাপ্‌ছি বিলাকত প্ৰ'টিন আৰু আৰ এন এ (ৰাইব' নিউক্লিক এছিড) থাকে। সেই কাৰণেই মানুহৰ মগজুৰ বিকাশৰ বাবে প্ৰ'টিন জাতীয় খাদ্যৰ আৱশ্যক। এটা সদ্যজাত শিশুৰ মগজুৰ ওজন ৩৫০ গ্ৰাম আৰু এবছৰীয়া শিশুৰ ৫০০-গ্ৰাম। উপযুক্ত প্ৰ'টিন খাদ্যৰ অভাৱত প্ৰাপ্ত বয়স্ক মগজুৰ সম্পূৰ্ণ ক্ষমতা আয়ত্ত নহবও পাৰে। মানুহৰ আবেগ অনুভূতি প্ৰেম বিৰহ দয়া মৰম আদি বিভিন্ন মানসিক সংঘাত বিবৰ্তনৰ ফলত মগজুত অংগীয় পদ্ধতিৰ জৰিয়তে বিকাশ হৈছে। এই ক্ষেত্ৰত পিটিউটিয়েৰী গ্ৰন্থিৰ কৰ্তৃত্ব মন কৰিবলগীয়া। এই গ্ৰন্থিয়ে এণ্ড'ক্ৰাইন পদ্ধতি নিয়ন্ত্ৰণ কৰে। মানুহৰ খং, ভয়, আনক আক্ৰমণ কৰা উদণ্ড স্বভাৱ আদি পিটিউটিয়েৰীৰ লগত সংযুক্ত এমিগডেলাই নিয়ন্ত্ৰণ কৰে। মানুহৰ আবেগ অনুভূতি হৰ্মোন নিসৃত হোৱাৰ ওপৰত নিৰ্ভৰ কৰে। পিটিউটিয়েৰী গ্ৰন্থিৰ এমিগডেলা, হাইপ'ঠেলামাছ আদিয়ে নিসৃত কৰা ACTH হৰ্মোনে দেখা বস্তু মনত ৰখা, উদ্দিপ্ততা আৰু মনোযোগ নিয়ন্ত্ৰণ কৰে। স্তন্যপায়ী আৰু চৰাই জাতীয় প্ৰাণীয়েহে তেওঁলোকৰ পোৱালিক লালন পালন কৰে। মৰম চেনেহ স্তনপায়ী জন্তুৰ উদ্ভাৱন।

লিম্বিক পদ্ধতিত থকা অন্যান্য অংশই গোন্ধ পোৱা, মনত পেলোৱা আৰু মনত পৰা আদি নিয়ন্ত্ৰণ কৰে। কিছুমানৰ স্মৃতিশক্তি অতি প্ৰখৰ, কিছুমানে মনত ৰাখিও অলপ সময়ৰ পাছত পাহৰে আৰু কিছুমানে একেবাৰে মনত ৰাখিব নোৱাৰে। আজিকালি মানুহৰ IQ নিৰ্ণয় পদ্ধতিও মানুহৰ বুদ্ধি বৃত্তি নিৰ্ণয়ৰ সঠিক মাপকাঠি নহয় বুলি জনা গৈছে। মানুহৰ যৌন অনুভূতিও লিম্বিক পদ্ধতিয়েই নিয়ন্ত্ৰণ কৰে। ফেৰম'ন জাতীয় যৌগই বিপৰীত লিংগৰ প্ৰতি মানুহক টানি নিয়ে। বায়ুমণ্ডলত বিয়পা সামান্য ফেৰম'নৰ গোন্ধেই এনে আকৰ্ষণৰ মূল। মানুহৰ মগজুৰ নিঅ'কৰ্টেক্স অংশই দৃষ্টিশক্তি, চিন্তা, ভৱিষ্যতৰ পৰিকল্পনা আদি নিয়ন্ত্ৰণ কৰে। কথা কোৱা, ভাব প্ৰকাশ আৰু চিন্তাৰ সমন্বয় ঘটে ইয়াৰ মাজেদি। এনে ধৰণে মানুহৰ জীৱন ক্ৰিয়াক জীৱ ৰাসায়নিক কাৰ্য প্ৰণালীৰে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিলেও মানৱ আচৰণৰ অদ্ভূত ৰহস্য এতিয়াও মানুহৰ কাৰণে অবুজ সাঁথৰ হৈ আছে। বৰ্তমান দশকত মানুহৰ মগজুৰ ওপৰত যথেষ্ট গৱেষণা হৈছে যদিও মানৱ মনৰ কাৰ্য প্ৰণালীৰ সম্পূৰ্ণ বৈজ্ঞানিক ব্যাখ্যা এতিয়াও সম্ভৱ হোৱা নাই। মানুহৰ প্ৰখৰ স্মৃতি শক্তি আৰু অদ্ভূত গণনা ক্ষমতাক এতিয়াও বিস্ময় বুলিহে ভাবিব লগা হৈ আছে। সৃষ্টিশীল শিল্পীৰ স্মৃতিশক্তিও অতি বেছি। বিথোভেন, মোজাৰ্ট আদিৰ স্মৃতিশক্তিৰ ভিত্তিত জনা গৈছে যে দৃষ্টিশক্তি বা শ্ৰৱণশক্তি নোহোৱা হ'লেও স্মৃতিশক্তি নকমে। বিথোভেনে কলা হোৱা পিছতো সুৰ ৰচনা কৰিব পাৰিছিল। মোজাৰ্টে যি কোনো জটিল আৰু দীঘলীয়া সুৰ এবাৰ শুনিয়েই অবিকল বজাব পাৰিছিল। অংকৰ যাদুকৰ ভাৰতৰ শকুন্তলা দেৱীক এখন বিশ্ববিদ্যালয়ত এটা অতি শক্তিশালী কমপিউটাৰৰ লগত প্ৰতিযোগিতা কৰিবলৈ দিয়া হৈছিল। কমপিউটাৰতকৈ শতকৰা ৫০ ভাগ কম সময়তে তেওঁ অংকটো কৰিব পাৰিছিল। প্ৰখৰ স্মৃতিশক্তি সম্পন্ন মানুহো অসীম প্ৰতিভাশালী হয়। মানুহৰ প্ৰজ্ঞাৰ অলেখ সম্ভাৱনাৰ ফলশ্ৰুতিতেই নতুন নতুন উদ্ভাৱন হৈ মানৱ জাতিক সভ্যতাৰ জখলাত আগ বাঢ়িবলৈ সমৰ্থ কৰিছে। নিজক উপলব্ধি কৰি নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ মানুহে নিজৰ পৰিবেশ গঢ়ি লব পাৰে। সভ্যতাৰ উত্থান পতনো মানুহৰ বিবৰ্তনৰ লগত জড়িত। ধ্বংসৰ মাজত সৃষ্টি বৈজ্ঞানিক সত্য।



মানুহৰ অসীম সম্ভাৱনাক ব্যৱহাৰ কৰিবলৈ লাগে সুপৰিকল্পিত আঁচনি আৰু প্ৰশিক্ষণ। হাতীক বশ কৰা ক্ষমতাৰ অধিকাৰী হৈও অকল হাতীৰ শক্তিৰে মানৱ বিকাশ নিয়ন্ত্ৰণ কৰিব নোৱাৰি। বৰ্তমান অসমত যি ৰাজনৈতিক নেতৃত্বৰ ভেকুৱাম বা শূন্যতা হৈছে সি চিৰকালৰ বাবে স্থায়ী হব নোৱাৰে। ইতিহাসৰ গতি পথত স্থিৰ বিন্দু নাথাকে। বৰ্তমানৰ স্থবিৰতা যাতে দীৰ্ঘস্থায়ী নহয় তাৰ প্ৰতি সজাগ হোৱা প্ৰতিজন সচেতন নাগৰিকৰে দায়িত্ব। এই দায়িত্ববোধ বুজি জনগণক সুবাটে আগবাঢ়িবলৈ সমাজ সচেতন নাগৰিকৰ এখন প্ৰগতিশীল মঞ্চ গঢ়িলোৱা আৱশ্যক। অসমৰ বিশ্ববিদ্যালয় দুখনে এই দায়িত্ব গা পাতি লব পৰা ব্যক্তি গঢ়ি লোৱা পৰিবেশ আনিব লাগে। মানুহৰ প্ৰচুৰ সম্ভাৱনাৰ যথাযথ প্ৰয়োগৰ দিগদৰ্শী বিশ্ববিদ্যালয় দুখনে এনে মঞ্চ গঠনত আগভাগ লবনে? ■

# আগন্তুক নিৰ্বাচন আৰু গুৱাহাটী বিশ্ববিদ্যালয়

স্বপ্না বেজবৰুৱা

এখন গণতান্ত্ৰিক দেশত নিৰ্বাচনৰ দৰে এটা গুৰুত্বপূৰ্ণ বিষয়ে শিক্ষিতৰ পৰা নিৰক্ষৰলৈ, ধনীৰ পৰা দুখীয়ালৈ, শিশুৰ পৰা বৃদ্ধালৈ সকলো শ্ৰেণীৰ ব্যক্তিৰ ওপৰতে প্ৰভাৱ বিস্তাৰ কৰে। কাৰণ ইয়াৰ ফল সকলোৱে ভোগ কৰে। সকলো একেখন চৰকাৰৰ তলতে বাস কৰিব। সেইদৰে সৰু-বৰ সকলো অনুষ্ঠানৰ ক্ষেত্ৰতো বাৰুকৈয়ে প্ৰভাৱ পেলায়। সকলো অৰাজনৈতিক ব্যক্তি বা অনুষ্ঠানে এক মুহূৰ্তৰ বাবে হলেও ৰাজনৈতিক চিন্তাৰ মাজত সোমাই পৰিবলৈ বাধ্য হয়।

স্বাধীনোত্তৰ কালত ভাৰতত একাধিকবাৰ ৰাজনৈতিক সংঘাতৰ সৃষ্টি হৈছে যদিও এইবাৰৰ দৰে ৰাজনৈতিক সংকট হোৱা নাছিল। কাৰণ যেতিয়া জনসাধাৰণে পৰিবৰ্তন বিচাৰিছে তেতিয়াই তেওঁলোক সফল হৈছে। যদিও এইবোৰ স্থায়ী হোৱা নাই, কিন্তু এইবাৰ ভাৰতৰ লগতে অসমতো নেতৃত্বৰ সংকটে দেখা দিছে। এক অনিশ্চয়তাই বিৰাজ কৰিছে। জনসাধাৰণ বিপাঙত পৰিছে।

এই সংকটময় অৱস্থাত অসমৰ আশা-আকাংক্ষাৰ ফল প্ৰথম শ্ৰেণীৰ নাগৰিকৰ বাসস্থান গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে এক বৃহৎ অনুষ্ঠানৰ প্ৰতিক্ৰিয়া কেনে তাক জানিবলৈ সকলো উৎসুক হোৱাটো স্বাভাৱিক। কাৰণ ইয়াৰ বিভিন্ন কৰ্মৰাজি আৰু চিন্তা-চৰ্চাই সমগ্ৰ অসমতে প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ নেতৃত্ব যে অসম বাসীয়ে মানি চলে সেইয়া আগতে বহুবাৰ প্ৰতিপন্ন হৈছে।

১৯৮৫ নিৰ্বাচনত বাস্তৱতাৰ সীমা নথকা এই বিশ্ববিদ্যালয়ত এতিয়া এখন ঘৰৰ মুখিয়াল ব্যক্তি জনৰ মৃত্যুৰ পাছত সৃষ্টি হোৱা পৰিবেশৰ দৰে এক বিষণ্ণ পৰিবেশ বিৰাজ কৰিছে। কোনো উৎসাহ নাই, উদ্দীপনা নাই। এক অতি গতানুগতিক জীৱন। যেন সকলোৱে বৰতীয়া দেহা। ইজনে সিজনক লগ পালেই দুখৰ বতৰাহে মেলিছে। বহু কষ্ট, বহু চেষ্টাৰ, বহু অৰ্থ ভঙাৰ পাছতো প্ৰিয়জন হেৰাই গৈছে।

যিখন বিশ্ববিদ্যালয়ৰ পৰা '৮৫-ৰ নিৰ্বাচনৰ পাছত মন্ত্ৰী সভাৰ শপত গ্ৰহণৰ বাবে দলে বলে নেতা সকল ওলাই গৈছিল সেই বিশ্ববিদ্যালয়ৰ বাসিন্দা সকলৰ এতিয়া নিৰ্বাচনত উবুৰি খাই পৰাতো বাদেই ব্যক্তিগত ভোটদানৰ বাবেও তেওঁলোকৰ অনীহা দেখা গৈছে। ৮৫-ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকল দলে দলে প্ৰচাৰ কাৰ্যলৈ ওলাই গৈছিল। কিন্তু এতিয়া নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যত ভাগ ল'ব লগাৰ ভয়ত বহুতো ছাত্ৰ পলাই আছেহি। নিজৰ সমষ্টিলৈ যোৱাতো বাদেই কোনো কোনো সমষ্টিৰ পৰা বিভিন্ন অজুহাতত তেওঁলোক গুছিহে আহিছে। ভোট দিবলৈ যাবলৈকো কাৰো কোনো উৎসাহ দেখা নাযায়। দূৰৰ ছাত্ৰ-ছাত্ৰী সকলো টকা-পইছা খৰচ কৰি ভোট দিবলৈ যোৱাৰ মতলব নাই। ডাকযোগে দিয়া ব্যৱস্থাৰ প্ৰতিও কোনো আগ্ৰহী নহয়। নিজৰ নিজৰ সমষ্টিত প্ৰাৰ্থীৰ সংখ্যাধিক্যই সকলোকে বিপাঙত পেলাইছে। এজন ছাত্ৰই মন্তব্য কৰিছে – বাহিৰত জলবৃষ্টিহে হৈছে, মনত তুষাৰ পাত।

গুৱাহাটী বিশ্ববিদ্যালয়ত থকা সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয়ো তেনেই সেমেকা। সন্থাৰ নেতা সকলকো ইয়াতে মন্থৰ গতিৰে বিচৰণ কৰি ফুৰা দেখা গৈছে। কোনো কোনোৱে এইমতকে সাৰোগত কৰিছে – পঢ়াই পঢ়ে, লোৱে পাণ, এই দুয়ে নিচিন্তে আন।

বিশ্ববিদ্যালয়ৰ আশেপাশে দলীয় নিৰ্বাচনী প্ৰচাৰো চকুত পৰা বিধৰ নহয়। একেবাৰে জালুকবাৰীৰ বাহিৰলৈ ওলাই গলেহে নিৰ্বাচনৰ হৈ-চৈ অনুভৱ হয়।

বিশ্ববিদ্যালয়ত বৰ্তমান অন্য এক বিষয়েহে হৈ-চৈ লগাই আছে। সেইটো হ'ল প্ৰাৰম্ভিক বৰ্ষৰ নাম ভৰ্তিকৰণ। যোৱা ১০ মে'ত বিভিন্ন বিভাগৰ নামতালিকা প্ৰকাশ কৰাৰ পাছত শেষ পৰ্যায়ৰ কাম নাম ভৰ্তিকৰণ যোৱা ১৭ তাৰিখৰ পৰা বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত পূৰ্ণোদ্যমে চলি আছে। এইবাৰ নাম ভৰ্তিকৰণ ক্ষেত্ৰত কৰ্তৃপক্ষই যথেষ্ট সাৱধানতা অৱলম্বন কৰা দেখা গৈছে যাতে অন্য কেইবাৰৰ দৰে গুৰুতৰ অনিয়মৰ অভিযোগ উত্থাপিত নহয়। অন্যান্য অৰ্হতা ভিত্তিত হোৱা ভৰ্তি কৰণতো এইবাৰ বিশেষ প্ৰক্ৰিয়াৰে আগবাঢ়িছে।

কিন্তু অৰ্থনীতি বিভাগৰ নাম তালিকা নিৰ্দিষ্ট সময়ত প্ৰকাশ নোহোৱাত কিছু খেলিমেলিৰ সৃষ্টি হ'ল। জানিব পৰা মতে অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক গৰাকীয়ে আনকেইবাৰৰ দৰে এইবাৰো নাম ভৰ্তিৰ ক্ষেত্ৰত অনিয়ম আৰু হস্তক্ষেপ নোহোৱাৰ প্ৰতিশ্ৰুতি কৰ্তৃপক্ষৰ পৰা বিচাৰিছিল। নিৰ্দিষ্ট সময়ত প্ৰতিশ্ৰুতি নোপোৱাত নাম তালিকা প্ৰকাশ নকৰাৰ ওপৰিও ১৫ মে' তাৰিখে মুৰব্বী পদৰ পৰা পদত্যাগ কৰে। অৱশেষত উপাচাৰ্য গৰাকীৰ হস্তক্ষেপত অধ্যাপক গৰাকীয়ে নাম তালিকা প্ৰকাশত সন্মত হয় যদিও এই বাতৰি লেখালৈকে পদত্যাগ পত্ৰৰ ওপৰত কোনো ব্যৱস্থা লোৱা নাই। মুৰব্বী অধ্যাপক গৰাকীৰ দুৱাৰৰ নাম ফলকত মুৰব্বী শব্দটো বগা কাগজেৰে ঢাকি ৰখা দেখা গ'ল।

এইমাহৰ শেষলৈকে চলিব লগা নাম ভৰ্তিকৰণত কৰ্তৃপক্ষ যথেষ্ট শহাকণীয়া যদিও শেষলৈ কি ৰূপ লয় সেইয়া সময়হে ক'ব। কিন্তু এইবাৰ যথেষ্ট ভাল ফল আশা কৰিব পাৰি।

গুৱাহাটী বিশ্ববিদ্যালয়ত এক অনন্য যুৱশক্তি থুপ খাই আছে। ইয়াৰ সক্ৰিয়তা আৰু নিষ্ক্ৰিয়তাৰ ওপৰত জাতিৰ দিশ নিৰ্ণয় হয়। এইবাৰৰ নিৰ্বাচনত যুৱশক্তিৰ নীৰৱতাই কিহৰ ইংগিত দিছে সেই কথা সময়েহে বিচাৰ কৰিব। □





# অমৰাৱতী নিৰ্মাণৰ বাবে

অৰবিন্দ বৰুৱা

নিৰ্বাচনী প্ৰচাৰৰ ধুম উঠিছে। প্ৰাৰ্থী উঠাৰো ধুম। এনে পৰিবেশৰ মাজতে এখন নিৰ্বাচনী ইস্তাহাৰ আহি হাতত পৰিল। এখন অসমৰে জনৈক, গোৱৰ্দ্ধন বৰুৱাই বোলে 'অসম গজ পৰিষদ' বুলি এটা দল গঠন কৰি নিৰ্বাচনত নামিছে। বিগত ৫ বছৰৰ অভিজ্ঞতায়েই হেনো তেৰাসকক এনে দল খুলিবলৈ হেঁচুকিলে। ইস্তাহাৰখন এনে ধৰণৰ–



### অসম গজ পৰিষদ দলৰ নিৰ্বাচনী ইস্তাহাৰ

শ্ৰদ্ধেয় ৰাইজ,

সমূহ অসমপ্ৰেমী ৰাইজৰ ওচৰত ৰাইজৰ দল বুলি স্বীকৃত অসম গজ পৰিষদ দলে আগন্তুক বিধান সভা আৰু লোক সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ স্থিৰ কৰি দলৰ নিৰ্বাচনী ইস্তাহাৰ নতুন প্ৰতিশ্ৰুতিৰে সাঁজি ধৰিলো। আমাৰ অসম গজ পৰিষদ দলে যেতিয়াই যি প্ৰতিশ্ৰুতি দি আহিছো তাক পালন নকৰাকৈ থকা নাই। তাৰ উদাহৰণ, যোৱাটো নিৰ্বাচনত আমাৰ দলে অংশগ্ৰহণ কৰি নিৰ্বাচনী ইস্তাহাৰ যোগে যিবোৰ কাম কৰাৰ প্ৰতিশ্ৰুতি দিছিলো, সেই মতে অসমপ্ৰেমী ৰাইজে আমাৰ দলক বিপুল সমৰ্থন জনাই জয়যুক্ত কৰি দিছপুৰলৈ পঠোৱাত, দলৰ পক্ষৰ পৰা উৎফুল্ল কুমাৰ অশান্ত-ক দলপতি নিৰ্বাচন কৰি ৰাইজৰ চৰকাৰ গঠন কৰি নিৰ্বাচনী ইস্তাহাৰ যোগে দিয়া প্ৰতিশ্ৰুতি মতে এফালৰ পৰা কামবোৰ কৰি, আমাৰ পাঁচ বছৰীয়া কাৰ্যকাল সফলতাৰে সম্পন্ন কৰিলো।

শ্ৰদ্ধেয় ৰাইজ,

১। আমাৰ গজ পৰিষদ দলে শাসন ক্ষমতা পোৱাৰ পিছত অসম চুক্তি অনুসৰি অসমত থকা সকলো অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি অসমৰ ভোটাৰ তালিকাত থকা লাখ লাখ বিদেশীৰ নাম কৰ্তন কৰি সকলো বিদেশীক অসম সমবায় মৰাপাট কলত তৈয়াৰী চটি কাপোৰৰ বস্তা চিলাই তাতেই বিদেশীবোৰক ভৰাই মুখ চিলাই সকলো বস্তাত চিল মোহৰ মাৰি মালবাহী ট্ৰাকত আৰু ৰেলৰ ডবাত বোজা দি স্বদেশলৈ চালান দি অসমৰ ভোটাৰ তালিকা সমূহক সংশোধন কৰি অসমক সম্পূৰ্ণ বিদেশী মুক্ত কৰিলো। আগন্তুক নিৰ্বাচনত যিবোৰ ভোটাৰ তালিকা ব্যৱহাৰ কৰা হ'ব তাত এজনো বিদেশী নাগৰিকৰ নাম নাই।

২। আমাৰ গজ পৰিষদ দলে ক্ষমতা লাভ কৰিলে প্ৰশাসনত থকা সকলো দুৰ্নীতি নিৰ্মূল কৰি নিকা প্ৰশাসনৰ যি প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি যোৱা পাঁচ বছৰে আখৰে আখৰে পালন কৰিলো। যোৱা চল্লিছ বছৰ অসমক শাসন কৰা দুৰ্নীতি পৰায়ণ চৰকাৰ বুলি আমি যাক অভিহিত কৰিছিলো সেই কুখ্যাত দলৰ চৰকাৰে যিবোৰ কাম কৰিব নোৱাৰিলে আমি পাঁচ বছৰতেই কোনো ধৰণৰ দুৰ্নীতি নকৰাকৈ কৰি কেনেদৰে আমাৰ দলৰ সাধাৰণ পৰিয়ালৰ মন্ত্ৰী বিধায়ক সকল লাখ টকীয়া ৰাজ প্ৰসাদৰ গৰাকী হৈ মাটিবাৰী গাড়ী ঘোঁৰাৰ গৰাকী হৈ কোটি পতি হলো তাক সকলোৱেই স্ব-চক্ষুৰে দেখা পালে। আমাৰ মন্ত্ৰী বিধায়ক যে, কাৰ্যদক্ষ নিকা ভাব মূৰ্ত্তিৰ লোক তাৰ পৰিচয় দিলে। আমাৰ গজ পৰিষদ দলৰ চৰকাৰে যি কায়দাৰে নিজক কোটি পতি বিত্তবান কৰিলো আমাৰ দলৰ মন্ত্ৰী বিধায়কে অসমৰ বাহিৰত ভি আই পি চহৰত মাটিবাৰী ৰাজ অট্টালিকা কিনি সাত পুৰুষলৈকে বহি খোৱাৰ ব্যৱস্থা কৰিলো। যোৱা ৪০ বছৰ ধৰি অসমক শাসন কৰি অহা দুৰ্নীতি পৰায়ণ কুখ্যাত চৰকাৰে কৰিছিল নে? অসমীয়া যে, ধনী কোটি পতি বিত্তবান তাৰ পৰিচয় দিব পাৰিছিল নে? আমি তাৰ পৰিচয় পাঁচ বছৰতেই দিলো। ৰাইজ এবাৰ ভাবি চাওক।

৩। আমাৰ দলে ক্ষমতা লাভ কৰাৰ পিছত যোৱা পাঁচ বছৰে শিক্ষিত নিবনুৱা কেইবা লাখ যুৱকক চাকৰিত নিযুক্তি দিলো। নিযুক্তি দিব নোৱাৰা সকলক সোনকালে কুলী মালি শ্ৰমিক বনুৱা মহৰী কেৰাণী পৰিচালক আদি পদত নিযুক্তি দি কৰ্ম সংস্থান দিয়াৰ ব্যৱস্থাৰে শ শ বিঘা পতিত চৰকাৰী মাটি ৰবৰ বাগান পাতিবৰ কাৰণে আমাৰ নিজৰ সম্ভৰী বঢ়ৰী সহোদৰ ভাতৃ ভতিজাৰ নামত পট্টন দিলো। ভালেমান যুৱকক শিক্ষাৰ যোগ্যতা অনুসৰি বেহা বেপাৰ ঠিকা ঠুকলি লৈ জীৱন ধাৰণ কৰিবৰ অৰ্থে বেংকৰ জৰিয়তে লাখ লাখ টকাৰ স্বনিয়োজনৰ ঋণ দিয়ালো। সেই ঋণৰ টকাৰেই মামাহা বুলেট, ৰাজদূত, ভেচপা মটৰ চাইকেল, বাজাজ চুপাৰ আদি দুচকীয়া যান্ত্ৰিক যান লৈ ৰাস্তাই ঘাটে বয়সক সন্মান নজনাই দম দি মনৰ আনন্দত কেনেকৈ বিচৰণ কৰি ফুৰিছে তাক নিশ্চয় দেখা পাইছে। কত জনে নিজকে এটা বিশেষ সংগঠনৰ সদস্য বুলি ঠায়ে ঠায়ে দম দি চান্দা বৰঙণি তুলি জীৱন ধাৰণ কৰিবলৈ সক্ষম হৈছে তাকো দেখা পাইছে। সেইবোৰ

আমাৰেই সৃষ্টি বুলি ৰাইজে জানি থওক।

৪। ভূমিহীন কৃষকক আমাৰ পাঁচ বছৰীয়া কাৰ্যকালত বাসগৃহ সাজি বসবাস কৰিবৰ অৰ্থে ১ বিঘা আৰু উন্নত ধৰণে খেতি কৰি পৰিয়ালক গোটেই বছৰ ধৰি ভৰণ-পোষণ দিবৰ কাৰণে কৃষি কৰিবৰ অৰ্থে ১ বিঘা মুঠ ২ দুবিঘাকৈ মাটি পট্টন দিছো। আমাৰ গজ পৰিষদ দলৰ বিয়াগোম সদস্য দালাল সকলক জাকত জিলিকা গৃহাদি সাজি বসবাস কৰিবৰ অৰ্থে নতুবা ভাড়া দি ধন ঘটিবৰ কাৰণে ডাঙৰ সৰু চহৰত আৰু তাৰ উপকণ্ঠ অঞ্চলত চৰকাৰী মাটি আবণ্টন দিছো।

৫। স্কুলীয়া ছাত্ৰ-ছাত্ৰীক ৮ম শ্ৰেণীলৈকে বিনামূলীয়া পাঠ্য-পুথিৰ যোগান ধৰিছো। ছপাখানাৰ অভাৱত সময়মতে পাঠ দান কৰিব নোৱৰাকৈ একমাত্ৰ পৰীক্ষাৰ আগে আগে বিতৰণ কৰি বাৰ্ষিক পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিছো। আমাক যাতে মেলে-মিটিঙে ঢোল খোল তাল বজাই আদৰিব পাৰে তাৰো সুব্যৱস্থা কৰাৰ উদ্দেশ্যেৰেই আমি ভালেমান বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবৰ কাৰণে ঢোল-তালৰ যোগান ধৰিছো।

৬। বিগত নিৰ্বাচনী ইস্তাহাৰ মতে আমি অসমীয়া জাতিৰ ঐক্য সংহতি সম্প্ৰীতি ৰক্ষাৰে বৃহত্তৰ অসমীয়া জাতি গঠনৰ কাৰণে যি প্ৰতিশ্ৰুতি দিছিলো তাক সফলতাৰে কাৰ্যকৰী কৰিলো। সুকীয়া বড়ো ৰাজ্যৰ দাবীত আবদ্ধ্যে কৰা অহিংস আন্দোলনক আৰু সুকীয়া স্বায়ত্ত শাসনৰ দাবীৰে কাৰ্যিয়ে কৰা আন্দোলনক আওকাণ কৰি; কঠোৰ হাতেৰে দমন কৰি পুলিচী সন্ত্ৰাসৰ যোগেদি মোকাবিলা কৰি কেনেদৰে দক্ষ প্ৰশাসকৰ পৰিচয় দি বৃহত্তৰ অসমীয়া জাতি গঠন কৰিলো তাকো প্ৰত্যক্ষ ভাবে দেখা পাইছে। আমাৰ চিৰ শত্ৰু বুলি পৰিচিত সৰ্বভাৰতীয় দলৰ বিশেষকৈ কুখ্যাত দলটোৰ নেতা কৰ্মীক আৰু অসমীয়াক ঠগ প্ৰবঞ্চনাৰে আৰু দুৰ্নীতিৰে শোষণ কৰা বহিৰাগত ব্যৱসায়ীক আৰু দুৰ্নীতি পৰায়ণ বিষয়া কৰ্মচাৰীক আমাৰ গজ পৰিষদ দৰ্ল তথা চৰকাৰৰ গোপন অস্ত্ৰধাৰী বাহিনীৰ হতুৱাই এক পক্ষীয় ভাৱে দোষী সাব্যস্ত কৰি কেনেদৰে মৃত্যু দণ্ড বিহালো তাকো আপোনালোকে দেখা পাইছে। আমাৰ গজ পৰিষদ দলৰ মন্ত্ৰী বিধায়ক সকলে হাৰিয়ানাৰ গুৰ গাঁৱত দিল্লীৰ ৰাজধানী এলেকাত কলিকতা মদ্ৰাজ বম্বেত যিবোৰ মাটিবাৰী ঘৰ দুৱাৰ ৰাজকীয় ভি আই পি হোটেল কোটি কোটি টকাৰে ক্ৰয় কৰিলে তাত লেশ মানো দুৰ্নীতি নাই বাবেই আমাৰ দলৰ মন্ত্ৰী বিধায়ক নেতা পালি নেতা দালাল সকলে নিৰ্বিঘ্নে চলাফিৰা কৰি বথলাবথলে সোণ আনি অসমক সোণৰ অসম হিচাপে গঢ় দি এতিয়া অসমৰ বাহিৰতো সোণৰ অসম স্থাপন কৰাৰ দিহা কৰিলো।

৭। বান পীড়িত অঞ্চলত ৰবি শস্যৰ খেতি কৰিবৰ কাৰণে উচ্চ মূল্যৰ হাতীকনিয়া আলুবীজ কিনা, ৰেলওৱে শ্লিপাৰ যোগানৰ ঠিকা বেনামীকৈ দিয়া ৰাজ্যিক লটাৰিৰ লাভৰ ধন শংকৰী বৈষ্ণৱ ধৰ্মী সত্ৰ সংঘ আৰু ব্যক্তিগত গোঁসাই ঘৰৰ নামত দিয়া, নগাওঁ সদৰ সমষ্টি আৰু কলিয়াবৰ সমষ্টিত স্বজন তোষণ নীতিৰে দিয়া বুলি আৰু ষ্টেটফেডৰ চাউল যোগানৰ অনুজ্ঞাপত্ৰ নামে বেনামে দি সমুদায় পচা চাউল আনি বহুকোটি টকা হানি কৰা বুলি যি অভিযোগ আমাৰ দলৰ বিৰুদ্ধে বা চৰকাৰৰ বিৰুদ্ধে আনিছিল সেইবোৰ সঁচা হলেও আমি তাক অসমবাসী ৰাইজৰ কল্যাণাৰ্থেই কৰিছিলো। তাকে নকৰা হলে আমি অসমখন সোণৰ হ'ল বুলি বিশ্ববাসীক দেখুৱাবলৈ কেনেকৈ সক্ষম হলোহেঁতেন তাক সুহৃদ ৰাইজে বিচাৰ কৰি চাওক। আমাৰ কাৰ্যকালৰ বাকী যি ডেৰ মাহ থাকিল সেই সময়খিনি পুৰ কৰিবলৈ পোৱা হলে আমি নিজাববীয়াকৈয়ে হওক কিম্বা ৰাইজৰবীয়াকৈয়ো আৰু কিমান প্ৰজাহিতকৰ কাম কৰিব পাৰিলোহেঁতেন তাক ৰাইজে নিৰপেক্ষ ভাবে বিচাৰ কৰি চাওক।

এতিয়া আমাৰেই কিছুমান অসৎ চৰিত্ৰৰ সদস্যই, আমাৰ দলৰ চৰকাৰৰ পদবীত থাকি, ভেবাৰ দৰেই নিৰোকা হৈ থাকি, আমাৰ চৰকাৰটোক চক্ষুৰহা কেন্দ্ৰীয় চৰকাৰে খাৰিজ কৰাৰ পিছত আমাৰ গজ পৰিষদ দলৰ মুৰব্বীৰ বিৰুদ্ধে নানা অভিযোগ তুলি ৰাইজৰ মৰমৰ দলক দুফাল কৰি নতুন গজ পৰিষদ দল গঠন কৰিছে।

এতিয়াৰ পৰা আমি দুভাগত বিভক্ত হৈ গজ পৰিষদ (ঢেঙা) আৰু আন ভাগক গজ পৰিষদ (বেঙা) বুলি অভিহিত কৰিলো। আগন্তুক নিৰ্বাচনত যদি আমাক ৰাইজে বিপুল সমৰ্থন জনায়, পুনৰ শাসনৰ গাদীত বহাৰ সুবিধা দিয়ে তেনেহলে আমি যোৱা পাঁচ বছৰৰ দৰে নিজৰ খিয়াল-খুচি মতে কাম কৰি যাম, আৰু আন ভাগে আমাৰ ক্ৰীড়া কাণ্ডবোৰ বেঙাৰ দৰে চাই থাকিব। এই প্ৰতিশ্ৰুতি আমি ৰাইজক দিলো। বৰ্তমান আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ কাৰণে এই ইস্তাহাৰ যোগে ৰাইজৰ ওচৰত তলত লেখা প্ৰতিশ্ৰুতি দি নিৰ্বাচনত নামিছো গতিকে আমাৰ ইস্তাহাৰ পত্ৰখনি চাই সদল বলে সমৰ্থন দি জয়যুক্ত কৰিবৰ বাবে ৰাইজক গোহাৰি জনালো।

১। আগন্তুক নিৰ্বাচনত যদি আমাক একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰাকৈ ৰাইজে ভোট দান কৰি জয়যুক্ত কৰে আৰু চৰকাৰ গঠনৰ কাৰণে সুযোগ দিয়ে তেনেহলে বিশ্বৰ সৰ্বোচ্চ মূল্যত মাটি বেচা কিনা হোৱা চহৰ জাপানৰ টকিওত মাটি কিনি তালৈকো সোণৰ অসমৰ সম্প্ৰসাৰণ কৰিম।

২। যোৱা পাঁচ বছৰত বগাই খাচকে ধৰি যিবোৰ সংৰক্ষিত বনাঞ্চল মুকলি কৰা হ'ল আৰু যিবোৰ বনাঞ্চলৰ এতিয়াও মুকলি হোৱা নাই সেইবোৰ হাবি জংঘলৰ মূল্যবান গছ-গছনি কাটি বিক্ৰী কৰি মাটি চাফ কৰিবৰ কাৰণে আৰু সেই মাটি নিজৰ আত্মীয়-কুটুম্বৰ নামত লিজত দি তাত নতুনকৈ হীৰা মুকুতা সোণৰ খেতি কৰাৰ সুদিহা কৰা হ'ব। সোণ-হীৰা-মুকুতা লগাবৰ কাৰণে যোৱা পাঁচ বছৰে বনমন্ত্ৰীৰ দায়িত্বত থকাজনাই বগাই খাচত হীৰা-মুকুতা-সোণৰ বীজ সিঁচি পুলি গজাইছে। পুনৰ গাদী লাভ কৰিলে তাৰ পুলি আনি লগোৱা হ'ব। সোণ-হীৰা-মুকুতাৰ ফচল পালেই সামৰিক ক্ষিপ্ৰতাৰে অসমক তাৰে বনকাই অক্ষয় স্বৰ্গ দ্বিতীয় অমৰাৱতী সজোৱা হ'ব আৰু অসমীয়াক সেই অক্ষয় স্বৰ্গত বাস কৰিবলৈ দিয়া হ'ব।

৩। আমাৰ গজ পৰিষদ-গাধ দলক শাসনৰ ক্ষমতা দিলে সকলো ঠিকা ঠুৰ্কলিৰ কাম বিনা নিবিদায় থলুৱা যুৱকক দিয়াৰ ব্যৱস্থা কৰা হ'ব আৰু বিগত দিনৰ দৰে কাম নকৰাকৈ দম দি ঠিকাৰ ৰানিংবিল ফাইনেল বিলৰ টকা দিয়াৰ ব্যৱস্থা কৰি দিয়া হ'ব। আমাৰ গজ পৰিষদৰ হৈ এয়েই আমাৰ অহা নিৰ্বাচনৰ প্ৰতিশ্ৰুতি তথা নিৰ্বাচনী ইস্তাহাৰ।

জয় আই সোণৰ অসম

অসম গজ পৰিষদ দল (ঢেঙা)

(অসম গজ পৰিষদ (ঢেঙা) দলৰ হৈ প্ৰকাশক ও প্ৰচাৰক গোবৰ্দ্ধন বৰুৱা নিৰ্বাচনী প্ৰচাৰ সম্পাদক) ■





# মানুহৰ পৰিচয় আৰু উপন্যাসৰ চেতনা

## ফণীন দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ'

গোবিন্দ প্ৰসাদ শৰ্মা

(১)

ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী লেখক হিচাপে নতুন। তেওঁৰ প্ৰথম গ্ৰন্থ, 'গল্প লেখাৰ গল্প' (অসম সাহিত্য সভা, পাটাছাৰকুছি শাখা, ১৯৮৮) পঢ়িয়েই বুজা গৈছিল, এই গ্ৰন্থৰ আবেগসিক্ত ভাষাই লেখকৰ এক অনুভূতিশীল মনৰ স্বাক্ষৰ বহণ কৰে। আনহাতে সামাজিক পৰিস্থিতিৰ প্ৰতিও লেখক সজাগ; আৰু এই সজাগতাই আমাৰ মন আৰু অন্তৰ স্পৰ্শ কৰে। তেওঁৰ এই প্ৰথম গ্ৰন্থৰ গল্পবোৰত কিন্তু আবেগ-অনুভূতিৰ লগত মানসিক চিন্তাৰ ফলদায়ক সংযোগ ভালকৈ ধৰা পৰা নাছিল। সুখৰ বিষয়, এই গ্ৰন্থৰ এবছৰ পিছতে প্ৰকাশিত লেখকৰ দ্বিতীয় গ্ৰন্থ আৰু প্ৰথম উপন্যাস 'অনুৰাধাৰ দেশ'ত (বাণী প্ৰকাশ, গুৱাহাটী, ১৯৮৯) হৃদয়ৰ ভাব-অনুভূতিয়েই যদিও পূৰ্বৰ দৰে আধাৰ-স্বৰূপ, তথাপি সি চিন্তাৰ স্পৰ্শত হৈ উঠিছে অৰ্থবহ। কাহিনীকাৰ হিচাপে লেখকৰ এই উত্তৰণ আশাৰ বিষয়।

ঔপন্যাসিক হিচাপে এই তৰুণ লেখকে কাহিনী কথনতে পাৰদৰ্শিতা দেখুৱাইছে। আদিৰ পৰা অন্তলৈ সমানে মনোগ্ৰাহীকৈ বৰ্ণনা কৰা কাহিনীটি এই উপন্যাসৰ প্ৰধান বৈশিষ্ট্য। কাহিনীৰ অগতানুগতিকতা, অপৰিচিত পটভূমিৰ ইংগিতধৰ্মী কুশলী চিত্ৰণ, চৰিত্ৰ সমূহৰ আমোদজনক কথোপকথন, লেখকৰ হৃদয়স্পৰ্শী ভাষা – এইবোৰেই কাহিনীৰ মনোগ্ৰাহিতাৰ কাৰণ। চৰিত্ৰ সমূহৰ কথোপকথনত প্ৰকাশিত আকৰ্ষণীয় বৌদ্ধিক প্ৰকাশ ভংগীয়ে অথবা মানসিক তথা আবেগিক প্ৰতিক্ৰিয়াৰ কুশলী প্ৰকাশে বঙালী ঔপন্যাসিক শংকৰৰ উপন্যাসবোৰলৈ মনত পেলায়।

উপন্যাসখনিৰ অন্যতম আকৰ্ষণ বুলি কোৱা কাহিনীৰ অগতানুগতিকতা আৰু অপৰিচিত পটভূমিৰ কথালৈকে আহো। বাৰানসীত ইঞ্জিনিয়াৰিং পঢ়ি থকা অসমীয়া ছাত্ৰ এজনৰ তাত লগ পোৱা অসমীয়া অনা-অসমীয়া ল'ৰা-ছোৱালীৰ লগত হোৱা অভিজ্ঞতাৰ সৈতে বাৰানসীৰ পটভূমিৰ যি সামান্য আভাস উপন্যাসখনিৰ আৰম্ভণীতে আছে, সিয়েই উপন্যাসখনিৰ মূলকাহিনী আৰু তাৰ বিষয়বস্তুৰ কুশলী সূচনা কৰে। ইয়াতো স্বাদ লোভী পাঠকে নতুন স্বাদ পাব। ইয়াৰ পিছতে কাহিনী যেতিয়া স্থানান্তৰিত হ'ল উৰিষ্যাৰ ভুৱনেশ্বৰলৈ আৰু তাৰ নিকটৱৰ্তী পাৰাদ্বীপলৈ, তেতিয়া এইবোৰ ঠাইৰ বিশদ বিবৰণ নন্দকৈয়ো, এইবোৰৰ ভূ-দৃশ্য আৰু সমুদ্ৰ দৃশ্যৰ যি আভাস পাঠকৰ মনলৈ অনা হৈছে, সি বেছ আকৰ্ষণীয়। কাহিনীৰ নায়ক হৈছে তেল বিভাগৰ এক তৰুণ ইঞ্জিনিয়াৰ। ভুৱনেশ্বৰলৈ এই অসমীয়া তৰুণ ইঞ্জিনিয়াৰ গৈছে পাৰাদ্বীপৰ সাগৰৰ গৰ্ভত তেল সন্ধানৰ কামত। সমুদ্ৰ গৰ্ভত তেলৰ সন্ধান কৰাৰ যি অভিজ্ঞতা, সিও কাহিনীৰ পটভূমিত অলংকাৰ স্বৰূপ হৈ উঠাত কাহিনীৰ আকৰ্ষণ আৰু বাঢ়িছে। পটভূমিৰ এনে অগতানুগতিকতাৰ পৰা আমি কাহিনীটোলৈ চালে তাতো এক অগতানুগতিকতা দেখা পাওঁ।

প্ৰধানতঃ ই অৱশ্যে এটা সাধাৰণ প্ৰেমৰ কাহিনীয়েই। সৰহ ভাগ অসমীয়া উপন্যাসৰ উপজীৱ্য যি প্ৰেম তালৈ চালে এই উপন্যাসৰ কাহিনীৰ প্ৰেম অৱশ্যে কিছু ভিন্ন প্ৰকৃতিৰ; ই অন্ততঃ সাধাৰণ ৰোমাণ্টিক প্ৰেম নহয়। আনহাতে এই প্ৰধান প্ৰেমৰ কাহিনীৰ লগৰ অন্য আৰু দুটি যি উপকাহিনী ইয়াত আছে, সেই দুটিও অগতানুগতিক। দৰাচলতে এই তিনিওটা উপকাহিনীয়েই প্ৰেমৰ হৈয়ো সাধাৰণ আবেগ অনুভূতিৰ মাধোন প্ৰেমৰ কাহিনী নহয়। আবেগসিক্ত ভাষাৰে ৰচিত ভাব-অনুভূতিৰ কাহিনী হৈয়ো, ই সাধাৰণ ৰোমাণ্টিক কাহিনী নহয়। সাধাৰণ ৰোমাণ্টিক কাহিনীৰ পৰ্যায় ই উত্তৰণ কৰিছে; আৰু তাতেই ধৰা পৰিছে ইয়াৰ মূল্য।

ইয়াত মূল কাহিনীৰ অৰুণাভ আৰু অনুৰাধাৰ প্ৰেমৰ ক্ষেত্ৰত আমি দেখিছো – দুয়োৰে মাজৰ আকৰ্ষণ কেৱল আবেগ-অনুভূতিসম্ভূত নহয়। মাক-দেউতাকে পূৰ্ববংগ এৰি উৰিষ্যাত বসবাস কৰিবলৈ লোৱা সূত্ৰত উৰিষ্যাৰ অধিবাসিনী বঙালী ছোৱালী অনুৰাধাক বাৰানসীত পঢ়া দিনৰে পৰা অৰুণাভৰ ভাল লাগে। এই ভাল লগাৰ এটা কাৰণ অহৈতুকী নহৈ ছোৱালীজনীৰ অসাধাৰণ ৰুচি আৰু মানুহৰ বিষয়ে নিজস্ব মতামত প্ৰকাশৰ প্ৰগল্ভতা বুলি ভাবিব পাৰি। অন্য চাৰিজনী ছোৱালীৰ দৰে বিয়া, পাৰিবাৰিক সমস্যা, উৰিয়া, বঙালী, অসমীয়া আদিৰ জাতীয় ধাৰণা মজ্জাগত কৰি লৈ সেইবোৰৰ সমস্যাৰ ভূত চাৰিও পিনে দেখি ফুৰাৰ সংকীৰ্ণ মানসিকতাৰ পৰা তেওঁ সম্পূৰ্ণ ৰূপে মুক্ত। অৰুণাভৰ এওঁক ভাল লগাৰ কাৰণ নিশ্চয় ইও এটা। বিয়াৰ বয়স যদিও তেওঁৰ পাৰ হওঁ হওঁ, দেউতাকৰ ইতিমধ্যে হৈছে মৃত্যু আৰু মাকৰ অনবৰত হৈ আছে ছোৱালীজনীৰ পাতিব নোৱৰা বিয়াখনক লৈ অন্তহীন দুশ্চিন্তা, তথাপি অনুৰাধাৰ এইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাই, অন্ততঃ তাক দেখিবলৈ পোৱা নাযায়। আনহাতে



OKDISCD

উৰিষ্যাৰ চৰকাৰী পৰ্যটন বিভাগত অনুৰাধাই যি চাকৰি এটি পালে, লগে লগে তেওঁ উৰিষ্যা ৰাজ্যখনৰ প্ৰাকৃতিক দৃশ্যাৱলী, সাংস্কৃতিক বৈশিষ্ট্যৰাজি বিভিন্ন মাধ্যমত, বিভিন্ন ৰূপত ধৰি ৰাখি তাক পৰ্যটকৰ দৰে কৌতূহলী লোকৰ আগত দাঙি ধৰাত এনেভাবে ব্ৰতী হ'ল যে সেইবোৰৰ মাজতে তেওঁ নিজকে পাহৰি থাকিল।

অনুৰাধাৰ এনেবোৰ গুণে অৰুণাভক আকৰ্ষণ কৰে; কিন্তু তেওঁ ছোৱালীজনীৰ প্ৰেমত মজি যোৱা নাই। আনকি প্ৰেমত পৰা বুলি সজ্ঞানে ভাবি সেই ভাব প্ৰকাশো কৰা নাই। ইটোৱে সিটোক বুজি উঠা বুলি যেতিয়া দুয়োৱে নিশ্চিত হৈছে আৰু দুয়োৰে মাজত বিয়াৰ প্ৰশ্ন উঠিছে, তেতিয়া পিতৃ-মাতৃহীন অৰুণাভেই প্ৰথমে গৈছে তেওঁৰ অভিভাৱক গুৱাহাটীৰ মামাকৰ ওচৰলৈ। অসমৰ বাহিৰ কোনো দিন নেদেখা লোক যদিও বহল মনৰ তেওঁৰ বৃদ্ধ মামাকে এই উৰিষ্যা বাসিনী বাংলা ভাষী ছোৱালীজনীক বিয়া কৰাবলৈ দিছে সানন্দ অনুমতি। এই অনুমতি পায়ো কিন্তু বিয়াৰ প্ৰস্তাৱ লৈ অনুৰাধাৰ ওচৰলৈ যাবলৈ সময়ত অৰুণাভৰ হ'ল দ্বিধা। পাৰাদ্বীপলৈকে তেলৰ অনুসন্ধানত যোৱা অন্য এজন অসমীয়া বিষয়া নীৰেণ দত্তৰ পত্নীৰ লগত ঘটনাক্ৰমে হোৱা এক সম্পৰ্কৰ ফলত তেওঁ এতিয়া অনুৰাধাৰ ওচৰলৈ যাবলৈ সংকোচ কৰিবলগীয়া হ'ল। নিজৰ ইচ্ছাৰ বিপক্ষেই ঘটি যোৱা ঘটনাটোৰ কথা তেওঁ অনুৰাধাক যেতিয়া জনাই দি অনুৰাধাৰ পৰা আঁতৰি থকাৰ কাৰণ ব্যাখ্যা কৰিলে, অনুৰাধাই তেতিয়া তেওঁক তেওঁৰ পৰিস্থিতিলৈ চাই ক্ষমা কৰিলে। অকল সেয়ে নহয়, তেওঁ তথাপি আগুৱাই আহিল অৰুণাভৰ ওচৰলৈকেই। বঙালী ছোৱালী হৈয়ো উৰিষ্যাক ভাল পাই ঠেক জাতীয়তাৰ ওপৰৰ এক প্ৰমূল্যৰ অনুগামিনী হিচাপে ধৰা দিয়া অনুৰাধা এতিয়া প্ৰমাণিত হ'ল জাতীয়তাবাদৰ ওপৰৰ মানৱতাবাদৰ অনুগামিনী বুলি। যি পৰিস্থিতিত পৰি তেওঁ অনুৰাধাৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল, সেই পৰিস্থিতিত এক সন্তানহীনা নিবীৰ্য পুৰুষৰ স্ত্ৰীৰ আকুতিক তেওঁ প্ৰত্যাখ্যান কৰিবৰ উপায় নাপাই তেওঁৰ শয্যাসংগী হ'বলগীয়া হৈছিল ক্ষণিকৰ বাবে। ইয়াৰ ফলতেই সন্তানহীনা সেই স্ত্ৰীয়ে লাভ কৰিছিল সন্তান। কিন্তু সন্তান জন্মৰ পিছতেই সেই স্ত্ৰীৰ মৃত্যু হ'লত, আৰু সেই অবৈধ সন্তানক মৃতা স্ত্ৰীৰ স্বামীয়ে গ্ৰহণ নকৰাত, সেই হতভাগ্য সন্তানৰ দায়িত্ব লোৱাৰ নৈতিক প্ৰয়োজনীয়তা বোধ কৰিছিল অৰুণাভেই। ইয়াৰ ফলতেই তেওঁ অনুৰাধাক বিয়া কৰোৱাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছিল বুলি অনুভৱ কৰি অনুৰাধাৰ সংগ ত্যাগ কৰিবলৈ ওলাইছিল। কিন্তু অনুৰাধাই এই কথা জানিও তেওঁৰ সেই নৈতিক কৰ্তব্যৰ নিজেও সমভাগিনী হবলৈ অৰুণাভকে গ্ৰহণ কৰিবলৈ ওলাই আহিছিল; এটি মানৱশিশুৰ প্ৰতি স্নেহ আৰু নৈতিক দায়িত্বক এইদৰে নিজৰ আবেগ অনুভূতিতকৈ ওপৰত স্থান দি বাংলা ভাষী উৰিষ্যাৰ অধিবাসিনী এই ছোৱালীজনীয়ে মানৱতাকে স্থান দিলে সকলোৰে ওপৰত।

প্ৰধান কাহিনীটোৰ লগে লগে যি কেইটা উপকাহিনী ইয়াত ধৰা পৰিছে, সেইবোৰতো আছে এনে প্ৰমূল্যৰ আভাস। এটি উপকাহিনী হ'ল মেহৰা চাহাবৰ উপকাহিনী। ভুৱনেশ্বৰৰ এক দামী হোটেলৰ কোঠা এটাত অকলে বাহি হয় তেল বিভাগৰ কাম-কাজ, আঁচনি-পৰিকল্পনাত, নহয় সুৰাপানত ব্যস্ত থকা এই অত্যন্ত পাৰদৰ্শী, নিষ্ঠাবান আৰু কৰ্মঠ উচ্চ কাৰিকৰী বিষয়াজনৰ ব্যক্তিগত জীৱন ৰহস্যাবৃত। সেই ৰহস্য এবাৰ ভেদ হৈছে তেওঁৰে স্মৃতিচাৰণৰ মাজেদি। এক ইংৰাজ মহিলাৰ সৈতে বিবাহত আৱদ্ধ এই কাৰিকৰী বিষয়াৰ এটি সন্তানৰ জন্মৰ পিছতে বিবাহ বিচ্ছেদ হয়। তেওঁৰ শ্বেতাংগিনী পত্নী এতিয়া সেই সন্তানক আৰু তেওঁৰ বৰ্তমানৰ স্বামীক লৈ লণ্ডনত। একমাত্ৰ কামকেই জনা আৰু সততে কামতে নিজক মগ্ন ৰখা মেহৰা চাহাবে যেনেকৈ তেওঁৰ তলতীয়া বিষয়া-কৰ্মী সকলকো কামত ব্যস্ত ৰাখিব পাৰে, সেইদৰে তেওঁলোকৰ ব্যক্তিগত জীৱনৰ সা-সুবিধা, অভাৱ-অভিযোগৰ প্ৰতিও তেওঁ সচেতন আৰু সহানুভূতিশীল। পৌৰুষহীন অসমীয়া বিষয়া নীৰেণ দত্তৰ পত্নীৰ যেতিয়া প্ৰসৱৰ সময়, তেতিয়া স্বামী নীৰেণতকৈয়ো তেওঁৰ পত্নীক হস্পিটেলত ৰখা আৰু নীৰেণৰ ছুটীৰ প্ৰয়োজনীয়তাৰ প্ৰতি বেছি সজাগ হৈছিল মেহৰা চাহাবেই। এইবোৰৰ ব্যৱস্থা তেওঁ আগতীয়াকৈ কৰিও ৰাখিছিল। এইদৰে ই উপন্যাসখনৰ মূল কাহিনীৰ ঠেক জাতীয়তাবোধৰ ওপৰৰ মানৱতাবোধৰ বিষয়বস্তুকে দোহাৰিছে।

উপন্যাসখনৰ অন্য এটি উপকাহিনী হ'ল পাশ্চাত্য নাবিক ডেনিছ আৰু তেল কোম্পানীৰ এংলো-ইণ্ডিয়ান মহিলা কৰ্মী মিচিজ ডাল্ভিৰ কথা। ডাল্ভিৰ বিয়া হৈছিল এক ইংৰাজ চাহাবৰ লগতে। স্বামীৰ মৃত্যু হ'লত তেওঁ বৈধৱ্যক সাৱটি অফিচৰ কামত নিজকে মগ্ন ৰাখিছিল। বিদেশী সহযোগত পাৰাদ্বীপত তেলৰ সন্ধান চলি থাকোতে বিদেশী নাবিক ডেনিছ এই মহিলাৰ প্ৰতি আকৰ্ষিত হয় আৰু তেওঁৰ সৈতে সম্পৰ্ক গঢ়ি তোলাত আগভাগ লয়। তেওঁলোকে বিয়াৰ ওপৰত যদিও জোৰ নিদিলে; স্বামী-স্ত্ৰীৰ যুগ্ম জীৱন দুয়োৱে অতিবাহিত কৰিবলৈ ললে। সময়ত অসমীয়া দম্পতি নীৰেণ' আৰু ৰূপালীৰ শিশুটি যেতিয়া মাতৃহাৰা হৈ হস্পিটালত পৰি থাকিল, তাৰ পিতৃ-মাতৃৰ দায়িত্ব লবলৈ আগুৱাই গ'ল এই এংলো-ইণ্ডিয়ান মহিলা আৰু বিদেশী নাবিক। পুনৰ এয়া জাতীয়তাবোধৰ ওপৰত মানৱতাবোধৰে সাৱাস্তকৰণ; বিয়াৰ বাহিৰত বিধৱাৰ পৰ-পুৰুষৰ সৈতে দৈহিক সম্পৰ্ক স্থাপন, বিয়াৰ প্ৰশ্ন উত্থাপন নকৰি ভাৰতীয় মহিলা আৰু বিদেশী পুৰুষৰ স্বামী-স্ত্ৰী ৰূপে সহবাস আৰু এক অসমীয়া শিশুক সন্তান হিচাপে গ্ৰহণ – এইবোৰ অগতানুগতিক ঘটনাৰ মাজতে আছে এই মানৱতাৰ বাণী। ব্যৱসায়িক জীৱনৰ পৰিচয়ৰ বাহিৰত, সংকীৰ্ণ জাতীয়তাৰ সীমাৰ বাহিৰত, ধৰ্মীয় নৈতিকতাৰ সীমাৰ বাহিৰতো মানুহৰ আৰু এক পৰিচয় আছে। সিয়েই হ'ল মানুহৰ প্ৰকৃত পৰিচয় – মানুহৰ মানুহ হিচাপে পৰিচয়। এই বাণী এই উপন্যাসে কলাৰ ৰূপত প্ৰচাৰ কৰিব পাৰিছে বাবেই ই উত্তীৰ্ণ হৈছে এক মোটামুটি সাৰ্থক উপন্যাসলৈ।

কাহিনীৰ যি মানৱতাবাদী বিষয়বস্তুলৈ আমি আঙুলিয়ালো, সি বাৰংবাৰ প্ৰকাশিত হৈছে চৰিত্ৰ সমূহৰ মুখৰ বিভিন্ন সময় আৰু পৰিস্থিতিৰ কথাবোৰতো। উদাহৰণ স্বৰূপে অনুৰাধাৰ বিশেষত্বৰ কথা চিন্তা কৰি অৰুণাভেই এবাৰ ভাবিছে: 'দেশ বিভাজনৰ সময়ত পূৰ্ব বংগৰ পৰা আহি ভাৰতবৰ্ষত থিতাপি লোৱা এটা পৰিয়ালৰ ছোৱালী অনুৰাধা ভাষাৰ ফালৰ পৰা এজনী বঙালী ছোৱালী; সেইজনী ছোৱালীয়ে কিমান আন্তৰিকতাৰে উৰিষ্যাৰ কথা মুখলৈ আনিব পাৰে, অনুভৱ কৰিব পাৰে উৰিষ্যাৰ মঠ-মন্দিৰ, প্ৰকৃতি, বতাহৰ লগত মিহলি হৈ থকা সংস্কৃতি আৰু ঐতিহ্যৰ লগত নিজৰ হৃদয়ৰ বান্ধোন।' (পৃঃ ৯৬)

সেইদৰে অনুৰাধাক বিয়া কৰোৱাৰ কথা চিন্তা কৰি অৰুণাভে যেতিয়া অভিভাৱক মামাকৰ ওচৰ চাপিছে অনুমতিৰ আশা কৰি, কোনোদিন অসমৰ বাহিৰ নেদেখা মামাকেও তেতিয়া তেওঁক উৎসাহ দি কৈছে, 'মানুহৰ কোনো দেশ নাই, ভাষা নাই।' (পৃঃ ২৬৫) এই অভিভাৱক মামাকেই পূৰ্বতে এবাৰ অৰুণাভক উপদেশ দি কৈছিল, 'আকাশলৈ মাজে মাজে মূৰ তুলি চাবি। পৃথিৱীৰ সকলো তোৰ নিচেই আপোন যেন ভাব হ'ব। আমি এই ভাওৰ মানুহবোৰে সমাজ দেশ সম্বন্ধ পাতি পৃথিৱীখন ভাগ ভাগ কৰিছো। শিশুৰ যেতিয়া জন্ম হয় তাৰ কোনো দেশ, সমাজ নাথাকে। প্ৰতিটো শিশুৱেই এই পৃথিৱীৰ মানুহৰ সন্তান।' (পৃঃ ২৬৩)

কাহিনীৰ সামৰণিৰ পিনে এনে ভাবৰ প্ৰকাশ বাৰে বাৰে ঘটিছে আৰু সিয়েই উপন্যাসৰ কেন্দ্ৰীয় বিষয়বস্তু স্পষ্ট কৰিছে। বিদেশী বিষয়া, কৰ্মী, নাবিক সকলৰ পাৰাদ্বীপৰ তেলৰ সন্ধান কাৰ্যৰ যেতিয়া অন্ত পৰিল আৰু তেওঁলোক যাবলৈ ওলাল, অৰুণাভৰ তেওঁলোকৰ জাহাজ আঁতৰি যাবলৈ ওলোৱা সময়ত ভাব হৈছে, 'দিনৰ পিছত দিন, নিশাৰ পিছত নিশা একেলগে উত্তাল সমুদ্ৰৰ মাজত পাৰ কৰি দিয়াৰ পিছত মাইকেল, ডেনিছ, জেকছন আৰু অন্যান্য নাবিক সকল অকল কৰ্মক্ষেত্ৰৰেই সংগী হৈ থকা নাছিল, ভাষা আৰু ভৌগোলিক সীমাৰ ভেদাভেদ অতিক্ৰম কৰি পৰস্পৰৰ মাজত যেন সকলোৰে অগোচৰে ধীৰে ধীৰে গঢ়ি উঠিছিল বিশ্ব-ভ্ৰাতৃত্বৰ পবিত্ৰ বান্ধোন।' (পৃঃ ৩১৭) সেই বিদেশী সহকৰ্মী সকলক কঢ়িয়াই নিবলৈ বিদেশী জাহাজে যেতিয়া উকি মাৰিলে, অৰুণাভৰ তেতিয়া মনৰ ভাবঃ 'মানুহৰ পৰিচয় মানুহৰ হৃদয়ঃ মানুহৰ পৰিচয় কেতিয়াও ভাৰতীয়, বৃটিছ বা এমেৰিকান নহয়।' (পৃঃ ৩১৮) এই বিদায়ৰ বেলাতে ডেনিছে যেতিয়া তেওঁক মাত লগাইছিল, অৰুণাভৰ তেতিয়া ভাব হৈছিল, 'মানুহৰ লগত মানুহৰ সম্পৰ্ক দেশ বা ভাষাই নকৰে, নিৰ্ভৰ কৰে আন্তৰিকতা আৰু হৃদয়ৰ সততাৰ ওপৰত।' (পৃঃ ৩২১) উপন্যাসখনিৰ 'উপসংহাৰ'ত অৰুণাভ আৰু অনুৰাধাৰ বিমানে যেতিয়া ভুৱনেশ্বৰ এৰি আকাশলৈ উৰা মাৰিছে, তেতিয়া দুয়ো গৰাকীৰ 'দৃষ্টিত ধৰা দিছে ক্ৰমবৰ্ধমান পৃথিৱীৰ পৰিধিয়ে; যেতিয়া অসীমৰ বুকুৰ পৰা দৃষ্টি নিক্ষেপ কৰা যায়, তেতিয়াহে অনুভৱ হয় দেশ-মহাদেশৰ ভৌগোলিক পৰিসীমা বিপুল এই বিশ্বৰ বিশালতাৰ ওচৰত কিমান তুচ্ছ, কিমান মূল্যহীন।' (পৃঃ ৩২৭) উপন্যাসখনিৰ সামৰণি পৰিছে এই বাক্যটিৰে – 'খিৰিকিৰ কাচেৰে পাৰ হৈ অহা ৰাতিপুৱাৰ কোমল ৰ'দত উজলি উঠা অনুৰাধাৰ মুখলৈ চাই হঠাতে অৰুণাভৰ অনুভৱ হ'ল – অনুৰাধাৰ কোনো দেশ নাইঃ অনুৰাধা এই পৃথিৱীৰ নাৰী।' (৩২৭)।

এটা মহৎ বাণী সাৰ্থক কলাৰ ৰূপত দাঙি ধৰা বাবে ই এক মূল্যবান উপন্যাস বুলি ওপৰত দেখুৱাই আহিছো। সেই বুলিও ইয়াৰ কলাগত দিশ সম্পূৰ্ণ ক্ৰুটী মুক্তনে? সেই কথা নিশ্চয় কব নোৱাৰি। ওপৰত দেখুওৱা ধৰণে উপন্যাসখনিত মানুহৰ প্ৰকৃত পৰিচয় যে মানুহ হিচাপেহে, সেই কথা বাৰে বাৰে কেলৈ আমনি লগাকৈ দোহাৰি থাকিবলগীয়া হৈছে?

□ □ □

(২)

ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' এখন কাহিনী প্ৰধান উপন্যাস বুলি দেখুৱাই অহা হ'ল। উপন্যাসত কাহিনীৰ বা সুকথিত কাহিনীৰ যুগ পাশ্চাত্যত কুৰি শতিকাৰ আৰম্ভণীতেই অন্ত পৰিছিল। তেতিয়াৰ পাশ্চাত্য সাহিত্যত সংঘটিত হোৱা আধুনিকতাবাদী আন্দোলনেই প্ৰধানকৈ উপন্যাসত কাহিনীৰ স্থান শূন্য বা গৌণ কৰি পেলাইছিল। তাৰ পিছত এই শতাব্দীৰ দ্বিতীয়াৰ্ধত পাশ্চাত্যতে যি উত্তৰাধুনিকতাবাদী (Post-modernist) আন্দোলন আৰম্ভ হ'ল, সেই আন্দোলনেতো উপন্যাসৰ কাহিনীক তথা বিষয়বস্তুক এটা নিৰ্দিষ্ট বান্ধোনৰ (frame) ভিতৰত ৰখা কলা নামধাৰী কৃত্ৰিমতাক বিদ্ৰূপ কৰাটোকেই উপন্যাস ৰচনাৰ দৰ্শন স্বৰূপে গ্ৰহণ কৰিলে। এনে কৰা হ'ল অকল উপন্যাসৰ তাত্ত্বিক আলোচনাতে নহয়, উপন্যাসৰ ৰচনাৰ মাজেদিয়েই – উপন্যাসতেই। অৱশ্যে উপন্যাসত সেই বুলিয়েই কাহিনী সম্পূৰ্ণৰূপে বিলুপ্ত হৈ গ'ল, সি নহয়। কাহিনীৰ বিৰুদ্ধে এই শতাব্দীৰ এনে উপৰ্যুপৰি আন্দোলনৰ সত্ত্বেও মৰা সুঁতি হিচাপে হলেও কাহিনী প্ৰধান উপন্যাসৰ এটি সুঁতি এতিয়াও বৈ আছে – পাশ্চাত্যতো। এনে উপন্যাসৰ মাজতো মূল্যবান উপন্যাসো ওলাই থকা দেখা গৈছে। গতিকে কুৰি শতিকাৰ সামৰণিত প্ৰকাশিত বুলিয়েই আমাৰ আলোচ্য কাহিনী প্ৰধান উপন্যাসখনিও কেৱল এখন জনপ্ৰিয় উপন্যাসহে বুলি আমি আওকাণ কৰিব নোৱাৰো। কিয়নো ওপৰত দেখিলোৱেই, কাহিনী কথনৰ মাজেদিয়েই লেখকে ইয়াত এক গুৰুত্বপূৰ্ণ উদ্দেশ্য সাধন কৰিছে।

'পিছে ইয়াৰ কাহিনী কথন সাৰ্থক হ'লেও নিখুঁতনে বা সম্পূৰ্ণ সন্তোষজনকনে? ইয়াৰ কাহিনী কথনত এক কলা-সচেতন ঔপন্যাসিকৰ কলাৰ প্ৰতি সচেতনতাৰ অভাৱ ধৰা পৰিছে। নতুন লেখকৰ ই এক স্বাভাৱিক ক্ৰুটীও হ'ব পাৰে; আৰু সময়ত ই হয়তো আঁতৰি যাব। কিন্তু ইয়াৰ কাহিনী কথনত যি ক্ৰুটীৰ কথা মই কব খুজিছো, সেই ক্ৰুটী আমাৰ অসমীয়া ঔপন্যাসিক বহুতৰ ক্ষেত্ৰতে ধৰা পৰে বাবে, কথাষাৰ ইয়াত অলপ বহলাই আলোচনা কৰাৰ প্ৰয়োজন বোধ কৰিছো।

কাহিনী কথনত যি ক্ৰুটীৰ কথা মই ক'ব খুজিছো, উপন্যাসৰ চৰিত্ৰ সমূহৰ চেতনাৰ প্ৰকাশতে যি ধৰা পৰিছে। আধুনিক উপন্যাসৰ প্ৰকৃতি সম্পৰ্কে সফল আলোচনা কৰা এগৰাকী কৃতী সমালোচক এলান্‌ফ্ৰিট্‌মেনে (Alan Friedman) দেখুৱাইছে যে কি পৰম্পৰাগত, কি আধুনিক সকলো উপন্যাসেই একোটি চেতনাৰ (consciousness) প্ৰকাশ। দেৱচৌধুৰীৰ পৰম্পৰাগত উপন্যাসখনিও এটি চেতনাৰেই প্ৰকাশ – মানুহৰ পৰিচয় মানুহ হিচাপেই। এই চেতনা উপন্যাসখনিত যাৰ চেতনাত ধৰা পৰিছে, তেওঁ হ'ল অৰুণাভ। কিছুমান উপন্যাসত সকলো কথা-কাম বাহিৰৰ পৰা লক্ষ্য কৰি তাৰ বিৱৰণ দিয়া হয় লেখকৰ দ্বাৰাই। বহুক্ষেত্ৰত এই বিৱৰণকাৰী বা বৃত্তান্তকাৰীক লেখকজন বুলিয়েই চিনাক্ত নকৰি চিনাক্ত কৰা হয় কোনো নামী বা অনামী তৃতীয় পুৰুষ বৰ্ণনাকাৰী (Third person narrator) বুলি। অন্য কিছুমান উপন্যাসত আকৌ চৰিত্ৰৰ কাৰ্যকলাপ বাহিৰৰ পৰা তৃতীয় পুৰুষ বৰ্ণনাকাৰীৰ দ্বাৰা লক্ষ্য আৰু প্ৰকাশ কৰাৰ উপৰি বা সলনি চৰিত্ৰ বিশেষৰ কাৰ্যকলাপ লক্ষ্য আৰু প্ৰকাশ কৰা হয় সেই চৰিত্ৰ বিশেষতে মনৰ বা অন্তৰৰ ভিতৰৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ প্ৰত্যক্ষ প্ৰকাশেৰে। এনে উপন্যাসত এনে চৰিত্ৰ বিশেষৰ মনৰ বা অন্তৰৰ ভিতৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰত্যক্ষ বিৱৰণতেই উপন্যাসৰ মূল চেতনা প্ৰতিফলিত হয়। এয়াই প্ৰধানতঃ আধুনিক

উপন্যাসৰ লক্ষণ যদিও বহুতো পৰম্পৰাগত উপন্যাসতো এই কথা ধৰা পৰে; দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' পৰম্পৰাগত হ'লেও ইয়াতো এই লক্ষণ বৰ্তমান।

এই উপন্যাসৰ চেতনা মূলতঃ অৰুণাভৰ চেতনা বাবে আমি তেওঁৰ অন্তৰ ৰাজ্যৰ ভাব-অনুভূতি বা মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিফলনৰ মাজেদি উপন্যাসখনৰ মূল চেতনাৰ সন্ধান পাওঁ। কেতিয়াবা উপন্যাস এখনৰ মূল চৰিত্ৰৰ উপৰিও আৰু অন্য দুই এক চৰিত্ৰৰ অন্তৰ্জগত পাঠকে প্ৰত্যক্ষ কৰিব পাৰে; আৰু সি উপন্যাসখনৰ মূল চেতনাক তুলি ধৰাত সহায়কেই হ'ব পাৰে। সেয়ে হ'লে উপন্যাসখনিত প্ৰকাশিত একাধিক চৰিত্ৰৰ চেতনা উপন্যাস খনিৰ সম্পদ স্বৰূপেই হ'ব।

আমাৰ এই আলোচ্য উপন্যাসখনিতো মূল চৰিত্ৰ অৰুণাভৰ বাহিৰে আৰু কেইবাটাও মুখ্য গৌণ চৰিত্ৰৰ অন্তৰ্জগত প্ৰত্যক্ষ হৈছে। কিন্তু এই প্ৰক্ৰিয়াই উপন্যাসখনৰ মূল চেতনাক তুলি ধৰাত সহায় কৰা নাই। বৰং মুখ্য গৌণ বহুতো চৰিত্ৰকে হোৱাই নোহোৱাই ইয়াত আমি ভিতৰৰ পৰা দেখা পোৱাত, অৰ্থাৎ সেইবোৰ চৰিত্ৰক সিহঁতৰ নিজৰ বিষয়ে নিজৰ ধাৰণাৰে দেখা পোৱাত, উপন্যাসখনৰ কেন্দ্ৰীয় দৃষ্টিভংগী বা কেন্দ্ৰীয় চেতনা বহু সময়ত অস্পষ্ট হৈ যোৱাৰহে উপক্ৰম হ'ব খোজে। কেন্দ্ৰীয় দৃষ্টিভংগী তথা চেতনা এনেদৰে অস্পষ্ট হৈ যোৱাৰ সংকাৰ বাবেই নিশ্চয় অৰুণাভৰ ভাব-অনুভূতি আৰু ভাষাৰে আৰু অন্য কিছুমান চৰিত্ৰৰ ভাষাৰেও বাৰে বাৰে, প্ৰায় আমনিদায়ক ভাবে ব্যক্ত কৰিবলগীয়া হৈছে কেন্দ্ৰীয় বিষয়বস্তু অথবা মূল চেতনা। উদাহৰণ, ওপৰত তুলি দি অহা সেই উক্তিবোৰ। উক্তিৰে আৰু পুনৰুক্তিৰে অথবা বক্তৃতাৰ সহায়ত উপন্যাসৰ বিষয়বস্তু তুলি ধৰিবলগীয়া হোৱাটো কলাকুশলতাৰ চিন নহয়।

সকলো চৰিত্ৰৰ মনোজগতত লেখক প্ৰবেশ কৰি সেই মনোজগত পাঠকক প্ৰত্যক্ষ কৰোৱা কেতিয়াবা ঔপন্যাসিকৰ বাবে অপৰিহাৰ্যও হ'ব পাৰে, সেই উপন্যাসৰ প্ৰকৃতি অনুসৰি। বৃটিছ ঔপন্যাসিক জোছিফ্ কনৰেডে (Joseph Conred) সত্য যে কেতিয়াও এটা নহয়; এটা ঘটনাৰ সত্যতাই বিভিন্ন জনৰ চকুত বিভিন্ন ৰূপত ধৰা দিয়ে, আৰু সেয়েহে দ্ব্যচলতে সত্যৰ কোনো অস্তিত্ব নাই (facts do not exist). তাকে বুজাবলৈ তেওঁৰ আধুনিকতাবাদী ধাৰাৰ উপন্যাসবোৰত প্ৰৱৰ্তন কৰিছিল এক নতুন আংগিকৰ। একেটা কথাৰে বহু জনৰ দৃষ্টিভংগীৰে চোৱা তেওঁৰ বহু-দৃষ্টিভংগীমূলক (multiple point of view) আংগিকৰ। ফণীন দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' এই শ্ৰেণীৰ উপন্যাস নহয় বাবে প্ৰায়বোৰ চৰিত্ৰৰ মনোৰাজ্যত হোৱাই নোহোৱাই কৰা প্ৰবেশ ইয়াত লেখকৰ অনধিকাৰ চৰ্চাৰ দৰেহে হৈছে।

এজন মানুহৰ জীৱনত ঘটা সকলো ঘটনাই সেই মানুহজনৰ চেতনাত ধৰা দিয়া ৰূপটোৰ ঘটনাহে। সেই বাবেই এখন উপন্যাসত ঘটা বুলি দেখুওৱা ঘটনাও এটি চৰিত্ৰৰ বা গ্ৰন্থকাৰ বৰ্ণনাকাৰীৰ (author narrator) চেতনাত ধৰা দিয়া ৰূপতহে বৰ্ণিত হ'ব লাগে। এনে মত পোষণ কৰিছিল কনৰেডৰ বিপৰীতে তেওঁৰে সমসাময়িক (কিন্তু লেখক হিচাপে এওঁতকৈ কিছু আগৰ) অন্য এজন প্ৰখ্যাত ঔপন্যাসিক হেন্‌ৰি জেইমচে (Henry James)। যি চৰিত্ৰৰ চেতনাত উপন্যাসখনৰ সকলো কথা আৰু কাৰ্যাৱলী ধৰা পৰে, সেই চৰিত্ৰৰ চেতনাকে হেন্‌ৰি জেইমচে বুলিছিল কেন্দ্ৰীয় চেতনা (Central intelligence)। 'অনুৰাধাৰ দেশ'ত এই পদ্ধতি লোৱা হলেই উপন্যাসখনিৰ বক্তব্য বা বিষয়বস্তু কিজানি বেছি ভালকৈ ফুটি উঠিলহেঁতেন। কিন্তু কলা-সজাগতাৰ অভাৱত লেখকে অনাৱশ্যকীয়ভাৱে ইয়াত অৰুণাভৰ বাহিৰেও আৰু কেইবাটাও চৰিত্ৰৰ মনোৰাজ্য বিভিন্ন সময়ত ভিতৰৰ পৰা উন্মুক্ত কৰি দেখুৱাইছে। অৱশ্যে হেন্‌ৰি জেইমচৰ কেন্দ্ৰীয় চেতনাৰ পদ্ধতি যদিও আমি এই উপন্যাসৰ বাবে উপযোগী হ'লহেঁতেন বুলি কৈছো, এই কথা কিন্তু মনত ৰাখিব লাগিব যে হেন্‌ৰি জেইমচৰ ঘটনা-পাতল, পৰ্যবেক্ষণ-সৰ্বস্ব, বিবৰণধৰ্মী (descriptive) বৌদ্ধিক উপন্যাসবোৰ প্ৰকৃতিগতভাৱে দেৱচৌধুৰীৰ কাহিনী প্ৰধান, ঘটনাবহুল, অনুভূতিমূলক বৃত্তান্তধৰ্মী (narrative) উপন্যাসখনিৰ পৰা সম্পূৰ্ণ ভিন্ন। হেন্‌ৰি জেইমচ বা কনৰেডৰ উপন্যাসতকৈ দেৱচৌধুৰীৰ উপন্যাসখনিৰ মিল প্ৰকৃতিগতভাৱে বৰং কাহিনী প্ৰধান, ঘটনাবহুল ডিকিনজ্ বা হাৰ্ডিৰ উপন্যাসবোৰৰ লগত। কিন্তু ডিকিনজ্ বা হাৰ্ডিয়ে সাধাৰণতে গ্ৰন্থকাৰ বৰ্ণনাকাৰীৰ (author-narrator) নিজস্ব চেতনাত ধৰা পৰা ৰূপতেই উপন্যাসৰ কাৰ্যকলাপ বৰ্ণনা কৰে। প্ৰথম পুৰুষ বৰ্ণনাকাৰীৰ (first person narrator) চেতনাৰ প্ৰকাশ ডিকিনজৰ দুই এক উপন্যাসত (যেনে – 'ডেভিড্ কপাৰফিল্ড' আৰু 'গ্ৰেট এক্সপেক্টেশ্যনচ'ত) যদিও ধৰা পৰে আৰু একাধিক চেতনাৰ প্ৰকাশেৰেও তেওঁ উপন্যাস ৰচনা কৰাৰ প্ৰয়োজনীয়তা বোধ কৰে (যেনে – 'ব্লীক্ হাউচ্'), তেওঁৰ সেই উপন্যাসবোৰত তেনে পদ্ধতি খাপ খাই পৰে।

চেতনা প্ৰকাশৰ এনেকুৱা একোটা নিৰ্দিষ্ট পদ্ধতিকেই ঔপন্যাসিকে গ্ৰহণ কৰি তাক কঠোৰভাৱে পালন কৰিব লাগিব আৰু দেৱচৌধুৰীয়ে তাকে নকৰিলে সি এক অমাৰ্জনীয় ত্ৰুটী বুলি চিহ্নিত হ'ব – সেই কথা মই ক'ব খোজা নাই। চৌধুৰীৰ এক নিজস্ব প্ৰতিভা আলোচ্য উপন্যাসত ধৰা পৰিছে, অথচ আমি উল্লেখ কৰা চেতনাৰ প্ৰকাশত সাৱধান নোহোৱাৰ ফলত এই ভাল উপন্যাসখনতো কিছু আসোঁৱাহ থাকি গ'ল বাবেই ইতিমধ্যে সুপৰিচিত হৈ উঠা এই পদ্ধতিবোৰৰ কথা উত্থাপন কৰা হ'ল। অৱশ্যে তেখেতে নিজস্ব প্ৰতিভাৰ বলতে যদি এই উপন্যাসত কৰাৰ দৰে বিভিন্ন চেতনাৰ প্ৰকাশেৰেই এক সুসংহত চেতনা বা বিষয়বস্তু সন্তোষজনক ৰূপত প্ৰকাশ কৰি এটি নিজস্ব ধাৰাৰ সৃষ্টি কৰিব পাৰে, সেয়েই হ'ব আমাৰ বাবে আটাইতকৈ আনন্দৰ কথা।

সি যি কি নহওক, বৰ্তমানৰ ৰূপতো ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' এখন মোটামুটি সাৰ্থক, গুৰুত্বপূৰ্ণ উপন্যাস। সমগ্ৰ ভাৰতৰ আৰু বিশেষকৈ অসমৰ বৰ্তমান পৰিস্থিতিত এই উপন্যাসৰ আৰু এক স্বকীয় মূল্য আছে। বিচ্ছিন্নতাবাদ, ক্ষুদ্ৰ জাতীয়তাবাদ, আঞ্চলিকতাবাদ আদিৰ নামত বিভিন্ন আন্দোলন গঢ়ি উঠা সময়ত এতিয়া নৰহত্যাকে আদি কৰি হিংসাত্মক কাৰ্যৰ যি বিভীষিকা, তাৰ বিপৰীতে এই উপন্যাসৰ মানৱতাবোধৰ বাণী অতি আদৰণীয়। এই ক্ষেত্ৰত স্মৰণযোগ্য যে ভাৰতত আৰু বিশ্বৰ বিভিন্ন প্ৰান্ততো জাতীয়তাবাদী আন্দোলনৰ নামতে সংঘটিত হোৱা হিংসাত্মক কাৰ্যই মানৱতাকে যেতিয়া কৰিছিল বিপন্ন, তেতিয়া ৰবীন্দ্ৰনাথেও দোহাৰিবলগীয়া হৈছিল এই কথা যে জাতীয়তাতকৈ মানৱতা বহুতো ওপৰৰ (ৰবীন্দ্ৰনাথ ঠাকুৰ, 'নেশ্যনেলিজম' মেকমিলান, লণ্ডন, ১৯৫০)।





# টিভিৰ প্ৰভাৱ

নিজৰা ভৰালী

আধুনিক সমাজত টেলিভিশনে এক গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰিছে। বা-বাতৰি, শিক্ষা বিশেষকৈ মনোৰঞ্জনৰ বাবে টিভিটো আমাৰ এক অপৰিহাৰ্য বস্তুৰ দৰে হৈ পৰিছে। ধাৰ খণ কৰি হ'লেও আজিকালি সকলোৱে এটা টিভি লবলৈ চেষ্টা কৰে। কিন্তু টিভিৰ পৰা যিদৰে আমি বহুতো ভাল শিক্ষা লব পাৰিছো, তাৰ লগে লগে কিছুমান বেয়া শিক্ষাও নাই পোৱা বুলি ক'ব নোৱাৰি। আজিকালি সকলো ঠাইৰে মানুহ টিভিৰ প্ৰতি ইমান বেছি আসক্ত হৈ পৰিছে যে চিন্তাশীল ব্যক্তি সকলে টিভিৰ অপকাৰিতাৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য হৈছে।

আমাৰ সমাজতো ল'ৰা-ছোৱালীৰ লগতে আমি ডাঙৰবোৰো টিভিৰ লগত ইমান বেছি জড়িত হৈ পৰিছো যে ভাবিলে নিজৰে আচৰিত লাগে। কোনো কাম-কাজ নাথাকিলে বা অসুস্থ, বয়সীয়া লোকৰ বাবে সময় কটাবলৈ টিভিটো এটা বৰ ভাল বস্তু। কিন্তু টিভিয়ে যে আমাৰ কিমান স্বভাৱ চৰিত্ৰ আৰু সামাজিক পৰিবৰ্তন কৰিছে সেইটোহে আচল কথা।

আজিকালি প্ৰায় ঘৰে ঘৰে গধূলি হোৱাৰ লগে লগে টিভি খুলি বহাটো সকলোৰে ঘৰত এটা অভ্যাসৰ দৰে হৈছে। আমাৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰেও লৰালৰিকৈ 'হম ৱৰ্ক' খিনি কৰি আজৰি হৈ টিভিৰ আগত বহেগৈ। অইন পঢ়া শুনা কৰিবলৈ টান পায়। বহুতো সময়ত তেওঁলোকে পঢ়িবলৈ একো নাই বুলি মিছাও কোৱা দেখা যায়। আমি ডাঙৰ সকলেও টিভি চাবলৈ বুলি বহুতো কাম লৰালৰিকৈ কৰো। গৃহিণী সকলেও লৰালৰিকৈ ৰান্ধি বাঢ়ি আজৰি হয়। চিনেমা চিত্ৰহাৰ চাবলৈ নাপালে বন কৰা ল'ৰা-ছোৱালীহঁতে মুখ ওফন্দাই থাকে। কোন দিনা কি চিৰিয়েল আছে, চিনেমাত কোন কোন আছে আমাতকৈ সিহঁতেহে বেছি জানে। টিভি চাবলৈ নিদিলে বন কৰা ল'ৰা-ছোৱালীও আপোনাৰ ঘৰত থকা টান বুলি কয়। টিভিত চিনেমা থকাৰ দিনা মানুহৰ ঘৰলৈ ফুৰিবলৈ যাবলৈ অলপ অসুবিধা লাগে, কিজানিবা চিনেমা চোৱাৰ পৰা তেওঁলোক বঞ্চিত হৈছে। কিছুমানৰ ঘৰলৈ ফুৰিবলৈ গলে দেখিব সিহঁতে আপোনাক বহক বুলি কৈ একান্ত মনে চিনেমা চাইছে। মাজতে গৃহিণীয়ে এবাৰ চাহ খাব নেকি বুলি সুধিব। আপুনি নাখাওঁ বুলি ক'লে গৃহিণীৰ লগতে কাম কৰা ছোৱালীজনীয়েও সকাহ পাব। সৰু সুৰা চহৰবোৰত দেখিছো টিভিত চিনেমা থকাৰ দিনা বিয়া বাৰু, শ্ৰাদ্ধ আদি হ'লে মানুহবোৰ লৰালৰিকৈ তাৰ আগতে আহি যায়। অকল যে চিনেমা চাইয়ে মানুহে আনন্দ লভিছে এনে নহয়; তাৰ অন্ধ অনুকৰণো সকলোৱে কৰিব লৈছে।

সমাজত প্ৰভাৱ পেলোৱা টিভিৰ আৰু এটা আহিলা গৈছে বিজ্ঞাপনবোৰ। কোম্পানীবোৰৰ মাজত প্ৰতিযোগিতা হৈ বিজ্ঞাপনবোৰে এনে কিছুমান কথা প্ৰচাৰ কৰে; যিবোৰ সৰু আৰু ডাঙৰ সকলোৰে বাবে ক্ষতিকাৰক। এই বিজ্ঞাপনবোৰ দেখি দেখিয়েই আজিকালি আমাৰ ল'ৰা-ছোৱালীহঁতৰ আৱশ্যকীয় বস্তুৰ অন্ত নাইকিয়া হৈছে। টকা পইছাৰ আমদানি থকা সকলৰ লগতে নথকা সকলেও আজিকালি টিভিৰ বিজ্ঞাপনত দেখা সাজপাৰ আৰু প্ৰসাধন দ্ৰব্য কিনাতহে বেছি জোৰ দিয়ে। সেইদৰে বিভিন্ন ধৰণৰ ক'ল্ড ড্ৰিংক আৰু দামী দামী চকলেট আদিৰ বিজ্ঞাপনেও ল'ৰা-ছোৱালীক প্ৰলোভিত কৰি মাক দেউতাকক সেইবোৰ কিনি দিবলৈ হাৰাশাস্তি কৰে।


যি সময়ত চৰকাৰে পেট্ৰলৰ খৰচ কমাবলৈ সকলোকে আহ্বান জনাইছিল, সেই সময়তে টিভিত Street Howk নামৰ এটা প্ৰগ্ৰেমত খুব জোৰেৰে মটৰ চাইকেল চলোৱা এটা চিৰিয়েল হৈছিল। মটৰ চাইকেলৰ বিজ্ঞাপনতো অদ্ভুত ধৰণেৰে মটৰ চাইকেল চলোৱা চাই উৎসাহিত হৈ আমাৰ ল'ৰাবোৰেও সেই ধৰণেৰে চলাবলৈ হৈ কিমান দুৰ্ঘটনা কৰিছে আৰু কিমানৰ মৃত্যু হৈছে তাৰ ঠিক নাই।

কিন্তু এই বিজ্ঞাপনবোৰৰ পৰা আমাৰ মাজে মাজে কামত নাই অহা বুলিও ক'ব নোৱাৰো। আমাৰ লাগতিয়াল বস্তু বহুতো এই বিজ্ঞাপনবোৰৰ পৰাই ক'ত পায় বা কেনেকৈ পাব পাৰো জানিব পাৰো।

সকলো বস্তুৰে ভাল বেয়া দুটা দিশ থাকে। সেইদৰে টিভিৰ দ্বাৰা বহুতো ভাল কথা শিকিব পাৰিলেও আমাৰ ল'ৰা-ছোৱালী আৰু আমি ইয়াৰ দ্বাৰা প্ৰভাৱিত হৈ বহুতো ভাল গুণ হেৰুৱাব লগাত পৰিছো। আজিকালি আমাৰ ঘৰুৱাকে ভালদৰে বহি নিজৰ সন্তানৰ লগত কথা পাতিবলৈ সময় নাই। যিখিনি আজৰি সময় ওলাল, টিভি চাব লাগে। দেওবাৰৰ দিনটোহে ঘৰৰ সকলোৱে লগ হৈ কথা পাতিবলৈ আৰু কাম কৰিবলৈ সময় পায়। কিন্তু দেওবাৰৰ দিনটোত টিভিত ইমান প্ৰগ্ৰেম থাকে যে ল'ৰা-ছোৱালীবোৰেও একো কাম কাজত মন নিদি টিভিৰ আগত বহাতহে ইচ্ছা কৰে। ইয়াৰ ফলত লাহে লাহে ল'ৰা ছোৱালীবোৰে মানুহৰ লগত কেনেদৰে কথা পাতিব লাগে বা কেনে আচৰণ কৰিব লাগে নজনা হৈ আহিছে। এই কথাবোৰ আমি আলহী আহিলে বা আমি নথকাত কোনোবা আহিলে ল'ৰা-ছোৱালীবোৰে ভালদৰে একো বুজাব নোৱৰাৰ পৰাই গম পাওঁ। টিভি, চিনেমা হলত প্ৰদৰ্শিত ৰুচিহীন সস্তীয়া বোল ছবিৰ দ্বাৰা প্ৰভাৱিত হৈ আমাৰ যুৱক-যুৱতী সকলে কেনেদৰে শালীনতা হেৰুৱাইছে, তাক আমি সকলোৱে দেখিছো। ইয়াৰ ফলত যুৱক সকলে কোনো কষ্ট নকৰাকৈ ধন ঘটাৰ বিভিন্ন উপায় উলিয়াইছে।

কিন্তু সেই বুলি আমি টিভিটো আমাৰ দৈনন্দিন জীৱনৰ পৰা আঁতৰাই পেলাব নোৱাৰো। কিদৰে সংযত ব্যৱহাৰৰ দ্বাৰা আমি বিজ্ঞাপনৰ এই লাগতিয়াল অৱদান কামত লগাব পাৰো তাকেহে চিন্তা কৰিব লাগে। সেইদৰে শিল্পী সাহিত্যিক সকলেও সুৰুচিপূৰ্ণ নাটক অভিনয় আৰু আলেখ্য আদিৰ দ্বাৰা মানুহক আকৰ্ষিত কৰিবৰ বাবে চেষ্টা কৰা উচিত। কাৰো উপকাৰত নহা, বৰঞ্চ প্ৰভূত অপকাৰ সাধা সস্তীয়া প্ৰদৰ্শন বন্ধ কৰিবলৈ বাতৰি কাকত আৰু দূৰদৰ্শনলৈয়ো টানি লিখি থাকিলেহে সংশ্লিষ্ট কৰ্তৃপক্ষৰ গা লৰিব বোধকৰো।

"আমাৰ জীৱনৰ অনেক আশা-আকাঙ্ক্ষা পূৰণ হ'ল।"



"কিন্তু আমাৰ নিজা ঘৰ এটাৰ অভাৱ দূৰ নহ'ল।"

এটা ভাল চাকৰি, উজ্জ্বল ভৱিষ্যত, ভাল দৰমহা, সুখী পৰিয়াল আৰু ৰিফ্রিজৰেটৰ, কলাৰ টিভি, ভি চি আৰ, ৱাচিং মেচিন আৰু টু-হুইলাৰৰ দৰে সা-সুবিধাবোৰ।

আমি এই সকলোবোৰ পালো কিন্তু যদিহে লগতে আমাৰ নিজাকৈ ঘৰ এটাও থাকিলেহেতেন। তেনেতে এবাৰ এজন বন্ধুৱে হ'ম ল'ন একাউন্ট স্কীম ধনৰ কথা উলিয়ালে। তেওঁৰ পৰামৰ্শমতে মই এটা সূচীভুক্ত বেংকত এটা হ'ম ল'ন একাউন্ট খুলিলোঁ আৰু সঞ্চয় আৰম্ভ কৰিলোঁ। মোৰ সঞ্চয় বাঢ়ি আহিছে আৰু মই জানো যে সোনকালেই মই এটা ঋণ বিচাৰি আবেদন কৰিব পাৰিম আৰু মোৰ লক্ষত উপনীত হব পাৰিম।

হ'ম ল'ন একাউন্ট স্কীমখন হ'ল সঞ্চয় সংলগ্ন আচনি যাৰ সহায়ত আপুনি ঘৰ কৰোৱাৰ বাবে ঋণ পাবৰ যোগ্য হয়। আপুনি নিজকে সহায় কৰিব পৰাকৈ এই আচনিখন যুগুতোৱা হৈছে।

এইখন ইমান শিথিল আৰু সুবিধাজনক যে ইয়াৰ পৰা দৰমহাভোগী, দিন হাজিৰা কৰা শ্ৰমিক, বৃত্তিজীৱি, ব্যৱসায়ী আৰু খেতিয়ক সকলো উপকৃত হব পাৰে। তদুপৰি এই আচনিয়ে আকৰ্ষণীয় কৰ ৰেহাই সুবিধাও দিয়ে।

হ'ম ল'ন একাউন্ট হ'ল এখন ৰাষ্ট্ৰীয় আচনি। গতিকে যিকোনো ৰাষ্ট্ৰীয়কৃত বেংক বা দেশৰ যিকোনো ঠাইতে থকা ভালেমান সূচীভুক্ত বেংকৰ লগত যোগাযোগ কৰক। আৰু আপোনাৰ হ'ম ল'ন একাউন্টটো আজিয়েই খোলক।

নেছনেল হাউচিং বেংক

(ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সম্পূৰ্ণ মালিকী স্বত্বৰ)

হিন্দুস্তান টাইমছ হাউচ, (৬ষ্ঠ তলা)
১৮-২০ কস্তুৰবা গান্ধী মাৰ্গ,
নতুন দিল্লী-১১০০০১

বোম্বে লাইফ বিল্ডিং (৩য় তলা)
৪৫, বীৰ নৰিমেন ৰ'ড, ফৰ্ট, বোম্বাই-৪০০০২৩

আমাৰ লক্ষ্য : সকলোৰে বাবে ঘৰ।

Chaitra D NHB 1890 ASS



# ডিকুটন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰবৰা

যুবনোৱা আৰু খোৱা মানুহবোৰৰ ওপৰত অত্যাচাৰ কৰা দেখি কিয়েনল'ভাৰ এম্ এন্ এফ-বোৰৰ ওপৰত খং উঠিল। সি সময় পালেই তল ওঁঠটোত টুইবুৰখিনি নপৰাকৈ ধৰি অস্পষ্ট ভাষাত সিহঁতক গালি পাৰি ক'বলৈ ধৰিলে– আমি যেন থু নাখাওঁৱেই। আমি কিবা অধঃপতনে গৈছোনে? ইহঁতে মদ বন্ধ কৰি গোটেই মানুহজাকক যেন সৰগতহে তুলিব।

ৰোৱাটাই কাৰ্ফিউৰ দুদিন মন গ'লেই বাইবেলৰ একো অধ্যায়ত চকু ফুৰালে। ওপা ৰ'ছিয়ামাৰ তত্ত্বাৱধানত সি বাইবেলৰ বহু কথা ইতিমধ্যে শিকিছে। ৰেমাৰ কিন্তু ঘৰত থকা গিটাৰখনো বজাবলৈ মন নগ'ল। তাৰ পুনৰ জেলত সোমাই থকাৰ দৰে লাগিল। কাৰ্ফিউ উঠাই দিয়াৰ লগে লগে সুবিধা পাওঁতেই সি কিমিক লগ পাবলৈ গ'ল।

কিমিয়ে ভাত ৰান্ধি আছিল। মাকে ডলা এখনত কুটা ধপাত এসোপা লৈ কাগজৰ টুকুৰাত মেৰিয়াই বাইল' বনাই আছিল। নিজেও এটা মুখত লৈ হুপি আছিল।

ৰেমাই দেখিলে কিমিৰ গাল-মুখ লনি গৈছে। গাটোও শুকাই গৈ পৰিছে। তাই এতিয়া সোতৰ বছৰমানৰে হ'লহি।

তাক দেখি কিমিয়ে মিচিকিয়াই হাঁহিলে অ' তই আহিলি? ভালনে?

ৰেমাই উত্তৰ দি মন কৰিলে তাইৰ যেন তাৰ কথা শুনিবলৈ সময়েই নাই। তাই খৰধৰকৈ ইফালে সিফালে খোজ দিছে আৰু ৰন্ধা বঢ়াৰ কাম কৰি গৈছে। তাইৰ ভাৱভংগী আংপুইৰ কিমিজনীৰ দৰে নহয়।

কিমিৰ মাকেহে তাৰ লগত কথা পাতিলে। কিমিৰ আলেখ লেখ চাবলৈহে ৰেমাৰ বহি থকা যেন লাগিল। তাই ৰন্ধা-বঢ়া কৰি বাচন বৰ্তনবোৰ ভাত খোৱা চাপৰ মেজখনত সজালে। তাৰ পাছত চুলিখিনি ফনিয়াবলৈ ধৰিলে। তাই এপাকত হাতত মিলিটাৰী কেন্টিনৰ পৰা কিনা ঘড়ী এটাও পিন্ধি আহিল। তাই ক'লে– কা-পা এতিয়াও নাহিল।

বাপেৰনো ক'লৈ গৈছে? – ৰেমাই সুধিলে।

এ. অ'ৰ ওচৰলৈ। – কিমিয়ে ক'লে। -কা পা গাঁৱৰ কমিটিৰ মেম্বাৰ।

তাই এইবাৰ ভিতৰলৈ গ'ল। নিকা কাপোৰ কানি পিন্ধি ওলাই আহিল। গাঁৱত থাকোতে এনে কাপোৰ তাই বিয়াই সবাহেহে পিন্ধে। ৰেমাই তাইলৈ চাই সুধিলে– ক'ৰবালৈ যাব নেকি?

তাই মিচিকিয়াই হাঁহি ক'লে– স্কুললৈ। ইয়াৰ প্ৰাইমেৰী স্কুলখনতে দুমাহ মানৰ পৰাই মই কাম কৰিছো। তালৈকে যাব লাগে।

ৰেমা অবাক হ'ল। সি সিদিনা কিমি স্কুললৈ গ'ল -বুলি শুনোতে গ্ৰুপ চেন্টাৰটোত নতুনকৈ পতা হাইস্কুলখনত পঢ়িবলৈ যোৱা বুলিহে ভাবিছিল, চাকৰি কৰিবলৈ যোৱা বুলি সপোনতো ভবা নাছিল। সি তাইলৈ পুনৰ ভালদৰে চাই দেখিলে তাই পুনৰ ঘড়ীটো-চাইছে আৰু কৈছে– দেৰিয়েই হব এতিয়া! কা-পা এতিয়াও নাহিল।

ৰাস্তাত হ'ৰামধাঙাক দেখা গ'ল। তেওঁ গ্ৰুপ চেন্টাৰটোৰ এ.অ' পাঠকৰ লগত গাঁৱৰ এমূৰৰ পৰা আহি আছিল। পদূলিত পু-ধাঙাই এ. অ' পাঠকক বিদায় দিলে। পাঠক মানুহটোৰ বৰণ ক'লা। বেচ শকত। মুখখন ঘূৰণীয়া। দেহ ৰক্ষক মিলিটাৰী দুটাক লৈ মানুহটো আঁতৰি গ'ল।

পু হ'ৰামধাঙাই ৰেমাক দেখি আগ্ৰহেৰে মাতিলে– তই কেতিয়া আহিলি?

তাৰ পাছত ক'লে– তই ভালদৰে থাকিবি। কাম বনবিলাক ভাবি চিন্তি কৰিবি। আমি এতিয়া ইয়াতেই ভালদৰে থাকিব লাগিব। এড্‌ভাইছৰী কমিটিয়ে গাঁৱৰ বহুতো উন্নতিৰ পৰিকল্পনা হাতত লৈছে। আমি এনেদৰেই উন্নতি কৰিম।

পু ধাঙাই পৰিকল্পনাৰ কথা ক'বলৈ মুখ মেলিছিলেই, কিমিয়ে ভাত বাঢ়ি উৎপাত লগাই দিলে– কা-পা, ভাত খাহি। নহ'লে স্কুললৈ দেৰি হব।

ৰেমাকো ভাত খাবলৈ ৰাখিছিল। সি কিন্তু নৰ'ল।

না-থীয়াল গ্ৰুপ চেন্টাৰটো ছখন গাঁৱেৰে গঠিত। এখন গাঁৱৰ মানুহবোৰ কেথ'লিক। আন দুখনৰ মানুহবোৰ বেপ্‌টিষ্ট। আনবোৰ প্ৰেছবিটাৰিয়ান। এই গাঁওবোৰৰ ডেকা-বুঢ়া চেঙেলীয়া চামবোৰ মিহলি হৈ একো একোটা নতুন চাম ওলাল। কিমিৰ আচৰণে বিব্ৰত কৰাত ৰেমাই যেতিয়া না-থীয়ালৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ মনৰ মিল থকা বন্ধু বান্ধৱ কাৰোবাক বিচাৰি পায় নেকি চাবলৈ ধৰিলে আংপুইৰ দুই এটাক তেনে সৰু দল একোটাতহে পালে।

থুমীও তেনে এটা দলতে আছিল।

– অ', তই আহিলি। – ৰেমাক দেখি তাই ক'লে।

থুমীৰ চপলতা দেখি সি ভাল পালে, লগে লগে কৌতূহলো হ'ল। হাইজাত বাপেক মাকক আৰু মাউতামত ভায়েক দুটাক হেৰুওৱাৰ পাছত পেহীয়েকৰ তাত ডাঙৰ-দীঘল হোৱাৰে পৰা তাইৰ মনটো মৰা। এই এক দেৰ বছৰৰ ভিতৰতে তাইৰ মুখৰ হাঁহি যেন উলটি আহিছে। মুখৰ বৰণো ৰঙচুৱা হৈছে।

– এতিয়া কিবা এটা কৰ- থুমীয়ে ৰেমাক সহজ ভাবে ক'লে।

ৰেমাই তাইৰ মুখলৈ চালে। তাইৰ মুখৰ চাৰনিত জীৱনটোক সহজ ভাবে লোৱাৰ ইংগিত। ৰেমাই কিন্তু এতিয়ালৈকে কি কৰিব একো ঠিক কৰিব পৰা নাই। সি থুমীৰ পৰা গম পালে কোনোবাটো যোগান বিভাগৰ বস্ত কঢ়িওৱা বনুৱা হৈছে, আন কোনোৱা দুটামান জুম খেতিত লাগিছে। দুই-এটাই গ্ৰুপ চেন্টাৰটোত গঢ়ি উঠা বজাৰখনত শাক-পাতৰ বেহা-বেপাৰ কৰিছে। কোনোবা দুটামানে আদাৰ দিনত শিলচৰৰ পৰা অহা বঙালী বেপাৰীৰ লগত আদাৰ বেপাৰ কৰিছে।

– মই হাই স্কুলখন খুলিলেই স্কুললৈকে যাম বুলি ভাবিছো। – থুমীয়ে ক'লে।

ৰেমাই তাইলৈ অবাক হৈ চাই থাকিল।

সিহঁতৰ লগত পিটাৰ লালজীকা নামৰ চেঙেলীয়া এটা আছিল। সি ক'লে– মই আইজ'ললৈ যাম আৰু হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা দিম।

ৰেমাৰো পৰীক্ষাটো নিদিয়াকৈয়ে থাকিল। সি অৱশ্যে পৰীক্ষাটো দিম বুলি এতিয়াও ভবা নাই।

– তইনো কি ভাবিছ? কিমিও বোলে ছিলঙত পঢ়িবলৈ যাব। – থুমীয়ে ক'লে।

ৰেমাই তপৰাই সুধিলে– অ' – জানো। তাই দেখোন স্কুলত কাম কৰি আছে।

– আছে, পিছে– তাই চোকা বুদ্ধিৰতো! পু-ভটে তাইৰ বাবে বোলে ছিলঙত চিট যোগাৰ কৰি দিয়াৰ কথা কৈছে।

থুমীৰ কথাত ৰেমাৰ মুখখন মুহূৰ্ততে ক'লা পৰিল। তাৰ বুকুখন অলপ বিষাই উঠিল। তাৰ পাছত তাৰ উশাহ-নিশাহ অলপ ঘন হবলৈ ধৰিলে।

থুমীয়ে তাৰ কথা কিবা বুজিলেনে নাই ৰেমাই বুজিব নোৱাৰিলে। কিন্তু তাই পুনৰ ক'লে– বাপেক আসাম ৰাইফলছত থকা কালত কিমিহঁত ছিলঙত আছিল। তাই ছিলঙত আগতেও পঢ়িছিল।

ৰেমা মনে মনে থাকিল।

সিহঁত মথা ঘৰ এটাৰ সন্মুখত বহি আছিল। আইজ'লৰ ফালৰ পৰা মিলিটাৰীৰ ট্ৰাকৰ কনভয় এটা অহা দেখি সিহঁত লৰা-লৰিকৈ ঘৰটোৰ ভিতৰলৈ সোমাল। বাটৰ ধূলিয়ে নহ'লে সিহঁতক পুতি পেলাব।

– কনভয়টো বেছ দীঘলীয়া। – লুংলেৰ ফাললৈ যোৱা ট্ৰাকবোৰ চাই চাই যুৱালা বোলাটোৱে ক'লে।

হুঁ। – ছ'মলীয়ানা বোলাটোৱে শলাগিলে। সি গ্ৰুপ চেন্টাৰটোত থকা আৰ্মিৰ পষ্টটোলৈ মাজে মাজে যায় আৰু গিটাৰ এখন লৈ জোৱানবোৰক গান গাই শুনায়। দুই এটা হিন্দীও ক'বলৈ চেষ্টা কৰে। সি সোমাই থকা ঘৰটোৰ কোঠাটোৰ পৰা খিৰিকিৰে বাৰে বাৰে মূৰ উলিয়াই কনভয়ত যোৱা মিলিটাৰীবোৰক হাত জোকাৰি জোকাৰি ক'লে– বাই, বাই- ভাই চাব্!





ৰেমাৰ বৰ ভাল নালাগিল। সি কিন্তু যুৱালাৰ বাহিৰে আন কেইটাৰ মুখত কোনো ধৰণৰ কঠিনতা দেখা নাপালে। পিটাৰ লালজীকা বোলাটোৱে ক'লে– তইতে যিয়েই নকৰ, যোৱা তিনি বছৰে আমি ভৈয়ামৰ কিছুমান মানুহৰ সংস্পৰ্শলৈ আহিলো। সিহঁতক বুজিলো। হিন্দী শব্দও দুই এটা শিকিলো।

পিটাৰৰ কথাবোৰ ৰেমাই বুজিব নোৱাৰিলে। যোৱা কেইবছৰে মিলিটাৰীৰ উৎপাতত গাঁৱত ল'ৰা-বুঢ়া থাকিব নোৱৰা হৈছে আৰু সি কৈছে এইবোৰ কথা।

পিটাৰে পুনৰ ক'লে– আমাৰ ভাষাটো দুবছৰতে বেছ চহকী হ'ল। আইডেন্টিটি কাৰ্ড, কাৰ্ফিউ, এমবুছ, কনভয় আদি শব্দ আমাৰ অভিধানত সোমাল। এইটো আমাৰ ভাষাৰ বাবে বেছ ভাল লক্ষণ।

ৰেমাই বুজি পালে পিটাৰৰ কথা-বাৰ্তা বেলেগ। সি বৰণত অলপ গোমা যদিও তাৰ গাৰ চাল আৰু চকু উজ্জ্বল। ৰেমাই মন কৰিছিল সি যেতিয়া আইজ'লত গৈ শিক্ষান্ত পৰীক্ষা দিয়াৰ কথা কৈছিল তাৰ চকু দুটা তিৰবিৰাই উঠিছিল।

সিহঁত বহি থকা ঘৰটো কাৰ ৰেমাই নেজানে। ঘৰৰ আদহীয়া মানুহ এটাই ক'লে– মই ওলাই যাওঁ। ঘৰত আৰু কোনো নাই। তইত গ'লে দুৱাৰখন জপাই থৈ যাবি।

থুমী যাবলৈ ওলাল। ৰেমাও উঠিল। সিহঁত বাট পাওঁতে যুৱালাও সিহঁতৰ লগ লাগিল।

সিফালৰ পৰা অকলশৰে ডেকা এটা আহি আছিল। তাক দেখি যুৱালাই থুমীলৈ চাই হাঁহিলে। থুমীয়েও হাঁহি মাৰি ক'লে– অ'ই– কিয় হাঁহিছ'?

– মই হাঁহিবও নোৱাৰিম নে? হাঁহিবলৈতো চৰকাৰে নিষেধাজ্ঞা জাৰি কৰা নাই। – যুৱালাই ক'লে।

– দুষ্টটো! –থুমীৰ কথাত তাইৰ সোতৰ বছৰীয়া পুৰঠ দেহাৰ চপলতা প্ৰকাশ পালে।

সিফালৰ পৰা আহি থকা ডেকাটো দেখনিয়াৰ। বাইছ-তেইছ বছৰীয়া। তাৰ নাম থানমইয়া। থুমীক লগ পাই সি ক'লে- থুমী, ব'লচোন গাঁৱৰ মূৰৰ পৰা আহো।

যুৱালাই ৰেমাক ক'লে– তই ব'। কথা আছে।

থুমীহঁত যোৱাৰ পাছত সি ৰেমাক ক'লে–মোৰ হ'লে পঢ়া-শুনা কৰিবলৈ অলপো ইচ্ছা নাই। তই বাৰু ক'চোন তই জেলত থাকোতে কিবা কষ্ট পাইছিলি নেকি?

ৰেমাৰ যুৱালাক ভাল লাগিল। সি কথাবোৰ কৈ যাওঁতে মন কৰিলে যুৱালাই তাৰ কথা মনপুতি শুনিছে।

সিহঁত এৰা-এৰি হোৱাৰ আগতে ৰেমাই সুধিলে– তই থুমীলৈ চাই কিয় হাঁহিছিলি অ'-

যুৱালাৰ মুখত হাঁহি বিৰিঙিল। সি ক'লে থানমইয়া থুমীৰ যাঙাইজঙ্– প্ৰেমিক।

থুমীৰ মনৰ ৰং আৰু চপলতা ৰেমাই এতিয়াহে বুজি পালে। তাৰ ভাল লাগিল। তাৰ মুখখনো হাঁহিত উপচি পৰিল।

ৰোৱাটা ওপা ৰ'ছিয়ামাৰ লগত কিবা কথা পাতি আছিল। সিহঁতৰ ঘৰৰ অলপ আঁতৰতে মিলিটাৰী অফিচাৰ এজনে মতা-তিৰোতা কিছুমানৰ ফটো তুলিবলৈ যো জা কৰিছে। সিহঁতৰ কিন্তু ভ্ৰূক্ষেপ নাই। ফটো উঠিব খোজা মানুহজাকৰ মন বেছ বেঁয়াল। তাৰ মাজৰ কোনোবা এজনীয়ে ৰেমীক বাৰে বাৰে মাতিছে। ৰেমীয়ে তাইৰ প্ৰায় দুবছৰীয়া ছোৱালী পাৰিক পিঠিত বান্ধি জোকাৰি জোকাৰি নিৰ্বাক হৈ ৰ'ল। তাইৰ ফটো উঠাৰ চখ একেবাৰে নাই, তাতে মিলিটাৰীৰ আগত।

ৰেমা আহি ওলালহি। সি ৰেমীক দুদিনমান লগ পাইছে। সি বুজি পাইছে তাইৰ মনৰ অৱস্থা এতিয়াও বেয়া। তাইতো তাৰ ককায়েক মোৱানাৰ লগত ঘৰ কৰিবই নোৱাৰিলে। সিহঁত দুয়োটা এনিশাও নিজা ঘৰ এখনত থকাই নহ'ল। এনেয়ে, হোৱা হ'লে বিয়াৰ কেইদিনমান পাছতে বেলেগে চাংঘৰ বনাই ৰেমীক লৈ মোৱানা ঘৰৰ পৰা ওলাই গ'লহেঁতেন। কিন্তু সেই কথা সিহঁত দুটাৰ মনত পুহি ৰখাতে থাকিল। সিহঁতে বিয়া ঠিক হোৱাৰ আগতে নিশা নিশা লগ পাওঁতে মনত বহু কথা পাঙিছিল। কিন্তু সেইবোৰতো পূৰণ নহ'লেই আনকি বিয়াও টাঁও ঘৰতহে পাতিব লগা হ'ল। তাই তাক জীৱিত অৱস্থাত শেষবাৰৰ বাবে গুলি-ধোঁৱা আৰু ধূলিৰ মাজেৰে বিয়াৰ পাছ মুহূৰ্ততে পাহাৰৰ আওতলীয়া অংশৰে আঁতৰি যোৱা দেখা পাইছিল। তাৰ পাছত দেখা পাইছিল গাঁৱলৈ তেজত তুমৰলি মৃত দেহটো আনোতেহে। তাই তাকে সাৱটি হুৱাওৱাওকৈ কান্দিব বিচাৰিছিল। মানুহবোৰে তাকো কৰিবলৈ নিদিলে। তাইক অলপ আঁতৰাই লৈ গ'ল। এইবোৰকে বুকুত বান্ধি ৰেমী দিনে নিশাই বহি থাকে। মুখত হাঁহি বিৰিঙিব নোৱাৰে।

ৰেমাও কথাবোৰ কওঁতে তাইৰ পুনৰ বেয়া লাগিল। মনটো সেমেকি উঠিল।

ৰেমাৰ নিজৰ উশাহবোৰ ঘন হৈ আহিল। ককায়েকৰ মৃত্যু আৰু গাঁওখন জুইত ধ্বংস হোৱা ছবি মনত ভাহিবলৈ ধৰিলে। তাৰ দম বন্ধ হৈ অহাৰ দৰে লাগিল। গাঁৱৰ মুকলিমূৰীয়া ভাব, টুইখুৰৰ আনন্দৰ পৰিবেশ, জীয়াংলুথাম চুই বৈ থকা শান্ত বতাহৰ কথা তাৰ মনত পৰিল।

অলপ শান্তিৰ আশা কৰি ৰেমা লুংলুঙীয়া বাটটোৰে আধামাইলমান দূৰৰ টুইখুৰটোলৈ গ'ল। সি ভাবিছিল তাতে হয়তো অলপ বহিব পাৰিব। কিন্তু নোৱাৰিলে। তাতো গাঁৱৰ মানুহৰ লগত মিলিটাৰী কিছুমানে কাপোৰ ধুইছে, গা ধুইছে, টিঙত পানী ভৰাইছে। আন কিছুমানে বন্দুক-বাৰুদ লৈ পহৰা দিছে। তাৰ উপৰি লুংলুঙীয়া বাটটোত থকা সিহঁতৰ টহলদাৰী জাকবোৰে তাক বাৰে বাৰে সকীয়াই দিছে সাৱধানেৰে থাকিবলৈ।

তাৰ এতিয়া দুমাহমানেই হ'লহি গ্ৰুপ চেন্টাৰটোত। সি ক'তো শান্তি নাপালে। তাৰ পু-মোৱাকা আৰু পী-লিয়ানীৰ কথা মনত পৰিবলৈ ধৰিলে। বুঢ়া-বুঢ়ীৰ কথাকে পাতিব বুলি সেই দিনা আবেলি উ-থুৱাঙীক লগ পাবলৈ ৰেমা তাইৰ ঘৰত সোমাল। থুৱাঙীক লগ পাবলৈ যোৱাৰ আৰু এটা কাৰণ আছিল। কেইদিনমানৰ পৰা তাইৰ মৰ্দপী ককায়েক মইয়া গাঁৱৰ পৰা নোহোৱা হৈছে। কোনোবাই ক'লে এম্ এন্ এফে বোলে তাক ধমকি দিছে মদ খোৱাৰ বাবে। তাৰো খবৰ লোৱা হব– ৰেমাই ভাবিলে।

আহ, ভিতৰত বহহি। – কথাষাৰ কৈয়ে থুৱাঙীয়ে সন্মুখৰ দুৱাৰখন বন্ধ কৰি দিলে।

ৰেমা চকীখনত বহিছেতে ভিতৰৰ পৰা খোজৰ শব্দ আগুৱাই আহিল। ৰেমাই সেইফালে চাই চক্ খাই উঠিল। থানয'মা। তালৈ বাঘৰ দৰে একেথৰে চাই আছে।

থানয'মা তাৰ ওচৰলৈ নাহিল। সি ভিতৰৰ কোঠাটোৰ কাষৰে আন্ধাৰ অংশ এটাত পাতি থোৱা পেৰা এটাৰ ওপৰত বহি পৰিল। তাৰ পাছত ৰেমালৈ চাই ক'লে– আহ, ইয়াতে বহহি।

ৰেমা মন্ত্ৰ মুগ্ধৰ দৰে তাৰ ওচৰত গৈ বহিল।

তোৰ নাম বিয়াকৰেমা, মোৱানাৰ ভায়েক। হয়নে নহয়? সৰু অথচ স্পষ্ট মাতেৰে হ'মাই ক'লে।

ৰেমাই শলাগিলে। তাৰ ডিঙিটো শুকোৱা যেন অনুভৱ হ'ল। ইয়ো তাৰ সবিশেষ জানে।

তই এতিয়া কি কৰিছ'? – হ'মাই সুধিলে।

নাই, একো কৰা নাই

কি কৰিবি? ইয়াত তই কি পাবি?



একো নাপাৰ। তাৰ উপৰি যাৰ আত্ম-সন্মান আছে সি ইয়াত পোৱা কামবোৰ কৰিব নোৱাৰে।

ৰেমাৰ ভাল লাগিল। উ-য'মাই তাৰ মনৰ কথা কৈছে। কোনোবা কোনোবাই তাক থাপতে পোৱা কাম-কাজ দুটামান কৰিবলৈ কৈছিল। সি কিন্তু কৰিবলৈ মান্তি হোৱা নাই। সি এতিয়া থানয'মাৰ কথা শুনি বুজি পালে যে তাৰো আত্ম-সন্মান বোলা কথা এটা আছে। উ-যম'লৈ তাৰ শ্ৰদ্ধা উপজিল।

থানয'মাই তাৰ মুখলৈ চালে। তাৰ মনৰ ভাব সি বুজিব পাৰিলে। সি পুনৰ ক'লে–চা, আমি যেতিয়া স্বাধীন হম এনে ধৰণৰ কথা আৰু নাথাকিব। আমি যিয়েই নকৰো কিয়, আমাৰ কাৰণে কৰিম। আমি কৰিব লাগে কাৰণে কৰিম, আনে কোৱাৰ কাৰণে নহয়।

থানয'মাই তাৰ বন্দুক ধৰা জানেৰে ৰেমাক বহু সময় বুজালে। তাৰ পাছত কঁকালত গুজি ৰখা ৰিভলভাৰটো দেখুৱাই সি ক'লে–'এই যে হাতত এইটো দেখিছ এনেবোৰ অস্ত্ৰৰেই আমি আনক দমন কৰিম। আমি স্বাধীন হম।

থানয'মাৰ লগত কথা পাতি থাকোতেই সন্ধিয়া লাগিল। বাহিৰত মানুহৰ খোজ-কাটল মাত-কথা কমি আহিবলৈ ধৰিলে। এসময়ত কাৰ্ফিউ আৰম্ভ হ'ল। মিলিটাৰীবোৰে জাক পাতি পাতি গাঁওখনত টহল দিবলৈ ধৰিলে। অ'ত ত'ত সিহঁতৰ গল-খেকাৰিহে শুনা গ'ল। ৰেমাৰ আৰু ঘৰলৈ যোৱা নহ'ল।

নিশা গভীৰ হৈ অহাৰ পাছত অ্ৰাঙীহঁতৰ ঘৰৰ সমুখত চাৰি পাঁচোটা মানুহৰ খোজৰ শব্দ শুনিবলৈ পোৱা গ'ল। অলপ পাছতে দুৱাৰত টোকৰ পৰিল।

ৰেমা আৰু থানয'মা ভিতৰৰ কোঠাত লুকাল। অ্ৰাঙী আগুৱাই গৈ জুমি চায় মানে বাহিৰৰ পৰা কোনোবাই চিঞৰিলে– দৰজা খোল–

কোনোবাই মিজো ভাষাতে কৈছে, কিন্তু তাৰ উচ্চাৰণৰ পৰা বুজা যায় মানুহটো মিজো নহয়। অ্ৰাঙীয়ে দৰজাখন খুলি দিলে। দুৱাৰৰ মুখত ৰৈ থকা মানুহটোক থেলি মিলিটাৰী এটাই মূৰ সুমোৱাই ইফালে সিফালে ভিতৰলৈ চাই তাইক সুধিলে ক'ই হায় ক্যা?

তাই মূৰ জোঁকাৰি ক'লে– আমন'–

সমুখত ৰৈ থকা মানুহটো এই অঞ্চলৰ এ, অ' পাঠক। তেওঁ মিলিটাৰীটোক ক'লে–ঠিক হ্যায়, ঠিক হ্যায়। তুম্ ল'গ বাহাৰ্মে ৰোক'। অন্দৰমে ক'ই নহী–

পাঠক ঘৰটোৰ ভিতৰত সোমাই দুৱাৰখন জপাই দিলে। দুৱাৰৰ সিপাৰে ৰাস্তাৰ কাষত চাৰিটা মিলিটাৰী ৰৈ থাকিল। সিহঁতে ইটোৱে সিটোৰ মুখলৈ চাই ফিচিঙা ফিচিঙি কৰিবলৈ ধৰিলে। সিহঁত এ, অ' পাঠকৰ দেহ ৰক্ষক হিচাপে আহিছে। কিন্তু মানুহটোৰ দুঃচৰিত্ৰৰ কথা সিহঁত সকলোৱে জানে। তাৰ উপৰি এই ঘৰত থকা তিৰোতাজনী সিহঁতে পাঠকৰ তালৈ দুদিনমান যোৱা দেখিছে।

পাঠকক দেখি থানয'মা তেওঁৰ কাষলৈ যাবলৈ সাজু হ'ল। তাকে দেখি ৰেমা আচৰিত হ'ল। সি থানয'মাৰ শকত হাতটোত খামুচি ধৰিলে। থানয'মাই মুখত আঙুলি দি তাক মনে মনে থাকিবলৈ ইংগিত দিলে। তাৰ পাছত হাতটো লাহেকৈ এৰুৱাই বহি থাকিবলৈ ইংগিত দি পাঠকৰ ফালে আগুৱাই গ'ল।

পাঠকে থানয'মাক দেখি হেন্দছেক্ কৰিলে। ৰেমা লুকাই থকাৰ পৰা অবাক হৈ চাই থাকিল।

পাঠকে সৰু মাতেৰে ক'লে– পু য'মা! আজিকালি বৰ দিগদাৰ।

কাগজেৰে মেৰিওৱা পেকেট এটা তেওঁ থানয'মাৰ হাতত তুলি দিলে। থানয'মাই কাগজখনৰ চুক এটা একৰাই চালে। এশটকাৰ শকত বান্দিল এটা। তাৰ পাছত পাঠকৰ চকুলৈ চাই মূৰ জোঁকাৰিলে– অৰ্থাৎ ঠিকেই আছে।

পাঠকে থানয'মাৰ মুখলৈ অনুগ্ৰহেৰে চাই থাকিল। তেওঁ ক'লে– পু য'মা। কথা এটা।

অলপ ৰৈ তেওঁ ক'লে– এই যে আমাৰ এৰিয়া এডমিনিষ্ট্ৰেটিভ অফিচাৰ এ. এ. অ' পু-ভট্– তেওঁ আজিকালি পু-য'ৰামথাঙাৰ ঘৰলৈ সঘনাই আহিবলৈ লৈছে। তেওঁৰ ঘৰত যে গাভৰু ছোৱালীজনী আছে, কিমি বুলি তাইৰ ওপৰত তেওঁৰ চকু।

পাঠকে থানয'মালৈ অলপ চাই তাৰ মনটো বুজিবলৈ চেষ্টা কৰিলে। থানয'মাই ভালপোৱাৰ ভাবটো প্ৰকাশ কৰা নাই যদিও বেয়া পোৱাৰ ভাবো প্ৰকাশ কৰা নাই। তেওঁ পুনৰ ক'লে– যোৱাকালি লুংলেৰ পৰা ইয়াত সোমাই আইজ'ললৈ গৈছে। তিনি দিনৰ পাছত উভতি অহাৰ কথা। আপোনালোকে অলপ চায় যদি–

থানয'মাই একো নামাতিলে। সি কিছুসময় পাঠকৰ মুখলৈ চাই থাকিল। পাঠকৰ মুখত অলপ ভয়ৰ ভাব প্ৰকাশ পালে। সি সেপ এটোক গিলিলে। কিছুসময়ৰ পাছৰ্ত থানয'মাই কিবা ভাবি ক'লে– ঠিক আছে–

পাঠকৰ মুখৰ ভাব অলপ সহজ হ'ল। তেওঁ মুখত অলপ হাঁহি ফুটাবলৈ যত্ন কৰি ক'লে– আপোনাৰ যদি কিবা দাবী আছে কওক। মই পূৰাবলৈ চেষ্টা কৰিম।

– এতিয়ালৈ এয়াই হব। – য'মাই টকাৰ বান্দিলটো দেখুৱাই ক'লে। – পাছৰ কথা পাছত জনাম।

– তেনেহ'লে মই– বুলি পাঠক অলপ ৰ'ল। কিবা ভাবি তাৰ পাছত ক'লে– অলপ সময় বহো।

পাঠক টুল এখনত বহি পৰিল। থানয'মা আৰু অ্ৰাঙীও আন টুল দুখনত বহিল। সিহঁতে কেইমিনিটমান কথা-বতৰা নোকোৱাকৈ মনে মনে থাকিল। তাৰ পাছত পাঠকে থিয় হৈ থানয'মাক হেন্দছেক কৰিলে আৰু অ্ৰাঙীৰ ফালে চাই ক'লে– আহ।

থানয'মা আঁতৰি ৰেমাৰ ওচৰ পালেহি। পাঠক দৰজা খুলি ওলাই যোৱাৰ সময়ত অ্ৰাঙী দুৱাৰৰ কাষতে থিয় দি ৰ'ল। মিলিটাৰী কেইটাৰে তেওঁ আঁতৰি নেদেখা হোৱাৰ পাছতহে তাই দুৱাৰখন বন্ধ কৰিলে।

অ্ৰাঙী কাষলৈ অহাৰ লগে লগে ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহি এবাৰ তাইলৈ আৰু আনবাৰ পু-থানয'মালৈ ৰেমাই আচৰিত হৈ চাবলৈ ধৰিলে। সিহঁত দুটাৰ ওঁঠত এটা অদ্ভুত হাঁহি বিৰিঙি আছিল। সি অবাক হৈ সুধিলে – পু য'ম, মই একো বুজিব পৰা নাই।

– বুজিবি। তই এম্ এন্ এফ্‌ত যোগ দে।

ৰেমাই সিহঁতৰ কথা-বাৰ্তা ভালদৰে শুনা নাছিল। সি সুধিলে– পু পাঠকে কিমিৰ কথা কি ক'লে?

থানয'মা আৰু অ্ৰাঙীয়ে ইটোৱে সিটোৰ মুখলৈ চোৱা চুই কৰিলে। সিহঁত দুয়োটায়ে কিমিৰ প্ৰতি থকা ৰেমাৰ দুৰ্বলতাৰ কথা জানে। থানয'মাই ক'লে– পু-ভটৰ দৰে আদহীয়া মানুহটোৱে বোলে কিমিৰ দৰে সুন্দৰী গাভৰুজনীৰ ওপৰত চকু দিছে।

থানয'মাই ৰেমাৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰিবলৈ চেষ্টা কৰিলে। ৰেমাৰ যেন তেজৰ সোঁত এটা মূৰৰ ওপৰলৈ উঠি গ'ল। তাৰ মুখখন মুহূৰ্তৰ বাবে ৰঙা পৰিল। কিন্তু অন্ধকাৰত কোনেও দেখা নাপালে। তথাপি থানয'মাই মন কৰিলে ৰেমাৰ উশাহ-নিশাহ অলপ ঘন হৈছে।

–কিন্তু, পু-ভট – ৰেমাই কিবা ক'ব বিচাৰিলে। পু-ভটে আৰ্মিৰ কেপ্তেইনজনৰ আগত আংপুইত হোৱা অত্যাচাৰৰ প্ৰতিবাদ কৰাৰ কথা মনত পৰিল। পু-ভটৰ উত্তেজিত মুখখনো বাৰে বাৰে তাৰ চকুৰ আগলৈ আহিবলৈ ধৰিলে। – কিন্তু, পু-ভট? পু-ভটতো তেনে নহয়–

থানয'মাই নিজেও জানে সেই কথা। তথাপি তাৰ মনত তেতিয়া এটা দুষ্ট বুদ্ধি খেলাইছে। সি ক'লে– তোক এটা কথা কওঁ। ভৈয়ামৰ মানুহবোৰ চিনিবলৈ কঠিন। এই পু-পাঠকটোকে নাচাৱ কিয়? কি কম দগাবাজনে? সি পইছা দিছে কাৰণে মই তাৰ গুণ গান কৰিম বুলি ভাবিছ নেকি? সি দুৰ্নীতিৰ শিখৰত, চৰিত্ৰহীন আৰু ঠগ। সি যি চৰকাৰক লুটি-পুটি খাই জীয়াই আছে তাকেই ঠগন! এইটো কম কথা বুলি ভাবিছনে?

থানয'মাই মন কৰিলে ৰেমাই তাৰ কথা মন দি শুনিছে। সি কৈ গ'ল– এই যে পু-ভট্, তেনে নহব বুলি ভাবিছ নেকি? ভৈয়ামৰ মানুহবোৰ একেই। মুখত এটা পেটত এটা। তাৰ উপৰি তিৰোতাৰ ক্ষেত্ৰত সিহঁত সকলো একে। পাঠকটোতো তিৰোতাৰ ক্ষেত্ৰত জন্তুৰ শাৰীৰ। পু-ভট্ যে তেনে নহব তাৰ কোনো মানে নাই। তাতে কিমি সুন্দৰী, তাইৰ দেহৰ গঠন চকুত লগা আৰু সোতৰ বছৰীয়া কুমাৰী–

থানয'মাৰ কথাৰ লগে লগে ৰেমাৰ উত্তেজনা বৃদ্ধি হবলৈ ধৰিলে। তাৰ উশাহ নিশাহৰ গতি খৰ হ'ল। থানয'মাই বুজি পালে তাৰ বুদ্ধিয়ে কাম দিছে। সি পুনৰ কৈ গ'ল– আমি আমাৰ সন্মান, আমাৰ মিজো জাতিটোৰ সন্মান, আমাৰ তিৰোতাৰ সন্মান নিজে ৰক্ষা কৰিব লাগিব। যদি কোনোবাই কাৰোবাক অসন্মান প্ৰদৰ্শন কৰে তেন্তে তাক নিৰ্মূল কৰাৰ আদেশ আমাৰ এম্ এন্ এফ-বোৰৰ আছে।

থানয'মাই কঁকালত গুজি থোৱা ৰিভলভাৰটো উলিয়াই আনিলে। সি ৰেমাক দেখুৱাই ক'লে– আমি এনেবোৰ অস্ত্ৰ ব্যৱহাৰ কৰিবলৈকো কুণ্ঠাবোধ কৰিব নালাগে। যদি কৰোও আমি গৰ্ব অনুভৱ কৰা উচিত যে নিজৰ জাতিৰ, নিজৰ তিৰোতা জাতিৰ সন্মান ৰক্ষাৰ কাৰণে, নিজা স্বাৰ্থ তল পেলাই মহৎ উদ্দেশ্যৰ বাবে কৰিছো। আমি অন্ততঃ দেশপ্ৰেমিকৰ দল।

থানয'মাই ৰেমাৰ উঠি অহা উত্তেজনাত ঘিউ ঢালিলে– কিমি আমাৰে এজনী ষোড়শী গাভৰু। আচাৰে ব্যৱহাৰে, বুদ্ধিয়ে বিবেচনাই, দেখাই শুনাই জাকত জিলিকা। তেনে এজনী গাভৰুৰ সন্মান ৰক্ষা কৰাতো আমাৰ ডেকাবোৰৰ কৰ্তব্য। তই– নহ'লে মই। তই এম্ এন্ এফ-ৰ হব বা নহব, কথা নাই। কিমিৰ সন্মান ৰক্ষা কৰাতো ডাঙৰ কথা। পু-ভটৰ দৰে ভৈয়ামৰ দগাবাজ মানুহ এটাই তাইক প্ৰলোভন দিছে। গাড়ী-মটৰ, চেহেৰা, চৰকাৰী ক্ষমতা আদি দেখি তাইৰ দৰে শান্ত নিচলা গাভৰু এজনী ভোল গৈছে। এই সকলোবোৰ মিলিয়েই ভট-বোলাটোৱে তাইৰ ওপৰত বেয়া ধৰণেৰে চকু দিবলৈ সুবিধা পাইছে। এতিয়া আমাৰ কাম হব–

ইতিমধ্যে ৰেমাৰ প্ৰায় কুৰি বছৰীয়া দেহাৰ তপত তেজৰ সোঁত আৰু উত্তেজনাই চৰম সীমা পালেগৈ। সি এতিয়া কিমিক আৰু দোষ নিদিয়ে। পু-ভট্ বোলাটোৱে তাইক লোভ দেখুৱাইছে। কিমিৰ দৰে নিচলা ছোৱালী এজনীক ঠগিবলৈ ওলাইছে। এতিয়া তাইক ইয়াৰ পৰা উদ্ধাৰ কৰাতো তাৰ কৰ্তব্য।

ৰেমাই উত্তেজিত ভাবে ক'লে– ক'–আমাৰ এতিয়া কি কাম হব? মই কি কৰিব লাগে?

থানয'মাই মুখত আঙুলি দি চেপা মাতেৰে ক'লে– মনে মনে, মনে মনে। এতিয়া আমাৰ

কাম হ'ব তিনি দিনৰ পাছত পু-ভটক লক্ষ্য কৰা। সি যদি কিবা বেয়া আচৰণ কিমিক কৰে তেন্তে আমি তাৰ প্ৰতিশোধ লম।

থানয়'মাই ৰেমালৈ তীক্ষ্ণ ভাবে চাই তাৰ মন বুজি ক'লে- মই ভাবিছো ময়ে কামটো কৰিম–

থানয়'মাই আশা কৰা দৰেই ৰেমাই তৎক্ষণাত কৈ উঠিল- পু- থ'ম! তই নালাগে। মই কৰিম। মই তাৰ প্ৰতিশোধ লম।

থানয়'মাই অলপ সময় ৰেমালৈ চাই থাকিল। তাৰ পাছত ক'লে- ঠিক আছে। তোকে দায়িত্বটো দিলো।

তাৰ হাতত থকা ৰিভলভাৰটো ৰেমাক দি সি ক'লে- এইটো ৰাখ। মনত ৰাখিবি তাইক কিবা বেয়া আচৰণ কৰিলেহে তই ইয়াক ব্যৱহাৰ কৰিবি–

ৰেমাৰ কাণত কথাষাৰ নোসোমাল। সি ৰিভলভাৰটো জিৰাকি বিদাৰি চাবলৈ ধৰিলে।

যোৱাৰ আগতে থানয়'মাই ৰেমাক ক'লে- তিনি দিনৰ পাছত মই টুইখুৰটোৰ আধামাইল পশ্চিমলৈ থকা ৰাস্তাটোৰ দাঁতিৰ কঠাল জোপাৰ কাষতে ৰাতি বৈ থাকিম। তোৰ অসুবিধা হ'লেই মোৰ ওচৰলৈ আহিবি।

মেকুৰীৰ দৰে নিঃশব্দে পিছফালৰ চাংঘৰৰ পৰা নামি নিশাৰ অন্ধকাৰত থানয়'মা লুকাই পৰিল।

তিনিদিনৰ দিনা ৰেমাই কিমিহঁতৰ ঘৰৰ ইফালে সিফালে দিনৰ দিনটো ঘূৰি ফুৰিলে। কেতিয়াবা কাষৰ মানুহকেইঘৰত বহিল, কেতিয়াবা আকৌ দোকান দুখনমানতে বহিল। দিনটো কিমিহঁতৰ ঘৰলৈ কান উনাই আৰু কেঁৰাকৈ চাই তাৰ চকু বিষাল। সকলো সময়তে সি কঁকালত চোলাৰ তলত পু য'মাই দিয়া ৰিভলভাৰটো গুজি ৰাখিলে।

যোৱা দুদিনে ৰেমা এক আশ্চৰ্য চট্ফটনিত কটাইছে। তাৰ মগজুত থানয়'মাই এটা অদ্ভুত বীজ সিঁচি থৈ গৈছে; দুদিনতে সি লহপহকৈ বাঢ়ি ৰেমাৰ মগজু ছাটি ধৰিছে। সি এম এন এফ-ৰ ৰোমাঞ্চকৰ ভাব ধাৰাত জংঘললৈ যাবলৈ মন মেলা দিন কেইটাৰ কথা মনত পেলালে। ডাকা আৰু ল'মাৰ লগত যাম বুলি ঠিক কৰিও সি আৰু ল'মা নগ'ল। তাৰত পাছত গাঁৱত হোৱা ঘটনা, ককায়েকৰ মৃত্যু তাৰ জেল- এই সকলোবোৰৰ বাবে ল'মাৰ দৰে ধীৰ ডেকাটোয়ো যুঁজ দিবলৈ গ'ল। এতিয়া সি এই না'গীয়াল গ্ৰুপ-চেন্টাৰটোত জেলতকৈ কোনোপধ্যে ভালদৰে থকা নাই। গাঁৱৰ সুখ-শান্তি, নিৰিবিলি পৰিৱেশ ইয়াত নাই। মন খুলি সি কাৰো লগত এষাৰ কথাও পাতিব পৰা নাই। পিটাৰ লালজীকা আৰু থুৱালাক সি মাজে মাজে লগ পাইছে। থুৱালাই তাৰ পাৰিয়ালক জুম খেতিত সহায় কৰিছে। লালজীকাৰ কিন্তু এটা কথা স্পষ্ট। অহাবাৰ সি আইজল'লৈ যাব আৰু পঢ়া-শুনা কৰি হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা দিব। সি লগ পালেই ৰেমাকো পৰীক্ষা দিয়াৰ কথা ক'বলৈ ধৰিলে। সেই কথাৰ পৰাই ৰেমাই তাৰ লগ সিমান নোলোৱা হ'ল। তাৰ পঢ়া-শুনাৰ স্পৃহা আৰু নাই। সি মাজে মাজে খুমীক লগ ধৰিছে। কিন্তু থানমাইয়া আহিলেই সি লাহে লাহে আঁতৰি পৰে। সি দুদিনমান কিমিৰ ওচৰলৈকো গ'ল। পিছে কিমিয়ে তাৰ প্ৰতি কোনো ধৰণৰ আগ্ৰহেই নেদেখুৱালে।

ঠিকেই, পু থানয'মাই কোৱা কথাই ঠিক। আত্ম-সন্মান থকা মানুহ এনেদৰে জীয়াই থাকিব নোৱাৰে। এইবোৰ গোলামি মানুহৰ চিন। সি গোলামিৰ দাসত্বত বন্দী হৈ থাকিব নোৱাৰে। নিজৰ আৰু সমাজৰ বাবে থানমইয়াহঁতৰ দৰেই কিবা কৰিব। সিয়ো এম্ এন্ এফ ত যোগ দিব।

সন্ধিয়াৰ আগতে সি থুৱাঙীৰ ঘৰলৈ আহিল। তাতে ভাত এমুঠি খাই আন্ধাৰ হৈ অহাৰ লগে লগে কাৰ্ফিউৰ মাজেৰে টহলদাৰী মিলিটাৰীৰ চকুত ধূলি দি সি কিমিহঁতৰ ঘৰৰ পিছফাল পালেহি। সি তাহানিও ভবা নাছিল কাৰ্ফিউৰ মাজেৰে ইমান দক্ষতাৰে কোনোবাই চলা ফুৰা কৰিব পাৰে বুলি। তাৰ নিজৰে ভাল লাগিল। সি কিমিহঁতৰ ঘৰটোৰ খিৰিকিৰ কাষলৈকে থকা গছ এডালত নিঃশব্দে উঠিবলৈ ধৰিলে। খিৰিকিৰে ঘৰটোৰ বহা কোঠাটোলৈকে দেখাকৈ ফেৰেঙনী এডাল বাছি ললে। সি তাতে বহি বহা কোঠাটোলৈ চাবলৈ ধৰিলে।

এঘন্টামানৰ পাছত আগে-পিছে এছকৰ্টৰ গাড়ী লৈ পু ভট্ য'ৰামথাঙাৰ ঘৰৰ আগত ৰ'লহি। কিমিহঁত যেন ভট্টাচাৰ্যৰ বাবেহে বৈ আছিল। সিহঁত সকলোৰে মুখত আনন্দৰ হাঁহি।

ৰেমাই দেখা পালে ভট্টাচাৰ্য পু-থাঙাৰ সমুখতে বহিছে। অলপ আঁতৰতে কিমিয়ে হাঁহি মুখেৰে পু-ভটৰ মুখলৈ একান্ত ভাবে চাই আছে। পু-ভটে ক'লে– পু-থাঙ, এটা সুখবৰ আছে।- কিমিৰ স্কুলৰ ছিট্ ফেন্ট-মেৰিজতে পোৱা গ'ল। এতিয়া ছিলঙলৈ যোৱাৰ আয়োজন কৰাহে কথা।

য'ৰামথাঙাই হাঁহিলে। তেওঁ সুখী হোৱা দেখা গ'ল। তেওঁ ক'লে– পু-ভট্। আপোনাক বহুতো ধন্যবাদ। আপোনাৰ কাৰণেই সকলো হৈছে। আপুনি এইবোৰ নকৰা হ'লে মই ইয়াৰ পৰা একোৱেই কৰিব নোৱাৰিলো হয়।

পু-ভটে হাঁহি মাৰি ক'লে– চাওক, এইটো মোৰ কৰ্তব্য আৰু আনন্দও। কিমিৰ দৰে চোকা আৰু বুদ্ধিমতী ছোৱালী এজনী এনেদৰে অপচয় হৈ থকাটো মই নিবিচাৰো। তাইৰ কিবা এটা ভাল হ'লে আমাৰ সকলোৰে বাবে ভাল।

কথাবোৰ শুনি ৰেমাই পু-ভটৰ মতলব একো ধৰিব নোৱাৰিলে। কিন্তু কিমিক তেওঁ গাঁৱৰ পৰা লগতে তাৰ কাষৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা কৰিছে। ৰেমাৰ হঠাতে ধাৰণা হ'ল পু-ভটে বেছ চালাকী কৰিছে। তাইক ছিলঙলৈ নি কি কৰিব খুজিছে ঠিক নাই। তাৰ মূৰত বেয়া ভাব কিছুমানে পাক-ঘূৰণী খাবলৈ ধৰিলে। তাৰ পাছত হোৱা কথা বাৰ্তাবোৰ তাৰ কাণত নোসোমাল। অলপ পাছতে সি দেখিলে পু-ভট্ বহাৰ পৰা থিয় দি কিমিৰ লগত হেণ্ডছেক কৰিছে। তেওঁৰ বাওঁ হাতটোৱে কিমিৰ কান্ধখনত যেন খামুচি ধৰিছে। তেওঁ কিমিৰ চকুলৈ চাই হাঁহি হাঁহি কিবা কৈছে।

ৰেমা অধৈৰ্য হৈ পৰিল। সি ৰিভলভাৰটো ভট্টাচাৰ্যৰ ফালে টোৱাই ধৰিলে। ট্ৰিগাৰটো দুবাৰ সজোৰে টিপি দিলে। সি মন কৰিলে পিছৰ বাৰত পু-ভটে বুকুত হাত দি ঢলি পৰিছে।

ৰেমা তৎপৰ হৈ উঠিল। সি গছজোপাৰ পৰা জাঁপ দি মাটিত পৰিল। লগে লগে পাহাৰৰ ঢালটোৰে তীব্ৰ বেগেৰে চোঁচৰিবলৈ ধৰিলে। সি মন কৰিলে ঘৰবোৰৰ কাষৰ পৰা মিলিটাৰী কেইটামানে সি চোঁচৰি আহি থকাৰ ফালেই আন্ধাৰতে কেইজাইমান গুলি এৰিছে। তাৰ গাত কিন্তু এটাও গুলি নালাগিল।

সি চোঁচৰি চোঁচৰি পাহাৰটোৰ নামনি পালেগৈ। তাৰ পৰা সি গছ-বনৰ মাজে মাজে প্ৰাণটাকি দৌৰিবলৈ ধৰিলে।

টুইখুৰৰ আধামাইলমান পশ্চিমৰ কঠাল জোপাৰ তলতে থানয'মা পাঁচোটামান মানুহৰ লগত বৈ আছিল। তাৰে তিনিটাৰ বুকুৱে পিঠিয়ে বন্দুক বাৰুদৰ বোজা। বাকী দুটা ৰেমাৰ দৰে সাধাৰণ পোছাকৰ। অন্ধকাৰত সিহঁত দুটাৰ মুখ ৰেমাই পৰিষ্কাৰকৈ ধৰিব নোৱাৰিলে। সিহঁতৰ এটা আছিল থুৱালা আৰু আনটো আছিল থানমইয়া– খুমীৰ য়াঙাইজঙ।

*ক্ৰমশঃ*





# 'মই' পৰ্ব

গৰিমা হাজৰিকা

অ' মইনা কোন বিধাতাই সৃজিলে দুই আখৰীয়া নামটি। মইনা ...................। 'ম' আৰু 'হ্ৰস্বই' এই আখৰ দুটা লগ লাগি যিটো শব্দ হয়– তাৰ পৰাক্ৰমৰ তুলনা নাই। 'আ'কাৰ 'ই'কাৰ নথকা এই শব্দটোৰ ইমান মহিমা, কৈ শেষ কৰাটো টান। 'মোৰ' আৰু 'মোক' বোলা শব্দ দুটাৰো 'মই' বোলা শব্দটোৰ সমানেই শক্তি। 'মই' ভীম, হনুমানৰ দৰে মহাবলী নহব পাৰো–অন্তৰ্যামী ভগৱানো 'মই' নহয়, – কিন্তু 'মই' যিটো কথা মনেৰে ভাবো তাকেই হয়। 'মোৰ' ল'ৰাটোৰ বয়স মাত্ৰ দুই বছৰ–কান্দন কাতন মুঠেই নাই,– এতিয়াৰ পৰাই তাৰ টেক্নিকেল ব্ৰেইন, প্লাগ, Screw লৈ খেলি থাকে। 'মোৰ' ছোৱালীজনী মাত্ৰ বছৰহে হৈছে বুজিছে, টি ভি দিবই নোৱাৰি– কি নাচে সেইজনী –এজনী হব আৰু। 'মই' 'মোৰ' নিজৰ ছোৱালী বুলি কোৱা নাই, তাইৰ মাত্ৰ পাঁচ বছৰ, কি সুন্দৰ ছবি আঁকে। প্লাচিকেল নাচটো, তাই তৎক্ষণাত তোলে। তালৰ জ্ঞান সাংঘাতিক। 'মোৰ' ল'ৰাটো 'ডিবেট' আৰু চুইমিংঅত অল ইণ্ডিয়া লেভেল। 'মই' যে ইমান অঁকৰা কিছুমান কথা বুজিকে নেপাওঁ। 'মই' যদি ৰাতিপুৱা গা-পা ধুই গীতাখন নপঢ়ো–দিনটো এনেয়ে যোৱা যেন লাগে। 'মই' আকৌ গধূলি চাকি দি সদায় ভগৱানক ভাবো– পৃথিৱীখনত শান্তি আনা। 'মোক' আকৌ সকলোৱে কয় 'মই' বোলে কিতাপৰ পোক। 'মই' আকৌ উপন্যাস পঢ়ি ভাল নেপাওঁ, অলপ গধুৰ কিতাপ পঢ়িহে ভাল লাগে। 'মই' আকৌ দুখীয়াৰ দুখ দেখিলে থাকিব নোৱাৰো। 'মোৰ' যে ধনী দুখীয়াৰ স্বৰ্গ মৰ্ত্য প্ৰভেদ দেখিলে সদায় ভাবো, এনেকুৱা কিয় হ'ল। 'মই' জানে খোজনীয়া মগনীয়াক পইছাতো দিওঁৱেই, লগতে ল'ৰা-ছোৱালী কেইটাৰ কাপোৰ কানিও দিওঁ। বেয়া লাগে নহয়–আমাৰ ল'ৰা-ছোৱালীয়ে সলাই সলাই কাপোৰ পিন্ধে আৰু তাঁহাতৰ গা ঢাকিবলৈকে কাপোৰ নাই। 'মই' আকৌ দুখীয়া মানুহৰ বাবে খৰচৰ এটা অংশ থৈয়েই দিওঁ। 'মোৰ' Black money-ৰ কথা ভাবিলেই গাতো কিবা লাগে। 'মই' আকৌ এই বিষয়ত সাংঘাতিক কড়া। 'মোৰ' ঘৰলৈ পইছাটো নেলাগেই, খোৱা বস্তু আনিবলৈকো সাহস নকৰে। 'মোৰ' অফিচত কিমানে 'মোৰ' চকুৰ আগতে পইছা লয়– মোৰ ওচৰলৈ আহকচোন, জীৱন শেষ কৰি দিম। 'মোৰ' ঘৰত কৈ দিছো, ঠিক গধূলি ছয় বজাৰ লগে লগে ল'ৰা-ছোৱালী পঢ়াৰ টেবুলত বহিব লাগিব। 'মোৰ' ল'ৰা-ছোৱালীক 'মই' খুউব শাসনত ৰাখো। 'মোৰ' ছোৱালী বাজে কথাত নাই। 'মই' ভাবো ঘৰখনৰ পৰিবেশটোৱেই আচল। 'মোৰ' মতে ল'ৰা-ছোৱালীক সৰুৰে পৰা সমাজ আৰু দেশৰ প্ৰতি দায়িত্বৰ কথা ঘৰত শিকাব লাগে। 'মই' সেই কাৰণে ঘৰৰ পৰিবেশ যিমান পাৰো ভাল কৰিবলৈ যত্ন কৰো। 'মই' যে মানুহৰ বদ্‌নাম গাই ইমান বেয়া পাওঁ। 'মোৰ' ঘৰত যে পৰচৰ্চা নায়েই। 'মই' ভাবো মানুহৰ বেয়া কথাবোৰ কৈনো কি লাভ। 'ময়ো' ভাবো মানুহনো কেইদিন জীয়াই থাকিব, যি কেইদিন জীয়াই থাকে মানুহৰ কাৰণেই কাম কৰিব লাগে। 'মই' তাকেই ভাবো জীয়াই থকা কেইদিন আনন্দত থাকো। মানুহৰ উপকাৰ কৰো। 'মই' যে ছচিয়েল চাৰ্ভিচ কৰি ইমান ভাল পাওঁ। 'মোৰ' যে দুন্দ্ব কাজিয়া, খিয়লাখিয়লি মুঠেই ভাল নেলাগে। 'ময়ো' ভাল নেপাওঁ জানে। 'মোৰ' কেতিয়াবা এনেকুৱা কিছুমান ভাব মনলৈ আহে– 'মই' যদি লেখক হলোহেঁতেন্ বেছ নাম কৰিব পাৰিলোহেঁতেন। 'মোৰ' ডাক্তৰী পঢ়াৰ উদ্দেশ্যই হল মানৱ সেৱা। ইলেকট্ৰিচিটিৰ গণ্ডগোলবোৰ 'মই' অহাৰ পৰা কিছু ঠিক হৈছে। শিক্ষকৰ দায়িত্বৰ কথা 'মই' ভাল দৰে বুজি পাওঁ আৰু সেই কাৰণে 'মই' পঢ়াওঁতে কোনো ফাঁকি নিদিওঁ। 'মই' ভাবো চিনেমা Medium-টো এনে এটা Medium যাৰ দ্বাৰা সমাজক সচেতন কৰিব পাৰি। 'মই' কমাৰ্চিয়েল ছবি কৰি ভাল নেপাওঁ। 'মই' জানে ৰাজনীতিত নাই। 'মই' ভাবো পকনিয়া ৰাজনীতি কৰি দেশৰ কি উন্নতি কৰিব। 'মই' বুজিছে নীতিত আছো, দুৰ্নীতিত নাই। 'মোৰ' যদি পাৱাৰ থাকিলহেঁতেন 'মই' কৰাপ্‌চনৰ বিৰুদ্ধে যুঁজ দিলোহেঁতেন। 'মোৰ' এইবাৰ অধিবেশনৰ ভাষণটো ৰাইজে ভাল পাইছে। 'মোৰ' কথাটো হল সদায় সঁচাত থাকিবা। 'মই' হলো গান্ধীজীৰ পথত চলা মানুহ। 'মই' এইবাৰ ইলেকচনত উঠাৰ উদ্দেশ্য হল ইহঁতৰ দুৰ্নীতিৰ বিৰুদ্ধে কাম কৰা। 'মই' কেৱল দুখীয়াৰ দুখ দূৰ কৰিবলৈ উঠিছো। অশিক্ষিতক শিক্ষাৰ সুবিধা দিবলৈকে 'মোক' পাৱাৰ লাগে। বিজুলী বাতিৰ পোহৰ নোপোৱা- ৰাস্তা পদূলি নথকা গাঁওবোৰ দেখিলে 'মোৰ' চকুৰ পানী ওলায়। 'মই' কেৱল গাঁৱৰ ভাল হোৱাটো বিচাৰো। যেতিয়া গাঁৱৰ ৰাইজে বানপানীৰ কবলত পৰি মৰো জীউ কৈ বাচি থাকে– 'মোৰ' ৰাতি টোপনি নাহে। 'মই' এইবাৰ জিকিলেই বানপানীৰ পৰা ৰাইজক ৰক্ষা কৰিম। 'মই' ৰাইজৰ কাৰণে বাচি আছো- ৰাইজৰ কাৰণেই মৰিম। 'মই' ভেজালকাৰীৰ মুখা খুলিম। 'মই' দুখীয়াৰ কাৰণে ঘৰ, পানী, শিক্ষাৰ উপযুক্ত ব্যৱস্থা লম। 'মোৰ' উদ্দেশ্য ৰাইজৰ সেৱা।

বচ্ বচ্ হব হব আৰু কিমান শুনিম আৰু কিমান আছে। যদি 'মই' বোৰ ইমানেই ভাল- তেন্তে মানুহৰ পৃথিৱীত কোনে অৰাজকতাৰ সৃষ্টি কৰে? এই ভাল 'মই' বোৰটো কেতিয়াও নহয়। তেনেহলে কোনে? হাবিত থকা জন্তুবোৰেই পৃথিৱীৰ অশান্তিৰ মূল নেকি?

এটা কথা হ'ল নহয়– 'মই'টো 'প্ৰাত্যহিক' ভাল লিখো বুলিয়েই ভাবো– যদি 'তেওঁ', 'আপুনি', 'তেখেত', 'সিহঁতবোৰে' বেয়া পায়? তেতিয়াহলেতো- বেয়া পোৱা-পুহ, নমতা, নমতি আৰুতো বহু কথাই হব পাৰে– মৰা মৰি, কটাকটি। জিকিছতিৰ পৰাইতো খাণ্ডৱদাহ হয়। ■



**ৰচনা প্ৰতিযোগিতা**

# লোকপ্ৰিয় গোপীনাথ বৰদলৈ জন্ম-শতবাৰ্ষিকী

লোকপ্ৰিয় গোপীনাথ বৰদলৈ জন্ম-শতবাৰ্ষিকী উদযাপন কাৰ্যসূচীৰ অংশ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ বিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তিনিটা শাখাত অনুষ্ঠিত হব লগীয়া এই প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ বাবে নিৰ্ধাৰিত বিষয় কেইটি তলত দেখুওৱা হ'ল।

'ক' শাখা (অষ্টম শ্ৰেণীলৈ)

**বৰদলৈক মই যেনেদৰে জানো**

'খ' শাখা (নৱম শ্ৰেণীৰ পৰা প্ৰাক্-স্নাতক শ্ৰেণীলৈ)

**বৰদলৈৰ সপোনৰ সমাজখন**

'গ' শাখা (স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে)

**বৰ্তমান সময়ত বৰদলৈৰ আদৰ্শৰ প্ৰাসংগিকতা**

ৰচনা সমূহ অসমীয়া, বঙালী, বড়ো, হিন্দী বা ইংৰাজী ভাষাত লিখা হব লাগিব। প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ ৰচনা তিনিখনৰ বাবে শ্বিল্ড ট্ৰফী আদিৰ উপৰিও তলত দিয়া ধৰণে পুৰস্কাৰ আগবঢ়োৱা হবঃ

**প্ৰথম পুৰস্কাৰঃ ২,৫০০ টকা**
**দ্বিতীয় পুৰস্কাৰঃ ১,৫০০ টকা**
**তৃতীয় পুৰস্কাৰঃ ১,০০০ টকা**

ইয়াৰ উপৰিও প্ৰতিটো শাখাত প্ৰতিখন ৰাজ্যৰ প্ৰতিযোগী সকলৰ ভিতৰত শ্ৰেষ্ঠ ৰচনা পঠিওৱা গৰাকীলৈ ৫০০ টকাৰ বিশেষ পুৰস্কাৰ আগবঢ়োৱা হব। পুৰস্কাৰ বিজয়ী ৰচনা কেইখনৰ বাহিৰেও প্ৰতিটো শাখাৰ পাঁচখনকৈ উৎকৃষ্ট বুলি বিবেচিত হোৱা ৰচনাৰ লিখক সকললৈ প্ৰশংসা-পত্ৰ আৰু লগতে লোকপ্ৰিয় বৰদলৈ বিষয়ক কিতাপ তথা তেখেতে নিজে লিখা কিতাপৰ পেকেট উপহাৰ হিচাপে আগবঢ়োৱা হব।

প্ৰতিযোগিতাৰ বাবে দৈনিক প্ৰেৰণ কৰা বহু সংখ্যক ৰচনাৰ পৰা বুজা যায় যে এই প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যথেষ্ট উৎসাহ সৃষ্টি কৰিছে। এই উৎসাহৰ প্ৰতি লক্ষ্য ৰাখি আৰু বৰ্তমান পৰীক্ষা দি থকা একাংশ ছাত্ৰ-ছাত্ৰীৰ অনুৰোধ ক্ৰমে ৰচনা গ্ৰহণৰ শেষ দিন পিছুৱাই দিয়া হৈছে।

এতিয়া প্ৰতিযোগীসকলে নিজৰ নিজৰ ৰচনাৰ লগতে আন এখন কাগজত নিজৰ নাম, ঠিকনা, শিক্ষানুষ্ঠান আৰু শ্ৰেণী উল্লেখ কৰি শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ দ্বাৰা স্বাক্ষৰিত কৰাই লৈ সাধাৰণ ডাকযোগে লোকপ্ৰিয়ৰ জন্ম শতবাৰ্ষিকী দিন অহা ৬ জুন ১৯৯১ ইং তাৰিখ পৰ্যন্ত তলৰ ঠিকনাত ৰচনা পঠিয়াব পাৰিব। খামৰ ওপৰত 'ৰচনা প্ৰতিযোগিতা' বুলি উল্লেখ কৰিব লাগিব।

**সঞ্চালক, তথ্য আৰু জনসংযোগ বিভাগ, অসম, দিছপুৰ, গুৱাহাটী– ৭৮১০০৬**

OKDISCD